# শৰৎকালীন অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখঃ ১৪/০৯/২০২৩ বৃহস্পতিবাৰ

**(অসম বিধান সভাৰ শৰৎকালীন অধিবেশন, ২০২৩ ৰ দিনাংক ১৪ চেপ্তেম্বৰ, ২০২৩ ৰ কাৰ্য্যসূচী পূৰ্বৰ নিৰ্ধাৰিত সময় অনুসৰি পুৱা ০৯ঃ৩০ বজাত আৰম্ভ হয়)**

**মাননীয় অধ্যক্ষঃ** প্ৰশ্ন নং-৬১। শ্ৰী ৰেকিবুদ্দিন আহমেদ। ৰেকিবুদ্দিন আহমেদ ডাঙৰীয়া উপস্থিত নাই। তেখেতে জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াক authorize কৰিছে। supplementaryটো আপুনি কওঁক।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, সন্মানীয় বিধায়ক ৰেকিবুদ্দিন আহমেদ ডাঙৰীয়াৰ হৈ মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক সুধিব বিচাৰিছো। ইতিমধ্যে সমগ্ৰ অসমে সংখ্যালঘূ বৃত্তি কেলেংকাৰীৰ বিষয়ে জানে। এই বিষয়ে আৰক্ষী বিভাগ বা শিক্ষা বিভাগৰ ফালৰ পৰাই হওঁক, কিছু ব্যৱস্থা গ্ৰহণ কৰিছে। কিন্তু, সংখ্যালঘূ বৃত্তি কেলেংকাৰীৰ লগত যিসকল ব্যক্তি জড়িত সেই সকলৰ ক্ষেত্ৰত বৰ্তমান অৱস্থাত বিভাগে কি কি শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিছে? তেওঁলোকে কিমান টকাৰ কেলেংকাৰী কৰিছিল বা কিমান ছাত্ৰ-ছাত্ৰীৰ বৃত্তি তেওঁলোকে বিভিন্ন জনৰ নামত একাউন্টৰ পৰা উলিয়াই লৈছে, এই বিষয়ে বিতংকৈ আজিৰ তাৰিখত আমি নাজানো। আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিম যে সংখ্যালঘূ বৃত্তি কেলেংকাৰীত কিমান টকাৰ কেলেংকাৰী হৈছে আৰু ইয়াৰ লগত জড়িত সকলৰ ক্ষেত্ৰত বিভাগে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে?

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী, সংখ্যালঘু কল্যাণ ও উন্নয়ন ইত্যাদি) ঃ** অধ্যক্ষ মহোদয়, সংখ্যালঘূ ছাত্ৰ বৃত্তি আঁচনিৰ ক্ষেত্ৰত যি কেলেংকাৰী সংঘটিত হৈছিল, সেই গোটেই বিষয়টো CID ক চাবলৈ দিয়া হৈছে। CID য়ে ইয়াৰ তদন্ত কৰি আছে। যিখিনি কলেজ বা স্কুলৰ ব্যক্তি ইয়াত জড়িত আছে, তেওঁলোকক ইতিমধ্যে গ্ৰেপ্তাৰ কৰা হৈছে। গ্ৰেপ্তাৰ কৰা কিছুমান Principal, Head Masterএ High Court তappeal কৰিছিল। কেইজনমানৰ ক্ষেত্ৰত High Court এ stay কৰিছে। কিন্তু তেওঁলোকৰ বিৰুদ্ধে তদন্তটো চলি আছে।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ ...interruptions...

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)ঃ** অধ্যক্ষ ডাঙৰীয়া এটা supplementary........interruptions...

**মাননীয় অধ্যক্ষঃ** নালাগে আৰু supplementary.......interruptions...

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)ঃ** মই মাত্ৰ এটা কথা ক'ম। যিসকল কেলেংকাৰীৰ লগত জড়িত সেইসকলক পুলিচে গ্ৰেপ্তাৰ কৰিলে। তেওঁলোক জে'ললৈও গ'ল। কিন্তু তেওঁলোক ওলাই আহি আকৌ নিজৰ কৰ্মত যোগদান কৰিছে। এই বিষয়ে মাননীয় সংখ্যালঘূ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই শিক্ষা বিভাগৰ লগত যোগাযোগ কৰি কিবা ব্যৱস্থা কৰিছিল নে আহি থকা সময়ত কৰিব, এই বিষয়ে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী, সংখ্যালঘু কল্যাণ ও উন্নয়ন ইত্যাদি) ঃ** অধ্যক্ষ মহোদয়, যিসকল ব্যক্তিক CIDয়ে তদন্ত কৰি গ্ৰেপ্তাৰ কৰিছিল বা জে'ললৈ প্ৰেৰণ কৰিছিল, সেই সকল ব্যক্তিক আমাৰ বিভাগ তথা শিক্ষা বিভাগৰ তৰফৰ পৰা reinstate কৰা নাই। কিন্তু, তাৰ ভিতৰত কিছুমান Principal বা কৰ্মচাৰীয়ে হাইকোৰ্টত petition দিছে আৰু হাই কোৰ্টে তেওঁলোকক reinstate কৰিবলৈ দিছে। গতিকে, শিক্ষা বিভাগৰ ফালৰ পৰাই হওঁক বা সংখ্যালঘু বিভাগৰ ফালৰ পৰাই হওঁক , এই লোকসকলৰ ক্ষেত্ৰত আমি নিজাববীয়াকৈ একো কৰা নাই। যিসকল reinstate হৈছে তেওঁলোকক হাই কোৰ্টৰ আদেশ অনুসৰিয়েই reinstate কৰা হৈছে।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। প্ৰশ্ন নং ৬২। শ্ৰী আব্দুৰ ৰহিম আহমেদ।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ,(বৰপেটা)ঃ** অধ্যক্ষ ডাঙৰীয়া, যোৱা দুটা বিত্তীয় বৰ্ষত কেন্দ্ৰীয় চৰকাৰে সংখ্যালঘু কল্যাণ বিভাগত ২০২০-২১ চনত ৫,১৫৬ কোটি আৰু ২০২২-২৩ বৰ্ষত ১৬,১৩০ কোটি টকা মঞ্জুৰী দিছে। কিন্তু, ২০১৭-১৮ বৰ্ষৰ পিছত এতিয়ালৈকে অসমত, তথ্য অনুসৰি বৰপেটা জিলাত কোনো আঁচনি লোৱা নাই বা আৱণ্টন দিয়া নাই। পৰিতাপৰ বিষয় এই যে ২০২১ চনত আমি নিৰ্বাচিত হৈ অহাৰ পিছত প্ৰথমবাৰৰ বাবে আঁচনিবোৰ জিলাৰ পৰা অসম চৰকাৰলৈ প্ৰেৰণ কৰিছো। কিন্তু, এতিয়ালৈকে যোৰহাট, ধেমাজি, ডিব্ৰুগড়, হাইলাকান্দি, কামৰূপ, ওদালগুৰি, বাক্‌সা, বঙাইগাওঁ আদিকে ধৰি ১৭ খন জিলাই কোনো ধৰণৰ আঁচনিৰ প্ৰপোজেল দিয়া নাই। যোৱা বছৰ ৫০০০ কোটিৰ ওপৰত আৰু এই বছৰ ১৬০০০ কোটিৰ ওপৰত টকা কেন্দ্ৰীয় চৰকাৰে দিছে। এই বিভাগটো অন্ত্যত সোপা ঢিলা বিভাগ বুলি প্ৰমাণ হৈছে। গতিকে, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে কিমান দিনৰ ভিতৰত জমা নিদিয়া সেই ১৭ খন জিলাই আঁচনিবোৰ জমা দিব আৰু এই আঁচনিবোৰ জমা দিয়াৰ পিছত কিমান দিনৰ ভিতৰত আৱন্টন কৰি নতুন নতুন স্কুল বিল্ডিং, প্ৰেক্ষাগৃহৰ যি প্ৰস্তাৱ দিছো সেইবোৰ মঞ্জুৰী দিব?

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী, সংখ্যালঘু কল্যাণ ও উন্নয়ন ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্যসকলক যেতিয়াই লগ পাইছো বা বিধান সভাৰ ইয়াৰ আগৰ অধিবেশনতো কৈছোৱেই যে আমাৰ আঁচনিসমূহৰ প্ৰস্তাৱ জিলা সমূহৰ DC ৰ পৰা আহিব লাগে। সেই অনুসৰি আমাৰ মাননীয় বিধায়কসকলে DC সকলক দিছিল। কিছু সংখ্যক জিলাৰ DC য়ে দিছে আৰু কিছু সংখ্যকে দিয়া নাই। আমি DC সকলৰ লগত ইতিমধ্যে VC আৰু টেলিফোন যোগে আলোচনা কৰিছো। লগতে, বিভিন্ন সময়ত যেতিয়াই লগ পাইছো তেতিয়াই কৈছো । কিন্তু, আঁচনিসমূহ বেছি ভাগ জিলাৰ পৰাই অহা নাই। সেয়েহে আমিও দিব পৰা নাই। গতিকে, সেইবোৰ জিলাৰ DC সকলক আমি অতি সোনকালে আঁচনিসমূহৰ proposal দিয়াৰ বাবে কৈছো। তেওঁলোকে দিয়াৰ পিছত আমাৰ ইয়াত SLC হ'ব। ইতিমধ্যে দুখন SLC হৈ গ'ল। বাকীখিনিৰ কাৰণে আমি আকৌ SLC পাতিব লাগিব। SLC হোৱাৰ পিছত আমি সেইখিনি ভাৰত চৰকাৰলৈ প্ৰেৰণ কৰিম।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ,(বৰপেটা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে আপোনালোক অকণমান তৎপৰ হ'লেহে বাকী জিলাসমূহে আঁচনিখিনি সোনকালে দিব। কাৰণ ২০১৭-১৮ চনৰ পিছত এতিয়ালৈকে প্ৰত্যেক বছৰে ৫ হাজাৰ, ১৬ হাজাৰ কোটি টকা যদি কেন্দ্ৰীয় চৰকাৰে দিয়েই, তাৰ পিছতো আঁচনি ল'ব নোৱাৰাটো আপোনালোকৰ ব্যৰ্থতা বুলি ক'ব লাগিব।

মোৰ দ্বিতীয় supplementary টো হৈছে যে আপোনালোকে ইতিমধ্যে জানেই যে

CBI য়ে সংখ্যালঘূ বৃত্তিৰ যি কেলেংকাৰী, তাৰ কেচ তেওঁলোকে লৈছে। গোটেই ভাৰতবৰ্ষৰ ৮৩০ খন Institute fake বুলি দেখুৱাইছে। দুৰ্ভাগ্যজনকভাৱে অসমৰো ২২৫ খন fake Institute দেখুওৱা হৈছে। ইয়াত ১৪৪ কোটি টকাৰ ওপৰত কেলেংকাৰী সংঘটিত হৈছে। কেৱল fake Institute হ'লে আমি ধৰি ল'লোহেঁতেনে যে এইটো কিছুমান ব্যক্তিয়ে কৰিছে। কিন্তু, আমাৰ বেংক সমূহে কেনেকৈ সেই fake Institute সমূহ পৰীক্ষা নকৰাকৈ একাউণ্ট খুলি দিব পাৰিলে? গতিকে, এই ক্ষেত্ৰত চৰকাৰী বিষয়া আৰু বেংকৰ মেনেজাৰৰ পৰা কৰ্মচাৰীলৈকে তাত কি ধৰণে জড়িত হৈছে সেইটো জলজল পটপটকৈ ওলাই পৰিছে। সেয়েহে, মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব খুজিছো যে কোনো চৰকাৰী বিষয়া বা বেংকৰ মেনেজাৰ, কৰ্মচাৰী কোনোপধ্যেই যাতে এই দুখীয়া মানুহৰ ধন আত্মসাৎ কৰা বিষয়টোৰ পৰা সাৰি নাযায়, তাৰ কাৰণে আপোনালোকে কি ধৰণৰ তৎপৰতাৰে কাম কৰিব?

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী, সংখ্যালঘু কল্যাণ ও উন্নয়ন ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ইতিমধ্যে ক'লোৱেই যে CID য়ে এই বিষয়টো সম্পূৰ্ণৰূপে তদন্ত কৰি আছে। গতিকে, তেওঁলোকৰ তদন্ত সম্পূৰ্ণ হোৱাৰ পিছত আচলতে কিমান টকাৰ কেলেংকাৰী হ'ল, কিমানজন মানুহ ইয়াৰ লগত জড়িত আছে .....interruptions....

**শ্ৰী আব্দুৰ ৰহিম আহমেদ,(বৰপেটা)ঃ** চাৰ, CBIয়েহে তদন্ত কৰিছে, CID য়ে নহয়। মই ভাৱো আপোনালোকে সহযোগ নকৰি কেৱল CBI ৰ ওপৰত এৰি দিলে দোষীসকল হয়তো সাৰি যাব ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী, সংখ্যালঘু কল্যাণ ও উন্নয়ন ইত্যাদি)ঃ** বুজি পালো। অসম চৰকাৰে CID enquiry কৰিবলৈ দিছে। CID ক enquiry কৰিবলৈ দিয়াৰ পাছত তেওঁলোকে বিষয়টো details enquiry কৰি আছে। তাৰোপৰিও CBI য়ে এই গোটেই কথাখিনি ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত enquiry কৰি আছে। এই enquiry বিলাক সম্পূৰ্ণ হোৱাৰ পাছত আপুনি যিটো কৈছে যে কোনো মানুহ সাৰি যাব নোৱাৰে, তেনেদৰে কোনেও সাৰি যাব নোৱাৰে। যিসকল মানুহ তেনেকুৱা দূৰ্নীতিত লিপ্ত আছে তেনেকুৱা মানুহ কেতিয়াও সাৰি যাব নোৱাৰে। এই কথাখিনি মই আপোনাক আস্বস্ত কৰিছো যে CID আৰু CBI য়ে জোৰদাৰ তদন্ত কৰি আছে। গতিকে ইয়াত জড়িত কোনো মানুহ সাৰি যাব বুলি কোনো চিন্তা কৰিব নালাগে।

ইয়াত আপুনি দুটা supplementary কৰিছে যে আমি তৎপৰ হ'লেহে জিলা বিলাকৰ পৰা আঁচনিসমূহ আহিব। কিন্তু মই আপোনাকে জনাব খুজিছো যে আমি তৎপৰ হৈয়ে আছো। এতিয়া মাননীয় সদস্য সকলৰো এটা কৰ্তব্য আছে।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ, (বৰপেটা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি বৰপেটাৰ পৰা প্ৰায় ৬ মাহ মান আগতে আঁচনি পঠাই দিছো। বাকী জিলাসমূহৰ পৰাও আপোনালোকে যদি তৎপৰতাৰে সেইসমূহ দিয়ে তেনেকুৱা এটা নিৰ্দেশনা বিভাগৰ পৰা যাব লাগে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** আমি অকল নিৰ্দেশেই নহয় আমি তেওঁলোকৰ লগত video conference কৰিছো, ব্যক্তিগতভাৱে কথা পাতিছো আৰু আমাৰ মাননীয় দুই এজন বিধায়কক যেনে -দূৰ্গাদাস বড়ো, মোক বাৰে বাৰে তেওঁৰ এখন কলেজৰ বিষয়ে কৈ থাকে। তেওঁৰ দৰে

বাকী যিসকল বিধায়কে তেওঁলোকৰ কথাসমূহ কয়, মই তেওঁলোকৰ লগতো কথা পাতি আছো। আপোনালোক যিহেতু একো একোজন মাননীয় বিধায়ক, আপোনালোকে আপোনালোকৰ জিলা সমূহত ক'ব, এই আঁচনিসমূহ সোনকালে দিয়াৰ বাবে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী মিছবাহুল ইছলাম।

**শ্ৰী মিছবাহুল ইছলাম লস্কৰ, (বৰখলা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত যেতিয়া MSDP আছিল তেতিয়া কিছুমান আঁচনি লোৱা হৈছিল। মই যিটো কৈছো যে construction of ACR at Damthora L.P.School, তাৰ মাত্ৰ signboard খনহে আছে, বাকী একো নাই। তেনেদৰে মোৰ সমষ্টিত যিমান কাম আছে সকলোবোৰ আধৰুৱা হৈ আছে। মাজতে মই District Administration ৰ লগত কথা পাতিছিলো আৰু তেওঁলোকে কৈছিল যে এই কামসমূহ কৰাই দিব। তেওঁলোকে কিছুমান কাম কৰিছে কিন্তু প্ৰায় ৯০ শতাংশ কাম এনেই পৰি আছে। আপুনি এইটোৰ ওপৰত এটা special enquiry কৰক আৰু ইয়াৰ ওপৰত ব্যৱস্থা লওঁক।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বহু ঠাইত তেনেকুৱা হৈছে। সেই সময়ত যিসকল বিধায়ক আছিলে তেওঁলোকে এইবিলাক Construction Committee কৰি দিছিলে আৰু কামবিলাক আৰম্ভ কৰি দিছিলে। তেনেকুৱা বেছিভাগ কামেই আধৰুৱা হৈ আছে।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিধায়কসকলে Construction Committee কৰা নাছিলে। উপায়ুক্তই টেণ্ডাৰ পাতি দিছিল। মন্ত্ৰী ডাঙৰীয়াই এই কথাটো clear কৰি দিব লাগে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়,যিখিনি সৰু সৰু আঁচনি আছিল তাত Construction Committee কৰা হৈছিল। আমাক বিভাগে এই কথা জনাইছে। যদি কৰবাত হোৱা নাই তেনেহ'লে মই নাজানো।

**শ্ৰী আবুল কালাম ৰচিদ আলম, (গোৱালপাৰা) ঃ** যদি আপোনাৰ হাতত তথ্য নাই তেনেহ'লে আমাক এনেই কিয় কৈ আছে? --------হুলস্থুল--------দায়সৰা মন্তব্য নিদিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়,আমি দেখিছো যে কিছুমান ঠাইত Construction Committee কৰিছে, কিছুমান ঠাইত DC ৰ under ত হৈছে। আপোনালোকেও এই কথাটো জনা উচিত যে জিলাত minority বিভাগত MSDP আঁচনি নাই। এইটো District Level Committee ত এখন হয় আৰু সেই কমিটিতো আমাৰ মাননীয় বিধায়ক সকল সদস্য হয়। এইয়া যিবিলাক আঁচনি অসম্পূৰ্ণ হৈছে সেইসমূহ সম্পূৰ্ণ হ'ব লাগে। সম্পূৰ্ণ নহ'লে utilization certificate দিয়া নাযাব আৰু utilization certificate দিব নোৱাৰিলে ভাৰত চৰকাৰে ইয়াৰ টকাটো নিদিব। আমাৰ অন্য কথাটো হৈছে যে যিসমূহ Minority model school হৈছে তেনেকুৱা ২১ খন স্কুল চলি আছে। একোখন স্কুলত প্ৰায় ৩০ কোটিতকৈ বেছি টকা আছে। এনেকুৱা প্ৰায় বেছিভাগ স্কুলেই যেনে - হাইলাকান্দিৰ যিখন স্কুল এই স্কুলসমূহৰ কামবিলাক অতি লেহেমীয়া হৈছে। মাত্ৰ দুখন স্কুলৰ কাম ভাল হৈছে। বিলাসীপাৰা স্কুলখনৰ কাম ভাল হৈছে। কলেজসমূহৰ কামো লেহেমীয়া হৈছে। সেইদিনা বসন্ত দাস আৰু দলগাওঁ সমষ্টিৰ বিধায়কো আছিল। আমি তাত কলেজ এখনৰো আধাৰশিলা স্থাপন

কৰিলো। কিন্তু সেই কামো লেহেমীয়া হৈ আছে। আমি ঠিকাদাৰ সকলক কামবোৰ সোনকালে কৰিবলৈ কৈছো ।

**শ্ৰী নুৰুল হুদা, (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্য চৰকাৰে ১০ শতাংশ ধন নিদিয়াৰ কাৰণে ৬ বছৰ ধৰি আঁচনিবিলাক পৰি আছে। আজিও সম্পূৰ্ণ কৰা নাই। ৰাজ্য চৰকাৰে যি ১০ শতাংশ দিব লাগে এইটো কেতিয়া দিব, সেইটো মন্ত্ৰী মহোদয়ে জনাওক।

**মাননীয় অধ্যক্ষ ঃ** Question N0-63, শ্ৰী জাকিৰ হুছেইন লস্কৰ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়,উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী জাকিৰ হুছেইন লস্কৰ, (হাইলাকান্দি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, জিলা আয়ুক্ত এই কমিটিৰ চেয়াৰমেন আৰু আমি তিনিজন বিধায়ক এই কমিটিখনৰ সদস্য আছিলো। এখেতৰ লগত কথা পাতোতে জনালে যে ফাণ্ড নাই। এই প্ৰশ্নটো আমি আগতেও কৰিছিলো। যোৱাকালি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক মই লগ ধৰি এই বিষয়ে আলোচনা কৰিছিলো। মোৰ এটা মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ যে মুখ্যমন্ত্ৰী মহোদয়ৰ লগত কথা পাতি সোনকালে এই সমস্যাটো সমাধান কৰিব লাগে। ইয়াত এতিয়া জৰাজীৰ্ণ অৱস্থা হৈ আছে, half done অৱস্থাত আছে, যাৰবাবে বহুত অসুবিধা হৈছে।

ইয়াৰ লগতে আমাৰ আন এটা অনুৰোধ হৈছে গুৱাহাটীত হজ ভৱন নাই যাৰ বাবে হজযাত্ৰী সকলৰ যথেষ্ট অসুবিধা হয়। মন্ত্ৰী মহোদয়ে ইয়াৰ ওপৰত কিবা পদক্ষেপ ল'ব নেকি?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাক জিলা আয়ুক্তই জনোৱা মতে তেওঁ হাইলাকান্দি জিলাৰ লোকনিৰ্মাণ বিভাগৰ এই সম্পৰ্কত Joint Executive Engineer ক এই হজ ভৱনৰ চাৰিসীমাৰ দেৱাল, মাটি ভৰোৱা কাম, আচবাব আদিৰ কাৰণে কৈছে। গতিকে আয়ুক্তই কোৱা ধৰণে কামখিনি সম্পূৰ্ণ হ'লে আমি ভৱনটো মুকলি কৰিব পাৰিম।

**শ্ৰী জাকিৰ হুছেইন লস্কৰ, (হাইলাকান্দি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি জিলা আয়ুক্ত আৰু Joint Executive Engineer ৰ লগত কথা পাতিছো কিন্তু তেওঁলোকে কৈছে ফাণ্ড নাই যাৰ কাৰণে তেওঁলোকে কামটো কৰিব পৰা নাই। মই সেইবাবে আপোনাক অনুৰোধ জনাইছো লগতে যোৱাকালি মই মুখ্যমন্ত্ৰী ডাঙৰীয়াকো অনুৰোধ জনাইছো। গতিকে আপুনি যদি এই সম্পৰ্কত কিবা পদক্ষেপ লয় তেতিয়াহ'লে এই সমস্যাটো সমাধান হ'ব।

লগতে গুৱাহাটীৰ মুছাফিৰখানাত আপুনি নিজে দেখিছে যে কি অৱস্থাত হজ যাত্ৰী সকল থাকে। তাৰবাবে আপোনাৰ কোনো plan আছে নেকি?

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটীত যিটো হাজি মুছাফিৰখানা আছে তাৰ কাৰণে আমাৰ existing কোনো plan নাই কিন্তু তাৰবাবে হজ কমিটিৰ পৰা আমাৰ চেয়াৰমেন নেকিবুৰ জামান ডাঙৰীয়াই কৈ আছে যে আদাবাৰীত হজ ভৱনৰ বাবে এটুকুৰা ডাঙৰ মাটি আগতে দিয়া আছে। তেখেতে মোক এই কথাটো অনুৰোধ জনাইছে। গতিকে পুঁজি সাপেক্ষেহে সকলো ব্যৱস্থা কৰিব পৰা যাব। তাৰ ওপৰিও কথাটো হৈছে যে- পইচাৰ কমতী নাই, পইচা আছে । আচলতে ইউ.চি খিনি দিব নোৱাৰা কাৰণে পইচা পোৱা নাই । বেছিভাগ জিলাৰ পৰা ইউ চি পোৱা নাই । ইউ চি দিব পৰা নাই কাৰণ কামবিলাক হাফডান কৰি থৈছে । সেই কাৰণে মাননীয় সদস্যসকলক এটা কথা মই অনুৰোধ কৰিম নিজৰ ঠাইত যিখিনি কাম হাফডান হৈ আছে সেইখিনি যাতে আপোনালোকে তদাৰক কৰে । কাৰণ আমি জিলাক তদাৰক কৰিবলৈ

দিয়াত অসুবিধা আছে কাৰণ আমাৰ মাইনোৰিটি ডিপাৰ্টমেন্টৰ কোনো জিলাতে ডিষ্ট্ৰিক্ট অফিছ নাই । গতিকে সন্মানীয় বিধায়কসকলে যদি তদাৰক কৰে নিশ্চয় ভাল হ'ব । এইবাৰ আমি ডিচিসকলক কৈছো যে স্কীমবিলাক আগৰ দৰে দিব নালাগে। এটা ক্লাছ ৰুম, এটা এডিশ্যনেল ক্লাছ ৰুম এইবিলাক দিব নালাগে । যদি দিব লাগে স্কুলখনে দিয়ক যি লাগে।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** ইউ চি দিয়া নাই বুলি কৈছে, আমি ধৰিব পৰা নাই ইউ. চি দিয়াৰ দায়িত্বটো কাৰ ছাৰ ?

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী, সংখ্যালঘু উন্নয়ণ ইত্যাদি) ঃ** ইউ চি দিয়াৰ দায়িত্ব গৰ্ভমেন্টৰ। ডি চিয়ে যেতিয়া কাম কৰা চাৰ্টিফিকেট দিব তেতিয়া হ'ব। আমাৰ বৰ্তমানৰ চৰকাৰে নতুন স্কীম দিয়া নাই, কিন্তু ইউ .চি দিয়াৰ দায়িত্বটো ডিচিসকলৰ, এই ইউ.চি ২০০৮ চনৰ পৰা দিয়া নাই । ২০০৮ চনত বিজিপি চৰকাৰ নাছিল ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** এই বিলাক আৰু কি কথা ? ২০১৬ চনৰ পৰা ইউ. চি কিয় দিয়া নাই, তেতিয়াতো বিজেপি চৰকাৰ আছিল ? ২০১৬ চনৰ পৰা ২০২৩ এই আঠ বছৰে কিয় ইউ. চি দিব নোৱাৰিলে?

---হুলস্থূল- বাদ- বিবাদ--

**শ্ৰীজাকিৰ হুছেইন সিক্‌দাৰ, (সৰুক্ষেত্ৰী) ঃ** এটা কথাই কৈ আছে ইউ চি দিয়া - ইউ চি দিয়া নাই । যিসকল ডিচিয়ে ইউ চি দিয়া নাই সেইসকলৰ ওপৰত কিয় ব্যৱস্থা লোৱা নাই ?

**শ্ৰীসুজাম উদ্দিন লস্কৰ, (কাটলিচেড়া) ঃ** মানুহে কাম কৰি এতিয়াও টকা পোৱা নাই ।

--হুলস্থূল- বাদ- বিবাদ--

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী, সংখ্যালঘু উন্নয়ণ ইত্যাদি) ঃ** অধ্যক্ষ মহোদয়, আমি সকলো ডিচিকে ইউ চি দিয়াৰ বাবে কৈছো। বহুবাৰ কোৱা হৈছে ।

**শ্ৰীজাকিৰ হুছেইন সিক্‌দাৰ, (সৰুক্ষেত্ৰী) ঃ** আপোনালোকে গুৰুত্ব দিয়া নাই । ডিচিৰ ওপৰত ব্যৱস্থা লওঁক ।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** কেইজন অফিচাৰৰ ওপৰত একশ্যন লৈছে সেই কথাটো মন্ত্ৰীমহোদয়ে সদনক কওঁক ।

**শ্ৰীআশ্ৰাফুল হুছেইন, (চেঙা) ঃ** যদি ইউ চি আনিব নোৱাৰে চৰকাৰে ব্যৰ্থতা স্বীকাৰ কৰক ।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী, সংখ্যালঘু উন্নয়ণ ইত্যাদি) ঃ** অধ্যক্ষ মহোদয়, আমি সকলো ডিচিকে ইউ চি দিয়াৰ বাবে কৈছো।

-----হুলস্থূল- বাদ- বিবাদ-----

মই কৈ থাকোতে আপোনালোকে মাজতে মাত নিদিব। আপোনালোকে কওঁতেতো মই মাত দিয়া নাই, মই বহি দিছো। আপোনালোকে যদি ভাবে সকলো কথা আপোনালোকে জানে, গৰ্ভমেন্টতকৈও বেছি জানে । এইবিলাক কথা এনেকৈ নহয় । অলপ সদনৰ নিয়ম নীতিখিনি মানিব ।

**শ্ৰীআশ্ৰাফুল হুছেইন, (চেঙা) ঃ** আজি আঠ বছৰে ইউ চি দিব পৰা নাই । কাৰো ওপৰত একশ্যন নাই । কাম হাফডান হৈছে এই কথাতো হ'ব নোৱাৰে অধ্যক্ষ মহোদয় ।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** মন্ত্ৰী ডাঙৰীয়াৰ উত্তৰ একেবাৰেই বেয়া, ডিপাৰ্টমেন্টৰ বিষয়ে নাজানে তেখেতে ।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী, সংখ্যালঘু উন্নয়ণ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাইনোৰিটি ডিপাৰ্টমেন্টৰ কোনো ডিষ্ট্ৰিক্ট অফিছ নাই । আপোনালোকে কৈছে একশ্যন লওঁক।

কিন্তু যদি জিলা অফিছ থাকিলহেতেন আৰু তেও যদি নকৰিলেহেতেঁন আমি ডিষ্ট্ৰিক্ট অফিচাৰৰ ওপৰত একশ্যন ললোহেতেঁন। এতিয়া আমি উপায়ুক্তসকলক দায়িত্ব দিছো, তেওলোকে পাৰচিউ কৰি আছে । আমাৰ ডিষ্ট্ৰিক্ট লেভেলত এখন কমিটি থাকে তাত বিধায়কসকল মেম্বাৰ । গতিকে আপোলোকৰ দায়িত্ব আছে যে নিজৰ নিজৰ সমষ্টিৰ কামখিনি যাতে কম্পপ্লিট হয়। সেইখিনি আপোনালোকে চাব লাগে ।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো অতি গুৰুত্বপূৰ্ণ । কেন্দ্ৰীয় চৰকাৰৰ পুঁজি আহিছে । আমি ব্যয় কৰিব পৰা নাই বুলি মন্ত্ৰী মহোদয়ে উল্লেখ কৰিছে। গতিকে যিখিনি আঁচনি আছে সেইখিনিৰ ৰিভিউ কৰাটো প্ৰয়োজন হৈছে । আৰু কিছুমান আঁচনি প্ৰয়োজন সাপেক্ষে ফ'ৰক্ল'জ কৰিব লাগে যাতে নতুন আঁচনিত বাধা নাহে। বহু বিভাগ আছে তাত বিষয়াও আছে কিন্তু ফাণ্ড এলোটমেন্ট নহয় । এই বিভাগটোত চৰকাৰে যথেষ্ঠ পুঁজি যোগান ধৰিছে গতিকে অন্য বিভাগৰ পৰা বা নতুন নিযুক্তি দি হ'লেও কামখিনি সোনকালে কৰিব লাগে । কামখিনি কৰিলে সকলোৱে উপকৃত হ'ব । এই পৰামৰ্শটো আপোনাৰ যোগেদি মন্ত্ৰী মহোদয়ক গ্ৰহণ কৰিবলৈ অনুৰোধ জনাইছো ।

**মাননীয় অধ্যক্ষ ঃ** অনাৰেবল্ মিনিষ্টাৰ ।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী, সংখ্যালঘু উন্নয়ণ ইত্যাদি) ঃ** অধ্যক্ষ ডাঙৰীয়া, সন্মানীয় বিৰোধী দলৰ দলপতিয়ে যিটো কৈছে এতিয়া পাৰচিউ কৰা বাবে কিছু জিলাৰ পৰা ইউ চি আহিছে । য'ৰ পৰা ইউ চি আহিছে তাত আমি বাকী থকা পইচা দিছো । ৰিভিউ আমি কৰি আছো

**মাননীয় অধ্যক্ষ ঃ** মিনিষ্টাৰ ডাঙৰীয়া আকৌ ৰিভিউ কৰিব।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী, সংখ্যালঘু উন্নয়ণ ইত্যাদি) ঃ** অধ্যক্ষ ডাঙৰীয়া, আমি আকৌ ৰিভিউ কৰিম ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)** ঃ অধ্যক্ষ মহোদয়, ডি চি সকলৰ এখন ৰিভিউ মিটিঙ পাতিব লাগে।

মাননীয় অধ্যক্ষ ঃ হৈছে , মন্ত্ৰী ডাঙৰীয়াই দায়িত্ব লৈছে । এতিয়া বহক আপুনি ।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী, সংখ্যালঘু উন্নয়ণ ইত্যাদি) ঃ** মাননীয় সদস্যসকলক মই মোৰ অফিছত মাতিছো কাৰ কি আছে , মই চাই দিম । আৰু এটা কথা অখিল গগৈয়ে যিটো বিভাগৰ বিষয়ে নাজানো বুলি অলপ আগতে কৈছে এই ক্ষেত্ৰত মই তেওঁক কওঁ তেওঁৰ চাৰ্টিফিকেট মোক নালাগে, কোনো প্ৰয়োজন নাই ।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)** ঃ মন্ত্ৰী ডাঙৰীয়াই সদনত বুঢ়া আঙুলি দেখুৱাইছে অধ্যক্ষ মহোদয়।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)** ঃ অধ্যক্ষ মহোদয় সদনত বুঢ়া আঙুলি দেখুৱাব নোৱাৰে। জ্যেষ্ঠ মন্ত্ৰী এজনে এইটো কৰাটো দুৰ্ভাগ্যজনক।

বিৰোধী দলৰ কটাক্ষ - শ্বেম ... শ্বেম ।

বিৰোধীৰ প্ৰতিবাদ

......হুলস্থুল - কাৰো মাত শুনা নাযায়।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং ৬৪। শ্ৰীঅজয় কুমাৰ ৰায়।

**ড° ৰনোজ পেগু, (শিক্ষামন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰীঅজয় কুমাৰ ৰায়, (বিজনী)** ঃ অধ্যক্ষ মহোদয়, মই উত্তৰ পাইছো যদিও বিজনী সমষ্টি শৈক্ষিক ভাৱে একেবাৰে পিছপৰা সমষ্টি। তেনে ক্ষেত্ৰত মই দেখিছো যে মোৰ সমষ্টিত প্ৰায় ৭২ স্কুল আছে য'ত single teacher য়ে স্কুল চলাই আছে। তেনে ক্ষেত্ৰত এল পি স্কুল বিলাক

যেতিয়া single teacher য়ে চলাই ratio হিচাপে ছাত্ৰ আৰু শিক্ষকৰ যিটো ratio সেই ratio হিচাপে একেবাৰে নিমিলে। তেনেক্ষেত্ৰত যদি আমি এল পি স্কুলৰ পৰা ছাত্ৰ জনক শিক্ষা দিব নোৱাৰো তেতিয়া গৈ ভৱিষ্যৎ তেওঁলোকে ভাল শিক্ষাটো নাপায়। যিহেতুকে আমি সকলোৰে জানো যে আজিৰ ছাত্ৰ বা আজিৰ শিশু কালিলৈ সমাজ বা দেশৰ ভৱিষ্যৎ। তেনেক্ষেত্ৰত আমি অলপ চিন্তা কৰিবলগীয়া হৈছে। যে এটা স্কুলত যদি single teacher থাকে তেওঁলোকে ইমানবোৰ subject কেনেকৈ শিকাব পাৰে বা কেনেকৈ শিকালে সেই জন ছাত্ৰই কেনেকৈ ভাল ৰিজাল্ট পাব পাৰেঙ্গ তেনেক্ষেত্ৰত আমি দেখিছো গৈ গৈ মাধ্যমিক পৰীক্ষা যেতিয়া হয় তেতিয়া আমাৰ ভাল ৰিজাল্ট নহয় বা উচ্চ মাধ্যামিক পৰীক্ষা যেত্যিা হয় তেতিয়া আমাৰ ৰিজাল্ট ভাল নহয়। তেনে ক্ষেত্ৰত আমি যিহেতু এতিয়া প্ৰতিযোগিতাৰ যোগ, সকলোৱে ভাল নম্বৰ পাব বিচাৰে আৰু ভাল নম্বৰ যেতিয়ালৈকে নাপায় তেতিয়ালৈকে সেই ছাত্ৰই কোনো প্ৰতিযোগিতাত বহিব নোৱাৰে। তেনেক্ষেত্ৰত যদি আমি একেবাৰে এল পি স্কুলৰ পৰা যদি সঠিক শিক্ষা দিব নোৱাৰো তেতিয়াহলে হয়তো সেই ছাত্ৰ বা সেইজন ছাত্ৰৰ ভৱিষ্যৎ একেবাৰে এন্ধাৰ হৈ যাব।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো কৰক।

**শ্ৰীঅজয় কুমাৰ ৰায়, (বিজনী) ঃ** মোৰ question টো এইটোৱে যে আচলতে এটা স্কুলত যদি এজন শিক্ষকে শিক্ষাদান কৰে তেতিয়াহলে কেতিয়াও সেই স্কুলৰ ছাত্ৰ-ছাত্ৰী সকলে সঠিক শিক্ষা নাপাব বুলি মই ব্যাক্তিগত ভাৱে অনুভৱ কৰো। এই যে rationalizationৰ কথাটো আহিছে, সেই কথাটো যিহেতু বহুত দিনৰ পৰা চলি আছে কিন্তু আজিলৈকে সমধান হোৱা নাই, কেতিয়ালৈকে সমধান হ'ব সেইটো মই মন্ত্ৰী ডাঙৰীয়াৰ পৰা শুনিব বিচাৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীঅজয় কুমাৰ ৰায়, (বিজনী) ঃ** লগতে আৰু এটা অনুৰোধ ৰাখিব বিচাৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** পিছত দ্বিতীয় supplementary কৰিব।

**শ্ৰীঅজয় কুমাৰ ৰায়, (বিজনী) ঃ** একেবাৰে কৈছো যে শিক্ষক সকলক কিছুমান সময়ত আমি দেখিছো যে শিক্ষক সকলক বিভিন্ন কামত নিয়োজিত কৰা হয়। যেতিয়া এখন স্কুলত এজনে শিক্ষক থাকে তেতিয়া যিটো আমি NRC ৰ সময়ত পাইছিলো যে সেই শিক্ষক বোৰক এন আৰ চি ৰ কামত লগোৱা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো কৰক। হ'ব please. Question টো চিধাচিধি কৰক।

**শ্ৰীঅজয় কুমাৰ ৰায়, (বিজনী) ঃ** স্কুলবোৰ একেবাৰে nill হৈ আছিল। তেনেক্ষেত্ৰত ছাত্ৰ-ছাত্ৰি সকলে শিক্ষাৰ পৰা বঞ্চিত হৈ আছে।

**মাননীয় অধ্যক্ষ ঃ** হ'ব please. শিক্ষকৰ অসুবিধা Question টো চিধাচিধি হ'ব লাগে। Hon'ble Minister.

**ডঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰাথমিক শিক্ষা বৰ্তমান সম্পূৰ্ণ ৰূপে ষষ্ঠ অনুসূচিমুক্ত বি টি চি প্ৰশাসনৰ অধীনত। তৎসত্বেও আমি শিক্ষা বিভাগে এটা সময় পাৰ কৰিলো য'ত zero teacher বুলি ইয়াৰ আগৰ বিধান সভাৰ অধিবেশনতে বিভিন্ন মাননীয় সদস্যই প্ৰশ্ন উত্থাপন কৰিছিল। কিন্তু আজি মই কব পাৰো যে আজি zero teacher বুলি কোনো বিদ্যালয় আমাৰ অসমত নাই। সকলোতে শিক্ষক প্ৰদান কৰা হ'ল। কিছুসংখ্যক শিক্ষক আছে য'ত এজন শিক্ষক আছে। আমি শিক্ষক বদলিকৰণ প্ৰক্ৰিয়াত এটা online প্ৰক্ৰিয়াৰ জৰিয়তে আবেদন কৰা আৰু শিক্ষক সকলৰ বদলিকৰণৰ কাম কৰি আছিলো আৰু যোৱা আগষ্ট মাহটোত

আমি এই কাম প্ৰথম প্ৰৰ্য্যায় সম্পূৰ্ণ কৰিছো। ১২০০০ শিক্ষকৰ বদলি কৰণ হৈছে, আৰু বললিকৃত শিক্ষক সকলক হয় replacement হিচাপে নহয় তেওঁলোকক শিক্ষকৰ নাতনি থকা বিদ্যালয়ত দিয়া হৈছে। এতিয়া আমি শিক্ষক বদলিকৰণৰ প্ৰক্ৰিয়াটো স্থগিত ৰাখি আমি rationalization প্ৰক্ৰিয়াটো আৰম্ভ কৰিলো আৰু তাৰেও প্ৰথমখন তালিকাত আমি অনুমোদন জনালো বিভিন্ন জিলাৰ পৰা যিবিলাক rationalization, rationalization মানে য'ত অধিক সংখ্যক শিক্ষক আছে তাৰ পৰা শিক্ষক বদলি কৰি জিলাখনৰ ভিতৰতে কম শিক্ষক থকা বিদ্যালয়ত শিক্ষক প্ৰদান কৰা আৰু এই rationalization প্ৰক্ৰিয়াটো দুৰ্গা পূজাৰ এক সপ্তাহ আগলৈ চলিব আৰু এই প্ৰক্ৰিয়াৰ ভিতৰত আমি জিলা খনৰ ভিতৰতে শিক্ষকৰ বদলা-বদলি কৰি এনেকুৰা এজনীয়া শিক্ষকৰ সমস্যা সমধানৰ কাৰণে জিলাৰ পৰা অহা প্ৰস্তাৱ খিনিক আমি অনুমোদন জনাম এই প্ৰক্ৰিয়াতো সম্পূৰ্ণ হ'ব। এইটো প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ লগে লগে আমি আকৌ শিক্ষক বদলিকৰণৰ যিটো প্ৰক্ৰিয়া আছে দুৰ্গা পূজাৰ আগে আগে তাৰো বদলিকৰণৰ আদেশ বিলাক উলিয়াম আৰু ইয়াৰ দ্বাৰা প্ৰণালীবদ্ধ ভাৱে আমাৰ বিদ্যালয়ত যি শিক্ষকৰ নাতনি আছে এই নাতনি দূৰ হ'ব। নতুন শিক্ষক নিযুক্তি ৰ ক্ষেত্ৰতো যিহেতু BTC ত বি টি চি প্ৰশাসনে শিক্ষকৰ নিযুক্তি কৰে 6th Schedule area মানে Autonomous Council য়ে কৰে এতেকে তাত বিশেষ TET পতাৰ যি আবেদন আছিল অসম চৰকাৰে ইতিমধ্যে বিশেষ টেট সম্পূৰ্ণ কৰিছে। গতিকে 6th Schedule প্ৰশাসনে শিক্ষক বাচনি কৰাৰ নিযুক্তি দিয়াৰ ক্ষেত্ৰত এতিয়া কোনো অসুবিধা সৃষ্টি নহ'ব। যি সমূহ proposal আহিছে আমি অনুমোদন জনাইছো। গতিকে অধিক সংখ্যক শিক্ষক তেওঁলোকে নিযুক্তি দিব পাৰিব আৰু অসম চৰকাৰে এইটো মাহৰ ভিতৰত নহলে অক্টোবৰৰ প্ৰথম ভাগতে শিক্ষকৰ নিযুক্তিৰ বিজ্ঞাপন প্ৰকাশ কৰাৰ কাৰণে সাজু কৰিছো। শিক্ষকৰ নাতনিৰ সমস্যা দূৰ হ'ব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰীঅজয় কুমাৰ ৰায়, (বিজনী)** ঃ অধ্যক্ষ মহোদয়, কথাটো ঠিকেই আছে, কিন্তু মন্ত্ৰী মহোদয়ৰ ওচৰত মোৰ বিশেষ অনুৰোধ থাকিব যিহেতু আমাৰ চিৰাং জিলা হিচাপে শিক্ষকৰ সংখ্যা অতিকৈ কম rationalization কৰিলেও তেনেকৈ আমি মিলাব পাৰিম বুলি মই নাভাৱো। এই চিৰাং জিলাৰ বহুত শিক্ষক অসমৰ বিভিন্ন ঠাইত এতিয়াও নিয়োজিত হৈ আছে তেওঁলোকে আহিব বিচাৰিছে। যদি NOC, যিহেতু BTC হয়, বি টি চি ৰ পৰা যদি NOC পাই তেওঁলোকে হয়তো rationalization প্ৰক্ৰিয়াৰ পৰা আহিব পাৰিব, তেনেক্ষেত্ৰত যদি মন্ত্ৰী মহোদয়ে অলপ সহায় কৰে তেতিয়াহলে মই ভাৱো যে আমাৰ এই জিলা খনৰ সমস্যা সমধান হ'ব।

**ড° ৰনোজ পেগু, (শিক্ষামন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যদি BTC প্ৰশাসনে NOC দিয়ে তেওঁলোকে No Objection Certificate দিলে এনে আবেদন সমূহ গ্ৰহণ কৰা হ'ব।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া প্ৰশ্ন নং ৬৫। ড০ ৰফিকুল ইছলাম।

**শ্ৰীনুৰুল হুদা, (ৰূপহীহাট)**ঃ ছাৰ, মোৰ Supplementary আছিল। শিক্ষা বিভাগৰ কথা, অসমৰ এটা সংস্থাই সমীক্ষা কৰি কৈছে ৩৭৬১ খন প্ৰাথমিক বিদ্যালয়ত এজনে শিক্ষক। য'ত ২৫০/৩০০ ছাত্ৰ-ছাত্ৰী আছে তাত এজন শিক্ষকে কি কৰিব? 30:1 টো কেতিয়া হ'ব?

(হুলস্থুল)

**মাননীয় অধ্যক্ষ** ঃ Question hour ত অসুবিধা কৰিব নালাগে।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)**ঃ ছাৰ, মোৰ positive প্ৰশ্ন এটা আছিল।

**মাননীয় অধ্যক্ষ** ঃ নাই, positive negative ইয়াত নাই। এইটো বিজনীৰ specific কথা।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)ঃ** ছাৰ, মাত্ৰ এটা প্ৰশ্ন আছিল।

**মাননীয় অধ্যক্ষ ঃ** আৰে, সবতে আপুনি ভাগ ল'ব আৰু অসুবিধা কৰি থাকিবঙ্গ Question hour সকলোৰে কাৰণে মূল্যবান। আপুনি নিজে value নিদিয়ে time টোৰ। এতিয়া ড০ ৰফিকুল ইছলাম।

**শ্ৰীবিমল বৰা, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰীআশ্ৰাফুল হুছেইন, (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে মোক Nominate কৰিছে। মহোদয়, দেখা গৈছে যে চেঙা সমষ্টিত এটি জ্যোতি-বিষ্ণু সাংস্কৃতি প্ৰকল্প sanction দিয়া হৈছিল আৰু সেই নিমিত্তে আমি ৬/৭ খন মান communication of Directoral, Cultural Affairs বা অন্যান্য তেওঁলোকৰ অফিচসূহৰ পৰা পাইছিলো। এতিয়া শেহতীয়াকৈ দেখা গৈছে যে এই জ্যোতি-বিষ্ণু সাংস্কৃতিক প্ৰকল্পৰ কাম-কাজৰ আৰম্ভ হোৱা নাই বা অগ্ৰগতি হোৱা নাই। আমি চিঠি পাইছিলো যে ২০২২-২৩ বৰ্ষৰ budgetary provisionত এইটো মঞ্জুৰী দিয়া হৈছিল চৰকাৰৰ বা বিভাগৰ অত্যাধিক বিত্তীয় নাটনি হৈছে নেকি যে যাৰ বাবে এই চেঙা সমষ্টিত এই জ্যোতি-বিষ্ণু সাংস্কৃতিক প্ৰকল্পৰ কাম কৰিব পৰা নাযাব নেকি? এই বিষয়ে মন্ত্ৰী মহোদয়ে খুব clearly জনাব।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীবিমল বৰা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম চৰকাৰৰ অসমৰ বিভিন্ন পইন্টত সৰ্বসাধৰণৰ ৰাইজৰ সাংস্কৃতিক বিকাশৰ অৰ্থে একোখন মঞ্চ দিয়াৰ উদ্দেশ্যে জ্যোতি-বিষ্ণু সাংস্কৃতিক প্ৰকল্প নিৰ্মাণৰ কাম আৰম্ভ কৰিছিল। সেই অনুসৰি অসমৰ প্ৰায় ২৯ টা প্ৰকল্পৰ কাম আমি হাতত লৈছিলো আৰু ১৪ টা প্ৰকল্পৰ কাম ইতিমধ্যে সমাপ্ত হৈছে। বাকী ১৫ টা প্ৰকল্প বিভিন্ন পৰ্য্যায়ত আছে আৰু সেই প্ৰকল্প সমূহৰ ভিতৰত বৰপেটা জিলাৰ চেঙা সমষ্টিতো এটা আৰু ১৪ টা প্ৰকল্পৰ কাম ইতিমধ্যে সমাপ্ত হৈছে আৰু বাকী ১৫ টা প্ৰকল্পৰ কাম বিভিন্ন পৰ্য্যায়ত আছে। আৰু সেই প্ৰকল্প সমূহৰ ভিতৰত বৰপেটা জিলাৰ চেঙা সমষ্টিটো এটা জ্যোতিবিষ্ণু প্ৰকল্প স্থাপন কৰিবৰ কাৰণে চৰকাৰৰ তৰফৰ পৰা উদ্যোগ গ্ৰহণ কৰা হৈছিল। কিন্তু পৰ্য্যাপ্ত পৰিমানৰ মাটি নথকাৰ কাৰণে সেই জ্যোতিবিষ্ণু প্ৰকল্প টো আৰম্ভ কৰিব পৰা নাই। তাৰ বাবে আমাৰ director ৰ তৰফৰ পৰা Deputy Commissioner, Barpeta লৈ ২০২২ চনৰ ২৭ জুলাই তাৰিখে এখন চিঠিও দিছে আৰু সেই project কোন স্থানত নিৰ্মাণ কৰা হ'ব এই সম্পৰ্কত স্থানীয় বিধায়ক গৰাকীৰ লগতো আলোচনা কৰি মাটিখিনি নিৰ্দ্ধাৰণ কৰি দিবৰ কাৰণে চিঠি লিখা হৈছে। ইয়াত কোৱা হৈছে, ডি চি ক কোৱা হৈছে You are requested kindly to identified and allot a suitable plot of land with good transport connectivity in favour of project consulting with the concern Hon'ble MLA, চেঙা। গতিকে ইয়াত কোনো পুঁজি আমাৰ কম হোৱা নাই। আমাৰ যেনে ধৰণে Administrative Approval হৈছে, তাৰ কাৰণে সকলো কাম চলি আছে। গতিকে চেঙা সমষ্টিৰ বিধায়ক ডাঙৰীয়া, আপুনি জিলা উপায়ুক্তৰ লগত কথা পাতি মাটিখিনি দি দিলে আমি চেঙাত জ্যোতিবিষ্ণু প্ৰকল্পৰ কাম আৰম্ভ কৰিব পাৰো।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, I am sorry to say that মন্ত্ৰী মহোদয়ক কোনোবাই ভুল তথ্যৰে পৰিচালিত কৰিছে। মাটি সম্পুৰ্ণখিনি দিয়া হৈছিল আৰু তাৰ চিঠি আপোনাৰ বিভাগে পাইছে, আৰু আপোনাৰ উত্তৰত কৈছে যে আপুনি Administrative Approval দিছে, কিন্তু Administrative Approval আপোনাৰ বিভাগে দিয়া নাই।

এই কথাটো মন্ত্ৰী মহোদয়ে সদনত ভুল তথ্য দিছে। কথাখিনি withdraw কৰিব লাগে।

**শ্ৰী বিমল বৰা, (মন্ত্ৰী)** ঃকোনো ভুল তথ্য নাই, আমাৰ Directorৰে মাটি দিবৰ কাৰণে জিলা উপায়ুক্তক ২৭ জুলাই ২০২২ চনত আপোনাৰ লগত কথা পাতি মাটি দিবৰ কাৰণে কোৱা হৈছে। আপুনি বিধায়ক হিচাপে চেঙা সমষ্টিত কাম কৰিবৰ কাৰণে ফেইল হৈছে।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা)** ঃ Annexure -1 ৰ ২৭ নং কলম চাওঁক তাতে আপুনি কৈছে পুঁজি নাই কাৰণে আপুনি এই কাম কৰিব পৰা নাই। Annexure -1 ৰ ২৭ নং কলমত ক্লিয়াৰলি লিখি থৈছে যে Administrative Approval could not be issued due to paucity of Budget Provision during 2022 and 23 আৰু তেখেতে কৈছে মাটিৰ কাৰণে। মাটি নাথাকিলে আপুনি Administrative Approval লৈ যায় নেকি?

**শ্ৰী বিমল বৰা, (মন্ত্ৰী)** ঃ আপুনি মাটি যেতিয়া দিব আপোনাৰ কাম হৈ যাব।

(সদনত হুলস্থুল)

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা)** ঃ মন্ত্ৰী মহোদয়, এবাৰ ক'ব পুঁজিৰ কাৰণে দিব নোৱাৰো।

**শ্ৰী বিমল বৰা, (মন্ত্ৰী)** ঃ আপুনি মাটি যেতিয়া দিব আপোনাৰ কাম হৈ যাব।

**মাননীয় অধ্যক্ষ** ঃ সন্মানীয় সদস্য আগতে শুনি লওঁক তাৰ পাছত আপোনাৰ উত্তৰটো দিব তৰ্ক কৰিব নালাগে। অলপমান কথা পাতা, আমাৰ অসমীয়া ভাষা ইমান বেয়া নেকি যে কথা পাতাৰ ঢং নাই। মন্ত্ৰী ডাঙৰীয়াই যিটো কৈছে, আপুনি যিখিনি তেওঁ ভুল তথ্য সেইখিনি নোট কৰি লওঁক আৰু তেখেত বহাৰ পাছত আপুনি ধুনীয়াকৈ উত্থাপন কৰক। কিন্তু দুয়োজনে এনেকৈ কৈ থাকিলে নহ'ব। কাজিয়া কৰি ইমান ভাল পালে কেনেকৈ হ'ব ? আকৌ ক'ব কাজিয়া শব্দটো বেয়া শব্দ।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা)** ঃ চাৰ, তেখেতে admit কৰিব লাগিছিল। যিখিনি লিখিত উত্তৰ দিছে, লিখিত উত্তৰৰ লগত তেওঁ কোৱা কথাখিনিৰ মিল নাই।

**শ্ৰী বিমল বৰা, (মন্ত্ৰী)** ঃ আপোনাক জ্যোতিবিষ্ণু প্ৰকল্প লাগেনে এনেকৈ কথা পাতিব?

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা)** ঃ চাৰ, মোক জ্যোতিবিষ্ণু প্ৰকল্প লাগে কাৰণে এই প্ৰশ্নটো উত্থাপন কৰা হৈছে।

**শ্ৰী বিমল বৰা, (মন্ত্ৰী)** ঃ যদি জ্যোতিবিষ্ণু প্ৰকল্প লাগে তেতিয়া হ'লে জিলা উপায়ুক্তক মাটি বিচাৰি আমি চিঠি দিছো। আপোনাৰ লগত কথা পাতি মাটি খিনি ঠিক কৰিবৰ কাৰণে দিয়া হৈছে। আপুনি যিদিনা মাটি দিব আমি চেংচন দি দিম।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা)** ঃ চাৰ, আমি মাটি দি দিছো, আজিৰ পৰা ১ বছৰ আগতে।

**শ্ৰী বিমল বৰা, (মন্ত্ৰী)** ঃ আপুনি কাগজখন আনি মোক দি দিয়ক। আপোনাক চেংচন দি দিম, আপোনাৰ কাম আৰম্ভ কৰি দিম।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা)** ঃ ঠিক আছে। এই বিষয়টো মোৰ কাৰণে কিয় গুৰুত্বপূৰ্ণ মই আপোনাক কেৱল দুটা বাক্য কৈ সম্পুৰ্ণ কৰিছো, যে মোৰ এই জ্যোতিবিষ্ণু সাংস্কৃতিক প্ৰকল্পৰ কাৰণে Directorate of Cultural Affairs ত ৫ দিন গৈছো। তেওঁলোকে কৈছে যে, ডিজাইন ৰেদি হোৱা নাই। PWDত ৪ দিন গৈছো, তেওঁলোকে কৈছে যে বিত্ত বিভাগত গৈছে। মই বিত্ত বিভাগত ২ বাৰ গৈছো, আৰু মন্ত্ৰীৰ ওচৰত এবাৰ গৈছো। যাৰ কাৰণে যে এইটো মোৰ কাৰণে এইটো গুৰুত্বপুৰ্ণ এইটো প্ৰয়োজন, মই বিচাৰিছো তেখেতে কৰি দিব লাগিব।

**মাননীয় অধ্যক্ষ** ঃ আপুনি মাটিৰ কাগজটো দি দিব। এতিয়া নন্দিতা দাস।

**শ্ৰী মতী নন্দিতা দাস, (বকো সমষ্টি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই যোৱা বিধান সভাত

কেইবাবাৰো মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছিলো যে মোৰ বকো সমষ্টিত এটা বিষ্ণুৰাভা অডিটৰিয়াম আছে বহুত বছৰ পুৰণি যিটো ড০ ভূপেন হাজৰিকাৰ নামত আছে। তেখেতক কৈছিলো যে এই অডিটৰিয়ামটো ৰিন'ভেশ্যনৰ কাৰণে টকা যদি দিয়ে অলপ কিছু কাম কৰিব পৰা যায়। তেখেতে অডমিটো কৰিছিল মই আজি সদনত আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে এই বিষ্ণুৰাভা অডিচৰিয়ামৰ কাৰণে কিছু টকা অনুমোদন দিব নেকি যাতে এই ঘৰটো যিটো ড০ ভূপেন হাজৰিকাৰ নামত আছে এতিয়াও সম্পুৰ্ণ হোৱা নাই ৩৫ বছৰ হৈ গ'ল এইটোৰ কাৰণে মন্ত্ৰী মহোদয়ে কিছু টকা অনুমোদন দিব নেকি?

**শ্ৰী বিমল বৰা, (মন্ত্ৰী)** ঃ হ'ব, এই ক্ষেত্ৰত আমি বিবেচনা কৰি আছো। আমাৰ পুঁজি সাপেক্ষে আপোনাক নিশ্চয় সহায় কৰিম।

**শ্ৰী মতী নন্দিতা দাস, (বকো সমষ্টি)** ঃ ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ, এতিয়া প্ৰশ্ন নং ৬৬ সুৰেন ফুকন।

**ডাঃ ৰনোজ পেগু, (শিক্ষা মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী সুৰেন ফুকন, (ডিগবৈ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰটো পাইছো। সম্পুৰ্ণৰূপে সন্তুষ্টি লভিব পৰা নাই গতিকে মন্ত্ৰী মহোদয়ৰ পৰা সম্পুৰ্ণকৈ উত্তৰটো পাম বুলি মই আশা কৰিছো। যিহেতু মোৰ সমষ্টি ডিগবৈ আৰু ডিগবৈ সমষ্টিৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ। ডিগবৈ মহাবিদ্যালয় ১৯৮১ চনত স্থাপনা কৰা আৰু যথেষ্ট ছাত্ৰী আছে প্ৰায় ১০০০ ত কৈ অধিক। তাত ইতিমধ্যে ক'লাশাখাটো আছে। বাণিজ্য আৰু বিজ্ঞান শাখাটো প্ৰৱৰ্তনৰ কাৰণে কলেজ কতৃপক্ষই ২০১৮ চনত আৰু ২০১৭ চনত কেইবাবাৰো আবেদন কৰিছিল কিন্তু আবেদনৰ এতিয়াও সুদউত্তৰ পোৱা নাই, প্ৰথম কথা আৰু দ্বিতীয় কথাটো হ'ল, চেংশ্যন পোষ্ট ননটিছিং তাত LD এজন আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰী শ্ৰী ৰূপান্তৰ কলিতা। তাৰ পাছত শ্ৰী বিনন্দ দুৱৰী আৰু সহকাৰী প্ৰৱক্তা যুতিকা শইকীয়া তিনি গৰাকীৰ আজি প্ৰায় ৭ মাহ পূৰ্বে বাচনি হৈ গ'ল। কিন্তু আজি পৰ্য্যন্ত নিযুক্তি নিদিয়াত কলেজখন পৰিচালনা কৰাত কিছু অসুবিধা হৈছে।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী।

**ডাঃ ৰনোজ পেগু, (শিক্ষা মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, মহাবিদ্যালয় সমূহত teaching and non-teaching staff ৰ বাচনি প্ৰক্ৰিয়াটো governing body য়ে কৰে। কিন্তু তেওঁলোকৰ যোগ্যতা অৰ্হতাখিনি আমাৰ সঞ্চালকালয়ত পৰীক্ষা কৰা হয়। এতিয়া তাৰে পৰা যি গৰাকী প্ৰাৰ্থী person with disability হিচাপে প্ৰস্তাৱ কৰা হৈছিল। আমাৰ নিয়ম অনুযায়ী গুৱাহাটীৰ মেডিকেল কলেজৰ এখন বোৰ্ডে তাক পুনৰ পৰীক্ষা কৰে। চাকৰিত নিযুক্তিৰ কাৰণে disability ৰ পৰিমানটো ৪০ শতাংশ হ'ব লাগে। কিন্তু ইয়াত পৰীক্ষা কৰি দেখা পোৱা যায় যে সেই প্ৰাৰ্থীগৰাকীৰ ১৩ শতাংশ disability আছে। ৪০ শতাংশ নাই গতিকে যিটো বাচনি মহাবিদ্যালয়ৰ governing body য়ে কৰি পঠাইছিল সেইটো নাকচ কৰা হৈছে। গতিকে মহাবিদ্যালয়ৰ governing body য়ে পুনৰ বাচনি কৰি দিব লাগিব। বাকী তৃতীয় বৰ্গ আৰু ৪ৰ্থ বৰ্গৰ প্ৰাৰ্থীৰ নাম উল্লেখ কৰিছে, বিমান দুৱৰী আৰু ৪ ৰ্থ বৰ্গৰ বাবে শ্ৰী ৰূপান্তৰ কলিতা এইখিনি বিভাগে তাতো কিছু অভিযোগ আহিছিল । গতিকে এই খিনি পৰীক্ষা কৰি চাই আমি নিযুক্তি দিয়াৰ প্ৰক্ৰিয়ালৈ আগবঢ়াই নি আছো। বিধান সভাৰ অধিবেশনৰ পিছতে ইয়াৰ এই সম্পৰ্কে সিদ্ধান্ত লোৱা হ'ব।

মাননীয় অধ্যক্ষ ঃ ধন্যবাদ। আৰু আছে নেকি?

**শ্ৰী সুৰেন ফুকন, (ডিগবৈ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আৰু এটা প্ৰশ্ন সুধিব বিচাৰিছো, যিহেতু

১৯৮১ চনতে স্থাপন কৰা কলেজখনত আজি পৰ্য্যন্ত তাত লাইব্ৰেৰিয়ান পদ নাই, চেংশ্যন পোষ্টই নাই গতিকে চেংশ্যন পোষ্ট দিয়াৰ ব্যৱস্থা কৰিব নেকি? তাৰো পৰি অনামঞ্জুৰীকৃত Head accountant, Asstt. Accountant, Cashier, Computer Assistant এইকেইটা পদো এতিয়ালৈকে ইয়াত পুৰ হোৱা নাই ইয়াৰ কিবা ব্যৱস্থা ল'ব নেকি? মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**ডাঃ ৰনোজ পেগু, (শিক্ষা মন্ত্ৰী)** ঃ যিটো পদ নাই কিন্তু পদটো প্ৰয়োজনীয় সেই পদ সৃষ্টিৰ কাৰণে প্ৰস্তাৱ পালে আমি নিশ্চিতভাবে পদ সৃষ্টিৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিম। যিটো পদ আছে সৃষ্টি কৰি থোৱা আছে, কিন্তু খালী হৈ আছে সেইটো মহাবিদ্যালয়ৰ governing body য়ে নিৰ্বাচন কৰি পঠালে আমি নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্ন নং ৬৭ শ্ৰী অতুল বৰা,

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (বনমন্ত্ৰী)** ঃ উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী অতুল বৰা, ( দিশপুৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয় মোৰ যিটো প্ৰশ্ন সেইটো হৈছে, সেইদিনাখন বন মন্ত্ৰীয়ে মহোদয়ে মোৰ সমষ্টিত টোপাতলিত বৃক্ষৰোপনৰ কাৰণে গৈছিল। মোক তাৰ মানুহে কৈছে যে আপুনি আহিব নেকি? মই কলো মই নাযাওঁ। তেওঁক সহযোগিতা মই নকৰো আৰু সেই ঠাইতেই বন বিভাগে বন মন্ত্ৰীক লৈ গৈ গছ পুলি ৰুবলৈ ব্যৱস্থা কৰিছে। গছ কটাটো যদি বন্ধ নকৰে গছ পুলি ৰুই কি লাভ হ'ব। ৮ লাখ টকাৰ গছৰ এটা পুলি নাই। গছ কটা বন্ধ কৰিব লাগে। এনেকুৱা হৈছে ৰাস্তাৰ কিনাৰত গছ দেখা পাব ভিতৰত হাতীয়ে ফুটবল খেলিব পাৰে। গছ শেষ, বনাঞ্চল শেষ। আমচাঙৰ কাৰণে মই আজি বহুত বছৰৰ পৰা লাগি আছো। তেখেতে কি উত্তৰ দিছে মই ইয়াত পোৱা নাই। মই সেইকাৰণেই ধৰি লৈছো যি উত্তৰ দিছে সেইটো নিশ্চয় সন্তোষজনক নহ'ব। মই কৈছো যদি গছপুলি ৰুব লাগে Star Cement ক উচ্ছেদ কৰক আৰু তাত গছপুলি ৰুৱক। কটনী বিল, নাগাজান, বমানী এই তিনি-চাৰিখন বিল Star Cement ৰ ধুলি-মাকতিয়ে পুটি পেলাইছে। পবিতৰালৈ যোৱা ৰাস্তাটো Star Cement য়ে বেয়া কৰি পেলাইছে গছ পুলি তেনেকুৱা ঠাইতহে ৰুব লাগে য'ত কটনী বিল, নাগাজান, বমানী বিল আছে। টোপাতলিত ৰুইছে তাত মোৰ আপত্তি নাই। কিন্তু গছপুলি বিলাকক সংৰক্ষণ কৰিব লাগিব। গছপুলি ৰুই দিলেই নহ'ব। গছপুলি বিলাক যদি নোহোৱা হৈ যায় তেতিয়াহ'লে কোটি কোটি টকা খৰছ কৰি কি লাভ হ'ব। গছপুলি ৰুই থাকক মই সমৰ্থন কৰি যাম। কিন্তু গছ পুলি সংৰক্ষণ কৰিব নোৱাৰিলে গছপুলি ৰুই লাভ নাই। এইখিনিয়েই মোৰ ক'বলগীয়া কথা।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, (বন মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী অতুল বৰা ডাঙৰীয়াই যিটো কথা কৈছে যে টোপাতলিত মাননীয় মন্ত্ৰী শ্ৰী পৰিমল শুক্লবৈদ্য ডাঙৰীয়াই বন মহোৎসৱত বনমন্ত্ৰী হিচাপে ৰাস্তাটোৰ ৰাইট চাইডৰ পাহাৰখিনিত গছপুলি ৰুইছিল। সেই গছপুলি খিনি এনেকুৱা নহয় যে survive হোৱা নাই। মই নিজে গৈ চাই আহিছো সেই গছ বিলাক ডাঙৰ হৈছে। তাৰ ভিতৰত কিছুমান গছপুলি মৰিছে। দ্বিতীয় কথাটো হ'ল আমি একেঠাইতে গছ পুলি ৰোৱা বুলি কৈছে কিন্তু আমি ৰাস্তাটোৰ left side ত ৰুইছো। তেখেতৰ সমষ্টিৰ প্ৰায় সকলো মানুহক লৈ আমি গছপুলিখিনি ৰুইছো। গতিকে গছপুলি খিনি যে একেঠাইতে ৰোৱা হৈছে সেইটো নহয়। ইয়াত মাননীয় বিধায়ক গৰকীয়ে ৮ লাখ টকাৰ কথা কৈছে কিন্তু এই আঁচনিটোত কোনো পইচা চেংচন হোৱা নাই। এইটো বন মহোৎসৱৰ হিচাপে কৰা হৈছে। এইটো

বিনামূলীয়াকৈ অসম চৰকাৰৰ বন বিভাগে মাননীয় শ্ৰী পৰিমল শুক্লবৈদ্য ডাঙৰীয়াৰ দিনত সেইখিনি কৰিছিল। আপুনি ৰেঞ্জাৰ গৰাকীৰ কথা কৈছে, মই তেখেতক ট্ৰেন্সফাৰ কৰাই দিম। মাজতে ৰেঞ্জাৰ নাছিলেই। এতিয়া প্ৰমোশ্যন হৈছে। মই আপোনাক কৈছো যে মই কৰি দিম। ৰেঞ্জাৰ গৰাকীৰ বাবেই যদি আপুনি গোটেই বন বিভাগটোক বেয়া পায় সেইটো ঠিক কথা নহ'ব। ৰেঞ্জাৰ গৰাকীৰ ট্ৰেন্সফাৰটো মই কৰাই দিম এইটো মই আপোনাক কথা দিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীঅতুল বৰা (দিশপুৰ) ঃ** তেখেতে কৈছে মাননীয় শ্ৰী পৰিমল শুক্লবৈদ্য ডাঙৰীয়া বনমন্ত্ৰী থাকোতে ৰুই অহা গছবিলাক তেখেতে দেখিছে। এইবিলাক কেনেকৈ বিনামূলীয়া গছ হ'ব পাৰে। নাৰ্চাৰীৰ পৰা গছপুলি অনাৰ বাবেটো কোটি কোটি টকা খৰচ হৈছে। আমাৰ বশিষ্ঠত থকা নাৰ্চাৰীৰ পৰা বন বিভাগে গছপুলি নিয়াৰ নামত কিমান টকা খৰছ কৰিছে এই হিচাপটো তেখেতে মোক এইবাৰ নোৱাৰে অহাবাৰ মই প্ৰশ্ন কৰিম আপুনি মোক হিচাপটো দিব লাগিব। দ্বিতীয় কথাটো হৈছে যে মাননীয় শ্ৰী পৰিমল শুক্লবৈদ্য ডাঙৰীয়াই ৰোৱা গছ এজোপাও নাই। মোৰ হাতীগড় হিল চাইডলৈ বলক তাত নৰসিংহ গছ মই ৰোৱা নাই নিজে নিজে ৫০ জোপা গছ হৈছে, কৰদৈ, জামু, বেল আদি গছ মই ৰোৱা নাই কিন্তু নিজে নিজে হৈছে। কেৱল গমাৰী গছ মই ৰুইছিলো। সেই গছ কাটি মই ঘৰৰ কামত লগালো। কিন্তু মাননীয় বনমন্ত্ৰী মহোদয়ক মই জনাইছো যে নাজিৰাখাট জনজাতি মহিলা সমিতিয়ে নিজে শেগুণ, শাল গছ ৰুইছে। ওৱাল দিব নোৱাৰে পাৰমিশ্যন লাগে। এইটো আপুনি বন্ধ কৰক যে নিজে গছ ৰুব কাটিবৰ হ'লে ফৰেষ্ট বিভাগে লৈ যাব। আপুনি এটা নতুন পলিচি কৰক যে মই গছ ৰুইছো নিজে কাটিম। এতিয়া এই মহিলাখিনিয়ে গছ ৰুইছে আৰু ডাঙৰো হৈছে। মই DFO গৰাকীক কৈছো। কিন্তু ৰেঞ্জাৰ গৰাকীক মই নকওঁ। তেখেতে Star Cement ক মাটি দি দি পাহাৰ শেষ কৰি পেলাইছে। মই ভাবো যে অসমত গছবোৰ নিজে হয়। তেখেতে য'ত গৈছে তাৰ পৰা অলপ গলেই মেঘালয়ৰ কিলিং নদী পায়। তাত এনেই গছ হয়, ৰুব নালাগে। কিন্তু ৰুৱা গছবোৰ কলৈ গ'ল সেইটো আপুনি খবৰ লওঁক।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, (বন মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আঁচলতে এইবাৰ আমাৰ ফৰেষ্ট আইনখন সলনি কৰা হৈছে। নিজৰ ম্যাদী পট্টাৰ মাটিৰ ভিতৰত যদি কোনোবাই গছ ৰুৱে তেতিয়াহ'লে তেওঁলোকে বন বিভাগক জনাব লাগে যে মই ইমান বিঘা মাটিত গছ ৰোপণ কৰিছো। যেতিয়া সেই গছ কাটিব বিচাৰে তেতিয়া সেই portal টোতে জনাই দিব লাগে যে মই ইমান জোপা গছ নিজে ৰোপণ কৰিছিলো গতিকে মই সেই গছখিনি কাটিম। তেতিয়া তেওঁলোকে ২৪ ঘণ্টাৰ ভিতৰত অনুমতি লাভ কৰিব আৰু যদি অনুমতি নাপায় Dream Permitted বুলি ধৰি ল'ব লাগিব। গতিকে এইটো সহজ কৰি দিয়া হৈছে যে তেওঁলোকে গছখিনি সহজে কাটিব পাৰিব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং ৬৮। মাননীয় বিধায়ক শ্ৰী দিগন্ত বৰ্মণ।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী দিগন্ত বৰ্মন, (বৰক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিল যে BTR ৰ বাহিৰত থকা আমাৰ বড়ো সকলৰ কাৰণে কি কি আঁচনি আছে? মোক তেখেতে এখন annxure দিছে যে বড়ো-কছাৰী Welfare Autonomious Council আছে। মই দেখিছো যে আগতে BTR ৰ বাহিৰত থকা যিবোৰ বড়ো লোক আছে তেওঁলোক scattered হৈ আছে। মোৰ সমষ্টিতেই প্ৰায় ৭ হাজাৰ বড়ো মানুহ আছে। আগতে Tribel Sub plant ৰ অধীনত ৰাস্তা-

ঘাট বা অন্যান্য আঁচনি দিয়া হৈছিল। কিন্তু আঢ়ৈ বছৰে মই দেখিলো যে এটা পইচাও TSP ৰ পৰা পোৱা নাই আৰু এই Autonomious Council ত যিখিনি দিছে তাত মই আজিলৈকে কিবা দিছে যদিও গম পোৱা নাই। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক এটা অনুৰোধ কৰিব বিচাৰিছো যে BTR ৰ বাহিৰত থকা গোটেই অসমৰ যিসকল বড়ো ভাই-বন্ধু আছে তেওঁলোকৰ উন্নয়ণৰ কাৰণে কিবা এটা কৰক। অন্ততঃ Tribel Sub plant ৰ টকাখিনি ৰাস্তা-ঘাট, পানী যোগান, আৰ্থিক ক্ষেত্ৰতেই হওঁক কিবা এটা কৰক যাতে তেওঁলোকৰ উন্নয়ণৰ বাবে আমি কিছু কাম কৰিব পাৰো। আমি আগতে SC ৰ ফালৰ পৰা মাননীয় মন্ত্ৰী মহোদয়ে নামঘৰ বা অংগনবাড়ী কেন্দ্ৰ দিছে। গতিকে এই Tribel Sub plant ৰ অধীনত আমাক ৰাস্তা আৰু অংগনবাড়ী কেন্দ্ৰ আৰু তেওঁলোকৰ ধৰ্মীয় অনুষ্ঠানৰ উন্নয়ণৰ কাৰণে টকা দিব বুলি মই অনুৰোধ জনালো।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, BTR ৰ বাহিৰত যিখিনি বড়ো বসতি প্ৰধান অঞ্চল আছে সেই অঞ্চল সমূহ উন্নয়ণৰ কাৰণে ইতিমধ্যে অসম চৰকাৰে বড়ো-কছাৰী Welfare Autonomious Council গঠন কৰি দিছে আৰু বড়ো-কছাৰী Welfare Autonomious Council লৈ যোৱা দুটা বিত্তীয় বৰ্ষত ১৩.৫০ কোটি টকা দুবাৰ মুকলি কৰি দিয়া হৈছে আৰু খুব সোনকালে এই কাউঞ্চিলৰ যি গাঁৱৰ তালিকা আছে সেই তালিকাৰ নটিফিকেশ্যন প্ৰকাশ পাব আৰু তাৰ পাছত নিৰ্বাচন সমূহ অনুষ্ঠিত কৰিব। আমি BTR ৰ বাহিৰৰ বড়ো অধ্যুষিত অঞ্চল সমূহৰ উন্নয়ণ তৰান্বিত কৰাৰ কাৰণে আৰু লগতে এই গাওঁ সমূহক সম পৰ্য্যায়ৰ উন্নয়ণৰ দিশলৈ লৈ যোৱাৰ কাৰণে এই বড়ো-কছাৰী Welfare Autonomious Council খন আমি শক্তিশালী কৰিম আৰু বৰ্তমান যি TSP ৰ ধন আছে আমি মূলত Autonomious Council বিলাকলৈ আবণ্টন দিওঁ।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন কালীন ঘণ্টাৰ সময় শেষ হ'ল। এতিয়া শূন্যকালীন ঘণ্টা। সন্মানীয় সদস্য শ্ৰী ৰূপেশ গোৱালা।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এটা সভা স্থগিত প্ৰস্তাৱ আছিল। এই বিষয়ত Ruling দিবলৈ আপোনাক আহ্বান জনাইছোঁ।

**মাননীয় অধ্যক্ষ ঃ** মই সভা স্থগিত প্ৰস্তাৱ এটা পাইছিলো, বিৰোধী দলৰ দলপতি, শ্ৰী দেৱব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগী সকলৰ, একেলগে। এই বিষয়টো মই চালি জাৰি চাই, এইটো মই in order ত পোৱা নাই, মানে যিটো লৈ আমি সভা স্থগিত কৰিম। গতিকে সভাস্থগিত প্ৰস্তাৱ গ্ৰহণ কৰা নহয়।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো খুব গুৰুত্বপূৰ্ণ বিষয়। মুখ্যমন্ত্ৰী পৰিয়ালৰ ৫০ বিঘা জমি ভুমি কেলেংকাৰী।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওঁবৈছা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই সভা স্থগিত কৰা বাবে পিট কেচ (Peat case) হয়।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাইজৰ মাজত অলপ বিভ্ৰান্তিৰ সৃষ্টি হৈছে।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওঁবৈছা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাটি ক্ৰয় কৰোতে চৰকাৰে যিটো rule follow কৰিব লাগে, land selling act follow কৰিব লাগে, চৰকাৰে fail হৈছে।

..........সদনত হুলুস্থুল......

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, গোটেই বিষয়টো

বাদনুবাদ হৈছে। কিন্তু যোৱা কালি মুখ্যমন্ত্ৰী মহোদয়ে কলে যে তেখেতৰ পৰিয়ালৰ কোনেও subsidy ৰ কাৰণে একো কাম কৰা নাই। মই সেই গতিকে, যিহেতু লোক সভাত এটা তথ্য দিয়া হৈছে, যোৱা ২২ মাৰ্চ, ২০২৩ তাৰিখত, সাংসদ পল্লৱ দাসৰ প্ৰশ্নৰ উত্তৰত Food Processing Minister য়ে কৈছে ............

....... সদনত হুলুস্থুল......

**মাননীয় অধ্যক্ষ ঃ** The House adjourned for 15 minutes.

(House resumed after 15 minutes)

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শূণ্যকালীন ঘন্টা সন্মানীয় সদস্য শ্ৰী ৰূপেশ গোৱালা।

.......... সদনত পুৰন হুলুস্থুল .......

The House adjourned for 10 minutes.

(House resumed after 10 minutes)

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শূণ্যকালীন ঘন্টা সন্মানীয় সদস্য শ্ৰী ৰূপেশ গোৱালা।

**শ্ৰী ৰূপেশ গোৱালা, (ডুমডুমা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি সকলোৱে গম পাওঁ যে অসমত প্ৰায় ১লাখ ২২ হাজাৰ ক্ষুদ্ৰ চাহ খেতিয়ক আছে। এই ক্ষুদ্ৰ চাহ খেতিয়কসকলে অসমত প্ৰায় ৫০ শতাংশ চাহ উৎপাদন কৰি আহিছে। .........

.... সদনত হুলুস্থুল......

বিৰোধী দলৰ সদস্য সকলে সদন ত্যাগ কৰে।

**শ্ৰী ৰূপেশ গোৱালা, (ডুমডুমা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো খুব গুৰুত্বপূৰ্ণ বিষয়, অসমত প্ৰায় ১লাখ ২২ হাজাৰ ক্ষুদ্ৰ চাহ খেতিয়ক আছে। এই ক্ষুদ্ৰ চাহ খেতিয়কসকলে অসমত প্ৰায় ৫০ শতাংশ চাহ উৎপাদন কৰি আহিছে। এই ক্ষুদ্ৰ চাহ খেতিয়ক সকলে বিভিন্ন সময়ত বিভিন্ন ধৰণৰ সমস্যাৰ সন্মুখীন হৈ আহিছে। যোৱা ৮ তাৰিখে ডুমডুমাত সেই ক্ষুদ্ৰ চাহ খেতিয়ক সকলে এটা ডাঙৰ প্ৰতিবাদ কৰিছিল, কেৱল ডুমডুমাতে নহয় সমগ্ৰ তিনিচুকীয়া জিলাৰ ক্ষুদ্ৰ চাহ খেতিয়ক সকল সমবেত হৈ তেওঁলোকৰ সমস্যা লৈ পেলাই প্ৰতিবাদী কাৰ্য্যসূচী লৈছিল।

তেওঁলোকৰ সমস্যাবিলাক বিভিন্ন ধৰণৰ মাননীয় অধ্যক্ষ মহোদয়। মই এবছৰটোৰ কথাই যদি আপোনাৰ সন্মুখত উল্লেখ কৰো তেন্তে চাগে মাৰ্চ মাহত তেওঁলোকে উৎপাদিত কৰা চাহপাতৰ প্ৰায় ৩০ টকা মুল্য তেওঁলোকে পাইছিল। আৰু মাজত কেচা চাহপাতৰ মুল্য অৰ্ধগামী হৈ তললৈ নামি প্ৰায় ১৬ টকা হ'ল গৈ। আৰু আজিৰ তাৰিখত ক্ষুদ্ৰ চাহ খেতিয়ক সকলে ২১ টকা বা ২২ টকা তেওঁলোকে পাইছে।

এই ক্ষুদ্ৰ চাহ খেতিয়ক সকলে আৰম্ভণিতে তেওঁলোকে ৩০ টকা পাইছিল আৰু প্ৰায় ১ কেজি মেড টি বনাবলৈ ৫ কেজি মান কেচা চাহপাত লাগে। মই ভাৱো যে আজিৰ তাৰিখত মেড টিৰ মুল্য ইমান দ্ৰুতগতিত নিম্নগামী হোৱা নাই, যে ক্ষুদ্ৰ চাহ খেতিয়ক সকলে তেওঁলোকৰ উৎপাদিত চাহ পাতৰ উচিত মুল্য নাপাব। মই ভাৱো যে এই ক্ষেত্ৰত চৰকাৰে বিশেষ ব্যৱস্থা ল'ব লাগিব। কাৰণ তেওঁলোকে তেওঁলোকৰ চাহ পাতৰ উচিত মুল্য পাব লাগিব। কাৰণ আমি সকলো জানো যে অসমৰ বহুলোক এই ব্যৱসায়ত জড়িত হৈ আছে। বহুলোকে ইয়াৰ জৰিয়তে সংস্থাপনৰ সুযোগ লাভ কৰিছে। প্ৰায় ৬ লাখ মানুহে ইয়াত কৰ্ম সংস্থাপনৰ সুযোগ লাভ কৰিছে। গতিকে এই খণ্ডটোক যদি আমি বিশেষভাৱে গুৰুত্ব নিদিও, তেনেহলে মই ভাৱো যে এটা ডাঙৰ chaos ৰ সৃষ্টি হ'ব, সমস্যাৰ সৃষ্টি হ'ব।

এই ক্ষেত্ৰত যিসকল Bought leaf factory মালিক আছে, সেই মালিক সকলেও বহুখিনি manipulate কৰা দেখা যায়। তেওঁলোকে ক'ৰবাত ক'ৰবাত এই ক্ষুদ্ৰ চাহ খেতিয়ক সকলক বঞ্চিত কৰাৰ পৰিস্থিতি উদ্ভৱ হোৱা দেখা যায়। অৱশ্যে এটা কথা ঠিক, এই ক্ষুদ্ৰ চাহ খেতিয়কসকলে চাহ উৎপাদন কৰে, তেওঁলোকৰ চাহ পাতৰ গুণগত মানদণ্ড ভাল নোহোৱাৰ বাবেও উচিত মুল্য নাপায়। কিন্তু সেই বুলি দুই এটা খেতিয়কে যদি ভাল মানদণ্ডৰ চাহ পাত উৎপাদন কৰা নাই, তাৰ পৰিমান যদি ভাল খেতিয়ক সকলে ভুগিব লগীয়া হয়, তেন্তে নিশ্চয় এইটো কেতিয়াও যুক্তি সংগত হ'ব নোৱাৰে। গতিকে এই ক্ষেত্ৰত বিহিত ব্যৱস্থা ল'ব লাগে।

মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক দৃষ্টি গোচৰ কৰিব খুজিছো যে আমি চাহ উদ্যোগত ক্ষেত্ৰত বিভিন্ন সময়ত চাই আছো। এই বছৰো বিভিন্ন বাতৰি কাকতত, বিভিন্ন মাধ্যমৰে যোগেদি প্ৰকাশিত হৈছে যে চাহ পাতৰ উচিত মুল্য পোৱা নাই বুলি আৰু চাহ উদ্যোগ লোকচানৰ সন্মুখীন হৈছে বুলি ওলাইছে। বিষয়টো কিমান দূৰ সচাঁ আমি কোনেও নাজানো। সেই কাৰণে মই চৰকাৰক দৃষ্টিগোচৰ কৰিব খুজিছো যে এই ক্ষেত্ৰত এটা expert committee বনাব লাগে, যে সচাঁ অৰ্থাৎ চাহ উদ্যোগে সমস্যাৰ সন্মুখীন হৈছে নেকি? আৰু যদি হৈছে এই সমস্যাবিলাক সমাধান কৰাৰ কাৰণে আমি কেনেধৰণৰ ব্যৱস্থা ললে এই উদ্যোগটো ৰক্ষা কৰিব পাৰিব। এইখিনি কথা মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিছো। ধন্যবাদ।

(মাননীয় উপাধ্যক্ষ মহোদয়, সদনত পৰিচালনা কৰে)

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী বিমল বৰা, (মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, সন্মানীয় সদস্য শ্ৰী ৰূপেশ গোৱালা ডাঙৰীয়াই এটা গুৰুত্বপূৰ্ণ বিষয় শূণ্যকালীন ঘন্টাত উত্থাপন কৰিছে, ক্ষদ্ৰ চাহ খেতিয়কৰ উৎপাদিত কেচা চাহপাতৰ উচিত মুল্য প্ৰদানৰ দাবী। ডুমডুমাত ক্ষুদ্ৰ চাহ খেতিয়ক সংস্থাৰ বৰ্জন কাৰ্য্যসূচী।

মাননীয় উপাধ্যক্ষ মহোদয়ে, অসমৰ চাহে এতিয়া ২০০ বছৰত ভৰি দিছে, ১৮২৩ চনত ৰবাৰ্ট ব্ৰুছে, এই চাহক পানীয় ৰূপে গ্ৰহণ কৰিব পাৰে বুলি তেনেধৰণৰ এটা চিন্তাৰ পৰাই এই উদ্যোগলৈকে পৰ্য্যবশিত হ'ল। আৰু এই চাহ উদ্যোগটোৰ জৰিয়তে অসমৰ অৰ্থনীতি, সমাজ, সকলো ক্ষেত্ৰতে এক বিশেষ গুৰুত্ব অসমে পাবৰ কাৰণে সক্ষম হৈছো। এই চাহৰ লগত যিহেতু অসমৰ অৰ্থনীতি জড়িত হৈ আছে, লগতে ইয়াতে লাখ লাখ লোকৰ জীৱন জীৱিকাৰ কথাও জড়িত হৈ আছে। সুখৰ বিষয় যে অসমত যিসমূহ ওখ মাটি আছিল, সেই ওখ মাটি সমুহত ঐতিহাসিক চিন্তাৰ আধাৰত ব্যক্তিগত পৰ্য্যায়ত চাহ খেতি কৰাৰ বাবে এটা বাতবৰণ অসমত সৃষ্টি হৈছিল। আৰু তাৰ ফলশ্ৰুতিত অসমৰ থলুৱা কৃষক সকলে ক্ষুদ্ৰ চাহ খেতিৰ জৰিয়তে এই খেতি কৰিবলৈ আৰম্ভ কৰিছিল, যাৰ ফলশ্ৰুতিত আজিৰ তাৰিখত ৫০ শতাংশতকৈও অধিক চাহ আমাৰ ক্ষুদ্ৰ চাহ খেতিয়ক সকলে উৎপাদন কৰি আহিছে। প্ৰায় ১ লাখ ২৫ হাজাৰতকৈও বেছি ক্ষুদ্ৰ চাহ খেতিয়ক অসমৰ বিভিন্ন প্ৰান্তত আছে আৰু সময়ে সময়ে ক্ষুদ্ৰ চাহ খেতিয়কসকলে কেচা পাতৰ যি মুল্য, সেই উচিত মুল্য পোৱাৰ ক্ষেত্ৰত আহুকালৰ সৃষ্টি হৈ অহাটো আমাৰ চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। কাৰণ প্ৰথম অৱস্থাত চাহৰ কেচাপাতৰ মুল্য ঠিকে থাকে। কিন্তু যেতিয়া চাহৰ উৎপাদন বৃদ্ধি হয়, তেতিয়া বজাৰত কিছু নিম্নগামী হয়। পৰবৰ্তী সময়ত আকৌ দ্বিতীয় বাৰৰ বাবে যেতিয়া পূজা আহে, সেই সময়ত কলঘৰ সমূহ বন্ধ হৈ থাকে। ইফালে চাহ উৎপাদন হৈ থাকে। যেতিয়া plucking হয়, তেতিয়া বজাৰৰ চাহিদাতকৈ আমাৰ উৎপাদন বৃদ্ধি হোৱাৰ ফলশ্ৰুতিত সেই সময়টোত চাহ কেঁচা পাতৰ মুল্য নিম্নগামী হয়। এই কথাটো মই নিজেও এজন ক্ষুদ্ৰ চাহ খেতিয়কৰ

উদ্যোগিক অঞ্চলৰ প্ৰতি নিযুক্তি কৰা প্ৰতিনিধি হিচাপে মই জানো। আৰু সেই কাৰণে চৰকাৰৰ তৰফৰ পৰা এই দৰ-নিৰ্ধাৰণ কৰিবৰ কাৰণে এখন সমিতি জিলা পৰ্য্যায়ত গঠন কৰি দিয়া হৈছে, য'ত ক্ষুদ্ৰ চাহ খেতিয়ক সকলকো সদস্য হিচাপে মনোনীত কৰা হয়।

মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ চাহৰ ওপৰত সচাঁকৈ আমাৰ সন্মানীয় সদস্য শ্ৰী ৰূপেশ গোৱালা ডাঙৰীয়াই কোৱাৰ ধৰণে যথেষ্ট প্ৰত্যাহবান আহিছে, বৃহৎ চাহ উদ্যোগে হওঁক, অথবা ক্ষুদ্ৰ চাহ খেতিয়ক সকলে হওঁক। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ লগত আমি এই সম্পৰ্কত কেইবাৰো আলোচনা কৰিছো, কেনেকৈ অনাগত দিনত অসমত চাহ উদ্যোগ অধিক শক্তিশালী কৰি আগুৱাই লৈ যাব পৰা যায়, তাৰ কাৰণে ন ন চিন্তাৰ উদ্ভাৱনত আজি আমাৰ বিভাগ জড়িত হৈ আছে। কাৰণ অসমত চাহৰ উন্নত মানদণ্ড সমগ্ৰ বিশ্বজুৰি সমাদৃত হৈছিল। কিন্তু সমান্তৰালভাৱে কিছু দেশত আজি চাহ উৎপাদন কাম আৰম্ভ কৰা ফলশ্ৰুতিত আৰ্ন্তজাতিক যি বজাৰ, সেই বজাৰত যথেষ্ট competition ৰ সন্মুখীন হ'ব লগা হৈছে বুলি সংশ্লিষ্ট মহল সমুহে আমাক সময়ে সময়ে জনাই আহিছে। আৰু আৰ্ন্তজাতিক বজাৰত যি চাহিদা, সেই চাহিদা বৃদ্ধি নোপাৱাৰ পৰিপ্ৰেক্ষিতত বজাৰত চাহৰ দাম কিছু কিছু সময়ত অশানুৰূপ ধৰণে পোৱাটো সমস্যাৰ সৃষ্টি হৈছে। অন্যহাতে আমাৰ অসমৰ কিছু অভিযোগ কিছু কলঘৰে বা বিভিন্ন ধৰণৰ enterpreneur ৰে বিভিন্ন অন্য স্থানৰ চাহ অসমত উৎপাদিত হয় বুলি, mixing কৰিও branded packeting কৰিও মাৰ্কেটিং কৰাৰ এটা কাৰ্য্যত লিপ্ত হয় বুলিও এটা অভিযোগ আহিছে। এই গোটেই কথাখিনি মই চাহ উদ্যোগটোৰ লগত জৰিত হৈ থকা বিভিন্ন ৰাইজৰ মুখত শুনা কথা। মই ভাবো এই গোটেই কথা খিনি আমি নিষ্পত্তি কৰিব লাগিব আৰু নিষ্পত্তি কৰিবৰ কাৰণে ভৱিষ্যতে কি ধৰণে আমি চাহ উদ্যোগটো আগুৱাই লৈ যাব পাৰো তাৰ বাবে বিভিন্ন বিশেষজ্ঞৰ লগত আলাপ আলোচনাত মিলিত হৈছো । আমাৰ টোকলাই ৰিচাৰ্চ এচোচিয়েশ্যনে অসমৰ চাহৰ ওপৰত গৱেষণা কৰি আছে তেওঁলোকৰ লগতো আমি কথাবতৰা পাতিছো। অসম কৃষি বিশ্ববিদ্যালয়ে ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ কাৰণে এটা বিভাগ আৰম্ভ কৰি বহু দিনৰ পৰা তাত কাম-কাজ কৰি আহিছে। আজি পুঁজিপতিৰ হাতত বিক্ৰী হোৱা মন্ত্ৰী বুলি ক্ষুদ্ৰ চাহ খেতিয়কে অভিযোগ কৰা মই অসম পেপাৰত দেখিছো ।এই সম্পৰ্কত মই ক্ষুদ্ৰ চাহ খেতিয়ক সকলক ক'ব বিচাৰো যে তেনে ধৰণৰ কোনো কথা নাই। পুঁজিপতিয়ে আমাক এপেকেট চাহ ও দি পোৱা নাই । অসমৰ অৰ্থনীতিত পুঁজিপতিৰো প্ৰয়োজন আছে আৰু ক্ষুদ্ৰ চাহ খেতিয়কৰো প্ৰয়োজন আছে । অসমৰ যিবিলাক চাহৰ উদ্যোগ আছে তাত লাখ লাখ শ্ৰমিক কৰ্মচাৰী জড়িত হৈ আছে । তাতো চৰকাৰে সমান্তৰাল ভাবে দৃষ্টি দিব লাগিব আৰু ক্ষুদ্ৰ চাহ খেতিয়ক সকলকো দৃষ্টি দিব লাগিব। কিন্তু আগন্তুক দিনত চাহ উদ্যোগটোক আগুৱাই নিবৰ কাৰণে আমি ডাইভাৰচিভ প্ৰডাক্ট কৰিব পাৰো নেকি আৰু তাৰ কাৰণে গুৱাহাটী আই আই. টি. ৰ ডিৰেক্টৰৰ লগত কথা পাতিছো, আমি অল্টাৰনেটিভ কাল্টিভেশ্যন কৰি কেৱল চাহ উৎপাদনে নহয়, বাগিছাৰ চাৰিসীমা তথা মাজেদি যোৱা পথটোত কিবা অন্য প্ৰডাক্টশ্যনৰ কামত আত্মনিয়োগ কৰিব পৰা যায় নেকি, কুৱালিটি আমি কেনেদৰে মেইনটেন কৰিব পাৰো, ব্ৰেণ্ড কেনেদৰে কৰিব পাৰো, এনেকুৱা ধৰণৰ বহুতো বিষয় ইতিমধ্যে আমাৰ চৰ্চাত আছে । আমাৰ দুশ বছৰীয়া চাহৰ বিষয়টো মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া ৰাষ্ট্ৰীয় বা আন্তৰাষ্ট্ৰীয় পৰ্য্যায়তে হওক অতি গুৰুত্বসহকাৰে আয়োজন কৰিবৰ কাৰণে আমাক নিৰ্দেশ দিছে। বিভিন্ন স্থানৰ বিভিন্ন প্ৰতিনিধি সকলে কৈ থকাৰ পৰিপ্ৰেক্ষিতত চাহ পলিচি যুগুত কৰি উলিয়াইছো। গতিকে মই ভাবো অসমৰ চাহৰ ক্ষেত্ৰত আমাৰ চৰকাৰে গুৰুত্বসহকাৰে এই গোটেই বিষয়টো গ্ৰহণ কৰিছে আৰু এইখিনিকে

কৈ মই মোৰ বক্তব্য সামৰণি মাৰিছো ।

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় বিধায়ক চক্ৰধৰ গগৈ।

**শ্ৰী চক্ৰধৰ গগৈ,(মৰাণ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, শূণ্যকালীন ঘন্টাত মহিলা সবলীকৰণৰ বিষয়ত আত্মসহায়ক গোট বিলাকে যথেষ্ট ভূমিকা গ্ৰহণ কৰি আছে আৰু তেওঁলোকৰ এটা ডাঙৰ সমস্যা ইয়াত দাঙি ধৰিব দিয়াৰ কাৰণে মই ধন্যবাদ জনাইছো । আমি সকলোৱে জানো যে অসমত ইতিমধ্যে প্ৰায় ডেৰ লাখ মান আত্মসহায়ক গোট গঠন হৈছে আৰু তেওঁলোকে গ্ৰাম্য পৰ্য্যায়ত মহিলা সবলীকৰণৰ ক্ষেত্ৰত আৰু গ্ৰাম্য অৰ্থনীতি নিৰ্মাণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে । মোৰ সমষ্টি মৰাণৰ দুটা ব্লকৰ ভিতৰত খোৱাং ব্লকত ২০৩৪ টা আৰু বৰবৰুৱা ব্লকত ১৭৮১ টা আত্মসহায়ক গোট আছে। সেই অনুসৰি বৰবৰুৱা ব্লকত ৯৮ টা গ্ৰাম্য সংগঠন আৰু আৰু খোৱাং ব্লকত ১৩০ টা গ্ৰাম্য সংগঠন আছে আৰু দুয়োটা ব্লক লগ লগাই ক্লাষ্টাৰ লেভেল ফেডাৰেশ্যন আঠটা আছে । এই আত্মসহায়ক গোট বিলাকক সহায় কৰিবৰ কাৰণে আমাৰ চৰকাৰখনে বিভিন্ন ধৰণৰ আঁচনি গ্ৰহণ কৰিছে। তাৰ ভিতৰত আমি কনকলতা আঁচনি, আত্মসহায়ক গোটৰ সদস্য সকলৰ ঋণ মাফৰ কথা ক'ব পাৰো আৰু এটা বিশেষ আঁচনি স্ব-নিৰ্ভৰ নাৰী আত্মনিৰ্ভৰ অসমৰ কথা ক'ব পাৰো যাৰ যোগেদি মহিলা সকলে বিভিন্ন ধৰণৰ উৎপাদন মুখী কামত অগ্ৰসৰ হ'ব কাৰণে উৎসাহ যগোৱা হৈছে । আমি সঘনাই এটা সমস্যাৰ মুখামুখী হৈ থাকো সেইটো হৈছে মাজে মাজে আমাৰ কাৰ্য্যালয়লৈ আত্মসহায়ক গোটৰ প্ৰেচিডেন্ট, চেক্ৰেটাৰী বিলাক আহে আৰু আহি কয় যে আমাৰ এটা ভি. অ'. আছে যিহেতু আমাৰ কাৰ্য্যালয় নাই গতিকে বহিবৰ কাৰণে আমাক এটুকুৰা ঠাই লাগে। অৰ্থাৎ তেওঁলোকৰ চকী, মেজ, আলমিৰা আদি থবলৈ আৰু দহটা গোটৰ পৰা অহা দহ জনী মহিলা বহিবলৈ কাৰ্য্যালয় এটা লাগে। গাওঁ অঞ্চলত যিহেতু ভাৰাতীয়া ঘৰ পোৱা নাযায় আৰু ভাড়া দি চলোৱাটো তেওঁলোকৰ কাৰণে সম্ভৱ নহয় সেয়েহে তেওঁলোকে সদায় দাবী কৰি থকা বিষয়টো হৈছে যে আমাক একোটাকৈ কাৰ্য্যালয় লাগে। অসম চৰকাৰৰ গ্ৰামোন্নয়ন বিভাগৰ সন্মানীয় মন্ত্ৰী ডাঙৰীয়াক আমি আপোনাৰ জৰিয়তে অৱগত কৰিব বিচাৰিছো বা তেখেতৰ পৰা জানিব বিচাৰিছো আত্মসহায়ক গোট সমূহ ভালদৰে আগুৱাই যাবৰ কাৰণে আমি যিহেতু বিভিন্ন ধৰণৰ আঁচনি হাতত লৈ প্ৰচেষ্টা চলাই আছো আৰু এই ক্ষেত্ৰত আমি যদি ভি অ' বিলাকক এটা কাৰ্য্যালয় বনাই দিবৰ কাৰণে মই অনুৰোধ জনাইছো আৰু ক্লাষ্টাৰ লেভেল যিবিলাক ফেডাৰেশ্যন আছে, যিবোৰ পঞ্চায়তত থকা বহুত গোট লগ লাগি হয়, তেওঁলোকৰ কাৰণেও ভৱিষ্যতে যাতে কাৰ্য্যালয় বনাই দিব পৰা যায়, তাৰ কাৰণে অনুৰোধ জনায় মই মোৰ বক্তব্য সামৰণি মাৰিছো ।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় বিধায়ক চক্ৰধৰ গগৈ ডাঙৰীয়াই যি কথা কৈছে এই কথাষাৰ আমি অস্বীকাৰ কৰিব বিচৰা নাই । আমাৰ নেচনেল ৰুৰেল লাইভলিহুড মিচনৰ অন্তৰ্গত অসম ষ্টেট ৰুৰেল লাইভলিহুড মিচনৰ অধীনত আমাৰ প্ৰায় ৩৪ লাখ আত্মসহায়ক গোট আছে আৰু এই ৩৪ লাখৰ মাজৰ পৰাই আমাৰ ফেডাৰেশ্যন কিছুমানো হৈছে। এই চি এল এফ, ভি এল অ' বা আত্ম সহায়ক গোট বিলাকৰ কাৰণে ভাৰত চৰকাৰৰ পৰা কাৰ্যালয়ৰ বাবে পুঁজি আৱন্টন কৰা নহয়। আমি তেওঁলোকক ৰিভলভিং ফাণ্ড হিচাপে ভাৰত চৰকাৰৰ পৰা টকা দিওঁ আৰু বেংকৰ লগত লিংকেজ কৰি দিওঁ। গতিকে ভাৰত চৰকাৰ বা অসম চৰকাৰৰ কাৰণে এইটো সম্ভৱ নহয় । ইতিমধ্যে মোৰ সমষ্টি পাটাছাৰকুছিত দুই চাৰিটা কাৰ্যালয় মই

বিধায়ক পুঁজিৰ পৰা বনাই দিছো  আৰু দুই/চাৰিটা কাৰ্যালয় পৰিত্যক্ত ঘৰ সমূহত বনাই দিয়াৰ ব্যৱস্থা কৰিছো। ঠিক তেনেদৰে যদি বিধায়কসকলে তেওঁলোকৰ নিজৰ পুঁজিৰ পৰা কাৰ্যালয় বনাই দি সহায় কৰি দিয়ে তেন্তে আগন্তুক দিনত সমস্যাৰ সমাধান হ'ব বুলি মই ভাবো।

**শ্ৰী চক্ৰধৰ গগৈ, (মৰাণ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই এটা কথা মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে আমাৰ পুঁজি আছে মাত্ৰ এক কোটি টকা। আমি এক লাখ কৰি দিলে এশ টা অনুষ্ঠানত আৰু দুই লাখকৈ দিলে পঞ্চাশটা অনুষ্ঠানত দিব পাৰো। গতিকে সেইখিনি টকাৰে আমি নামঘৰেই বনাম নে গাঁওৰ অন্যান্য অনুষ্ঠানেই বনাম নে চি অল এফ, ভি ই অ' অফিচ বনাম, গতিকে এই ক্ষেত্ৰত চৰকাৰৰ পৰা উদ্যোগ ল'লে ভাল হয়।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া আমিনুল ইছলাম (জেষ্ঠ)।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি মই এটা গুৰুত্বপূৰ্ণ কথা উত্থাপন কৰিব বিচাৰিছো। বিষয়টো হ'ল চৰকাৰৰ **উদাসীনতা চৰম হতাশাগ্ৰস্ত অসমৰ টিউটৰ সকল** । উপাধ্যক্ষ মহোদয় ২০১৭ চনত প্ৰাদেশীকৃত আইন যিখন পাছ হৈছিল সেই আইন অনুসৰি তেওঁলোকে উচ্চ প্ৰাথমিকৰ ছয় হাজাৰ চাৰিশ চিয়াশী আৰু নিম্ন প্ৰাথমিকৰ ২৩০৯  আৰু সৰ্বমুঠ ৯৭৯৫ গৰাকী শিক্ষকক টিউটৰ ৰূপে প্ৰাদেশীকিকৰণ কৰা হৈছিল । সেই সময়ত এই কথাটো কোৱা হৈছিল যে যি সকলৰ প্ৰয়োজনীয় শিক্ষাগত অৰ্হতা নাই অৰ্থাৎ ডি এল এড., টেট উত্তীৰ্ণ হ'ব লাগে তেতিয়া তেওঁলোকক ৰেগুলাৰ কৰা হ'ব । তাৰ পিছত দেখা গ'ল বহুতে ডি এল এড. কৰিলে বা টেট পাছ কৰিলে কিন্তু আজিলৈকে তেওঁলোকক ৰেগুলাৰাইজ কৰা হোৱা নাই । আজি নিম্ন প্ৰাথমিকৰ শিক্ষক সকলক দহ হাজাৰ আঠশ টকা তেওঁলোকক দিয়া হৈছে । আজিৰ এই মূল্যবৃদ্ধিৰ সময়ত এই টকা খিনিৰে শিক্ষক এজনে কেনেকৈ চলে। বহুবাৰ শিক্ষামন্ত্ৰীৰ লগত যোগাযোগ কৰিছে, তেওঁলোকে বহুবাৰ শিক্ষা মন্ত্ৰীৰ লগতে যোগাযোগ কৰিছে বা মাননীয় মুখ্যমন্ত্ৰীৰ লগত যোগাযোগ কৰিব বিচাৰিছে। কিছুদিন আগতে মুখ্যমন্ত্ৰীয়ে দিয়া পৰামৰ্শ অনুসৰি আমাৰ শিক্ষাৰ উপদেষ্টা শ্ৰীননীগোপাল মহন্তৰ লগত আলোচনা হৈছে। তেওঁলোকৰ দাবী বিলাক তেখেতে শুনি কৈছে যে যিবিলাক Venture School Provincialisation কৰা হ'ল তাত TET ৰ কথা আহিবই নালাগে। তেখেতে আচৰিত হৈছে আৰু তেখেতে এই কথাটোও কৈছে যে ১০, ৮০০ টকা আচলতে কোনোপধ্যে যুক্তিসংগত নহয়, এই কথাবিলাক চৰকাৰৰ দৃষ্টিগোচৰ কৰি আৰু এটা কথা মাননীয় মুখ্যমন্ত্ৰীয়ে যিটো কৈছিল যে যেতিয়া tutor সকলে retierment ল'ব তেওঁলোকৰ gratuity ৰ বাবদ ১০ লাখ টকাকে দিব। কিন্তু এতিয়ালৈকে ১৫ শ অধিক tutor, তেওঁলোক retierd হ'ল, কিন্তু তেওঁলোকক gratuity pension একো নাই। Service Book ও নাই আৰু তাতকৈ দুৰ্ভাগ্যজনক কথা হ'ল যিবিলাক ME School ত ৩ জন tutor হ'ল তাত প্ৰধান শিক্ষক হিচাপে কাকো নিযুক্তি দিয়া নাই। কিন্তু আগ্ত যিজন প্ৰধান শিক্ষক আছিল সেই প্ৰধান শিক্ষক জনৰ আকৌ গোটেই কাম কাজবিলাক record maintain কৰা, গোটেই Midday meal ৰ তথ্য দিয়া। আকৌ Headmaster হিচাপে চহী কৰিও অফিচত কাগজ-পত্ৰ সকলো দিব লাগে কিন্তু Headmaster ৰে দিয়া নাই।

**মাননীয় উপাধ্যক্ষ** ঃ আপুনি বিচাৰিছে কি ?

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং)** ঃ এতিয়া যিসকল TET উত্তীৰ্ণ tutor ৰ সকলৰ সমস্যাৰ কথা মই কৈ আছো, এখন স্কুল Headmaster নোহোৱাকৈ কেনেকৈ চলে? Headmaster ৰ কাম বিলাক তেওঁলোকে কৰে। seal মাৰে, certificate issue আদি সকলো কৰে। তেওঁক

tutor নাম দি থোৱা হৈছে Headmaster হিচাপে। কিন্তু বিভাগে দিয়া নাই। এতিয়া তেওঁলোকে কৈছে আমি Headmaster ৰ গোটেই কাম, দায়িত্ব মূৰপাতি ল'ব লাগে। আমাক Headmaster নিদিয়ে, Tutor কৰি থৈ দিছে। তেওঁলোকৰ যিখিনি requisite qualification আছে, তেওঁলোককো দিয়া হোৱা নাই। তাৰ লগতে আৰু এটা কথা হ'ল যিসকল retired হৈছে, তেওঁলোকে সেই gratuality ১০ লাখ টকা পোৱা নাই আৰু এটা কথা Subject যিখিনি বঞ্চিত হৈ আছে। হিন্দী বা classical Teacher বা Science ৰ যিবিলাক seniority basic ত হোৱা নাই এই subject বিলাকৰ class হৈ থকা নাই। গতিকে এইকথা বিলাক বাৰে বাৰে আমি অসম বিধান সভাত উত্থাপন কৰিছো, কিন্তু মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে আগতে এবাৰ কৈছিল যে amemdment কৰিম। Bill খনত কিন্তু সেইটো কৰা নাই। আজি tutor সকলৰ এই দুৰ্দশা আমি ভাৰো অন্ততঃ মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে এটা সদুত্তৰ দিব আৰু তেওঁলোকৰ দুৰ্দশাৰ অন্ত পৰে আৰু এই বিষয়ত এটা পদক্ষেপ লববৈলে আহ্বান জনাইছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**ডাঃ ৰণোজ পেগু, (শিক্ষা মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমি সকলোৱে জানো ২০০৯ চনত শিক্ষাৰ অধিকাৰ আইন আহিল আৰু শিক্ষাৰ অধিকাৰ আইন অহাৰ পিছত বিদ্যালয়ৰ ব্যৱস্থাপনা, শিক্ষক নিযুক্তি এই প্ৰক্ৰিয়াটোত আমূল পৰিৱৰ্তন আহিছে আৰু যি পৰিৱৰ্তন অসমতো প্ৰয়োগ কৰি ২০১২ চনৰ পৰা professionally qualified অৰ্থাৎ TET pass কৰা DELED থকা শিক্ষককহে আমি নিযুক্তি দি আহিছো। অসম চৰকাৰৰ পৰা যি পোনপোটীয়া recruitment বা direct recriutment ত আমি এই professional qualification থকা ব্যক্তিকহে নিযুক্তি দি আহিছো। কিন্তু ২০১৭ চনৰ provincialisation ৰ যেতিয়া আইন বিবেচনাধীন হ'ল, তাত দেখা গ'ল যে ২০০৯ চনৰ শিক্ষাৰ অধিকাৰ আইনৰ অধীনত provincialise হোৱাৰ কাৰণে সৰহসংখ্যক শিক্ষকৰে অৰ্হতা নাই, যোগ্যতা নাই। এতেকে পোনপতীয়াভাৱে তেওঁলোকৰ আবেদন সমূহ নাকচ হ'বই লাগিছিল। কিন্তু সেই সময়ৰ মাননীয় শিক্ষামন্ত্ৰী আৰু বৰ্তমানৰ মাননীয় শিক্ষামন্ত্ৰীয়ে গোটেই কথাটো বিবেচনা কৰি তেখেতে অসমৰ ক্ষেত্ৰত এটা সূত্ৰ উদ্ভাৱন কৰিলে যে NCT ৰ guideline ৰ right to education আইন অনুযায়ী অৰ্হতা নথকা ব্যক্তি অৰ্থাৎ BA প্ৰাথমিকত D.E.L.E.D আৰু TET qualification নথকা ব্যক্তি যিহেতু আমি শিক্ষক হিচাপে নিযুক্তি দিব নোৱাৰো। এতেকে তেওঁলোকক tutor হিচাপে নিযুক্তি দিয়া হ'ল আৰু আইনত এটা ব্যৱস্থা কৰা হ'ল যে যদি ৫ বছৰৰ ভিতৰত তেওঁলোকে সেই professional qualification আয়ত্ব কৰে, তেনেহ'লে তেওঁলোকক শিক্ষকলৈ উন্নীত কৰা হ'ব। সেই অনুযায়ী তাৰপাছত জিলাসমূহৰ পৰা যি scrutiny report আহিল, State Level ত যিখিনি কৰা হ'ল এই scrutiny খিনি কৰি provincialisation কিছুমানত শিক্ষক আৰু tutor হিচাপে কৰা হ'ল। পৰৱৰ্তী পৰ্য্যায়ত আমাৰ কিছুসংখ্যক আৱেদন আমি লাভ কৰিলো। যিখিনি আমাৰ আবেদনৰ ভিতৰত একাংশ আছে তেওঁলোক provincialisation ৰ পূৰ্বে তেওঁলোকৰ professional qualification আছিল, কিন্তু জিলাৰ পৰা প্ৰতিবেদন আহোতে সেইখিনি সন্নিবিষ্ট নহ'ল বা তেওঁলোকৰ profile ত যিখিনি D.E.L.E.D Certificate সেই certificate খিনি পুংখানুপুংখভাৱে পৰীক্ষা কৰিবলগীয়া হ'ল। যি স্থানৰ পৰা তেওঁলোকে Diploma টো আয়ত্ব কৰিছে বা degree টো আয়ত্ব কৰিছে, তাৰ পৰা report বিচাৰিব লগা হ'ল। এই গোটেই প্ৰক্ৰিয়াটো কৰোতে আমাৰ কিছু সময় লাগিছে।

কিন্তু সময় লাগিলেও আমাৰ verification খিনি সম্পূৰ্ণ হৈছে। যিখিনি যোগ্য, যিসকলৰ অৰ্হতা আছে, তেওঁলোকৰ শিক্ষকৰ উন্নীতকৰণৰ কামটো সোনকালে আমি সম্পূৰ্ণ কৰিম। প্ৰধান শিক্ষকৰ যিটো কথা কৈছে যে ২০১৭ চনৰ আইনখনত এইটো উল্লেখ আছে যে, ২০১৭ চনত আমি বিদ্যালয় provincialisation কৰা নাই। বিদ্যালয়ত কৰ্মৰত শিক্ষক কৰ্মচাৰীৰ পদসমূহ provincialisation কৰিছো আৰু কৰাৰ পাছত তেওঁলোকক অন্য বিদ্যালয়ত base School হিচাপে যোগদান কৰিবলৈ দিয়া হৈছে। অন্য বিদ্যালয়ত যিহেতু যাব, headteacher আছে। এই বিদ্যালয়খনত headteacher ৰ post create কৰাৰ প্ৰশ্নটো সেই কাৰণে নাহিল। কিন্তু এটা দফাত উল্লেখ আছিল যে যদি পৰ্য্যাপ্ত পৰিমাণৰ ছাত্ৰ-ছাত্ৰী থাকে আৰু উপযুক্ত আন্তঃগাঁথনি থাকে আৰু যদি amalgamate কৰিব লগা বিদ্যালয় নাথাকে, তেতিয়াহ'লে এখন School বা self base School হিচাপে notify কৰিব লাগিব। এতিয়া কোনখিনি বিদ্যালয় ইয়াৰে ভিতৰত আমি বহুখিনি বিদ্যালয় ইতিমধ্যে self base School হিচাপে notify কৰিছো আৰু একাংশ examination ও চলিছে। ইয়াৰ পাছত যিখিনি বিদ্যালয় আমি self base School হিচাপে ৰাখিম। সেই বিদ্যালয় সমূহত প্ৰধান শিক্ষকৰ পদ সৃষ্টি কৰা বিষয়টো আহিব আৰু তাত আমি নিশ্চিতভাৱে প্ৰধান শিক্ষকৰ পদ সৃষ্টি কৰিম। তৃতীয় এটা প্ৰশ্ন আহিছে। বহু গুৰুত্বপূৰ্ণ post যেনে-তেখেতে classical teacher ৰ কথা কৈছে, Hindi Teacher ৰ কথা কৈছে বা ক'ৰবাত বিজ্ঞানৰ শিক্ষকো হ'ব পাৰে। এই শিক্ষকৰ পদবীবিলাক proviciallisation নহ'ল। এতিয়া কি হ'ব। এতিয়া ইয়াত হয় নতুন post এটা creat হ'ব অথবা তেনে এটা post বেলেগ এখন বিদ্যালয়ৰ পৰা এই বিদ্যালয়খনলৈ বা বিদ্যালয়খনত আমি transfer কৰি shifting কৰি দিব লাগিব। ইয়াৰ কাৰণে rationalisation প্ৰক্ৰিয়াটো চলিছে কিন্তু ক'ত কিমান শিক্ষক আছে, কোন কোন বিষয়ৰ শিক্ষক আছে তেওঁলোকৰ বৃত্তিগত qualification ত কি আছে এই গোটেই তথ্যখিনি আমাক লাগে আৰু ইয়াৰ বাবে শিক্ষা সেঁতু APP ত সকলো শিক্ষক শিক্ষয়েত্ৰীক তথ্য দিবলৈ অনুৰোধ জনাইছো। একাংশ শিক্ষক শিক্ষয়ত্ৰীয়ে এই শিক্ষা সেঁতু APP টোত তথ্য নিদিয়াৰ কাৰণে বা তথ্য দিবলৈ নজনাৰ কাৰণে আৰু নজনা মানুহো আছে, তেওঁলোকে তথ্য নিদিয়াৰ কাৰণে বা সহযোগিতা নকৰাৰ কাৰণে গোটেই প্ৰক্ৰিয়াটোত বিলম্ব ঘটিছে। পূণৰবাৰ এই পবিত্ৰ সদনক কৈছো যে শিক্ষাসেতু APP ত একাংশ শিক্ষকে শিক্ষকৰ প্ৰয়োজনীয় তথ্যসমূহ upload নকৰাৰ কাৰণে ইয়াত সহযোগিতা নকৰাৰ কাৰণে এই tutor ক teacher কৰা, প্ৰধান শিক্ষকৰ পদ সৃষ্টি কৰা আৰু প্ৰয়োজনীয় আন পদসমূহ বিশেষকৈ upper primary ত প্ৰয়োজনীয় পদসমূহ সৃষ্টি কৰাৰ ক্ষেত্ৰত বিলম্ব হৈছে। গতিকে মই এই সদনৰ পৰা অসমৰ গোটেই শিক্ষক শিক্ষয়িত্ৰী সমাজক তেওঁলোকৰ সংগঠন সমূহক আহ্বান জনাইছো। চৰকাৰখনৰ সদিচ্ছাৰ লগত সহযোগিতা কৰক। শিক্ষাসেতুত তেওঁলোকে সহযোগিতা কৰক। এটা শক্তিশালী আৰু শুদ্ধ database সৃষ্টি কৰাত চৰকাৰখনক সহযোগিতা কৰক। চৰকাৰখনে এই সকলোবিলাক শিক্ষক শিক্ষয়িত্ৰীৰ সমস্যা সমাধান কৰিব আৰু এটা শেষ প্ৰশ্ন আহিছে যে ১০ হাজাৰ টকাটো বৃদ্ধি কৰাৰ কথা আছে, সেইটো ২ বছৰৰ পাছত অৰ্থাৎ ২০২১ চনত কৰিছো। ২০২৩ চন সোমাইছে, বৃদ্ধি কৰা নকৰা প্ৰশ্নটো ইয়াৰ পাছত বিবেচনা কৰা হ'ব আৰু ১০ লাখ টকাৰ যিটো কথা উল্লেখ কৰিছে সেইটো মোৰ আইনখনত কোনো বিধি বা কোনো Office memorandum ত নাই। মোৰ তাত আহি শিক্ষক প্ৰতিনিধি সকলে কয়, কিন্তু মই তেওঁলোকক তথ্য দিবলৈ কওঁ কোনো documented সিদ্ধান্ত অসম চৰকাৰৰ নাই। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** Under Rule 54 কাৰ্য্যসূচী নং- ২ মাননীয় সদস্য শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী) ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, মই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশিত "২০৩০ ৰ ভিতৰত গুৱাহাটী দক্ষিণ-পূৱ এছিয়াৰ দুৱাৰমুখ হিচাবে গঢ়া হ'ব" এই শীৰ্ষক সংবাদটোলৈ অৱশ্যে মাননীয় মুখ্যমন্ত্ৰী নাই। বোধহয় আমাৰ মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে উত্তৰ দিব। মই তেওঁৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। গুৱাহাটী মহানগৰীখন এতিয়া উত্তৰ-পূৰ্বাঞ্চলৰ দুৱাৰ মুখ হৈ আছে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে আনুষ্ঠানিকভাৱে ঘোষণা কৰিছে যে ই উত্তৰ-পূৰ্বাঞ্চলৰ দুৱাৰ মুখেই নহয়, ভৱিষ্যতে দক্ষিণ-পূৱ এছিয়াৰ দুৱাৰ মুখ হিচাবে গঢ়া হ'ব । অসমৰ ৰাইজে যথেষ্ট আনন্দ অনুভৱ কৰিছে আৰু এইখিনি কৰিবলৈ যাওঁতে আমাৰ গুৱাহাটী মহনগৰীৰ কিছু কাম অনাগত দিনত কৰিব লাগিব। কিন্তু বিগত ৭ টা বছৰৰ ভিতৰত বি জে পি নেতৃত্বাধীন চৰকাৰখনে গুৱাহাটী মহানগৰীৰ উন্নয়ণ বিকাশৰ ক্ষেত্ৰত যথেষ্টখিনি কাম ইতিমধ্যে কৰিছে। আজি যদি আমি চাওঁ তেনেহ'লে গুৱাহাটী মহানগৰীৰ আৰ্য্যনগৰৰ সৰ্বাৱভাটি বুলি কোৱা হয় তাত উৰণীয়া সেঁতু নিৰ্মাণ কৰা হৈছে, চুপাৰমাৰ্কেটত এখন উৰণীয়া সেঁতু নিৰ্মাণ কৰা হৈছে, এটা গুৱাহাটীৰ ভিতৰতেই দীৰ্ঘতম মালিগওঁৰ নীলাচল নামেৰে এটা উৰণীয়া সেঁতু নিৰ্মাণ কৰা হৈছে আৰু গুৱাহাটী মহানগৰীৰ ভৰলুমুখ, ফটাশিল, চাইকেল ফেক্টৰী, ৰিজাৰ্ভ বেংকৰ পৰা নাৰেঙ্গী এনেধৰণে কিছু উৰণীয়া সেঁতু নিৰ্মাণৰ কাৰণে সিদ্ধান্ত লোৱা বুলি জানিব পাৰিছো। পৰৱৰ্তী সময়ত এই বিষয়ে মাননীয় মন্ত্ৰী ডাঙৰীয়াই ক'ব। ইতিমধ্যে জো-ৰোডতো এখন উৰণীয়া সেঁতু নিৰ্মাণ কৰি থকা হৈছে। এই যে উৰণীয়া সেঁতু নিৰ্মাণ হৈ আছে, ই যান-জঁটৰ সমস্যাৰ উপৰিও গুৱাহাটী মহানগৰীৰ নিশ্চয় সৌন্দৰ্য্যও বৃদ্ধি কৰিব। এই সৌন্দৰ্য্যৰ লগতো উৰণীয়া সেঁতুৰ সম্পৰ্কও জড়িত হৈ আছে। ঠিক তেনেকৈ আমি জানো যে গুৱাহাটী আৰু উত্তৰ গুৱাহাটাৰ মাজতো এখন সুন্দৰ ব্ৰীজ নিৰ্মাণ কৰি থকা হৈছে। এইখন হয়তো অহা বছৰ সম্পূৰ্ণ হ'ব আৰু মুকলি কৰিব। পৰৱৰ্তী সময়ত মই ভাৱো আজি মোম্বাইত যিখন মেৰিনড্ৰাইভ আছে, ঠিক তেনেদৰে আমাৰ যদি খাৰঘুলিৰ পৰা ভৰলুমুখলৈ ব্ৰহ্মপুত্ৰ নদীৰ পাৰখন মেৰিনড্ৰাইভ ৰ নিচিনাকৈ সৌন্দৰ্য্য বৰ্দ্ধনৰ বাবে ব্যৱস্থা গ্ৰহণ কৰে, তেনেহ'লে গুৱাহাটীৰ শ্ৰী বৃদ্ধি যথেষ্ট পৰিমাণে বৃদ্ধি পাব। ব্ৰহ্মপুত্ৰ নদীৰ পাৰত যদি Cycling Track and walking Track নিৰ্মাণ কৰে আৰু তাক যদি পোহৰেৰে আলোকিত কৰি তোলে তেনেহ'লে গুৱাহাটী মহানগৰীৰ সৌন্দৰ্য্য যথেষ্টভাৱে বৃদ্ধি পাব। বৰ্তমান গুৱাহাটীৰ পৰা উমানন্দলৈ Rope way দিয়া হৈছে। এতিয়া কামখ্যা ষ্টেশ্যনৰ পৰা কামখ্যালৈ Rope way ৰ চিন্তা কৰিছে বুলি জানিব পাৰিছো। মই আৰু এটা সংযোগ কৰিব বিচাৰিছো যে আদিংগিৰিৰ পৰা কামাখ্যালৈ যদি Rope way ৰ ব্যৱস্থা কৰে যথেষ্ট ভাল হ'ব। ঠিক তেনেদৰে গুৱাহাটীৰ ওচৰতে দীপৰ বিল আছে। পৰ্যটনৰ কাৰণে যদি তাত পোহৰেৰে আলোকিত কৰে, Cycling Track and walking Track নিৰ্মাণ কৰে তেন্তে গুৱাহাটীৰ শ্ৰী বৃদ্ধি যথেষ্ট পৰিমাণে বৃদ্ধি পাব। ঠিক তেনেদৰে তাত যদি boating and boat house ৰ ব্যৱস্থা কৰে তেনেহ'লে যিসকল দেশী-বিদেশী পৰ্যটক কম দিনৰ কাৰণে আহিব তেওঁলোকে দীপৰ বিলত গৈ আমোদ-প্ৰমোদত সময় কটাব পাৰিব। আমাৰ জিলা কাৰাগাৰৰ ওচৰত এখন botanical garden কৰা হৈছে। এই গাৰ্ডেনখন যদি বেঙ্গালুৰুৰ লালবাগৰ নিচিনা কৰে তেন্তে বহুত ভাল হ'ব। ঠিক তেনেকৈ গুৱাহাটীৰ বিভিন্ন ঠাইত যদি কিছু পাৰ্ক কৰে গুৱাহাটীৰ শ্ৰী বৃদ্ধি

যথেষ্ট পৰিমাণে বৃদ্ধি পাব। মই আশা ৰাখিছো যে এনেধৰণে যদি কিছু পৰিকল্পনা হাতত লয়, তেনেহ'লে ২০৩০ ৰ ভিতৰত গুৱাহাটী দক্ষিণ-পূৰ এছিয়াৰ দুৱাৰমুখ হিচাবে গঢ়াৰ যি পৰিকল্পনা হাতত লোৱা হৈছে, সেই পৰিকল্পনাৰ বাস্তৱ ৰূপ দিব পাৰিব। ধন্যবাদ। **মাননীয় উপাধ্যক্ষ ঃ** মাননীয় উত্তৰ দিব।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি বিভাগ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়া সদায় গুৱাহাটীক লৈ খুব serious. আমি বহু দিনৰ পৰা তেখেতক বিধান সভাত লগ পাই আহিছো আৰু তেখেতে সদায় দীপৰ বিলক সকলোতকৈ বেছি প্ৰাধান্য দিয়ে। তেখেতে গুৱাহাটী খনৰ কেনেকৈ উন্নয়ণ হৈছে সেই বিষয়ে ক'লে। সেয়েহে মোৰ উত্তৰ দিবলগীয়া নাই। তেখেতে গুৱাহাটীৰ বিষয়ে আমাতকৈ বেছি জানে। মোৰ মনত পৰে মই পঞ্চম বা যষ্ঠ শ্ৰেণীত পঢ়ি থাকোতে স্কুলৰ পৰা গুৱাহাটীলৈ চিৰিয়াখান আৰু বিমানবন্দৰ দেখুৱাবলৈ আনিছিল। তাৰ পিছত মই দ্বিতীয়বাৰ ১৯৯৩ চনত গুৱাহাটীলৈ আহিছিলো। মোৰ ঘৰ আঁহতগুৰিত, গুৱাহাটীৰ পৰা ৮০ কিলোমিটাৰ দূৰৈত। ১৯৯৫ চনত মই গুৱাহাটীলৈ পঢ়িবলৈ আহিছিলো আৰু তেতিয়া হাতীগাওঁৰ পথটো গুৱাহাটীৰ পথ বুলি ক'ব নোৱাৰি। ঘোঁৰামাৰা য'ত এতিয়া দলং হ'ল আতে তাত কাঠৰ দলং আছিল। এইতিয়া গণেশগুৰিৰ উৰণীয়া সেঁতুৰ ঠাইত তেতিয়া গণেশগুৰি চাৰিআলি আছিল আৰু তাৰ কাষতে লখিমী হোটেল আছিল য'ত আমি চাহ খাবলৈ গৈছিলো। পল্টন বাজাৰৰ পৰা সকলো অহা বাছ তাত ৰৈছিল। সেইটোৰ এটা দৃষ্টিনন্দন পৰিৱেশ আছিল। কিন্তু এতিয়া সম্পূৰ্ণৰূপে সকলো সলনি হ'ল। এতিয়া গুৱাহাটীখন বহু মানুহে দিল্লী বা বাহিৰৰ পৰা ১০ বছৰ মান পিছত আহিলে চিনিবই নোৱাৰে আৰু কয় যে গুৱাহাটীখনৰ কিমান উন্নয়ণ হৈছেঙ্গ আমাৰ চকুৰ আগতেই কেইবাখনো উৰণীয়াসেঁতু হ'ল। মই উপলব্ধি কৰিছো যে যোৱা ৭ বছৰত গুৱাহাটীত যিমান উন্নয়ণ হৈছে আগতে কেতিয়াও হোৱা নাছিল। আজি লাষ্টগেট আৰু চুপাৰমাৰ্কেট উৰণীয়াসেঁতুৰ বাবে তাত কোনো ধৰণৰ ট্ৰেফিকজাম নহয়। যোৱা কেইদিনমানৰ আগতে আপোনাৰ সমষ্টি য'ৰ পৰা আৰম্ভ হয় তাত মালিগাওঁ উৰণীয়া সেঁতু খন সম্পূৰ্ণ হ'ল, গুৱাহাটী মহানগৰীৰ আৰ্য্যনগৰৰ সৰ‍্বভাটি উৰণীয়া সেঁতু খন সম্পূৰ্ণ হ'ল। কেইদিনমান পিছত জু-ৰোড উৰণীয়া সেঁতু খন সম্পূৰ্ণ হ'ব। আপুনি যিটো মেৰিনড্ৰাইভৰ কথা কৈছে, আমাৰ ইতিমধ্যে River front development ৰ কথা চলি আছে। মহামান্য ৰাজ্যপাল মহোদয় থকা খাৰঘুলিৰ পৰা উজান বজাৰলৈ ইয়াৰ কাম পূৰ্ণ গতিত চলি আছে। এই বিষয়ে মাননীয় মন্ত্ৰী মহোদয়ে ভালদৰে জানে আৰু তেওঁ আজি ৰাতিপুৱা গৈ কাম চাই আহিছে। গতিকে গুৱাহাটী অত্যন্ত ভাল দিশেৰে গতি কৰিছে। আজিৰ পৰা ৩ মাহ আগতে এটা চাৰ্ভ ৰিপোৰ্ট আহিছিল যে এতিয়াৰ গুৱাহাটীৰ বিমানবন্দটো ভাৰতৰ ভিতৰত ১০ নং ব্যস্ত বিমানবন্দৰ বুলি কোৱা হৈছে। গোটেই ভাৰতবৰ্ষত প্ৰায় ২ শখন বিমানবন্দৰ আছে। আমি যদি মেট্ৰ' বিমানবন্দৰ, ডাঙৰ ডাঙৰ চহৰৰ বিমানবন্দৰ যেনে-হাইদৰাবাদ, বাঙ্গালুৰু, গুজৰাট আদি চহৰসমূহ বাদ দিও উন্নয়ণৰ হিচাপে গুৱাহাটী বিমানবন্দৰ বহু পিছ পৰি থাকিব লাগিছিল। কিন্তু গুৱাহাটী বিমানবন্দৰখন দেশৰ ভিতৰতে ১০ নং ব্যস্ত বিমানবন্দৰ হৈ পৰিছে। অসম আৰু উত্তৰ-পূৰ্বাঞ্চললৈ মানুহ আহিছে। এইটোৱেই অসম বা গুৱাহাটীৰ প্ৰগতি হৈছে, সেইটো সূচনা কৰিছে। কামখিনি সম্পূৰ্ণৰূপে চলি আছে আৰু ডেৰটা বছৰৰ ভিতৰত উত্তৰ গুৱাহাটী আৰু ভৰলুমুখ সংযোগী সেঁতুখন সম্পূৰ্ণ হ'ব। আমি সকলোৱে জানো, শুৱালকুছি আৰু মাজিৰগাওঁ (পলাশবাৰী) ৰ দলঙৰ কাম আৰম্ভ হ'ল। কুৰুৱা-নাৰেংগী দলঙৰ কামো হয়তো সোনকালে আৰম্ভ হ'ব। গুৱাহাটী এনেকৈ উন্নত হৈছে যে কেইদিন মান

পিছত গুৱাহাটী আমিয়েই চিনি নাপাম। আদিমগিৰিৰ পৰা কামাখ্যালৈকে Rope Way কৰাৰ পৰামৰ্শ তেওঁ দিছে। মন্ত্ৰী ডাঙৰীয়া আছেই। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াকো এই ব্যৱস্থাটো কৰিব পাৰি নেকি তাৰ বাবে তাৰ বাবে অনুৰোধ কৰিম। দীপৰ বিলৰ ক্ষেত্ৰত সন্মানীয় সদস্যগৰাকীয়ে Walking track, Cycling track কৰাৰ কথা কৈছে। মই এদিন প্ৰায় ৩ ঘণ্টা সময় দীপৰ বিল ভ্ৰমণ কৰিছো। জল সম্পদ বিভাগে দীপৰ বিলৰ চাৰিওফালে ৰাস্তা বা মথাউৰিবোৰ বহলাই তাত Walking track আৰু Cycling track বনাব পাৰে নেকি সেইখিনি মোক মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এবাৰ চাবলৈ দিছিল। মই মাননীয় বিধায়ক গৰাকীক লগত লৈ প্ৰাৰম্ভিক পৰ্যায়ত পৰীক্ষা কৰি থৈ আহিছো। এই ক্ষেত্ৰত আমি প্ৰাক্কলন প্ৰস্তুত কৰিবলৈও দিছো। মুঠতে গুৱাহাটী খুব ভালদৰে ধুনীয়া কৰিবলৈ কাম কৰি আছো আৰু কৰি যাম।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। এতিয়া কাৰ্য্যসূচী নং -৩। Under Rule 301 মাননীয় সদস্য আশ্ৰাফুল হুছেইন ডাঙৰীয়াক তেওঁৰ বিষয়টো ৰাখিবলৈ অনুৰোধ জনালো।

আমাৰ বহুত সময় যিহেতু নষ্ট হ'ল, Rule 301 ত ৫ মিনিট সময় নিৰ্ধাৰণ কৰি দিয়া আছে যদিও আপুনি ৩ মিনিট মানত কৈ শেষ কৰিলে সদনে বেলেগ বিষয়ত আলোচনা কৰিবলৈ সময় পাব।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা) ঃ**মাননীয় উপাধ্যক্ষ মহোদয়, মই Rule 301ৰ অধীনত- 'উপ-জিলা গঠনে নিমিলা অংকৰ সৃষ্টি কৰিছে চেঙা সমষ্টিত'- এই প্ৰস্তাৱটো আনিছো। এই বিষয়টোত আমি চৰকাৰ তথা বিভাগীয় মন্ত্ৰীৰ এইকাৰণেই দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে শেহতীয়াকৈ অসম চৰকাৰে Non Sixth-scheduled area ৰ মহকুমা সমূহক বিলুপ্তি ঘটাই যি উপ-জিলা গঠন কৰিবলৈ আগবাঢ়িছে, ইয়াৰ জৰিয়তে জনগণক চৰকাৰী সেৱা সমূহৰ নিকটত নিয়াৰ বাবে চাগে এই প্ৰচেষ্টা কৰিছে। Delimitation ৰ ফলত নতুনকৈ চেঙা সমষ্টি সৃষ্টি কৰা দেখা গৈছে। চেঙা সমষ্টিটো পঞ্চৰত্ন দলঙৰ পৰা আৰম্ভ কৰি নলবাৰী জিলাৰ ৰামপুৰলৈকে প্ৰায় ১০০ কিঃমিঃ তকৈ অধিক, ব্ৰহ্মপুত্ৰখন মাজত, তাৰ ইপাৰে-সিপাৰে, বহলতো ৪০-৫০ কিঃমিঃ তকৈ কম নোহোৱা এক বৃহত্তৰ এলেকা। ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে সিঁচৰিত হৈ থকা এই সমষ্টিটোৰ উপ-জিলাৰ কাৰ্যালয় ক'ৰবাত স্থাপন কৰিবলৈ গ'লে যিকোনো এঠাইৰ মানুহৰ অসুবিধা হোৱাটো তেনেই স্বাভাৱিক। পূৰ্বতে, ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ বৰপেটা জিলাৰ চেঙা আৰু বাঘবৰ সমষ্টিৰ মানুহৰ এটা আহ্বান আছিল যে ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে এটা মহকুমা গঠন হ'ব লাগে। ২০০১ চনৰ লোকপিয়ল মতে তাত ১ লাখৰো অধিক জনসংখ্যা আছিল, এতিয়া তাত প্ৰায় ডেৰ লাখৰ ওচৰত জনসংখ্যা হ'ব। গতিকে সেই ঠাইতে নতুন উপ-জিলাৰ concept টো নানি যদি মহকুমা গঠন হ'লহেঁতেন । সেই ঠাইৰ মানুহৰ নদীৰে পাৰ হওঁতে কেতিয়াবা ২ ঘণ্টা কেতিয়া ৩ ঘণ্টা সময় লাগে। উজীৰচৰৰ মানুহে নাঁৱেৰে পাৰ হ'ব নোৱাৰি গোৱালপাৰা বা বঙাইগাওঁ হৈ ঘূৰি বৰপেটা সদৰলৈ আহিব লাগে আৰু ই এটা অসুবিধাৰ সৃষ্টি কৰিছে। গতিকে এই অসুবিধাটো দূৰ কৰাৰ কাৰণে এই মূহুৰ্তত আমাৰ প্ৰস্তাৱটো এনেকুৱা যে ৰাজহ চক্ৰ সমূহ নিশ্চিত ভাৱে পুনৰ গঠন কৰিব লাগিব। Block সমূহো কিজানি পুনৰ গঠন কৰিব লাগিব। এতিয়া যিটো চেঙা সমষ্টিৰ সৃষ্টি হৈছে তাত কোনো ৰাজহ চক্ৰৰ কাৰ্যালয় নাই। কোনো এটা BDO, BEO, Block PHE ৰ কাৰ্যালয় নাই। এইধৰণে যি সমূহ চৰকাৰী অফিচ-কাছাৰী, অনুষ্ঠান-প্ৰতিষ্ঠান থাকিব লাগে, সেই সমূহ নাই। গতিকে, আমি আশা কৰিম যে চেঙা সমষ্টিৰ, ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে অন্ততঃ এটা Circle Office and এটা BDO Office দি, তাৰ পিছত উপ-জিলাৰ কথা চিন্তা- ভাৱনা

কৰি কোনো এখন ঠাইত ইয়াক স্থাপন কৰিলে, মই ভাৱো যে চেঙা সমষ্টিৰ বিশেষকৈ, ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ মানুহখিনিৰ যথেষ্টখিনি সহজ হ'ব। স্বাধীনতাৰ ৭৫ বছৰেই তেওঁলোকে বিভিন্ন official কাম-কাজ লৈ এই ব্ৰহ্মপুত্ৰ নদী পাৰ হৈ সঘনাই আহিবলগীয়া হৈছে। ব্ৰহ্মপুত্ৰ নদীত বছৰটোৰ ৫-৬ মাহহে পানী থকাৰ ফলত ভালদৰে নাওঁ চলে, বাকী সময়খিনি বালিৰ চৰ পৰাৰ বাবে নাওঁ সমূহ বহুত ঠাইৰে ঘূৰি ঘূৰি আহিব লাগে। যাৰ ফলত, যিসকল চৰকাৰী কৰ্মচাৰী বা চৰকাৰী কামৰ বাবে কোনো সাধাৰণ ব্যক্তি ইপাৰৰ পৰা সিপাৰ হ'বলগীয়া হয়, গোটেই দিনটোত তেওঁলোকৰ পৰিবহনৰ নামতেই বহুত সময় খৰচ হয়। ইতিমধ্যে দেখা গৈছিল যে কৃষি বিভাগে মহকুমা কৃষি কাৰ্যালয় ব্ৰহ্মপুত্ৰৰ দক্ষিণ প্ৰান্তৰ আলোপট্টিত স্থাপন কৰিছিল আৰু চৰ উন্নয়নৰ কাৰ্যালয়ো তাত স্থাপন হৈছিল। কিন্তু, পৰৱৰ্তী সময়ত আৰু অন্যান্য কাৰ্যালয় সমূহ তাত স্থাপন নহ'ল। আমি নিশ্চিত ভাৱে অৱগত যে এটা সময়ত *ফাটনাবাইটি* বুলি এটা ব্লক ঘোষণা কৰা হৈছিল। কিন্তু সেই ঘোষণাতেই সেইখিনি সমাপ্ত হৈ থাকিল। তাৰ উপৰিও চৰাঞ্চলত আৰু এটা ব্লক ঘোষণা কৰা হৈছিল। এতিয়া ব্লক সমূহ re-organize কৰাৰ প্ৰক্ৰিয়া চলি আছে আৰু চক্ৰসমূহকো কম-বেছি পৰিমাণে re-organize কৰাৰ প্ৰয়োজনীয়তা আছে। এতিয়া চেঙা সমষ্টিত বৰপেটা, মন্দিয়া, চেঙা, সৰ্থেবাৰী এই চাৰি-পাঁচটা ৰাজহ চক্ৰৰ ঠাই একেলগ হৈছে, গতিকে, re-organize কৰিবই লাগিব। একেদৰে ৫-৬টা ব্লকৰ ঠাই একেলগ হৈছে, কোনোবা ব্লকৰ ৩ খন গাওঁ, কোনোবা ব্লকৰ ৫খন গাওঁ একেলগ হৈছে, গতিকে re-organize যিহেতু কৰিবই লাগিব, সেয়েহে মই ভাৱো এই ক্ষেত্ৰত চৰকাৰে অতি আন্তৰিকতাৰে ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ যিসকলে নাঁৱেৰে পাৰ হ'ব লাগে তেওঁলোকে যাতে সেই দক্ষিণ পাৰতে তেওঁলোকৰ নিজৰ সেৱা খিনি যাতে পাব পাৰে, তাৰ বাবে এটা বাস্তৱসন্মত আৰু তেওঁলোকৰ সুবিধা হোৱা ধৰণৰ এটা ব্যৱস্থা যাতে হাতত লয়, তাৰ কাৰণে অনাগত সময়ৰ চেঙাবৰ সমষ্টিৰ বৃহত্তৰ জনগণৰ হৈ আমি আহ্বান জনাইছো।

**মাননীয় উপাধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ইত্যাদি)ঃ** উপাধ্যক্ষ ডাঙৰীয়া, আমাৰ বিধায়ক শ্ৰী আশ্ৰাফুল হুছেইন ডাঙৰীয়াই Rule 301 ত যিটো বিষয় আনিছে, সেইটো আচলতে চিন্তা কৰিবলগীয়া বিষয়। চেঙা সমষ্টিটোৰ মাজেৰে ব্ৰহ্মপুত্ৰ বৈ যোৱাৰ কাৰণে এফালে আলোপট্টি চৰকে আদি কৰি যি বৃহৎ এটা অঞ্চল আৰু সেইটো পাৰৰ ফালৰ পৰা চালে, সেই অঞ্চলটো আচলতে গোৱালপাৰাৰ একেবাৰে ওচৰ। গোৱালপাৰা দিশেৰে communication টো সুবিধা হয় । কিন্তু, তাৰ মানুহখিনিয়ে থাকিব বিচাৰে বৰপেটাত। তেওঁলোকে এতিয়ালৈ কোৱা নাই যে গোৱালপাৰাত সংলগ্ন হ'লে তেওঁলোকৰ কাম-কাজ কৰাত বেছি সুবিধা হয়। ব্যক্তিগত ভাৱে মইও অনুভৱ কৰো কিয়নো আলোপট্টি চৰত মইও গৈছো, তাত নাঁৱেৰে যাব লাগে। গতিকে, তাত কেনেকৈ যাবলগীয়া হয় সেই অঞ্চলৰ আমি সকলোৱে জানো। বেলেগে নাজানে। গতিকে এই বিষয়টো আগন্তুক দিনত মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগত সুকীয়াকৈ আলোচনা কৰিব লাগিব কাৰণ তাত থকা বা অহা-যোৱা কৰা মানুহে practical কথাষাৰ গম পায়। নতুনকৈ যি চেঙা সমষ্টি গঠন কৰিছে, সেইটো আমি কৰা নাই, সেইটো নিৰ্বাচন আয়োগে কৰিছে। তাৰ আধাৰত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছিল যে প্ৰতিটো সমষ্টিতে মহকুমা বা উপ-জিলা নামেৰে সম্পূৰ্ণ ধৰণৰ কাৰ্যালয়ৰ ব্যৱস্থা কৰা হ'ব। যাৰ বাবে ইতিমধ্যে অসম চৰকাৰে কেবিনেট সিদ্ধান্ত অনুসৰি কাৰ্যকৰী শাসন, উন্নত প্ৰশাসন, সৰু প্ৰশাসনিক গোট হিচাপে জনসাধাৰণক উন্নত সেৱা প্ৰদানৰ উদ্দেশ্যে

তথা ৰাজহুৱা প্ৰশাসন যন্ত্ৰক নাগৰিকসকলৰ কাষলৈ নিবলৈ বিভাগীয় অনুসূচনা নং ই.চি.এফ নং ৩৭৪৩২১ যোগে ১২ ছেপ্তেম্বৰ তাৰিখে ৭৯ টা মহকুমা বা উপ-জিলা গঠন কৰিছে। সেইমৰ্মে অবিভক্ত বৰপেটা জিলাত চেঙা সমষ্টিৰ পৰিসীমাৰে চেঙা মহকুমা বা উপ-জিলা গঠন কৰা হৈছে। প্ৰস্তাৱিত উপ-জিলাৰ মুখ্য কাৰ্যালয়, উপ-কাৰ্যালয় জিলাৰ কেন্দ্ৰীয় স্থান বা জিলা আয়ুক্তৰ দ্বাৰা নিৰ্ধাৰিত আন উপযুক্ত স্থানত স্থাপন কৰা হ'ব। গতিকে, এই ক্ষেত্ৰত আপোনালোকে জিলা আয়ুক্তৰ লগত যোগাযোগ কৰিলে অন্ততঃ প্ৰাৰম্ভিক আভাস পাব। বাকী যি জটিলতা আছে সেইসমূহ আঁতৰ কৰাৰ বাবে আগন্তুক দিনত চেষ্টা চলাম। ৰাইজৰ মনৰ ভাৱ কি আছে, তেওঁলোকে গোৱালপাৰাত থাকিব বিচাৰে নে বৰপেটাত থাকিব বিচাৰে সেইটো আপুনি অলপমান চাব। মই যিহেতু P&RD ৰ মন্ত্ৰী, Block ৰ কথাটো মোৰ তাত নাহে। তথাপিও Block ৰ কাৰণে ইতিমধ্যে আমি ব্যৱস্থা কৰিছো। Block ৰ পুণৰ গঠনৰ কামো ইতিমধ্যে চলি আছে, পঞ্চায়তৰো পুণৰগঠনৰ কাম চলি আছে। গতিকে পঞ্চায়ত পুণৰ গঠন হোৱাৰ লগে লগে Block ৰো তাত অনাগত দিনত সমস্যাসমূহ সমাধান কৰিব পাৰিম।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ মন্ত্ৰী মহোদয়। এতিয়া শ্ৰী গণেশ কুমাৰ লিম্বু।

**শ্ৰী গণেশ কুমাৰ লিম্বু, (বৰচলা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৱলীৰ নিয়মাৱলীৰ ৩০৮ মতে আজিৰ পবিত্ৰ সদনত অসমত যুগে যুগে বসবাস কৰি অহা খিলঞ্জীয়া গোৰ্খা জনগোষ্ঠীৰ কিছু মৌলিক সমস্যা উপস্থাপন কৰিবলৈ সুযোগ দিয়াৰ বাবে মই আপোনাক ধন্যবাদ জনাইছো। দীৰ্ঘদিনৰ বিৰতিৰ মূৰত পোন প্ৰথমবাৰৰ বাবে অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত অসমত বসবাস কৰা গোৰ্খা জনগোষ্ঠীৰ সমস্যাসমূহ দৃষ্টিগোচৰ হোৱাই নহয়, অতি কম সময়ৰ ভিতৰত অৰ্থ্যাৎ দুবছৰৰ ভিতৰতে দীৰ্ঘদিনিয়া সমস্যা সমাধান হোৱা আমি সকলোৱে দেখিছো। মহোদয়, তথাপিও গোৰ্খা জনগোষ্ঠীৰ কিছুমান মৌলিক সমস্যা আজিও সমস্যা হৈ ৰৈছে। আমি যদি চাওঁ, প্ৰাক ঐতিহাসিক কালৰ পৰাই এই জনগোষ্ঠীৰ অসমৰ লগত এক মধুৰ সম্পৰ্ক আমি দেখিবলৈ পাওঁ। অসমৰ প্ৰথম লোকপিয়ল হৈছিল ১৮৭২ চনত। তেতিয়াও আমি জনগোষ্ঠীটোৰ উপস্থিতি দেখিবলৈ পাওঁ। এই জনগোষ্ঠীৰ মাজত লিম্বু আৰু তামাং জনগোষ্ঠী হ'ল অন্যতম জনগোষ্ঠী। ইয়াৰে অধিক সংখ্যক জনগোষ্ঠীয়ে গ্ৰাম্যঞ্চলত বাস কৰে। শৈক্ষিক, অৰ্থনৈতিক ক্ষেত্ৰত অত্যন্ত পিছপৰা, মই quote কৰিব বিচাৰিছো বুৰঞ্জীবিদ, সাহিত্যিক বেণুধৰ শৰ্মাদেৱৰ ৰাভা বুৰঞ্জী, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা দেৱৰ ৰচনা সম্ভাৰ আৰু ভবেন নাৰ্জাৰী দেৱৰ বড়ো কছাৰী সমাজ আৰু সংস্কৃত নামৰ গ্ৰন্থত লিম্বু জনগোষ্ঠী অসমৰ অন্যান্য জনগোষ্ঠীৰ মাজত এজন বুলি স্পষ্টভাৱে উল্লেখ আছে। মহোদয়, ভাৰত চৰকাৰে ২০০৩ চনৰ ডিচেম্বৰ মাহত আমাৰ ওচৰৰে চুবুৰীয়া ৰাজ্য পশ্চিমবঙ্গ, দাৰ্জিলিং আৰু চিকিমত এই দুটা জনগোষ্ঠীক জনজাতিকৰণৰ মৰ্য্যাদা প্ৰদান কৰিলে। কিন্তু সেই একে জনগোষ্ঠীক অসমত বসবাস কৰা লিম্বু আৰু তামাং জনগোষ্ঠী জনজাতিকৰণৰ পৰা বঞ্চিত হ'ল। ইয়াৰ উপৰিও ২০১৬ চনৰ ১৪ চেপ্তেম্বৰ তাৰিখে ভাৰত চৰকাৰৰ জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ে অসমৰ গোৰ্খা সম্প্ৰদায়ৰ ১১ টা জাতি যেনে- ভোজেল, গোৰোং, নেৱাৰ, যোগী, খচ, মগৰ,ৰাই, সোনোৱাৰ, ধামী, ধিমালগ আৰু য়াখা জনজাতি হিচাপে মৰ্য্যাদা দিয়াৰ বাবে অসম চৰকাৰৰ পৰাও প্ৰতিবেদন বিচাৰি পত্ৰ প্ৰেৰণ কৰিছিল।

মহোদয়, ঠিক অনুৰূপ ভাৰতৰ সংবিধান প্ৰনয়ণ হোৱাৰে পৰা অৰ্থ্যাৎ ১৯৫০ চনৰ ১০ আগষ্টৰ পৰাই অসমৰ গোৰ্খা সম্প্ৰদায়েৰে কামী, দমাই আৰু চাৰ্খী সকলক অনান্য ৰাজ্যত অনুসূচিত

জাতি হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে। এই একে জনগোষ্ঠীয়ে অসমত অতি নগণ্য সংখ্যক লোক থকা সত্বেও পিছপৰা, বৰ্ণব্যৱস্থাৰ চিকাৰ হোৱা, পেচাত শিল্পজাত সামগ্ৰী, ভাষ্কৰ্য্য মূৰ্ত্তি, লোহাৰ কাম কৰা বিশ্বকৰ্মা সকল, কাপোৰ চিলাই কৰা বা বাদ্যযন্ত্ৰ বজোৱা দমাই সকল, চামৰাৰ ব্যৱসায় কৰা চাৰ্খীসকল এই জনগোষ্ঠী সমূহক অসমত অনুসূচিত জাতিত অন্তৰ্ভুক্ত নকৰাত অন্যায় হোৱা যেন অনুভৱ হয়। সেয়েহে, মই অসম চৰকাৰৰ মাননীয় মন্ত্ৰী মহোদয়ক ওপৰত উল্লেখ কৰা জনগোষ্ঠী সমূহক ন্যায় প্ৰদান কৰি সামাজিক, ৰাজনৈতিক তথা শৈক্ষিক ক্ষেত্ৰত অন্যান্য জনগোষ্ঠীৰ সমানে যাতে বিকাশ কৰিব পাৰে, তাৰবাবে বিষয়টো অতি গুৰুত্ব সহকাৰে বিবেচনা কৰিবলৈ মই অনুৰোধ জনালো। ধন্যবাদ।

মাননীয় উপাধ্যক্ষ ঃ মন্ত্ৰী ডাঙৰীয়া।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, কোনো জনগোষ্ঠীক অনুসূচিত জনজাতি হিচাপে তালিকাভুক্ত কৰাৰ কৰ্তৃত্ব ভাৰত চৰকাৰৰ। কোনো ৰাজ্য চৰকাৰে কোনো জাতিক অনুসূচিত জনজাতিৰ তালিকাভুক্ত কৰাৰ ক্ষেত্ৰত নিজাবৰীয়াকৈ সিদ্ধান্ত ল'ব নোৱাৰে। আমি গোৰ্খা সকলৰ বিভিন্ন সংগঠনৰ পৰা স্মাৰকপত্ৰৰ দাবী পাইছো। যিয়ে অসমত বসবাস কৰি থকা গোৰ্খাৰ অন্তৰ্ভুক্ত ভোজেল, গোৰোং,মগৰ, নেৱাৰ, যোগী, খাচ, ৰাই, সোনোৱাৰ, থামী, ধিমাল আৰু য়াখা আদি জনগোষ্ঠী সমূহক অনুসূচিত জাতিৰ তালিকাভুক্ত কৰিব লাগে। অনুসূচিত জাতিৰ তালিকাভুক্ত কৰাৰ ক্ষেত্ৰত প্ৰাথমিক প্ৰয়োজন হয় এটা ethnographic report বা এটা নৃত্বাত্বিক প্ৰতিবেদন আৰু এই নৃত্বাত্বিক প্ৰতিবেদনৰ ওপৰত ভাৰত চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰে। আমি ইতিমধ্যে অসম অনুসূচিত জাতিৰ যি গৱেষণা প্ৰতিষ্ঠান আছে, গৱেষণা প্ৰতিষ্ঠানৰ পৰা এটা নৃত্বাত্বিক প্ৰতিবেদন পাইছো। এই প্ৰতিবেদনখন অসম চৰকাৰৰ বিবেচনাধীন হৈ আছে। কোনো জনগোষ্ঠীক জনজাতি হিচাপে স্বীকৃতি দিয়াৰ ক্ষেত্ৰত যি প্ৰধান ৫ টা criteria আছে, সি হ'ল primitive trade,distinctive culture, geographical isolation, sine as of contract আৰু backwardness. এই ৫ টা criteria ৰ ওপৰত ভিত্তি কৰি তাৰে কোন কেইটা criteria অসমৰ গোৰ্খা জনগোষ্ঠী সমূহে পূৰণ কৰে, এই বিষয়ে যি নৃত্বাত্বিক প্ৰতিবেদন পোৱা হৈছে সেই নৃত্বাত্বিক প্ৰতিবেদনৰ ওপৰত অসম চৰকাৰে খুব সোনকালে ইয়াৰ ওপৰত অসম চৰকাৰৰ মন্তব্য দিব আৰু মন্তব্য কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিব বিষয়টো সম্পৰ্কত যি চুৰান্ত সিদ্ধান্ত গ্ৰহণ কৰিব লাগে সেই চুৰান্ত সিদ্ধান্ত ভাৰত চৰকাৰে গ্ৰহণ কৰিব। আনহাতে অন্য কিছু সংখ্যক গোৰ্খা জনগোষ্ঠীক অনুসুচিত জাতি হিচাপে স্বীকৃতি দিয়াৰ কথা উল্লেখ কৰিছে। আমি এইটোৰে জানো যে ভাৰতবৰ্ষত কিছুমান জাতি এখন ৰাজ্যত অনুসুচিত জাতি কিন্তু আনখন ৰাজ্যত তেওঁলোক সাধাৰণ জাতি হিচাপে পৰিগণিত হৈ থাকে। গতিকে অনুসূচিত জাতি, জনজাতি সেই এটা নিৰ্দ্দিষ্ট অঞ্চল সাপেক্ষে। গতিকে অসমত যিসকল অনুসূচিত জাতি তেওঁলোক পশ্চিমবঙ্গত অনুসূচিত জাতি নহয় বা নহবও পাৰে। বিহাৰৰ অনুসূচিত জনজাতিসকল অসমত অনুসূচিত জনজাতি নহয়। গতিকে ৰাজ্যভেদে অঞ্চলভেদে বেলেগ বেলেগ হয়। অনুসূচিত জাতিৰ ক্ষেত্ৰতো কথাটো একেটাই, গোৰ্খা সকলৰ ক্ষেত্ৰতো। এই বিষয়টো জনজাতি পৰিক্ৰমা বিভাগৰ অধীনত নহয়। এইটো সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ অধীনত। এই বিভাগে বৰ্তমান অনুসূচিত জাতিৰ বিষয়টো চোৱাচিতা কৰে। আমাৰ বিভাগৰ পৰা ইতিমধ্যে এই তথ্যখিনি সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগলৈ প্ৰেৰণ কৰিছো। যথা সময়ত সেই বিভাগে মাননীয় বিধায়ক গৰাকীক ইয়াৰ যথাযথ উত্তৰ দিব। গতিকে এই ক্ষেত্ৰত আমাৰ জনাবলগীয়া কথাটো এইটোৰে যে আমি নৃত্বাত্বিক

প্ৰতিবেদন এখন পাইছো। প্ৰতিবেদনখন চৰকাৰৰ বিবেচনাধীন হৈ আছে। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী জলেন দৈমাৰী।

**শ্ৰী জলেন দৈমাৰী, (তামোলপুৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাক ধন্যবাদ জনাইছো ৩০১ ত আমাৰ তামোলপুৰ সমষ্টিৰ কিছু কথা arise কৰাৰ সুযোগ দিয়া বাবে। মোৰ কথাটো কোৰাৰ আগতে তামোলপুৰখন নতুনকৈ জিলা স্থায়ীভাৱে আমাক ওভতাই দিয়াৰ বাবে অসমৰ সন্মানীয় সকলোৰে জনপ্ৰিয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আৰু আমাৰ সন্মানীয় মন্ত্ৰী সকলক মই তামোলপুৰবাসীৰ হৈ ধন্যবাদ জনাইছো। ইয়াত মই কিছু গুৰুত্বপূৰ্ণ কথা উল্লেখ কৰিব বিচাৰিছো। যোৱা জুন মাহৰ বানপানীত আমাৰ কুমাৰীকাটাৰ পৰা নয়াবস্তিৰ যিটো জালা ৰোড, ইয়াত অসম মালাৰ পৰা যিহেতু আমাৰ কেইখন ৰাস্তা sanction হৈছে। ইয়াত কালানদী আৰু পাগলাদিয়াৰ দুখন ডাঙৰ দলং sanction হৈছে। কিন্তু দৰঙ্গা নদীৰ ওপৰত থকা যিখন দলং আছে, সেইখন sanction হোৱা নাই। কিন্তু দূৰ্ভাগ্যৱশত যোৱা জুন মাহৰ বানপানীত এইখন দলং সম্পূৰ্ণৰূপে ভাঙি গ'ল। যাৰকাৰণে যাতায়তৰ যিখিনি সমস্যা ইয়াত যথেষ্ঠ হৈছে। এই ৰাস্তাটোত প্ৰতিদিনে ৭ ৰ পৰা ১০,০০০ মানুহে অহাযোৱা কৰে। কলেজ, স্কুল যোৱা ছাত্ৰ-ছাত্ৰী সকল অহাযোৱা কৰে। ছাত্ৰ-ছাত্ৰী সকলৰ বাবেও যথেষ্ট অসুবিধাৰ সৃষ্টি হৈছে। বৰ্তমান সৰু এখন বাহেৰে আমাৰ ৰাইজে অহাযোৱা কৰি আছে। গতিকে খৰালী মাহত অহাযোৱা কৰাৰ কাৰণে কিছু সুবিধা হয় যদিও বাৰিষা কালত যাতায়তৰ বাবে যথেষ্ট অসুবিধা হ'ব। ইয়াৰ কাৰণে মই সন্মানীয় বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো যে দৰঙা নদীৰ ওপৰত যিখন দলং সেইখন সোনকালে বনাই দিয়াৰ ব্যৱস্থা কৰিব লাগে । কাৰণ আমি কুমাৰীকাটাৰ পৰা এইখন দলঙেদি আহি লে মাত্ৰ পাঁচ কি.মি আহিব লাগে কিন্তু এই দলংখন নোহোৱা বাবে ঘুৰি পকি আহিলে আমি ১৯ কি.মি ৰাস্তা অতিক্ৰম কৰিব লাগে । দলংখন নোহোৱা বাবে সেই ৰাস্তাৰে এম্বুলেন্স বা আন আন সৰু গাড়ী যাব পৰা নাই । দ্বিতীয়তে আমাৰ জুন মাহত বৰলীয়া নদীৰ ওপৰত এখন দলং ভাঙিছিল দোৱামখা- বৰলীয়াত । আমাৰ তাত ভিতৰুৱা অঞ্চলৰ ৰাইজে এই দলঙৰ ওপৰতো যথেষ্ঠ পৰিমানে ডিপেণ্ড কৰি চলি থাকে । আগতে যিখন আইৰণ ব্ৰীজ আছিল সেইখন কমপ্লিট ধ্বংস হৈ গ'ল সেয়েহে মই আপোনাৰ জৰিয়তে জনাব বিচাৰিছো এই দলংখনো যদি চৰকাৰে নিৰ্মাণ কৰি দিয়ে তেন্তে সেই অঞ্চলৰ ৰাইজ যথেষ্ঠ উপকৃত হ'ব । এইটো আজি তামুলপুৰৰ ৰাইজে বিচাৰিছে । আৰু এখন ডাঙৰ দলং জুন মাহতে ভাঙিছিল এই খন দলং আছিল উলুবাৰীত মটঙা নৈৰ ওপৰত । এইখন আমাৰ বাবে যথেষ্ঠ ইৰ্ম্পৰ্টেন্ট দলং । গতিকে সৰু সৰু কিছু দলং আছে যদিও এই তিনিখন দলং যথেষ্ট গুৰুত্বপূৰ্ণ দল ং তামুলপুৰ সমষ্টিৰ। গতিকে এই দলংখিনি সোনকালে কৰাৰ বাবে মই বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো । ইয়াৰ ওপৰিও মই মোৰ তামুলপুৰ সমষ্টিৰ কিছু ৰাস্তাৰ কথা ক'ব বিচাৰিছো । আহিবলগা দিনবিলাকত যদি এই ৰাস্তাবোৰ সোনকালে বনোৱা হয় তেতিয়াহ'লে ৰাইজ যথেষ্ঠ উপকৃত হ'ব । তামুলপুৰৰ পৰা ঘগ্ৰাপাৰ ওলোৱা যিটো ৰাস্তা দৈৰ্ঘ্য ১৪ কি.মি যিহেতু তামুলপুৰ মেডিকেল কলেজ নিৰ্মিত হৈ আছে - এই ৰাস্তাটো লিংক ৰোড হয় গতিকে এই ৰাস্তাটো যদি কৰিব পৰা যায় দুয়োখন জিলা আৰু দুটা সমষ্টি লিংক হ'ব । গতিকে আগন্তুক দিনত মই কৰিডোৰ হিচাপে এই ৰাস্তাটো বনাবলৈ মই অনুৰোধ জনাইছো । আৰু এটা কথা মই উল্লেখ কৰিব বিচাৰিছো শ্বহীদ মনেশ্বৰ বসুমতাৰী যিটো আমাৰ ৰাস্তা আছে - তামোলপুৰৰ চ'কৰ পৰা গোৰেশ্বৰ টাউনলৈকে ওলোৱা যিটো ৰাস্তা এইটোৰে তামোলপুৰ মেডিকেল কলেজ আৰু ডিচি অফিছৰ লগত লিংক ৰোড হয় গতিকে এই

ৰাস্তাটো সোনকালে কৰাৰ ব্যৱস্থা কৰিলে তামোলপুৰ আৰু গোৰেশ্বৰৰ ৰাইজ উপকৃত হ'ব । এইখিনি ব্যৱস্থা ল'বলৈ মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো । ধন্যবাদ ।

**শ্ৰীপিযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, সন্মানীয় বিধায়ক গৰাকীযে তেখেতৰ সমষ্টিৰ বহু কেইটা অসুবিধা দাঙি ধৰিছে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ হৈ তেখেতৰ প্ৰশ্নকেইটাৰ উত্তৰ দাঙি ধৰিছো । উপাধ্যক্ষ ডাঙৰীয়া হয়, এইবাৰ তেখেতৰ সমষ্টিত বানপানীয়ে যথেষ্ঠ ক্ষতি কৰিছে । মই জলসম্পদ বিভাগৰ মন্ত্ৰী হিচাপে তেখেতৰ সমষ্টি এইবাৰ ভ্ৰমণ কৰিছিলো । তেখেতৰ সমষ্টিত বহু ৰাস্তা-ঘাট যথেষ্ঠ বেয়া হৈছে মই নিজে অৱগত । যোৱা বছৰ ৰাটাৰ ৰিচ'ছ ডিপাৰ্টমেন্টে তেখেতৰ সমষ্টিত যথেষ্ঠখিনি কাম কৰিছে এইবাৰো কাম কৰিবলৈ আমি প্ৰতিশ্ৰুতি দিছো আশা কৰো অনাগত দিনত তেখেতৰ সমষ্টিত বানপানী প্ৰায় নাইকীয়া হ'ব আৰু তেতিয়া এই ৰাস্তা-ঘাট ভঙাৰ সমস্যাবিলাকো নাইকীয়া হ'ব । তেখেতে যিখিনি উল্লেখ কৰিছে তাৰ লিখিত উত্তৰ মোৰ হাতত আছে মই এইটো পঢ়ি দিব বিচাৰিছো । সন্মানীয় উপাধ্যক্ষ ডাঙৰীয়া, দৰঙা নৈৰ দলংখন লোক নিৰ্মাণ বিভাগে নিৰ্মাণ কৰা নাছিল । এইখন বৰ্ডাৰ ৰোড অৰ্গেনাইজেশ্যনেহে নিৰ্মাণ কৰিছিল । এই দলংখন ২০২২ চনত আংশিকভাবে আৰু ২০২৩ চনত বানপানীত গুৰুতৰভাবে ক্ষতিগ্ৰস্থ হয় । এতিয়া এখন বাঁহৰ সাঁকো তাত আছে আৰু মাত্ৰ ২০ মিটাৰ নামনিতে এখন পকী দলং নিৰ্মাণৰত হৈ আছে । গতিকে এইখন ভাহিছে যদিও ২০ মিটাৰ দূৰত এখন চেকেণ্ড দলঙৰ কাম চলি আছে । গতিকে এইখন দলং নহলেও আমাৰ চলি যাব। মটঙা নৈৰ দলংখন বিশ্ববেংকৰ সাহাৰ্য্যত ৰূপায়িত হ'বলগীয়া এ আৰ আৰ বি পি আঁচনিত অৰ্ন্তভূক্ত হ'ব আৰু অতি সোনকালে তাৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব । কামো সোনকালে আৰম্ভ হ'ব । বৰলীয়া নৈৰ ওপৰত দাৰামাখা পথত থকা দলংখন কাঠৰ । ইয়াৰ ৩০ মিটাৰ দীঘল অংশ এটা ২০২৩ চনৰ জুন মাহৰ বানপানীত উটি যায় আৰু তাত এখন অস্থায়ী বাহঁৰ দলং দিয়া হৈছে । তদুপৰি ২০ মিটাৰ নামনিত ১০০ মিটাৰ দৈৰ্ঘ্যৰ পকী দলং এখন পি এম জি এচ ৱাইত ঠিকা আবন্টিত হোৱাৰ পিচত মন্থৰ গতিৰ কামৰ বাবে ঠিকাদাৰৰ পৰা প্ৰত্যাহৰ কৰা হৈছে । আৰু বাকী থকা কামৰ বাবে নিবিদা প্ৰক্ৰিয়া চলি আছে । এইখন দলঙৰো এখন চাবটিটিউট দলঙৰ কাম ২০ মিটাৰ নামনিত চলি আছে । এতিয়া মই তামোলপুৰ- ঘগ্ৰাপাৰ পথটোৰ কথা ক'বলৈ ওলাইছো । পথটো যোৱাবাৰ কিছু ক্ষতি হৈছে যদিও যান -বাহন চলি আছে । উন্নীতকৰণৰ বাবে এম এন পি এৰ অধীনত কাম চলি আছে । দক্ষিন কুমাৰীকাটা- নাগ্ৰিজুলী পথৰ এটা অংশ পি এম জি এচ ৱাই ১ আঁচনিৰ অধীনত সম্পূৰ্ণ হোৱাৰ পিচত মেইটেনেন্স পিৰিয়ডৰ ভিতৰত আছে । এটা অংশ এখন দলংসহ ৭১- এচ ও পি ডি জিৰ অধীনত নিৰ্মিয়মান অৱস্থাত আছে আৰু এখন দলং ৫১- আৰ আই ডি এফ আঁচনিৰ অধীনত অনুমোদিত হৈছে । এই পথত বাকী থকা ৮১ নং দলংখন কোনো আঁচনিত অৰ্ন্তভূক্ত কৰাৰ প্ৰচেষ্টা লোৱা হ'ব । তামোলপুৰ-বৰমা- ধমধমা পথৰ প্ৰথম সাৰে সাত কি.মি মেৰামতি কৰাৰ যথেষ্ঠ প্ৰয়োজন হৈছে আৰু তাৰ বাবে প্ৰাক্ কলন প্ৰস্তুত কৰি থকা হৈছে । সাৰে সাত কি.মিৰ পৰা ১০.৮১ কি.মি লৈকে এখন ১৯৩ মিটাৰ দীঘল দলঙৰ সৈতে নিৰ্মাণ কৰা হৈছে অৱশ্যে এই পথৰে ৩০০ কি.মি দীঘল এটা অংশ অলপতে বানপানীত চিঙি গৈছে আৰু তাত ২৪.৭৫ মিটাৰ দীঘল এখন দলঙৰ প্ৰয়োজন হৈ পৰিছে । তামোলপুৰ- গোৰেশ্বৰ পথৰ ১৯.২০ কি.মি দীঘল পথটো দীঘল ইয়াৰ ১১.১২৭ কি.মিৰ পৰা ১৯.২০ কি.মিলৈ পি এম জি এচ ৱাই - ৩ ৰ অধীনত নিৰ্মিয়মান হৈ আছে । বাকী অংশ পুঁজি সাপেক্ষে নিৰ্মাণৰ বাবে ব্যৱস্থা হাতত লোৱা হ'ব । ডিমলাপাৰ- কুমাৰীকাটা পথ বিটিচিৰ ফিফ্থ ফাইনেন্স আঁচনিত অনুমোদিত

হৈ  সাৰে এঘাৰ কি.মি ৰাস্তাৰ কাম কমপ্লিট হৈছিল কিন্তু মন্থৰ গতিৰ বাবে  চাৰি কি.মি বাকী থকা অৱস্থাত ঠিকা দাৰৰ পৰা কাম প্ৰত্যাহৰ কৰা হৈছে । মাজদিয়া চেঁচাপানী পথ - এই পথটো বিটিচিৰ  ওৱান টাইম স্পিচিয়েল গ্ৰান্ট আৰু এচ চি এচ পি আঁচনিত নিৰ্মাণ কৰা হৈছিল । বৰ্ত্তমান কিছু ক্ষতিগ্ৰস্থ হৈছে যদিও যান বাহন চলি আছে । কমাৰীকাটা - নয়াবস্তী পথ এই পথটি  তিনিখন দলংসহ উন্নীতকৰণৰ বাবে অসম মালাৰ অধীনত অনুমোদিত হৈছে আৰু  প্ৰাৰম্ভিক কাম কাজ চলি আছে । উপাধ্যক্ষ ডাঙৰীয়া, ভি.টি ৰোড- দেবীতোলাৰ পৰা নাৰায়ণ চ'ক এই পথটো পি এম জি চে ৱাই-১ ৰ অধীনত নিৰ্মাণ কৰা হৈছিল আৰু এই পথটোত যানবাহন চলি আছে অৱশ্যে কিছু মেৰামতিৰ প্ৰয়োজন হৈছে । পুঁজি সাপেক্ষে মেৰামতিৰ কাম হাতত লোৱা হ'ব ।নাগ্ৰিজুলি কলেজৰ পৰা ১ নং বগৰীকুটিলৈ - এই ৰাস্তাটো  এচ ও পি ডি জিৰ ২০১৮-১৯ চনত মেৰামতি হৈছিল । অৱশ্যে ২০০ মিটাৰ অংশ এটা বানপানীত ক্ষতিগ্ৰস্থ হৈছে আৰু কিছুপৰিমানে মেৰামতি কৰাৰ প্ৰয়োজন আছে , পুঁজি সাপেক্ষে তাৰ ব্যৱস্থা লোৱা হ'ব । উপাধ্যক্ষ মহোদয়, সন্মানীয় বিধায়ক গৰাকীৰ সমষ্টিত ৰাস্তা ভঙাৰ মূল কাৰণ হ'ল বানপানী। তাত প্ৰায় ৪ কি.মি অঞ্চল এটা উন্মুক্ত হৈ আছে ।  তাত জাৰিতালুক বোলা গাওঁখনত ৪ বাৰ মান গৈছো গতিকে মই  জানো তাত কি হৈছে । আমি য'ত মথাউৰিটো বনালো তাত পানী নহ'ল কিন্তু তাৰ আগত ৪ কি.মি এৰিয়া অপেন হৈ আছিল সেইফালে পানী সোমাইছে , কিন্তু তাত আগতে কেতিয়াও পানী হোৱাৰ নজীৰ নাছিল। প্ৰায় ৪ কি.মি অঞ্চল এটা উন্মুক্ত হৈ আছে ।  তাত জাৰিতালুক বোলা গাওঁখনত ৪ বাৰ মান গৈছো গতিকে মই জানো তাত কি হৈছে । আমি য'ত মথাউৰিটো বনালো তাত পানী নহ'ল কিন্তু তাৰ আগত ৪ কি.মি এৰিয়া অপেন হৈ আছিল সেইফালে পানী সোমাইছে , কিন্তু তাত আগতে কেতিয়াও পানী হোৱাৰ নজীৰ নাছিল। এইবাৰ সেইফালে পানী সোমাই তামোলপুৰ, নলবাৰী, ঘগ্ৰাপাৰ এইঠাইবিলাক বুৰাই পেলালে। মই সদনত তেখেতক প্ৰতিশ্ৰুতি দিলো যি ৪ কি.মি উন্মুক্ত হৈ আছে  সেইখিনি মথাউৰী কৰাৰ ব্যৱস্থা লোৱা হ'ব আৰু তেখেতৰ সমষ্টিত ৰাস্তা ঘাট ভহাৰ সমস্যা নাইকীয়া হ'ব বুলি মই ভাবিছো । ধন্যবাদ

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ ..। এতিয়া  অসম বিধান সভাৰ কাৰ্য্যসূচী নং ৪ "Right to Fair Compensation and Transparency in Land Acquisition , Rehablitation and Resettlement (Assam Amendment) Bill, 2023 -- এতিয়া মই মাননীয় মন্ত্ৰী ডাঙৰীয়া শ্ৰীযোগেন মহনক উত্থাপন কৰিবলৈ অনুৰোধ জনালো ।

**শ্ৰীযোগেন মহন, (মন্ত্ৰী, ৰাজহ ও দুৰ্যোগ ব্যৱস্থাপনা)** ঃ মাননীয় উপাধ্যক্ষ ডাঙৰীয়া  মই আপোনাৰ অনুমতি সাপেক্ষে-"Right to Fair Compensation and Transparency in Land Acquisition , Rehablitation  and Resettlement (Assam Amendment) Bill, 2023 বিধেয়ককন সদনত উত্থাপন কৰিবৰ বাবে প্ৰস্তাৱ কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** প্ৰস্তাৱটো হ'ল বিধেয়কখন উত্থাপন কৰিবলৈ সদনৰ  সন্মতি আছেনে ? যিসকল সদস্য-সদস্যাই সপক্ষে আছে, তেখেতসকলে কওঁক হয় । যিসকলে বিপক্ষে আছে তেখেতসকলে কওক নহয়, মই ভাবো 'হয়'ৰ সপক্ষে 'হয়'ৰ সপক্ষে 'হয'ৰ সপক্ষে- বিধেয়কখন উত্থাপন হ'ল ।

এতিয়া মই মাননীয় মন্ত্ৰী শ্ৰীৰঞ্জিৎ কুমাৰ দাস ডাঙৰীয়াক 'দি আসাম পঞ্চায়ত (এমেণ্ড্মেন্ট্) বিল, ২০২৩'ৰ প্ৰস্তাৱ আগবঢ়াবলৈ অনুৰোধ জনালোঁ। মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰীৰ হৈ আপোনাৰ অনুমতি সাপেক্ষে  'দি আসাম পঞ্চায়ত (এমেণ্ড্মেন্ট্) বিল, ২০২৩' বিধেয়ক খন বিবেচনা

কৰিবলৈ সদনত অনুৰোধ জনাইছোঁ।

**माननीय अध्यक्ष ঃ** মই এতিয়া বিধেয়ক খন বিবেচনাৰ বাবে প্ৰস্তাৱ দাঙি ধৰিলো, প্ৰশ্নটো হ'ল বিধেয়ক খন বিবেচনা কৰাৰ সদনৰ সন্মতি আছেনে? যি সকল সদস্য/সদস্যাই সপক্ষে আছে তেখেত সকলে কওক হয়, যি সকল বিপক্ষে আছে তেখেত সকলে কওক নহয়, মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ব। এতিয়া General discussion.

**শ্ৰীনুৰুল হুদা, (ৰূপহীহাট)** ঃ মাননীয় অধ্যক্ষ মহোদয়, 'দি আসাম পঞ্চায়ত (এমেণ্ডমেন্ট) বিল, ২০২৩' ত আমি কেইটামান সংশোধনী প্ৰস্তাৱ আগবঢ়াইছিলো। ৬ নং ধাৰা সংশোধন। প্ৰস্তাৱিত অসম পঞ্চয়তী ৰাজ আইন ৬ নং ধাৰা উপধাৰা ১ ত।

**মাননীয় অধ্যক্ষ** ঃ Hon'ble Member, general discussion তাৰ মাজতে আপোনালোকে কোনটো বিষয়ত কেনেকুৱা ধৰণৰ মন্ত্ৰীৰ attention আনিব লাগে সংশোধনৰ, move কৰিব লাগে discussion আৰু সেই discussionত আপোনালোকৰ point টো raise কৰিলে হ'ল।

**শ্ৰীনুৰুল হুদা,(ৰূপহীহাট)** ঃ ঠিক আছে, অসম পঞ্চয়তী ৰাজ আইন সংশোধনত যিখিনি সংশোধনী বিল উত্থাপন কৰিছে তাত বহুতো আশোৰাহ পূৰ্ণ আমি দেখা পাইছো। জনসাধৰণৰ যিখিনি মৌলিক অধিকাৰ সেই মৌলিক অধিকাৰ খিনি সৰ্ব কৰাৰ কিছুমান ধাৰা ইয়াত সন্নিবিষ্ট আছে। যেনেকৈ অসম পঞ্চয়তী ৰাজ আইনৰ ৬ নং দফাত ১০ জন সদস্যৰ শব্দৰ ঠাইত আমি কৈছো ১১ জন সদস্য শব্দটো ব্যৱহাৰ হ'ব লাগে। কাৰণ ১০ সদস্যত যদি পঞ্চায়ত থাকে যিহেতু পঞ্চায়তৰ সদস্য সকলৰ মাজৰ পৰা চৰকাৰে সভাপতি/উপসভাপতি নিৰ্বাচিত কৰিব বিচাৰিছে। যদি সেই প্ৰথম সভা খনত সম সংখ্যক ভোট হৈ যায় ৫ টা ৫ টা ভোট হৈ তেতিয়াহলে তাত সভাপতি যিজনে কৰিব তেওঁৰ casting vote আহিব। সভাপতি জনক দিয়া হৈছে জিলা উপায়ুক্ত বা তেওঁৰ যি সকল আজ্ঞাদাৰী বিষয়া তেওঁলোকক প্ৰতিনিধিত্ব কৰিবলৈ দিয়া হৈছে। তেওঁ যদি প্ৰতিনিধিত্ব কৰে তেতিয়াহলে এটা পক্ষই তেওঁলোকক মেনেজ কৰি হথাৎ বিপথে লৈ যাব পাৰে। আৰু এটা কথা আছে যে চৰকাৰ পক্ষই তেওঁলোকক ব্যৱহাৰ কৰি চৰকাৰী ভাৱে তেওঁলোকে এই পদটো লোৱাৰ এটা অপচেষ্টা চলাব। গতিকে এইটো মিমাংশা যেতিয়া কৰিব নিম্ন এক ভোট যেতিয়া প্ৰদান কৰিব তৃতীয় পক্ষৰ হস্তক্ষেপৰ সম্ভৱণা থাকিব। এই সম্ভৱণাটো নাইকিয়া কৰাৰ কাৰণে এই পঞ্চয়তীৰাজ ব্যৱস্থাৰ যি মৌলিক আদৰ্শৰ পৰিপন্থী যাৰ দ্বাৰা পঞ্চয়তীৰাজ ব্যৱস্থা ধ্বংসপ্ৰাপ্ত হ'ব এয়া মহামানব মহত্মা গান্ধীজিৰ গ্ৰামস্বৰাজ চিন্তাৰ সম্পূৰ্ণ পৰিপন্থী কাৰ্য্য। গাওঁপঞ্চায়তক স্বতন্ত্ৰভাৱে কাম কৰাৰ সুযোগ দিবৰ বাবে মৌলিক সংকাযুক্ত অৰ্থাৎ ইয়াৰ এজন সদস্যৰ দ্বাৰা গাওঁপঞ্চায়ত গঠনত নিশ্বয়তা প্ৰদান কৰা উচিত বুলি বিবেচনা কৰিছো আৰু এই সংশোধনীত চৰকাৰ পক্ষ্যই মানিলে গনতান্ত্ৰিকভাৱে নাগৰিকৰ যি অধিকাৰ সেই অধিকাৰ যাতে নাগৰিকে সাবস্থ্য কৰিব পাৰে তাৰ ব্যৱস্থা কৰিব বুলি আশা কৰিলো। দ্বিতীয়তে, অসম পঞ্চায়ত সংশোধনী বিল ২০২৩ৰ ধাৰা ১৫ উপধাৰা ৪ ইয়াৰ সংশোধনীত গাওঁ পঞ্চায়তৰ সভাপতি/উপসভাপতিৰ বিৰূদ্ধে অনস্থা প্ৰস্তাৱ গৃহীত হলেও তেওঁলোকৰ আত্মীয়পক্ষৰ সমৰ্থনৰ সুযোগ প্ৰদান কৰি প্ৰয়োজন সাপেক্ষে চৰকাৰে তেওঁলোকক গাওঁপঞ্চায়তৰ সদস্য পদৰ পৰা বৰ্সাস্ত কৰিব পাৰিব বুলি উল্লেখ কৰিছে। যদি সেয়াই হয় কিন্তু ছাৰ, তেতিয়া হলে এজন গাঁওপঞ্চায়তৰ সভাপতি/উপসভাপতিৰ ওপৰত অনস্থা হ'ব পাৰে আৰু সেই অনস্থাটো হোৱাৰ

পিছত তেওঁ সভাপতি বা উপসভাপতিৰ পদটোৰে হে যাব লাগিব, তেওঁৰ সদস্যৰ পদ কেনেকৈ নাইকীয়া হ'ব? সদস্য পদ নাইকীয়া হলে সেই ৱাৰ্ডত কোনে প্ৰতিনিধিত্ব কৰিব, সেই ৱাৰ্ডৰ উন্নয়নমূলক কাম-কাজ কোনে কৰিব? গতিকে এই যিটো ধাৰা সংশোধনী আনিছে এই ধাৰাটো গণতন্ত্ৰৰ পৰিপন্থী। কাৰণ ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰীৰ ওপৰত অনস্থা হ'ব পাৰে আৰু অনস্থা প্ৰস্তাৱ গৃহীত হলে প্ৰধানমন্ত্ৰীৰ পদটোহে যাব তেওঁৰ সাংসদ পদটো নাযায়। গতিকে প্ৰধানমন্ত্ৰী জনৰ সাংসদ পদ যেতিয়া যাব নোৱাৰিব তেতিয়া তৃতীয় পক্ষ আমাৰ চৰকাৰৰ পঞ্চয়তীৰাজ ব্যৱস্থাটো তৃতীয় পক্ষ বুলি মান্যতা প্ৰদান কৰিছে। ভাৰতৰ সংবিধানত ৭৩ তম সংবিধান সংশোধনীয়ে তৃতীয় পক্ষৰ চৰকাৰ বুলি মান্যতা প্ৰদান কৰিছে। গতিকে ইয়াত যদি তৃনমূলৰ ভোটাৰ সকলে নিৰ্বাচিত কৰি দিয়া সদস্য জনৰ সেই অধিকাৰ কিয় সৰ্ব কৰিব? তেওঁৰ সভাপতি বা উপসভাপতি পদ যাওঁক, কিন্তু সদস্যৰ পদটো যাব নোৱাৰে। গতিকে আমি সেইটোৰে কৈছো। যে সভাপতি জন যি ৱাৰ্ডৰ পৰা নিৰ্বাচিত হৈছিল সেই ৱাৰ্ডখনক কোনে প্ৰতিনিধিত্ব কৰিব? সেই ৱাৰ্ড খনৰ উন্নয়নমূলক কাম-কাজ কোনে চোৱা-চিতা কৰিব? গতিকে মই এইটো ভাৱো যে ৱাৰ্ডৰ সভাপতি/উপসভাপতিৰ পদ খাৰিজ হওঁক, সেইটোত আমাৰ আপত্তি নাই, কিন্তু সদস্যৰ পদটো খাৰিজ হ'ব নালাগে এইটো বাহাল থাকিব লাগে। ইয়াৰ দ্বাৰা সংশ্লিষ্ট ৱাৰ্ডৰ উইনাৰ সকলৰ ৰায় আৰু তেওঁলোকৰ উন্নয়নৰ আশা-আকাংশাৰ পদধুলিত কৰা হ'ব, এয়া গণতন্ত্ৰৰ ব্যৱস্থাৰ বাবে গ্ৰহণ যোগ্য নহয়। গতিকে আশা কৰিছো চৰকাৰে এই সংশোধনী প্ৰস্তাৱটো মানি লৈ গণতন্ত্ৰৰ সঠিক দিশত ৰূপায়ণ কৰিব বুলি মই আশা ৰাখিছোঁ। মোৰ তৃতীয় সংশোধনী প্ৰস্তাৱ আছিল - অসম পঞ্চয়তীৰাজ সংশোধনী বিল ২০২৩ ৰ ধাৰা ১৫ উপধাৰা আছিল ৪, ইয়াত কোৱা হৈছে সংশোধনী প্ৰস্তাৱটো পঞ্চায়তীৰাজ ব্যৱস্থাৰ বাবে অত্যান্ত ভয়াবহ। এই সংশোধনী প্ৰস্তাৱত কোৱা হৈছে যে প্ৰথম আঢ়ৈ বছৰত গাওঁপঞ্চায়তৰ সভাপতি/উপসভাপতিৰ বিৰূদ্ধে অনস্থাপ্ৰস্তাৱ আনিব নোৱাৰিব। এইটো কেনেকুৱা ধৰণৰ কথা? প্ৰথম নিৰ্বাচিত হোৱাৰ আঢ়ৈ বছৰৰ ভিতৰত তেওঁৰ বিৰূদ্ধে সদস্য সকলে অনস্থা আনিব নোৱাৰিব। তেওঁ স্বৈৰচাৰী শাসন কৰিব, তেওঁ ইচ্ছামতে কৰিব। যি পাৰে সেইয়ে কৰিব। তাত চৰকাৰৰ দৰকাৰ নহ'ব। গতিকে গণতন্ত্ৰ য'ত ৰক্ষা হ'ব তেওঁৰ ওপৰত যেতিয়া মেম্বাৰ সদস্য সকলৰ এটা অধিকাৰ থাকিব সেই অধিকাৰৰ বলত তেওঁলোকক বৰ্খাস্ত কৰি দিব পাৰে, তেতিয়া তেওঁলোকৰ মনত এটা ভয় থাকিব। আৰু যেতিয়া মনত ভয় থাকিব তেতিয়া তেওঁ ভালদৰে পৰিচালনা কৰিব সু-শাসন দিব, সু-চিন্তা কৰিব, জনসাধৰণৰ সবল অধিকাৰ ৰক্ষাৰ কাৰণে তেওঁ ভাবিব। যদি তেওঁক আঢ়ৈ বছৰৰ কাৰণে অনস্থা প্ৰস্তাৱ আনিব নোৱাৰে বুলি কোৱা হয় তেতিয়া তেওঁ স্বৈৰচাৰী শাসন চলাব। গতিকে সভাপতি/ উপসভাপতিৰ বিৰূদ্ধে এবাৰ অনস্থা প্ৰস্তাৱ হলে আকৌ গাওঁপঞ্চায়তৰ সদস্য সকল আনকোনো ক্ষেত্ৰতে জবাৱদিহি কৰাৰ সুযোগ নাথাকিব। তেওঁৰ কাৰ্য্যকালৰ সভাপতি/উপসভাপতিৰ যি ৫ বছৰ কাৰ্য্যকাল, এই কাৰ্য্যকালৰ ভিতৰত এবাৰ সেই তেওঁক অনস্থা প্ৰস্তাৱ কৰিব পাৰি কৰিবৰ কাৰণে অধিকাৰ দিয়া হৈছে। এই অধিকাৰটো যদি এবাৰৰ কাৰণে দিয়া হয় তেতিয়াহলে এই ব্যৱস্থাটো পঞ্চায়তৰ সভাপতি/উপসভাপতি সকলক সদস্য সকলৰ জবাৱদিহি কৰাৰ কোনো ধৰণৰ সুযোগ নাথাকিব। এইক্ষেত্ৰত ভাৰতৰ মহামান্য উচ্চতম ন্যায়ালয়ে Civil appeal nos. 4135- 4152 of 2010 সম্পূৰ্ণ পৰিপন্থী। কিয়নো ৪-৫-২০১০ তাৰিখে এই গোচৰটো জাৰি কৰা মহামান্য উচ্চতম ন্যায়ালয়ত ৰায়দানত স্পষ্টভাৱে কোৱা হৈছে যে পঞ্চয়তীৰাজ ব্যৱস্থা এক সাংবিধানিক পতিষ্ঠান আৰু ভাৰতৰ সংবিধানৰ ৭৩ তম সংশোধনীত ভাৰতবৰ্ষৰ ৰাজনৈতিক ব্যৱস্থাত পঞ্চায়তীৰাজ ব্যৱস্থাটো তৃতীয় পৰ্য্যায়ৰ চৰকাৰ

বুলি মান্যতা প্ৰদান কৰিছে। ভাৰতৰ সংবিধানে যেতিয়া তৃতীয় পৰ্য্যায়ৰ চৰকাৰ বুলি মান্যতা প্ৰদান কৰিছে, আমাৰ দেশখনক সৰ্ব্বোচ্চ ন্যায়ালয় মহামান্য উচ্চতম ন্যায়ালয়ে যিটো ৰায় দিছে এই ৰায়ৰ বিপৰীতে এই সংশোধনীটো যাব। গতিকে সেই অনুসৰি ভাৰতৰ প্ৰধান মন্ত্ৰী যেনেকৈ সংসদৰ ওচৰত দায়বদ্ধ একে দৰে পঞ্চায়তৰ সভাপতি গৰাকী সংশ্লিষ্ট পঞ্চায়তৰ কাৰ্য্যবাহী সদনৰ ওচৰত দায়বদ্ধ। এনেক্ষেত্ৰত পঞ্চায়ত প্ৰতিনিধিৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ উত্থাপনত বাধা প্ৰদান কৰি সামগ্ৰীক ভাবে তৃণমূল পৰ্য্যায়ত গনতন্ত্ৰ সম্প্ৰসাৰণত বাধা আৰোপ কৰিব বিচৰা হৈছে। এই সংশোধনী পঞ্চায়তীৰাজ ব্যৱস্থাৰ সম্পূৰ্ণ পৰিপন্থী। আমাৰ সংবিধানখন নিকা হ'ব লাগিব। সংবিধানত এনেকুৰা কেৰোণ থাকিব নালাগিব, যিটো কেৰোণৰ দ্বাৰা অপশাসন চলিব পঞ্চায়তত। তাৰ কাৰণে সদস্য সকলে যেতিয়াই ইচ্ছা কৰে, তেতিয়াই পঞ্চায়তৰ সভাপতি সকলৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ দিব পাৰে সেই ক্ষমতাটো সদস্যসকলক অৰ্পণ কৰিব লাগিব। তেতিয়াহে সু-শাসন চলিব। পঞ্চায়ত নীতিগত ভাবে চলিব, পঞ্চায়তে জনসাধাৰণৰ হিতৰ কাৰণে চিন্তা কৰিব নহ'লে স্বৈৰাচাৰীভাবে নিজৰ মতত তেওঁলোকে পঞ্চায়ত চলাৰ ব্যৱস্থা কৰিব । গতিকে এই সংশোদনীখিনি মই ভাবো, যদি আমাৰ চৰকাৰে মানি লয় আৰু এই মতে কৰে তেনেহ'লে নিকা আৰু স্বচ্চ এটা পঞ্চায়ত গঠন হ'ব। জনসাধাৰণৰ মনৰ কথাখিনি প্ৰকাশ হ'ব, জনসাধাৰণৰ ইচ্ছাৰ মতে পঞ্চায়ত বিলাক পৰিচালিত হ'ব। গতিকে মই আশা কৰো, যে মই যিখিনি সংশোদনী প্ৰস্তাৱ উত্থাপন কৰিছো আশা কৰিছো এই সংশোধনী প্ৰস্তাৱখিনি গ্ৰহণ কৰি লৈ নিকা প্ৰশাসন চলাত পঞ্চায়তী আইন গ্ৰহণ কৰি যাতে জনসাধাৰণক সুবিধা দিয়ে তাকে মই কামনা কৰিছো।

মাননীয় অধ্যক্ষ ঃ ধন্যবাদ। শ্ৰী আমিনুল ইছলাম,

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং)** ঃ মাননীয় অধ্যক্ষ মহোদয়, The Assam panchayat (amendment) Bill, 2023 সংক্ৰান্তত আমাৰ ক'বলগীয়া কথাখিনি হ'ল, যে এই বিলত যিখিনি কথা সন্নিবিষ্ট হৈছে, কিছুমান দফা আছে, যিখিনি আমি সমৰ্থন কৰিছো। ভাল হৈছে, আৰু কিছুমান কথা আছে, যিখিনিত আমাৰ আপত্তি আছে আৰু সেই খিনিৰি পৰিবৰ্তন হোৱাটো আমি বিচাৰিছো। ইয়াতে প্ৰথম কথাটো হ'ল, formation of new Gaon Panchayat গঠনৰ ক্ষেত্ৰত যি খিনি দফা ইয়াত দিয়া হৈছে, A,B,C category ত জিলা বিলাক বিভক্ত কৰি তাত যিটো জনসংখ্যাৰ প্ৰয়োজন সেই জনসংখ্যাৰ মাজত তিনিটা চেপাৰেট category ক'ৰবাত ৪ হাজাৰৰ পৰা ৭ হাজাৰ, ক'ৰবাত ৮ হাজাৰৰ পৰা ১০ হাজাৰ, ক'ৰবাত ১৩ হাজাৰলৈকে যি বিলত প্ৰভিজন ৰখা হৈছে, এই বিষয়টো আমি ভাবো যুক্তিসংগত নহয়। গতিকে আমি বিচাৰিছো যে যাতে পঞ্চায়ত বিলাক গোটেই অসমত এটা নিয়মতে হয় আৰু তাত ধৰি ললো ৮ হাজাৰৰ পৰা ১২ হাজাৰ জনসংখ্যাৰ ভিতৰত হ'ব লাগে। ক'ৰবাত যদি জনবসতি পাতল, এৰিয়া বহুত ডাঙৰ হৈ যায়, তাত হয়তো ৮ ,৯ হাজাৰত হওঁক আৰু য'ত জনবসতি বেছি যদি ঘনত্ব হয়, তেনেহ'লে তাত ১২ হাজাৰৰ ভিতৰত। কিন্তু এই তিনিটা শ্ৰেণীত এইটো কিছুদিন পূৰ্ব্বে যিটো Delimitation হ'ল। সংসদীয় সমষ্টি আৰু বিধান সভা সমষ্টি নিৰ্বাচনৰ ক্ষেত্ৰত জিলা বিলাক এনেকৈ শ্ৰেণীবিভাগ কৰাত আমি দেখিছো সমষ্টি বিলাকত জনসংখ্যাৰ যিটো অনুপাত সেইটো মানি লোৱা হোৱা নাই। কিছুমান সমষ্টিত যদি জনসংখ্যা ২০০১ চনৰ চেঞ্চাচ মতে ১ লাখ ২০ হাজাৰ বা ডেৰলাখৰ তলত আছে, কিছুমানত ৩ লাখৰ ওপৰত হৈছে। গতিকে সেই সমষ্টি পুনৰ নিদ্ধাৰণ যিটো বিধান সভা বা লোক সভা পুনৰ গঠনত যিটো হৈছে, ইয়াত যাতে তেনেকুৱা নহয় সেই কাৰণে আমি ভাবিছো যে এটা নিৰ্দিষ্ট জনসংখ্যা ৮ হাজাৰৰ পৰা ১২ হাজাৰৰ ভিতৰত হ'লে

ভাল হ'ব। এইক্ষেত্ৰত যিটো District delimitation কমিটি বনোৱা হৈছে, তাত District commissioner লগত জিলা পৰিষদৰ চেয়াৰমেন, District ইলেকশ্যন অফিচাৰ তেওঁলোক থাকক। কিন্তু আমি ভাবিছো তাত চাৰ্কোল অফিচাৰ আৰু MLA সকলক লগত ৰাখিলে ভাল হয়। সেই জিলাৰ যি সকল MLA আছে তেওঁলোকে যাতে পুনৰ গঠন প্ৰক্ৰিয়াত থাকি কেনেকৈ ক'ত পঞ্চায়ত বিলাক নতুনকৈ গঠন কৰিলে ভাল সেয়াই আমি বিচাৰিছো আৰু তাৰ লগে লগে আৰু এটা কথা দেখিছো যে পঞ্চায়তৰ symbol ৰ যিটো কথা যে আগতে গাওঁ পঞ্চায়তৰ সদস্যৰ পৰা আৰম্ভ কৰি জিলা পৰিষদৰ সদস্যলৈকে তাত ৰাজনৈতিক দলৰ symbol ব্যৱহাৰ কৰিব পাৰে । কিন্তু এইবাৰ amendment ত দেখিছো যে গাওঁ পঞ্চায়তৰ সভাপতি পোনপতীয়াকৈ নিৰ্ব্বাচিত নহ'ব। দ্বিতীয়তে ওৱাৰ্ড সদস্যসকল political symbol ল'ব নোৱাৰিব। ইয়াত যিটো প্ৰভিজন ৰখা হৈছে আমি ভাবিছো, যেনেকৈ আঞ্চলিক পঞ্চায়তৰ সদস্য আৰু জিলা পৰিষদৰ সদস্য সকলে যেনেকৈ political symbol পাব গাওঁ পঞ্চায়তৰ সদস্যসকলকো political symbol দিয়াৰ ব্যৱস্থা কৰিব লাগে। নহ'লে আমি এটা আশঙ্কা কৰিছো যে গাওঁ পঞ্চায়তৰ সদস্য সকল যেতিয়া কোনো political পাৰ্টীৰ পৰা নিৰ্বাচিত নহ'ব বা তেওঁলোক নিৰ্দলীয় হিচাপে নিৰ্বাচিত হ'ব, ইয়াত এটা আশংকা হৈছে এই সদস্য সকলৰ ভিতৰত কোনোবা যদি আৰ্থিকভাবে যথেষ্ট স্বচ্চল বা কোনোবা দূৰ্নীতি পৰায়ণ লোক আছে, বা কোনোবাৰ ক'লা ধন আছে, তেওঁ সদস্যসকলক ক'ব যে মোক ৫ জন সদস্য লাগে বা ৬ জন লাগে, ২ লাখ বা ৩ লাখকৈ টকা দিম, কিনি ল'ম। যিহেতু সেই সদস্যসকলক লেকাম লগাবলৈ যিহেতু political binding ও নাই, যদি এটা political symbol থাকে তেতিয়া political পাৰ্টী বিলাকে ক'ব পাৰিব, যে আমাৰ দলৰ পৰা ৬ জন সদস্য জিকিছে। তেওঁলোক ৬ জন একেলগে থাকিব আৰু এই ৬ জনৰ পৰা অমুকক আমি সভাপতি দিব বিচাৰো। অন্তত political পাৰ্টী হ'লে এটা binding লগাব পাৰে। যদি political binding ও নাই, একো নাই তেতিয়া অন্তত এই সদস্যসকল কেৱল কিনাবেচাৰ এটা পণ্য সামগ্ৰী হোৱাৰ আমি আশংকা এটা কৰিছো। যিবিলাক আমি দেখিছো বিভিন্ন সমবায় সমিতি বা অন্যান্য অনুষ্ঠানত । এই সদস্য সকল এনেকৈয়ে, এনেকুৱা এটা ব্যৱস্থা আগৰ পৰাই চলি আছে। গতিকে আমি ভাবো সদস্য সকলক যাতে পণ্য সামগ্ৰীৰ নিচিনা কিনাবেচা কৰি সভাপতি হ'ব নোৱাৰে। অন্তত তেওঁলোকক এটা binding ত ৰাখিবলৈ political symbol টো গাওঁ পঞ্চায়ততে থাকিব লাগে। আমি আৰু এটা কথা সমৰ্থন কৰিছো যে গাওঁ পঞ্চায়তৰ সভাপতিজন কম পক্ষেও আঢ়ৈ বছৰলৈকে তেওঁলোকক অনাস্থা দিব নোৱাৰিব। কিছুমানে কয় যে তেতিয়া স্বেচ্চাচাৰী হ'ব, আৰু এটা বিপৰীত ভাবেও যদি আমি চিন্তা কৰো, যদিহে ৬ মাহৰ ভিতৰতেই তাক অনাস্থা দিব পাৰে। তেনেহ'লে হয় কি কেতিয়াবা সদস্য সকলক ব্লেকমেইলো কৰে। দুইদিন পিছে পিছে কিবা সা- সুবিধা বিচাৰে, দিব নোৱাৰিলে তেওঁলোকে একগোট হৈ অনাস্থা দিয়ে। বাৰে বাৰে এনেকুৱা কৰি সভাপতিজনক বিব্ৰত কৰি থাকে কামো কৰিব নোৱাৰিব। আঢ়ৈবছৰ তেওঁ কাম কৰাৰ সুবিধা দিয়া হওঁক। তাৰ পিছত যদি তেওঁ ভুল কৰে স্বেচ্ছাচাৰিতা কৰে, আঢ়ৈবছৰ পিছত সদস্য সকলক অনাস্থা দি তেওঁক পদৰ পৰা আতৰাব পাৰিব। গতিকে এই বিষয়টোত আমি সন্মত হৈছো মানি লৈছো। নহ'লে তিক্ত অভিজ্ঞতা আমাৰ আছে। য'ত আমি দেখিছো বাৰে বাৰে এনেকে সদস্যসকলক ব্লেকমেইল কৰে। কিন্তু তাৰ লগতে আমি আৰু এটা কথা বিচাৰিছো যে মাননীয় অধ্যক্ষ মহোদয়, যে য'ত ৰিৰ্জাভেশ্যনৰ কথা আছে ৫০ শতাংশ মহিলাৰ কাৰণে, এতিয়াওঁ সেইটো থাকিব। SC /ST ৰ কাৰণে ৰিৰ্জাভেশ্যন ২৫ শতাংশ

SC/ST যিটো পঞ্চায়তত আছে সেইটো যাতে ৰিৰ্জাভেশ্যনৰ আওঁতাত পৰে। গতিকে সেইখিনি ৰোটেশ্যনত আহিব SC /St যিখিনি ২৫ শতাংশৰ ওপৰত আছে। এইবাৰ যি কেইটা ৰিৰ্জাভেশ্যনত আহিব, পিছত আকৌ ৰোটেশ্যনত বেলেগ গাওঁ পঞ্চায়ত বিলাক আহিব এনেকুৰা ব্যৱস্থা হোৱাটো আমি বিচাৰিছো আৰু তাৰ লগে লগে মাননীয় অধ্যক্ষ মহোদয়, ward সভাৰ যিটো মিনিমাম তাত কোৰাম হ'বলৈ ৫০ জন হোৱাটো আমি বিচাৰিছো। তাৰ লগে লগে এই বিলখনত আমি দেখিছো যে কিছুমান দায়িত্ব আৰু কৰ্ত্তব্য দিব বিচৰা হৈছে, সেই দায়িত্ব আৰু কৰ্ত্তব্য তাত কিন্তু আগত যিখিনি আছিল ১৯৯৪ Act ত পঞ্চায়ত বা আঞ্চলিক পঞ্চায়ত বা জিলা পৰিষদৰ আমি দেখিছিলো যে তাত যিখিনি power and function দিয়া হৈছিল। তাৰ পৰা কিন্তু বহুখিনি তেওঁলোকে avail কৰিব পৰা নাই। ইয়াত আমি দেখিছো নতুনকৈ কেইটামান সন্নিবিষ্ট কৰা হৈছে। গতিকে সেই power and function খিনি ব্যৱহাৰ কৰোতে তাত যাতে আমাৰ লোকেল এম; এল ,এ সকলেও যাতে, মনিটৰিং আৰু চুপাৰভাইজ কৰাৰ কাৰণে যাতে কৰ্তৃত্ব পায় আৰু তাৰ লগতে যিটো মণিটৰিং গ্ৰুপ বনোৱাৰ কথা কোৱা হৈছে এইটো headed by Local MLA হ'ব লাগে যাতে তেওঁলোকে ensure কৰিব পাৰে যে এই গাওঁ পঞ্চায়তৰ যিখিনি ফাণ্ড এলোকেশ্যন হয়, সেই ফাণ্ডখিনি যাতে proper utilise হয়। তাৰ লগতে আৰু এটা কথা আমি যিটো বিচাৰিছো যে গাওঁ পঞ্চায়ত সমূহ ৮ হাজাৰ বা ১২ হাজাৰৰ ভিতৰত জনসংখ্যাৰে গঠিত হ'ব লাগে কিন্তু সেই গাওঁ পঞ্চায়ত সমূহত যিটো ফাণ্ড এলোকেশ্যন হ'ব সেইটো যাতে জনসংখ্যাৰ অনুপাতে হয়। নহ'লে যিবিলাক কম জনসংখ্যাৰ পঞ্চায়ত হ'ব তেওঁলোকে ফাণ্ড বেছিকৈ পাব আৰু বেছি জনসংখ্যা থকা পঞ্চায়ত বিলাকে নাপাব। বাকী যিখিনি ধাৰা আছে এইখিনি ভালেই হৈছে। যিখিনি পৰিবৰ্তন বিচাৰিছো সেইখিনি আমি আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী বিশ্বজিৎ ফুকন ডাঙৰীয়া।

**শ্ৰী বিশ্বজিৎ ফুকন, (সৰুপথাৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, পঞ্চায়তীৰাজ ব্যৱস্থাৰ আমূল পৰিবৰ্তন সাধি যি নতুন আইন অনা হৈছে, মই ভাবো যে জাতিৰ পিতা মহাত্মা গান্ধীৰ যি গ্ৰাম স্বৰাজৰ সপোন এই সপোন বাস্তাৱত ৰূপায়িত কৰিবৰ কাৰণে এইখন অতি উপযুক্ত আৰু সময়োপযোগী আইন অনা হৈছে আৰু ইয়াৰ দ্বাৰা গ্ৰামাঞ্চলৰ ৰাইজৰ পঞ্চায়তীৰাজ ব্যৱস্থাৰ লগত অধিক ভাৱে জড়িত হোৱাৰ সুযোগ দিব। ইয়াৰ জৰিয়তে আহি থকা দিনবোৰত আমি গ্ৰামাঞ্চলত উন্নয়ণৰ বাবে এক নতুন সোপান ৰচনা কৰিব পাৰিম। মাননীয় অধ্যক্ষ মহোদয়, এই আইনখন সম্পৰ্কত যি আলোচনা হৈছে এই আলোচনাৰ দুটামান কথা মই ক'ব বিচাৰিছো। প্ৰথম কথাটো হ'ল Population Density ৰ ওপৰত যি delimitation ৰ প্ৰশ্নৰ কথা আহিছে, মই ভাবো এইটো খুব উপযুক্ত হৈছে। কাৰণ কেতিয়াবা এনেকুৰা হয় যে কিছুমান এলেকাত Population Density খুব কম থাকে য'ত ৮ হাজাৰ Population ৰ কাৰণে হয়তো ২০-৩০ খন গাঁৱৰ প্ৰয়োজন হয়। কিন্তু কৰ'বাত এনেকুৰা হয় যে Population Density বেছি হয় দুখন গাঁৱতেই ৮ বা ১০ হাজাৰ Population আহিব পাৰে। এনে সময়ত আমি যদি Population Density ফিক্স কৰি ৰাখো তেতিয়া আমাৰ যিহেতু গ্ৰামাঞ্চলৰ বাট-পথ উন্নয়ণৰ পৰা আৰম্ভ কৰি মহাত্মা গান্ধীৰ যি MGNREGA ৰোজগাৰ আঁচনি এই আঁচনিবোৰ সফল ৰূপায়ণৰ ক্ষেত্ৰত গ্ৰামাঞ্চলত বহুতখিনি অসুবিধাৰ সৃষ্টি হ'ব। সেইকাৰণে Population Density ৰ ওপৰত যি তিনিটা কেটেগৰী কৰা হৈছে এই তিনিটা কেটেগৰীয়েই আমাৰ পঞ্চায়তীৰাজ ব্যৱস্থাক অধিক শক্তিশালী

কৰিব। তাৰ লগতে আঢ়ৈ বছৰৰ মূৰত এবাৰহে মাত্ৰ অনাস্থা আনিব পৰা যি ব্যৱস্থা হৈছে, মাননীয় অধ্যক্ষ মহোদয়, আমি জানো যে ১০ জন সদস্যৰ ভিতৰত এজন সদস্যৰ সমৰ্থনৰ বিপৰীতে কেতিয়াবা কোনোবা এঝন সভাপতি হ'ব আৰু এজন সদস্য বিপৰীত ফালে গুছি গ'লেই তেওঁৰ প্ৰতি অনাস্থা আহিব পাৰে। এনে অৱস্থাত লাহে লাহে পঞ্চায়তী ৰাজ ব্যৱস্থা যদি আমি আঢ়ৈ বছৰ ফিক্স টাইম নাৰখো তেতিয়া আহি থকা দিনবোৰত এনেকুৱা হ'ব যে প্ৰত্যেক পঞ্চায়তে সভাপতিয়ে কাম কৰাৰ সময়ত blackmailing কৰিব যে তুমি আমাক এইটো ৰাস্তাত সহায় কৰা নহ'লে কিন্তু তোমাৰ ওপৰত অনাস্থা আনিম। এই ব্যৱস্থাই পঞ্চায়তীৰাজৰ গোটেই ব্যৱস্থাটোক কিছু অস্থিৰ কৰি তুলিব পাৰে। সেইকাৰণে মই বহু কেইজন সন্মানীয় সদস্যই অনাস্থা এবাৰহে আনিব পাৰে বুলি কোৱাৰ বিপৰীত মন্তব্য দিছে যদিও মই ভাবো যে এইটো এটা অতি সুন্দৰ ব্যৱস্থা হৈছে। যথেষ্ঠ চিন্ত-চৰ্চা কৰি এই ব্যৱস্থা হাতত লোৱা হৈছে আৰু ইয়াৰ দ্বাৰা আমাৰ পঞ্চায়ত অতি শক্তিশালী হ'ব। দ্বিতীয়তে, আমাৰ সংৰক্ষণ ব্যৱস্থা পূৰ্বতেও ৫০ শতাংশ আছিল এতিয়াও ৫০ শতাংশ হ'ব। ইয়াৰ আগতে ৫০ শতাংশ সংৰক্ষণ প্ৰত্যেক বছৰে সলনি হৈ থাকে। যিটো পঞ্চায়তত এইবাৰ সভাপতিজন পুৰুষ আছে অহাবাৰ মহিলা হয়। তাৰফলস্বৰূপে পুৰুষজনে প্ৰথম দিনাই ভাবি লয় যে অহাবাৰ যিহেতু মই ইয়াত সভাপতি হ'বলৈ নাপাওঁ গতিকে মই কৰো প্ৰতি liable নহয়, মই আৰু election খেলিব নোৱাৰো গতিকে মই মোৰ ইচ্ছামতে কাম কৰো। প্ৰত্যেকবাৰে আমি নিৰ্বাচনৰ প্ৰাক্মূহুৰ্ত্তত লটাৰী হোৱাৰ জৰিয়তে এই ব্যৱস্থাটো বা এই শংকাটো নাইকিয়া হ'ব আৰু আমাৰ সদস্য সকলে কিছু সুস্থিৰ ভাৱে কাম কৰিব পাৰিব। পঞ্চায়ত পৰ্য্যায়ক দলীয় ৰাজনীতিৰ পৰা উৰ্দ্ধত ৰখা হৈছে। স্বাভাৱিকতে যিহেতু নিৰ্বাচন ই ৰাজনৈতিক হ'বই। কিন্তু দলীয় ৰাজনীতিৰ পৰা উৰ্দ্ধত ৰখাৰ ফলস্বৰূপে আমাৰ গ্ৰামাঞ্চলৰ নিজৰ গাঁওৰ পৰা এজন মানুহ পঞ্চায়তলৈ নিৰ্বাচিত হৈ আহিব লাগে, ward member ৰ যি quality হ'ব সেই quality ভাল হ'ব। কাৰণ তেওঁলোকৰ ইচ্ছা থাকিব যে ward member হ'ম, ward member হৈ সভাপতি হ'ম। গতিকে দলীয় ৰাজনীতিৰ চিন্তা-চৰ্চাৰ উৰ্দ্ধত গাওঁখনত যদি এজন ভাল মানুহ নিৰ্বাচনত প্ৰতিনিধিত্ব কৰে, মই ভাবোগ্ৰামাঞ্চলৰ ৰাইজে দলীয় মতাদৰ্শ বাদ দি বহুলোকে সেই ব্যক্তিজনক সমৰ্থন দিব আৰু এজন ভাল মানুহ বা শিক্ষিত লোক বা সমাজৰ প্ৰতি দায়বদ্ধতা থকা লোকে এই ব্যৱস্থাৰ জৰিয়তে পঞ্চায়তীৰাজ ব্যৱস্থাটোৰ লগত জড়িত হ'ব পাৰিব। মাননীয় অধ্যক্ষ মহোদয়, ইমান সুন্দৰ এখন আইন আনি অসমৰ পঞ্চায়তীৰাজ ব্যৱস্থাক শক্তিশালী কৰাৰ বাবে মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ক মই ধন্যবাদ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী জয়ন্ত বসুমতাৰী।

**শ্ৰী জয়ন্ত বসুমতাৰী, (চিডলী)ঃ** মাননীয় অধ্যক্ষ মহোদয় আৰু সদন, আজি পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগ তথা পঞ্চায়তীৰাজৰ ওপৰত নতুনকৈ যিটো সংশোধনী আনিছে তাৰবাবে মই চৰকাৰৰ পক্ষ হৈ ক'ব বিচাৰিছো। গোটেই ভাৰতবৰ্ষখন এই পঞ্চায়তীৰাজ ব্যৱস্থাৰ জৰিয়তে গ্ৰামাঞ্চল সমূহৰ উন্নয়ণ আনিব বিচৰা হৈছে। ইয়াত delimitation ৰ এটা প্ৰক্ৰিয়া, এই amenndment টো আনিছে সেইটো মই ভাবো যে গ্ৰামাঞ্চলত স্বৰাজ দিয়াৰ বাবে সেইটো নিশ্চয় ফলপ্ৰসু হ'ব। কিয়নো জনসংখ্যা অনুপাতে এনেকুৱা কিছুমান অঞ্চল আছে য'ত নেকি জনসংখ্যাৰ density ক'ম আৰু কৰ'বাত এনকুৱা অঞ্চল আছে য'ত density বহুত বেছি। সেই হিচাপে তাত A,B,C কৈ কেটেগৰী কৰা হৈছে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ লগতে

আমাৰ বিভাগীয় মন্ত্ৰী মহোদেয় এই পঞ্চায়তীৰাজৰ জৰিয়তে ভাৰতবৰ্ষৰ ৫ খন ৰাজ্যৰ ভিতৰত অসমখনকো এখন ৰাজ্য হিচাপে গড় দি তুলিবলৈ বিচৰা হৈছে। গতিকে তাৰবাবে আমাৰ গ্ৰামাঞ্চল সমূহৰ উন্নতিৰ কাৰণে জোৰ দিব লাগিব। যদি আমি কেটেগৰী নকৰি একেলেথাৰিয়ে আগুৱাই লৈ যাব বিচাৰো তেতিয়াহ'লে নিশ্চয় কিছু অঞ্চল তীব্ৰ গতিত আগবাঢ়ি যাব আৰু কিছুমান অঞ্চল পিছপৰি থাকিব। সেইকাৰণে আমি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ৫ খন ৰাজ্যৰ ভিতৰত অসমখনকো এখন ৰাজ্য হিচাপে গঢ় দিব বিচাৰিছে। গতিকে তাৰবাবে নিশ্চয়কৈ গ্ৰাম্য অঞ্চলৰ উন্নতিৰ কাৰণে জোৰ দিব লাগিব। ইয়াৰবাবে গ্ৰামাঞ্চল সমূহ উন্নয়ণ কৰিবলৈ হ'লে এই পঞ্চায়তীৰাজ ব্যৱস্থাটোক সঠিকভাৱে ৰূপায়ণ কৰিব লাগিব। মই যিহেতু কাউঞ্চিলৰ ফালৰ চিৰাং জিলাৰ পৰা প্ৰতিনিধিত্ব কৰিছো গতিকে আমাৰ তাত VCD আছে আৰু এই VCD ৰ জৰিয়তে কাউঞ্চিলৰ অঞ্চল সমূহ উন্নয়ণৰ কাৰণে ক্ষীপ্ৰগতিত কাম কৰি থকা হৈছে আৰু যিটো সংশোধনী আনিছে সেইটোৰ প্ৰভাৱ আমাৰ তাতো পৰিব। ইয়াৰ দ্বাৰা আমাৰ কাউঞ্চিলৰ লগতে গোটেই অসমৰে নিশ্চয় উন্নয়ণ সাধন কৰিব পাৰিব। আজি যিটো সংশোধনী আনিব বিচৰা হৈছে তাত নিশ্চয় আমাৰ গ্ৰামাঞ্চল সমূহক স্বৰাজ দিয়াৰ কাৰণে উপযোগী হ'ব। সেই কাৰণে মুখ্যমন্ত্ৰী ডাঙৰীয়া তথা বিভাগীয় মন্ত্ৰীয়ে পঞ্চায়তী ৰাজৰ ক্ষেত্ৰত এটা সংশোধনী আনিছে, সেইটো মই support কৰিছো আৰু ইয়াৰ দ্বাৰা নিশ্চয়কৈ আমাৰ উন্নতি ক্ষীপ্ৰতৰ হ'ব, সেইটোকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী আব্দুৰ ৰছিদ মণ্ডল।

**শ্ৰী আব্দুৰ ৰছিদ মণ্ডল, (পশ্চিম গোৱালপাৰা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, খূৰ খৰখেদাকৈ কৰা অসমৰ সমষ্টি পুনৰ নিৰ্ধাৰনে আমাৰ নতুন আৰু এটা পুৰণ নিৰ্ধাৰণ হ'ব লাগিব গাওঁ পঞ্চায়ত সমূহ। মই ভাৱো, মই অনুমান কৰিছো যিয়ে নেকি চৰকাৰক বাধ্য কৰাছে পঞ্চায়ত আইনৰ ব্যাপক সংশোধনৰ।

এই পঞ্চায়ত আইনৰ ব্যাপক সংশোধন, মোৰ বোধৰে খুৰখৰখেদাকৈ কৰা হৈছে। ইয়াতে যথেষ্ট অধ্যায়ণৰ প্ৰয়োজন আছিল। বিভিন্ন জিলাৰ বিভিন্ন আঞ্চলিক পঞ্চায়তৰ যি সমষ্টি পুনৰ গঠন হৈছে, যে বৰ্তমান সময়ত এটা এটা গাওঁ পঞ্চায়তে কেইবাটাও আঞ্চলিক পঞ্চায়তত সুমাই গৈছে। গতিকে এই কথাবিলাকো আহিব, আঞ্চলিক পঞ্চায়ত গঠনত। গতিকে এটা ব্যাপক সংশোধন আৰু যেনেভাৱে আনিছে, আমাৰ দলৰ ফালৰ পৰা কেইবাটাওঁ section ৰ amendment দিয়া হৈছে যদিও, সেইটো আপুনিও কৈছে যে point by point আলোচনা কৰাটো সম্ভৱ নহয়, মই থুলমুলকৈ কেইটামান point হে উল্লেখ কৰিব বিচাৰিছোঁ।

মই উল্লেখ কৰিব খোজা এটা point সন্মানীয় সদস্য শ্ৰী আমিনুল ইছলাম (জেষ্ঠ) ডাঙৰীয়াই উল্লেখ কৰিছে, যিটো delemination কাৰণে যিটো commission বনাব খোজা হৈছে amendment ৰ দ্বাৰা, তাত অকল চৰকাৰী বিষয়াৰ দ্বাৰা যদি delemination কৰা হয়, আগে পিছে যিটো delemination commissioner ৰ concept আছিল, ভাৰত চৰকাৰ ২০০৪ ত কৰিছিল। তাত Parliament ৰ মানুহও আছিল, Assembly ৰ পৰা concerned representative বিলাক আছিল। গতিকে এই ক্ষেত্ৰত আমি তেনেকুৱাকৈ এটা সংশোধন বিচাৰিছোঁ মাননীয় অধ্যক্ষ মহোদয়। যে যিটো delemination Commission হ'ব, তাত জিলাৰ বিধায়কজনো এই সমিতিৰ সদস্য হওঁক বা পদন সদস্য হিচাপে থাকক আৰু সাংসদ জনকো আংশিক ভাৱে হওঁক, গোটেই জিলাত প্ৰতিনিধিত্ব কৰা সদস্য জনকো, সেই

সমিতিৰ সদস্য বা পদন সদস্য হিচাপে লোৱা হওঁক।

Section 4 ত যিটো অনাস্থাৰ ক্ষেত্ৰত ১২ মাহৰ কথা কোৱা হৈছে, ইতিমধ্যে কেইবাজনো সদস্যই কৈছে ইয়াৰ nigative impact, যে ১২ মাহত যদি অনাস্থা আনিব নোৱাৰে, এইটোত এটা বেয়া কাম কৰা কাৰণে এটা protection দিয়া হ'ব। গতিকে মই ভাৱো, এইটো member প্ৰতিত্ব। কেন্দ্ৰীয় চৰকাৰ ১৩ দিনতো পতন হৈছিল, আমি দেখিবলৈ পাইছিলো। গতিকে চৰকাৰ এদিনতো পতন হ'ব পাৰে। এইটো গনতন্ত্ৰৰ যিটো মুল sprite তাৰ বিপক্ষে হ'ব, যিটো সংশোধন চৰকাৰে আনিব বিচাৰিছে। গতিকে যিকোনো মুহুৰ্তত আনাস্থা অনাৰ প্ৰভিজনটো থাকিব লাগে।

Section 4 ত এটা সংশোধনী insert কৰিব বিচৰা হৈছে, তাত আমাৰ ফালৰ পৰা সংশোধনী আছিলে The word shall meet time to time বছৰত এবাৰ যিটো বহাৰ কথা কৈছিল গাঁওসভা, আমাৰ ফালৰ পৰা প্ৰস্তাৰ আছিল যে ৬ মাহৰ মুৰে মুৰে বহক, তেতিয়া হলে ৰাইজৰ উপকাৰ হ'ব।

Section 5, ত চৰকাৰৰ ফালৰ পৰা সংশোধনী বিচৰা হৈছে The State Goverment Notification declare any local area, যিটো গাওঁসভা গঠন বা ward গঠন প্ৰক্ৰিয়া অৰ্থাৎ Election Commission য়ে নতুনকৈ এটা conception দিছে, সংবিধানৰ article 170 violate কৰি পেলাই গোটেই ৰাজ্যৰ জিলা সমুহক তিনিটা category ত ভাগাইছিল, মই ভাৱো যে আমাৰ চৰকাৰেও Election Commission ক সংবিধানৰ বিৰোধী এটা সিদ্ধান্ত, যিটো নেকি এতিয়াও Supreme Court ত বিচাৰধীন হৈ আছে। সংবিধানৰ Aritcle 170 violation কৰি Election Commission of India ৰাজ্যক তিনিটা category ৰ ওপৰত লৈ যিটো delemination কৰিছে, এই বস্তুটো এতিয়া Supreme Court ত বিচাৰধীন হৈ আছে। সেই একে concept অসম চৰকাৰে লৈ সমষ্টি গঠনৰ ক্ষেত্ৰত density ৰ ওপৰত based কৰি A,B.C. category যিটো কৈছে, আমি ইয়াৰ বিৰোধীতা কৰি আমাৰ ফালৰ পৰা প্ৰস্তাৰ ৰাখিছো যে Article 170, যিটো constitutional provision যে পঞ্চায়তৰ যিমান population আছে, বা জিলাৰ যিমান population আছে, আমি অসমৰ ward ৰ সংখ্যা আৰু পঞ্চায়তৰ সংখ্যাও নাবাঢ়ে, একে সংখ্যা থাকিব। গতিকে আমাৰ ফালৰ পৰা প্ৰস্তাৰ আছিল যে এখন জিলাত যিমান পঞ্চায়ত আছে, যিমান ward আছে, total population ক proportionality ভগাই দিয়ক, ভগাই দিয়াৰ পিছত per ward, per পঞ্চায়ত, যিটো আহে, তাত ১০ শতাংশ যোগ বিয়োগ আহিব পাৰে, কিন্তু যিটো categorisation of the villages on the basis of density, ইয়াৰ opposed কৰি strictly on basis of Article 170, আমি তেনেকৈ এখন জিলাত মুঠ পঞ্চায়ত আৰু ward ৰ মাজত distribute কৰা কথা আমি প্ৰস্তাৰ ৰাখিছো।

Section 9 ৰ sub-section 4 পিছত sub-section insert কৰিব খুজিছে, চৰকাৰে। য'ত SC, ST ৰ reservation ৰ কথা কোৱা হৈছে। যিকোনো এটা সমষ্টিত ১০ শতাংশ জনসংখ্যা SC বা ST থাকিলে, সেই সমষ্টিটো SC বা ST ৰ কাৰণে reservation ত ল'ব পাৰে। সন্দেহ প্ৰকাশ কাৰো, আকাংশ কৰো, যোৱা delemination পৰা। আমি যোৱা delemination লক্ষ্য কৰিছো article 332 of Indian Constitution it violated by the Election Commission of India. তেওঁলোকে larger population থকা

সমষ্টিক open ৰাখি, lower SC বা ST population সমষ্টি reservation কৰিছে। তেওঁলোকৰ ক্ষমতা আছিল, ক্ষমতা প্ৰদান কৰিছে। একে ধৰণৰ পদ্ধতি এই চৰকাৰে লোৱাৰ আকাংশ কৰিছে। সেই কাৰণে আমাৰ ইয়াত প্ৰস্তাৱ ৰাখিছো যে Article 332 ৰ অধীনত যিটো সমষ্টিত যি percentage SC বা ST population আছে, সংবিধানে যিটো provision দিছে, সেই মতে আমাৰ ইয়াতে সমষ্টি reservation ৰ ক্ষেত্ৰত সেই formula গ্ৰহণ কৰা হওঁক।

Section 25 ত কিছুমান organized private market থাকে। এই market ত বহুত দোকান থাকে। চৰকাৰে সংশোধনী আনিছে, পঞ্চায়তে প্ৰত্যেকটো দোকানৰ ওপৰত tax লগাব। পঞ্চায়ত যিমানখিনি staff আছে, সেই খিনিয়ে এই private market ৰ খাজনা collection কৰিব লগীয়া হয়, সেইটো পাৰিব জানো। পঞ্চায়তৰ যিখিনি কাম আছে, সেইখিনি কৰবলৈ তেওঁলোকৰ মানুহ নাই। গতিকে পঞ্চায়ত সমূহৰ অধীনত থকা প্ৰত্যেক দোকানৰ পৰা খাজনা সংগ্ৰহ কৰাৰ দায়িত্ব দিয়া হয়, এইটো ঠিকো নহ'ব, হুলুস্থুলীয়া পৰিৱেশ হ'ব, এইটো unmanagable, যাৰ কাৰণে আমি কৈছো যে প্ৰত্যেক বজাৰ ভিত্তিত tax fixed কৰক, যিটো normal। এখন বজাৰক এটা unit হিচাপে গণ্য কৰি, সেই বজাৰসমূহত tender basis হওঁক auction basis হওঁক, তাতে size of the market basis ত tax fixation কৰা হওঁক। গতিকে এনেকুৰাকৈ আৰু বহুত কব লগীয়া আছিল, কিন্তু দেখ গৈছে এই গোটেই বস্তু খিনি আলোচনা কৰিবলৈ সদনত সময় নহ'ব । গতিকে মোৰ প্ৰস্তাৱ থাকিব যে চৰকাৰে উপস্থাপন কৰা বিধেয়ক সংশোধন কৰাৰ আগতে চিলেকশ্যন কমিটিৰ দ্বাৰা গোটেই বস্তুখিনি তন্ন তন্নকৈ অধ্যয়ন কৰা হওঁক কাৰণ আমাৰ ডিলিমিটেশ্যনৰ পিছত প্ৰত্যেকটো সমষ্টি, আঞ্চলিক পঞ্চায়ত, গাঁও পঞ্চায়তৰ মেপ সলনি হৈ গৈছে। আমি এনেদৰে প্ৰশাসনিক বৰ্ড গঠন কৰাৰ সময়ত কনটিগিউটি, কমপেকট্‌নেচ আৰু কানেক্টিভিটিৰ চিন্তা কৰিবই লাগিব। আমি এইখিনি সুবিধা আমাৰ নাগৰিকক দিবই লাগিব। ডিলিমিটেশ্যনৰ কথা চৰকাৰী পক্ষই অস্বীকাৰ কৰিলেও গাঁৰত আপোনালোকে নিশ্চত উপলদ্ধি কৰিছে যে এটা এটা সমষ্টিৰ কেনেকুৰা ধৰণৰ মেপ হৈছে। গতিকে এই কথা বিলাক গুৰুত্বসহকাৰে বিবেচনা কৰিব লাগে। আজি সদনে খৰতকীয়াকৈ গৃহীত নকৰি চিলেকচন কমিটিৰ জৰিয়তে বা এই সদনৰ পৰাই এটা ষ্টাডী গ্ৰুপৰ দ্বাৰা এই গোটেই কথাখিনি যাতে বিবেচনা কৰে । যিহেতু ১৯৯৪ ৰ এক্ট মতে আমি কৰি আছো আৰু মাজে মাজে কিছু সংশোধনী হৈছে আৰু যদি ব্যাপক কিছু সংশোধন কৰিব লগীয়া আছে তেন্তে অধ্যয়ন কৰাৰ প্ৰয়োজন আছে । মই নাভাবো যে সদনত থকা প্ৰত্যেকেই আমি ইমান খিনি অধ্যয়ন কৰিছো । গতিকে অধ্যক্ষ ডাঙৰীয়া আপোনাৰ জৰিয়তে মই চৰকাৰলৈ অনুৰোধ যাতে প্ৰতিটো ৰাজনৈতিক দলৰ পৰা প্ৰতিনিধি লৈ যি পঞ্চায়ত আইনৰ আধাৰত আমি পঞ্চায়ত ব্যৱস্থা চলাই আছো সেই বিষয়ে চাব লাগে আৰু সদনে এই সংশোধনী গ্ৰহণ নকৰি ইয়াক পৰৱৰ্ত্তী সময়ত অধ্যয়নৰ বাবে সৰ্ব্বদলীয় ভাৱে পৰীক্ষা নিৰিক্ষা কৰিব লাগে দৰকাৰ হ'লে তৎকালীন সদন অনুষ্ঠিত কৰি এপ্ৰ'ভ কৰিব লাগে । এই খিনি কৈ মোৰ বক্তব্য সামৰণি মাৰিছো ।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া কৌশিক ৰায় ।

**শ্ৰীকৌশিক ৰাই, (লক্ষীপুৰ)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, পঞ্চায়েত অ্যামেন্ডমেন্ট বিল **২০২৩** এসেছে আমি এই বিলকে সমপোযোগী বা অত্যন্ত জরুরী বলে আমি মনে করি। দু-চারটি বিষয় আমি এখানে উল্লেখ করতে চাই আগে আম রা দেখেছি যে গাঁও পঞ্চায়েতের গাঁওসভা হয় কিন্তু আকটি জিপিতে **৬০০০, ৭০০০** ভোটার বা এর বেশি জনসাধারণ থাকত। কিন্তু যখন গাঁওসভা

হত তখন গাঁওসভাতে ১০০-১৫০ লোক উপস্থিত থাকত। এজন্য এই বিলের মধ্যে নুতন ভাবে ইন্ট্রোডিউস করা হয়েছে যে ওয়ার্ক সভা করার জন্য এবং এখানে বলা হয়েছে যে ওয়ান থার্ড বা নট লেস দেন ৫০ যাতে সেখানে উপস্থিত থাকেন এবং আমি মনে করি যে এলাকার মানুষের যে চাহিদা এলাকার মানুষের যে দাবি সেই দাবিগুলি এই ওয়ার্ক সভার মাধ্যমে প্রতিফলিত হবে এবং এটা রেভিনিউ ভিলেজ। একটি রেভিনিউ ভিলেজে ওয়াইজ এই ওয়ার্ক সভা হলে মানুষ উপকৃত হবেন। এজন্য এটা অত্যন্ত জরুরী। দ্বিতীয়ত, এখানে পঞ্চায়েত সভাপতি পদটি বিলুপ্ত করে নুতন ভাবে ইনডাইরেক্ট ইলেকশন পরোক্ষ নির্বাচনের ব্যবস্থা করা হয়েছে। আমরা অনেক সময় দেখি যে পঞ্চায়েত নির্বাচন হওয়ার সঙে সঙে এখানে আরো একটি বিষয় হচ্ছে নো কনফিডেন্স। আমি আমার কাছাড় জেলার কথা বলছি যেখানে নির্বাচন ২০১৯ সালে অনুষ্ঠিত হয় ফলাফল জানুয়ারি মাসে হয়। ফেব্রুয়ারি মাসে অনাস্থা এসে জিপি প্রেসিডেন্টের পদ চলে যায় এজন্য এখানে যে ব্যবস্থা করা হয়েছে যে আড়াই বছর কোন অনাস্থা আসবে না। এবং আড়াই বছর পর প্রথম অনাস্থা আসবে এবং এর পরবর্তীতে আরেকটি সেকেন্ড অনাস্থা আসতে পারবে এবং আমি মনে করি যে পঞ্চায়েতের উন্নতির ক্ষেত্রে বা পঞ্চায়েতের কাজকর্ম যাতে সুচারুরূপে করতে পারে একজন নির্বাচিত সভাপতি বা উপসভাপতি সেক্ষেত্রে একটি ভালো ব্যবস্থা নেওয়া উচিৎ। আমরা দেখেছি যে জিপি ১০ জন মেম্বার এবং ১জন জিপি প্রেসিডেন্ট নির্বাচন হত কিন্তু এখন মেম্বারের মধ্যে থেকে যেভাবে এপি মেম্বারের নির্বাচন হয়, এপি প্রেসিডেন্ট , জিপি প্রেসিডেন্ট নির্বাচিত হয় জেলা পরিষদ চেয়ারম্যান নির্বাচন হয় আমাদের বিধানসভা, লোকসভাতে যেভাবে হয় যে মেম্বাররা নির্বাচিত হয়ে তাদের নেতা ইলেক্ট করবেন ঠিক সেই পদ্ধতি জিপিতে আনা হয়েছে এবং আমি মনে করি এটা অত্যন্ত ভালো ভাবে সম্পূর্ণ হবে। এবং এটার ব্যবস্থাও আছে। আগে জিপি প্রেসিডেন্টের বিরুদ্ধে অনাস্থা আসার পর সেই জিপি প্রেসিডেন্ট ৫ বছরের জন্য নির্বাচিত হয়েছিলেন ডাইরেক্ট নির্বাচনে। কিন্তু অনাস্থায় হেরে যাওয়ার পর উনার সেই জিপিতে কোন ফাংশন ছিল না। এখন যিনি জিপি প্রেসিডেন্ট মেম্বারের মধ্য থেকে নির্বাচিত হবেন উনি অনাস্থায় পরে গেলেও উনি আড়াই বছর পর সেখান সদস্য হিসাবে থাকবেন সেই এলাকার ভোটাররা উদ্দেশ্যে ওনাকে নির্বচিত করেছেন সেই নির্বাচন উনি আগামী ৫ বছর সেই দায়িত্ব পালন করতে পারে সেই ব্যবস্থা করা হয়েছে। এখানে পঞ্চায়েত ডিলিমিটেশন অত্যন্ত জরুরি। কারণ আমরা দেখেছি পঞ্চায়েত সিস্টেম এই প্রথম নির্বাচন ২০০১ সালে অনুষ্ঠিত হয়েছিল। ২০০১, ২০০৮, ২০১৩ এবং ২০১৯ এ ৪ বার পঞ্চায়েত নির্বচিত হয়েছে। কিন্তু এখানে অনেক বিরোধী দলের সদস্যরা বলেছেন এলাকার বিষয়ে সীমানা নিয়ে বলেছেন । এমনও জিপি আছে ১৪ হাজার পপুলেশন ২০ হাজার ভোটার দিয়ে একটি জিপি গঠন করা হয়েছে অতীতে। এবং এরকমও জিপি আছে যেখানে বাঁশকান্দি ব্লকে ডলুগ্রাম জিপি, যেখানে মাত্র ১৩০০ জনসাধারণ বিধানসভা লোকসাভার একটি পোলিংবুথ ও একটি পঞ্চায়েত রয়েছে এবং এই নুতন যে সিস্টেম তৈরি করা আছে ডেনসিটি হিসাবে এ,বি, সি তিনটি কেটেগরি তৈরি করা হয়েছে আমি মনে করি সেটা সমস্ত জিপিগুলি একটি সমান ভাবে হবে যার মাধ্যমে পঞ্চায়েতের কাজ কর্ম করতে সুবিধা হবে। যাতে কোন জিপি এক হাজার দেড় হাজার কোন জিপি বিশ হাজার একরম হবেনা। সুন্দর ভাবে এই কাজগুলি করতে পারব। মহাত্মা গান্ধীজি গ্রাম সভার যে স্বপ্ন দেখেছিলেন আমি মনে করি এই বিলের মাধ্যমে সেই স্বপ্নকে বাস্তবায়িত করার যে চেষ্টা আমাদের এই সরকার ডo হিমন্ত বিশ্ব শর্মার নেতৃত্বাধীন সরকার এবং আমাদের মাননীয় মন্ত্রী রঞ্জিত কুমার দাসের নেতৃত্বে যে বিল এসেছে সেই বিলে

সেটা আমরা দেখেছি যে পঞ্চায়েতে সিম্বোলকে ফ্রী করে দেওয়া হয়েছে এবং এখন থেকে পঞ্চায়েত নির্বচন হবে গাঁও পঞ্চায়েতের মেম্বার সেটা সিম্বোল ছাড়া হবে। এবং এর মাধ্যমে আমি মনে করি অনেক লোক রাজনীতির চাঁপাতে ভালো লোককে আমরা পঞ্চায়েতে নির্বাচিত করতে পারিনি। এবং এর মধ্যে অনেক লোক আছে যাদের কাজ করার ইচ্ছে আছে, হয়তো চাকুরি থেকে অবসর করেছেন তাদেরও ইচ্ছা আছে পঞ্চায়েত এলাকার সমাজের কাজ করার। তারা এই কাজ করার সুযোগ পাবে।এবং আমি মনে করি সেটি অত্যন্ত গুরুত্বপূর্ণ যে জেলা পরিষদের অ্যাকাউন্টকে এজির মাধ্যমে সেটা অডিট করা হবে এবং সেটা এই পঞ্চায়েত বিলের মাধ্যমে এসেছে। আমি মনে করি ঐতিহাসিক সময়পযোগী পদক্ষেপ অসম সরকার নিয়েছেন, এজন্য এই বিলকে আমি সমর্থন জানাচ্ছি। মাননীয় অধ্যক্ষ মহোদয় আমাকে সময় দেওয়ার জন্য অনেক অনেক ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া আমিনুল ইছলাম (কনিষ্ঠ)।

**শ্ৰী আমিনুল ইছলাম (কনিষ্ঠ, মানকাছাৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিধান সভা আৰম্ভ হোৱাৰ পাছতো আমাৰ যিটো প্ৰথম বছৰৰ মই প্ৰশ্নটো উত্থাপন কৰিছিলো, বিধান সভাত যে আমাৰ পঞ্চায়ত Act খন faulty আছিল এইকাৰণে যে president elected হয়। Pulblic ৰ জৰিয়তে আৰু অনাস্থা প্ৰস্তাৰটো ২ বছৰৰ আগতে আনিছিলো। আজি এটা পদক্ষেপ হৈছে ইয়াত কিছুকথা অত্যন্ত sensitive হৈ আছে। যিখিনি basically আমি ইয়াত member খিনি Poiltical Party ৰ জৰিয়তে নহ'ব। এই কথাটোত আমি ভাবিছো যে এইটো political party affiliated হ'ব লাগে। Political Party ৰ প্ৰতীক আহিব লাগে। 2nd point টোত আমাৰ parawise discussion নহয়। সেই কাৰণে আমি ক'ব বিচাৰিছো যে এই যিখিনি elected হ'ব এই elected member ৰ পৰা আপোনালোকে দিছে ১০ জন। এতিয়া amendment ত আহিছে ১০ জন হ'ব। যদি ১০ জন হয় কাইলৈ যদি ২ জন president ৰ প্ৰাৰ্থী হয় আৰু যিজন president ৰ প্ৰাৰ্থী হ'ব তেখেতৰ নিজৰ ভোটতো থাকিব। নিজৰ ভোটতো যদি থাকে তেতিয়াহ'লে 50% হোৱা সম্ভাৱনা আছে। তেতিয়াহ'লে আকৌ re-election হ'ব। সেই কাৰণে ইয়াত number টো াপোনালোকে 11 কৰে, তেতিয়াহ'লে যিকোনো মূহুৰ্তত কেতিয়াও এইটো 50, 50 হোৱাৰ সম্ভাৱনা নাই। আগতে যেনেকৈ ১০ জন member আছিল, এজন president directly আছিল। তাত অনাস্থা আনোতে কেতিয়াও 50% হোৱা নাছিল। সেই যিটো difference, number টো যদি অযুগ্ম number হয়, তেতিয়াহ'লে আমাৰ পঞ্চায়তত অনাস্থাৰ ক্ষেত্ৰত এই midterm election ৰ প্ৰশ্নটো নাহিব। এই ব্যৱস্থাত নাহিব এইটো অত্যন্ত গুৰুত্বপূৰ্ণ বিষয় এই সংশোধনীত সোমাবলৈ অনুৰোধ কৰিছো। দ্বিতীয়তে, আমি দেখিছো Ward সভাত কথাটো কোৱা হৈছে। এই ward সভাৰ কথাটো কওঁতে ward সভাত কোনে conveny কৰিব এই meeting খন কোনে আহ্বান কৰিব এই কথাটো এই Act ত স্পষ্টভাৱে অহা নাই। ইয়াত যিখিনি ward ৰ সদস্যৰ সংখ্যা নুন্যতম ৩০ জন ভোটাৰৰ কথা কোৱা হৈছে তাত থাকিব লাগিব। মই ভাবো, এইটো increase কৰি ৫০ হওঁক ১০০ কৰিব পাৰে নেকি ? বিবেচনাধীন কৰাটো ভাল। ৩০ জন হ'লে তেখেতৰ নিজৰ বংশৰ কেইজনমান মানুহে signature কৰি পঠাই দিব, বৰ্তমান যিটো হৈ থাকে। গাওঁ সভাত যিটো অৱস্থা হৈ থাকে practically কিমানখিনি হৈ আছে সেইখিনি সকলো বিধায়কে জানো। ৩০ জন যদি হয়, তেতিয়াহে সেই ৩০ জনে নিজৰ মানুহখিনিক দি signature ward সভা দেখাই থাকিব। এই বস্তুটো আৰু অলপ বৃদ্ধি হ'ব লাগে আৰু well publicity হ'ব লাগে। সেইটো fare

হ'বৰ কাৰণে আৰু এটা কথা ইয়াত আমি যিটো দিছিলো যে district categories ৰ কথাটো। আজি election commission ৰ জৰিয়তে আমাৰ delimitation হ'ল। দেখা গ'ল যে কিছুমান সমষ্টিত districtwise catagory কৰাৰ কাৰণে কিছুমান সমষ্টিৰ ে ভোটাৰৰ সংখ্যা দেৰ লাখ হ'ল। মোৰ মানকাছাৰৰ ৩ লাখ ৬ হাজাৰ হ'ল। যিটো fund allocation কৰা হ'ব ultimately সকলো সমষ্টিতে সমান কৰা হ'ব। ডেৰ লাখ সমষ্টিত যিখিনি fund পাব আৰু মোৰ তাতো ৩ লাখ ৬ হাজাৰ একেই fund পাব। এইটো দিয়া হৈছে এই categorisation districtwise ABC categories কৰা হয় আৰু population density ৰ ওপৰত কৰা হয় then fund will be allocated districtwise or GP wise or population pattern এই কথাটো ইয়াত স্পষ্ট দিয়া নাই যে fund টো কেনেকৈ allocation হ'ব। Fund টো যদি district ত হয়, এতিয়া মোৰ জিলাত dencity is the highest dencity of the State. কাৰণ মোৰ জিলাত density ৰ rate 11 hundred যদি মোৰ তাত 11 hundred হ'ব আৰু অসমৰ population density ৩ শ ২২. ক'ত অসমৰ ৩২২ আৰু 11 শ। তেতিয়াহ'লে মোৰ GP সমষ্টিৰ GP বিলাকত যদি সেই density quality কৰে, তেতিয়াহ'লে এটা GP ত ১৫ হাজাৰৰ পৰা ২০ হাজাৰ, ২৫ হাজাৰলৈকে population হৈ যাব। আজিৰ দিনত আমাৰ কালাপানীত দেখিছো যে ১৫ হাজাৰৰ ওপৰত ভোটাৰ, ফুলেশ্বৰত এনেকুৱা বহুকেইটা GP আছে যিবিলাক ১২ হাজাৰ ১৪, ১৫ হাজাৰৰ ওপৰত ভোটাৰ হৈ আছে। এইক্ষেত্ৰত যথেষ্টখিনি categories নকৰি population pattern টোৰ ওপৰত গুৰুত্ব দিয়া আৰু popluation pattern টোৰ ওপৰত fund টো allocation কৰাৰ প্ৰয়োজন আাছে বুলি মই অনুভৱ কৰিছো। তৃতীয়তে, আমি দেখিছো যে যিটো delimitation committee গঠন কৰা হৈছে, delimitation committee ত যিকেইজন সদস্য দিয়া হৈছে আমাৰ district commissioner election officer , CEO তাত যিহেতু Revenue village ৰ কথাটো আছে তাত Circle Officer include হোৱাৰ অত্যন্ত প্ৰয়োজন। কাৰণ এই Circle Revenue Village ৰ বেছি নম্বৰ আছে. এই জিলা পৰিষদৰ কাৰ্য্যবাহী বিষয়াই সকলো GP সম্পৰ্কে, demography সম্পৰ্কে, সকলো GP ৰ population pattern সম্পৰ্কে যিমানখিনি knowledge তাতকৈ বেছি knowledge আছে এজন BDO ৰ। সেইবাবে BDO টো include হ'ব লাগে আৰু লগতে সেই MLA আৰু MP সেই অঞ্চলৰ এজন elected representative তাত থাকিলে fare হ'ব। আমাৰ এটা demand থাকিল, আমি দেখিছো, যিটো অনাস্থাৰ কথাটো আহিছে, আনাস্থাৰ কথাটো অহাৰ লগে লগে আমাৰ কিছু কথা ইয়াত আছে। অনাস্থাৰ দুটা side আছে। এটা side হ'ল যে আঢ়ৈ বছৰৰ পাছত অনাস্থা অনাটো কিমানখিনি যুক্তিসংগত, কিমানখিনি viable এইটো permissible হয় নে নহয়। কাৰণ আঢ়ৈ বছৰলৈকে আমি এইটো কৰিবৰ কাৰণে এটা space দিম। কিন্তু আমি দেখিছো যে অনাস্থাৰ নামত সদায় blackmailling হৈ থকাটো আমাৰ দৃষ্টি গোচৰ হৈ থাকে। সেই কাৰণে আঢ়ৈ বছৰীয়া extension টো ইমান ডাঙৰ নকৰি এইটো পাৰিলে যদি একবছৰ কৰিব পাৰে মোৰ মতে ভাল হ'ব। এবাৰ হৈ যোৱাৰ পাছত next টো যদি অনাস্থা অনাৰ কাৰণে চিন্তা কৰিব atleast ৬ মাহ সময় সেইটো fix থাকিব লাগে যে after 6 month সেইটো হ'ব লাগে। সদায় no confidential কাগজবোৰ লৈ ঘুৰিব নালাগে এইটো এটা চিন্তা আমাৰ মাজত থাকিব লাগে। আমাৰ যিখিনি rotation যিখিনি reservation এইক্ষেত্ৰত আহিব যিটো women ৰ

আছে ইয়াত আছে everytime লটাৰী হ'ব লাগে। মোৰ মতে যিহেতু 50% women reservation হয় ultimately এইটোত women পৰিছে। Nextime ultimately man পৰিব লাগে বা এইটো male পৰিব লাগে। এইক্ষেত্ৰত আকৌ প্ৰত্যেকবাৰ যদি fresh লটাৰী হয়, তেতিয়াহ'লে ক'ৰবাত এটাত দুবাৰকৈ পৰা সুবিধা আছে। যিহেতু 50%. যদি rotation system কৰি দিয়ে এবাৰ এটা GPত women পৰিছে ultimately man পৰিব। মই ইয়াত কোনো separate লটাৰীৰ প্ৰয়োজন আছে অনুভৱ নকৰো। এই কথাটো স্পষ্ট হ'ব লাগে। জিলা পৰিষদৰ ক্ষেত্ৰত আমি দেখিছো প্ৰথম আঢ়ৈবছৰ এবাৰ আনিব পাৰিব। জিলা পৰিষদৰ অনাস্থা এবাৰ আনিব পাৰিব। এইক্ষেত্ৰত কিন্তু মই ভাৱো জিলা পৰিষদ হওঁক পঞ্চায়তৰ AP হওঁক এই কথাটো মোৰ বোধেৰে প্ৰথম একবছৰৰ পাছত অনাস্থাটো আনিব লাগে আৰু এটা কথা কথা আমি দেখিছো যিটো remuneration ৰ কথাটো কৈ থকা হৈছে। আজি MP বিলাকত salary আাছে MLA সকলৰ salary আছে, পঞ্চায়ত বিলাকৰ ৩ শ টকা, ২শ টকা remuneration দিয়া হৈছে। তেওঁলোক public ৰ কাৰণে ইমান busy থাকিব লাগে, president সকলৰ ঘৰত গ'লে MLA সকলৰ ঘৰতকৈ বেছি ভিৰ দেখা পাইছে। মই এই কথাটো ক'ব বিচাৰিছো যে এই পঞ্চায়তৰ প্ৰতিনিধি সকলক remuneration ৰ ঠাইত salary কৰিব পাৰে নেকি। জিলা পৰিষদৰ চেয়াৰমেন জনৰ বা সদস্যজনৰ বা president জনৰ ঘৰত ভিৰ দেখিলে, তেখেত সকলৰ ঘৰত চাহ খোৱা দেখিলে ২ হাজাৰ বা দেৰহাজাৰ টকা দি তেখেতসকলক insult কৰা যেন হয়। এই remuneration ৰ ঠাইত ভাল এটা দিব পাৰে নেকি অলপ হলেও corruption টো কমিব বুলি মোৰ অনুধাৱন হৈছে। এইখিনি সংশোধন আমি আনিব বিচাৰিছো। আচলতে সংশোধনীৰ কাৰণে মই ভাবো আৰু অলপ বেছি আলোচনাৰ প্ৰয়োজন আছে। কাৰণ বহু ডাঙৰ Act এখন আৰু আমাৰ আজিৰ দিনটোত সকলোতকৈ lower office ত কাম হৈছে পঞ্চায়ত Act ৰ জৰিয়তে হৈছে। এই Act খন আৰু বিস্তাৰিতভাৱে বিশ্লেষণৰ প্ৰয়োজন আছে বুলি মই অনুভৱ কৰিছো। ধন্যবাদ।

**শ্ৰী ভূবন পেগু, (জোনাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, পঞ্চায়তীৰাজ এমেণ্ডমেণ্ট বিল-২০২৩, যিটো আমাৰ আলোচনা হৈ আছে, মই আমাৰ চৰকাৰ আৰু মন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো। বহু এটা প্ৰয়োজনীয় বিষয়- এমেণ্ডমেণ্ট। বহুত বছৰ ধৰি যিটো আমি অনুভৱ কৰি আছিলো, ইয়াৰ এমেণ্ডমেণ্ট দৰকাৰ আৰু ইয়াৰ এমেণ্ডমেণ্টটো আনিছে। চৰকাৰৰ spirite টোক মই ধন্যবাদ জ্ঞাপন কৰিছো। এইবাৰ একেবাৰে গাওঁ পৰ্য্যায়ত আমাৰ জাতিৰ পিতা মহামানৱ মহাত্মাগান্ধী তেখেতে যিটো বিষয় ভাৱিছিলে যে একেবাৰে গাওঁ পৰ্য্যায়ত একেবাৰে শক্তিশালী চৰকাৰ হওঁক আৰু সকলোতকৈ বেছি Governance participation টো গাওঁ পৰ্য্যায়ত হওঁক আৰু তেতিয়াহে ভাৰতবৰ্ষ এটা সঁচা স্বাধীন ৰাষ্ট্ৰ হিচাবে, শক্তিশালী ৰাষ্ট্ৰ হিচাবে আগবাঢ়ি যাব বুলি যিটো সপোন দেখিছিলে, সেই সপোন বাস্তৱ কৰাৰ কাৰণে এটা এমেণ্ডমেণ্ট আনিছে। গাওঁ পৰ্য্যায়ত, ৱাৰ্ড পৰ্য্যায়ত যেতিয়া নিৰ্বাচন হ'ব, গাওঁ পৰ্য্যায়ত গঠন গোটেই প্ৰক্ৰিয়াটো Non political কৰি সকলো ধৰণৰ মানুহে সহযোগ বা গোটেই নিৰ্বাচনটো অংশগ্ৰহণ কৰিব পৰাকৈ এই গোটেই ব্যৱস্থাটো যদি এমেণ্ডমেণ্টটো আনিব পৰা যায়, তেতিয়া আমাৰ জাতিৰ পিতা মহামানৱ মহাত্মাগান্ধী তেখেতৰ সপোন বাস্তৱ হ'ব বুলি আমি বিশ্বাস কৰো। বিশেষকৈ এই এমেণ্ডমেণ্টটোত এটা বস্তু লক্ষ্য কৰিছো আমি যেতিয়া Political party কৰো, political activity বোৰ কৰি থাকোতে বহুত ভাল ভাল মানুহ যেনেকৈ কোনোবা শিক্ষক অৱসৰ লৈছেহে, Political party ত

সদস্যভুক্ত নহয়। এনেকুৱা বহুত ব্যক্তি থাকে যে directly Political party ত জড়িত নাথাকে, কিন্তু কাম কৰিব বিচাৰে। এনেকুৱা মানুহবোৰে এতিয়া মুকলিকৈ অংশ গ্ৰহণ কৰিব পাৰিব আৰু গাওঁ পৰ্য্যায়ৰ Governance টোত এতিয়া মুকলিকৈ অংশ গ্ৰহণ কৰি দেশ শাসন কৰা ব্যৱস্থাটোত জড়িত হ'ব পাৰিব। মই ভাৱো যে এইটো এটা সুন্দৰ এমেণ্ডমেণ্ট আনিছে আৰু বিৰোধী পক্ষই হওঁক আমি সদনে সৰ্বসন্মতিক্ৰমে এমেণ্ডমেণ্টটোক আমি আগুৱাই নিব লাগে আৰু কেইটামান বিষয় অনিবাৰ্য্য আছিল। যিহেতু এতিয়া এম এল এ সমষ্টি, এম পি সমষ্টি de-limitation হৈ গ'ল। বহুত ঠাইত এটা পঞ্চায়তৰ এটুকুৰা বেলেগ এটা সমষ্টিত গ'ল, স্বাভাৱিকতে এতিয়া পঞ্চায়তটোক de-limitation কৰিবই লাগিব আৰু এইটোক আপুনি এৰাই চলিব নোৱাৰে। এনেকুৱা এটা পৰিস্থিতি ইতিমধ্যে আহি গ'ল, এইটো অনিবাৰ্য্য। যদি আমি এই এমেণ্ডমেণ্টটো এতিয়া প্ৰয়োগ নকৰো বা যদি এই এক্টটো এমেণ্ড নকৰো, কেতিয়া কৰিম de-limitation টো আৰু delimitation টো যদি নকৰো নিৰ্বাচন কেনেকৈ কৰিব? এতিয়া এম পি সমষ্টি, এম এল এ সমষ্টিবোৰ বেলেগ হ'ল। পঞ্চায়তবিলাক বেলেগ বেলেগ জিলাত গ'ল। সেইকাৰণে এইটো এতিয়া কৰিব নালাগে পিছলৈ কৰিব লাগে আৰু discussion ৰ প্ৰয়োজন। তেনেহ'লেতো পঞ্চায়ত নিৰ্বাচন আৰু পিছুৱাই যাব আৰু পঞ্চায়ত নিৰ্বাচন পিছুৱাই যোৱা মানে আমাৰ সাধাৰণ মানুহক Governance টোৰ পৰা আঁতৰাই ৰখা হ'ব। সেইকাৰণে আমি ভাৱো অতি সোনকালে এই এক্টটো ইয়াতেই যদি আমি পাচ কৰি পুনৰবাব পঞ্চায়তবোৰ এম এল এ সমষ্টি হিচাবত, এম পি সমষ্টি হিচাবত যদি delimite কৰো, Block Re-Organize হ'বই লাগিব। পঞ্চায়ত Re-Organize হ'বই লাগিব, জিলা পৰিষদ Re-Organize হ'ব লাগিব। কিয়নো সমষ্টি delimitation হৈ গ'ল। সেইকাৰণে এনে পৰিস্থিতিত আমি এইটো দেৰি কৰিব নোৱাৰো আৰু এটা কথা সুন্দৰভাৱে এইবাৰ এটা ফৰ্মুলা আনিছে যে ১০ হাজাৰৰ পৰা ১৩ হাজাৰৰ ভিতৰত, ৮ হাজাৰৰ পৰা ১১,৫০০ ৰ ভিতৰত, ৬ হাজাৰৰ পৰা ৯,২০০ ৰ ভিতৰত যিটো পঞ্চায়ত সমষ্টি পুনৰ delimitation ৰ কথা কৈছে এইটো সুন্দৰ বিষয় এটা। নহ'লে আমাৰ তাত মোৰ কেইটামান পঞ্চায়তৰ এটা পঞ্চায়তত ভোটাৰেই আছে ১৮,০০০ আৰু কিছুমান পঞ্চায়তত ভোটাৰ আছে অকল ৬ হাজাৰ। এতিয়া এটা average formula ত যদি আমি delimitation প্ৰক্ৰিয়া কৰো ভাল হ'ব। আৰু এটা বিষয় যাৰ বিষয়ে আমিনুল ইছলাম ডাঙৰীয়াই কৈছে যে এম এল এ নিৰ্বাচন বেলেগকৈ হৈছে আৰু এম পি নিৰ্বাচন বেলেগকৈ হৈছে। এতিয়া এম পি অনাস্থা এম এল এ কেনেকৈ কৰিব? Ward Member ৰ নিৰ্বাচন Direct হয়। প্ৰেছিডেণ্টৰ নিৰ্বাচনো Direct হয়। এইটো যেতিয়া কোৰ্টত যায় আমি সকলো বহুতবাৰ ভুগিছো। কোৰ্টত সদায় এটা প্ৰশ্ন সোধে যে Direct নিৰ্বাচন কৰা প্ৰেছিডেণ্ট এজনক যিসকল Ward Member যিয়ে নিৰ্বাচন কৰা নাই তেওঁলোকে অনাস্থা কেনেকৈ আনে? মই ভাৱো যে এইটো এতিয়া খুব সহজ কৰি দিছে। এতিয়া দহজন Ward Member ৰ মাজৰ পৰাই প্ৰেছিডেণ্ট আৰু ভাইছ প্ৰেছিডেণ্ট হ'ব আৰু তেওঁলোকে অনাস্থা প্ৰস্তাৱ আনিব পাৰিব। আমি নিৰ্বাচন খেলি গাওঁপঞ্চায়ত গঠন কৰো। প্ৰশ্নটো হ'ল- আমি কিয় কৰো? কাৰণ আমি কাম কৰিব লাগিব। আমাৰ জাতিৰ পিতা মাহাত্মা গান্ধীয়ে কৈছিল-সকলোতকৈ শক্তিশালী চৰকাৰ হৈছে গাওঁৰ চৰকাৰ। কিন্তু এনেকুৱা যদি কিছুমান পৰিস্থিতি হয় ৬ মাহ আৰু ১ বছৰৰ পিছে পিছে যদি অনাস্থা আহি থাকে কাম কেনেকৈ কৰিব? কেন্দ্ৰীয় চৰকাৰে যি পইচাৰ আবণ্টন দিব তাৰ সদ্ ব্যৱহাৰ নহ'ব, Governance নহ'ব আৰু খেলি-মেলিৰ মাজত পঞ্চায়ত চলি থাকিব। সেইকাৰণে এইটো এটা সুন্দৰ ব্যৱস্থা আনিছে যে প্ৰথম আঢ়ৈ

বছৰৰ ভিতৰত আনাস্থা আনিব নোৱাৰিব আৰু আঢ়ৈ বছৰৰ পিছতহে কেৱল এবাৰেই আনিব পাৰিব। এইটো অতি ভাল কথা। কাৰণ Governance টোত আমি গুৰুত্ব দিব লাগে। ভাঙা পতা ভঙা পতা, কৰি থাকিলে আমি কোনেও Governance ত গুৰুত্ব দিব নোৱাৰিম। আৰু এটা বিষয় আনিছে য'ত মহিলাৰ সংৰক্ষণটো ৰোটেশ্যন আৰু লটাৰীত হ'ব বুলি কৈছে। নহ'লে এনেকুৱা এটা পৰিস্থিতি পঞ্চায়তবোৰত হয় য'ত তেওঁলোকে ভাৱে যোৱাবাৰ মহিলা আছিল, এইবাৰ মহিলা নহ'ব বা এইবাৰ আসন মহিলাৰ বাবে সংৰক্ষণ হ'ব অথবা মুকলি হ'ব আৰু সেয়েহে তেওঁলোকে উঠিবই নাপাব। এনেক্ষেত্ৰত কমিটমেণ্টটো কমি যায়। এতিয়া যিহেতু লটাৰী হ'ব কোনটো মহিলাৰ বাবে হ'ব বা কোনটো লটাৰী হ'ব সেই কথাটো কোনেও গম নাপাব। তেতিয়া পিছৰবাৰ সকলোৱে প্ৰতিদ্বন্দিতা কৰিব লাগিব আৰু ৰাইজৰ ওচৰত যাব লাগিব বুলি কাম কৰিব তেতিয়া কমিটমেণ্ট বাঢ়িব। এইটো অতি ভাল কথা। এই যি বিষয়বোৰ আনিছে তাত আমি যিমানেই আপত্তি কৰো বা দেৰি কৰো আমাৰ জাতিৰ পিতা মহাত্মা গান্ধীয়ে আমাৰ জনগণক Governance ৰ পাৰ্ট হিচাবে জড়িত কৰাৰ যি সপোন দেখিছিল সেইটোৰ পৰা আঁতৰাই ৰখা হ'ব। গণতান্ত্ৰিক ভাৱে সাধাৰণ জনতাক অন্যায় কৰা হ'ব। অতি সোনকালে সমষ্টিৰ,পঞ্চায়তসমূহ de-limitation কৰি জিলা পৰিষদ পঞ্চায়ত সমূহক Re-organize কৰি অতি সোনকালে নিৰ্বাচনৰ ফালে যাব পৰাকৈ এই বিষয়টো সদনে গ্ৰহণ কৰিব লাগে। আগতে বয়স, শিক্ষাগত অৰ্হতাৰ কথা আছিল। এইবাৰ Prohibition of Child Marriage Act 2006 খন টানি আনিছে। বাল্যবিবাহ কৰি যিসকলে আইন বিৰোধী কাম কৰিছে, তেওঁলোকে নিৰ্বাচনত উঠিব নোৱাৰা এটা বিষয় আনিছে। বাল্য বিবাহ কৰি আইন বিৰোধী কাম কৰা ব্যক্তিসকলৰ ওপৰত চৰকাৰে অভিযান চলোৱাৰ ফলত গাওঁত এটা সুস্থ পৰিৱেশ আহিছে আৰু সঁচা অৰ্থত সমাজখনো পৰিৱৰ্তনৰ ফালে আগবাঢ়িছে। ইয়াক এক্টত অন্তৰ্ভুক্ত কৰাৰ বাবে আমি মাননীয় মন্ত্ৰী মহোদয় আৰু চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিব লাগে। মই ভাৱো এইখিনি বিষয় দেৰি কৰিব পৰা বিষয় নহয়। এইবাৰ নিৰ্বাচনত ভোটিং মেচিন ব্যৱহাৰ কৰাৰ কথা কৈছে। এনেকুৱা ধৰণৰ সংস্কাৰ বিভাগ আৰু চৰকাৰৰ ফালৰ পৰা অনা হৈছে আৰু এই সংস্কাৰে গণতান্ত্ৰিক প্ৰক্ৰিয়াটো গাওঁ পৰ্য্যায়ত আৰু বেছি শক্তিশালী কৰিব বুলি মোৰ বিশ্বাস। এইখিনি খুব সোনকালে পাচ কৰিবলৈ মোৰ ফালৰ পৰা আহ্বান জনালো। ধন্যবাদ। মাননীয় অধ্যক্ষৰ আসনত মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা উপবিষ্ট।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, সভাপতি** ঃএতিয়া ৰকিবুল হুছেইন ডাঙৰীয়াই ক'ব।

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি)**ঃ মাননীয় সভাপতি মহোদয়, আজি The Assam Panchayat Amendment, 2023 ৰ ওপৰত আলোচনা হৈছে। আজিৰ আলোচনাৰ গোটেই প্ৰক্ৰিয়াটো মাননীয় অধ্যক্ষ মহোদয়ে সলনি কৰি কাৰ্য্য উপদেষ্টা সমিতিত দফাই দফাই আলোচনা কৰাকৈ সামগ্ৰিকভাৱে বিল খনৰ ওপৰত আৰু বিভাগৰ ওপৰত আলোচনা কৰিবলৈ কৈছে। তাৰ পিছত দফাই দফাই আলোচনা কৰাত আমাৰ সুবিধা হ'ব। সেই আধাৰতে আজি প্ৰথমবাৰ আলোচনা হৈছে। মই আলোচনাত অংশগ্ৰহণ কৰি নিৰ্ধাৰিত সময়ৰ ভিতৰত দু-আষাৰ কথা ক'ব বিচাৰিছো।

সভাপতি মহোদয়, কালৰো কাল বিপৰীত কাল, হৰিণাই চেলেকে বাঘৰ গাল। আমি পঞ্চায়তৰ বিষয়ে আলোচনা কৰি আইন কৰিম। বিধায়কসকলৰ আইন কৰাৰ ক্ষমতা আছে। বিধায়কজনে চহী কৰিব নোৱাৰিলেও হ'ব। কিন্তু মই মন্ত্ৰী-বিধায়ক হ'ব পাৰিম। মই চহী কৰিব নাজানিলেও MP হ'ব পাৰিম কিন্তু মোৰ গাঁৱৰ পঞ্চায়তৰ ৱাৰ্ড মেম্বাৰজন শিক্ষিত হ'ব লাগিব। কথাটো ভাল হৈছে। মই ওলোটাকৈ কৈছো যে যিসকলক শিক্ষা লাগে, যিসকলে আইন কৰি

আছে, তেওঁলোকৰ শিক্ষাগত অৰ্হতাৰ কোনো প্ৰয়োজন নাই। এই কথাটোত মই কাকো দোষাৰোপ কৰা নাই। সেইকাৰণেই হৰিণাই চেলেকে বাঘৰ গাল বুলি কৈছো। মই The Assam Panchayat Amendment Bill, 2023 খন পঢ়িব নাজানিলেও মন্ত্ৰী-বিধায়ক হ'ব পাৰিম। ইয়াৰ এটা আমোল পৰিৱৰ্তন পিছলৈ হ'ব। MLA, MP সকলোৰে ন্যূনতম শিক্ষাগত অৰ্হতাৰ প্ৰয়োজন আছে। শিক্ষাগত অৰ্হতাৰ কথা যেতিয়া পঞ্চায়তত আহিছিল, তেতিয়াও আমি এই কথাখিনি উপস্থাপন কৰিছিলো। সভাপতি মহোদয়, আমি এতিয়া পঞ্চায়তৰ আইন সংশোধন কৰিম। শাসক আৰু বিৰোধী পক্ষৰ সদস্যসকলে কৈছে যে স্বাধীনতাৰ পিছত মহামানৰ মহাত্মা গান্ধীয়ে গাঁৱত ভাৰতবৰ্ষৰ আত্মা থাকে বুলি কৈছিল। গতিকে গাঁৱৰ মানুহক ক্ষমতা দিব লাগিব। পঞ্চায়তত আমি বিভিন্ন প্ৰকাৰে স্বাধীনতাৰ পিছৰে পৰা প্ৰতিনিধিত্ব কৰিছো। বিশেষকৈ প্ৰয়াত প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধী ডাঙৰীয়াই পঞ্চায়তত এক আমোল পৰিৱৰ্তন কৰিছিল। মহিলা সকল পঞ্চায়ত পৰ্যায়ত কামে-কাজে যাতে অংশীদাৰ হ'ব পাৰে তাৰ বাবে সংশোধনীৰ মাজেৰে মহিলাৰ বাবে ৩৩% reservation কৰিছিল। বহু পুৰুষে আপত্তি কৰিছিল যে গাঁৱৰ মহিলাবোৰে এনেধৰণৰ উন্নয়নৰ কামত জড়িত হ'ব পাৰিব নে নোৱাৰে। কিন্তু, দেখা গ'ল যে মহিলাসকল পুৰুষতকৈও এই ক্ষেত্ৰত ঘৰখন চলোৱাৰ দৰে পঞ্চায়তখনো চলাই নিয়াৰ বহুত উদাহৰণ আছে। পৰৱৰ্তী সময়ত প্ৰয়াত তৰুণ গগৈ ডাঙৰীয়া চৰকাৰখনে মহিলা সকলৰ reservation ৫০% কৰিলে। ১৯৯৪ চনত অসমত প্ৰয়াত হিতেশ্বৰ শইকীয়া ডাঙৰীয়াৰ নেতৃত্বৰ চৰকাৰখনে পঞ্চায়তী ৰাজ আইনখন নতুনকৈ প্ৰৱৰ্তন কৰি, সংশোধন কৰি এক ব্যাপক সংস্কাৰ কৰিছিল। মই এইটো আলোচনা কৰা নাই যে আইনখন সংশোধন হ'ব লাগে বা নালাগে। সেইটো এটা বেলেগ বিতৰ্কৰ বিষয়। কিন্তু, মই ক'ব বিচাৰিছো যে সামগ্ৰিকভাৱে আমি পঞ্চায়তক ক্ষমতা দিছো নে নাই। এসময়ত যেতিয়া আমাৰ চৰকাৰ আছিল, তেতিয়া ২৯ টা বিভাগক পঞ্চায়তলৈ হস্তান্তৰ কৰিব লাগে বুলি Activity Map কৰিছিলো। চৰকাৰ তিনি খলপীয়া-কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু পঞ্চায়তীৰাজ। পঞ্চায়তীৰাজো তিনি খলপীয়া। গতিকে আমি সেই পঞ্চায়তক ক্ষমতা দিবলৈ হ'লে ২৯ টা বিভাগৰ উন্নয়ন আমি তাত দিব লাগিব। বহু ক্ষেত্ৰত বিধায়কসকলে সেইটো নিবিচাৰে। মহামানৰ মহাত্মা গান্ধীৰ চিন্তা অনুযায়ী আমি যদি গাঁৱত ক্ষমতা দিওঁ তেন্তে বিধায়কসকলৰ ক্ষমতা বহুত নাইকিয়া হৈ যাব। আমাৰ যি Activity Map কৰা হৈছিল তাত আছিল যে সমষ্টিত্ পঞ্চায়তত, জিলা পৰিষদত, আঞ্চলিক পঞ্চায়তত, সেই অঞ্চলৰ শিক্ষা খণ্ডৰ পৰা আৰম্ভ কৰি বিভিন্ন ৰাজপত্ৰিত বিষয়ালৈকে যিসকলৰ বদলি হ'ব সকলোখিনি পঞ্চায়তে কৰিব। সকলো পঞ্চায়তৰ দ্বাৰা তাৰ উন্নয়নমূলক আঁচনিবোৰ হ'ব। নিযুক্তি পৰ্যন্ত জিলা পৰিষদ, আঞ্চলিক পঞ্চায়তত ভাগ কৰা আছে। আমি যদি ২৯ টা বিভাগক পঞ্চায়তলৈ হস্তান্তৰ কৰি দিওঁ তেন্তে আমাৰ ক্ষমতা কমি যাব বুলি আমি কেতিয়াবা ভাবো। সেইকাৰণে সভাপতি মহোদয় বহু ক্ষেত্ৰত ২৯ টা বিভাগৰ ক্ষমতা হস্তান্তৰ কৰাত কৃপণালি কৰো। ইফালে আমাৰ শিক্ষাগত অৰ্হতা নাই আৰু আমিয়েই পঞ্চায়তক বিভিন্ন ধৰণেৰে হেঁচা দিওঁ। সভাপতি মহোদয়, আইন সংশোধন আনিছে আৰু সময়ে সময়ে আইন সংশোধন কৰি থাকিব লাগিব। এই ক্ষেত্ৰত মই ব্যক্তিগতভাৱে আপত্তি নকৰো। কিন্তু, এইখিনি কৰাৰ justification লাগিব। জিলা পৰিষদত আমি Symbol বা দলত খেলিম, আঞ্চলিক পঞ্চায়তত দলত খেলিম, কিন্তু পঞ্চায়তত আমি দলত নেখেলো। বহুতে কয়, আমি বিৰোধীয়েহে ক'ব লাগিছিল যে আমি একো দিব পৰা নাই গতিকে Symbol ত নেখেলো। কিন্তু, চৰকাৰৰ ফালৰ পৰা পঞ্চায়তত Symbol ত নেখেলাৰ কথাটো কিয় আহিছে? এই কাৰণেই আহিছে

নেকি বাৰু যে মূল্যবৃদ্ধিয়ে মানুহক জুৰুলা কৰাটো পঞ্চায়তত reflect হ'ব? এই কাৰণে আনিছে নেকি যে বিভিন্ন ধৰণৰ কৰ-কাটল লগাইছে সেই কথাখিনি পঞ্চায়তত reflect হ'ব। Delimitationএ বিভিন্ন জাতি-জনগোষ্ঠীক যে একাষৰীয়া কৰিলে সেই কথাখিনি পঞ্চায়তত reflect হ'ব। সেইকাৰণে সেই ৱাৰ্ড মেম্বাৰৰ নিৰ্বাচনৰ ক্ষেত্ৰত ৰাজনীতিৰ উৰ্দ্ধত থাকি যুক্তি ৰাখিছে যে আমি ৰাজনৈতিক দলৰ Symbol ৰে খেলিব নালাগে। কিন্তু, আকৌ আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদত Symbol ত খেলিব লাগে। এই স্ব-বিৰোধী যিখিনি কথা-বতৰা, সেইখিনি আমি অলপ চিন্তা-ধাৰা কৰিবলৈ অনুৰোধ কৰিছো। কাৰণ এই কথাবিলাক যদি থাকি যায়, আকৌ সংশোধনীৰ প্ৰয়োজন হ'ব। আজি কোৱা হৈছে যে ততাতৈয়াকৈ নিৰ্বাচন কৰিব লাগে। সভাপতি ডাঙৰীয়া, আমাৰ Due কেতিয়া? Delimitation ৰ গোটেই প্ৰক্ৰিয়াটো যদি এতিয়া আৰম্ভ কৰে, সময়মতে নিৰ্বাচন অনুষ্ঠিত কৰিব পাৰিব নে নোৱাৰে? চৰকাৰে Delimitation ৰ পাছত যাতে পঞ্চায়ত নিৰ্বাচন হয় সেই কাৰণে আজি বিধান সভাৰ যোগেদি এই বিধেয়কখন পাছ কৰি পিছত ক'ব যে বিৰোধীয়েও পাছ কৰিছে। বিৰোধীওতো ইয়াৰ অংশীদাৰ বুলি ক'ব। সেইকাৰণে আমি চৰকাৰৰ পৰা খোলাকৈ জানিব বিচাৰিছো যে আজি আপোনালোকৰ বিধেয়কখন পাছ হোৱাৰ পিছত Delimitation ৰ গোটেই কথাখিনি কৰি সময়মতে পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ পাৰিব নে নোৱাৰে? অন্তঃত লোকসভা নিৰ্বাচনৰ আগত পঞ্চায়ত নিৰ্বাচন হ'ব নে নহয়? এনেকুৱা নেকি যে চৰকাৰে নিজৰ Symbol লৈ, পঞ্চায়ত, ৱাৰ্ড মেম্বাৰৰ নিৰ্বাচন খেলিবলৈ আজি সংকোচ বোধ কৰিছে? কাৰণ বিভিন্ন ধৰণৰ মূল্য বৃদ্ধি, চৰকাৰৰ বিভিন্ন ধৰণৰ কৰ-কাটল, দুখীয়া মানুহৰ প্ৰতি চৰকাৰৰ বিভিন্ন ধৰণৰ যি অন্যায় সেই কথাখিনি পঞ্চায়ত নিৰ্বাচনত reflect হ'ব? গতিকে, সকলোতকৈ গুৰুত্বপূৰ্ণ আৰু জানিবলগীয়া কথাটো হ'ল যে সময়মতে নিৰ্বাচন হ'ব নে নহয় আৰু যদি ৱাৰ্ড মেম্বাৰৰ নিৰ্বাচন Symbol ত নহয়, তেন্তে আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ নিৰ্বাচন কিয় Symbol ত হ'ব? আৰু যদি আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ নিৰ্বাচন Symbol ত হয়, তেন্তে পঞ্চায়তৰ ৱাৰ্ড মেম্বাৰৰ নিৰ্বাচন কিয় Symbol ত নহ'ব? মই যেতিয়া পঞ্চায়ত মন্ত্ৰী আছিলো, তেতিয়াও বহু বিশেষজ্ঞক মাতি বহুত আলোচনা কৰিছিলো। তেতিয়া কৈছিল যে ১০ জন মেম্বাৰেই যদি ৫ জনকৈ সমানে সমানে ভাগ হয় তেন্তে অসুবিধা হ'ব আৰু ব্যাপক Delimitation ৰ প্ৰয়োজন আছে বুলি কৈছিল। ইয়াৰ আগৰ বাৰ যেতিয়া ৰণজিৎ দাস ডাঙৰীয়া মন্ত্ৰী আছিল, তেতিয়া তেওঁ গাঁৱে-ভূঞে কিন্তু তেনেকুৱা Delimitation ৰ প্ৰক্ৰিয়াটো আৰম্ভ কৰিছিল। এইখিনি বোধহয় হৈ আছে। ১১ বা ১৩ বা ১৫ টা যদি হয়, তেতিয়াহ'লে গাঁৱত সমান সমান হ'লে হোৱা যি বেমাৰবিলাক নাইকিয়া কৰিব বিচাৰিছে সেই বেমাৰটো থাকি যাব আৰু যদি বে-যোৰ কৰে তেতিয়া হ'লে বেমাৰটো নাইকিয়া হ'ব ...interruptions....

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, সভাপতি ঃ** মাননীয় সদস্য, আপোনাৰ ১০ মিনিট সময় পাৰ হৈছে।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)ঃ** গতিকে মই আৰু বিশেষ ক'ব খোজা নাই। এইখিনিকে কৈ মই অনুৰোধ ৰাখিব বিচাৰিছো যে আইন কৰা সকলৰ ক্ষেত্ৰত তেওঁলোকৰ শিক্ষাৰ অলপ অৰ্হতা থাকিব লাগে, আমাৰো লাগে, MPৰো লাগে, ক'ত ক'লে হয় মই ঠিক ধৰিব পৰা নাই। আমিয়েই বকলম, আমি নাজানি আইন প্ৰনয়ন কৰিছো গাওঁৰ নেতাসকলৰ ক্ষেত্ৰত। গতিকে, এই কথাখিনি আপোনাৰ যোগেৰে পুনৰবাৰ মই চৰকাৰৰ দৃষ্টিগোচৰ কৰি মোৰ বক্তব্য ইমানতে শেষ কৰিছো। ধন্যবাদ।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, সভাপতি ঃ** এতিয়া মনোৰঞ্জন তালুকদাৰ, ২ মিনিট।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** মাননীয় সভাপতি মহোদয়, পঞ্চায়তৰ যিখন amend-

ment আনিছে, সেইটো আগতেই আনিবলগা বিষয় আছিলে। পঞ্চায়তত যথেষ্ঠ কৰিবলগা কাম আছে। সেইবোৰ কৰিবলৈ অসুবিধা হৈ আছিল। গতিকে amendment লাগে। আজি সেয়া আনিছে মই আদৰণি জনাইছো। কিন্তু কিছু কথাত মোৰ আপত্তি আছে। আমাৰ দেশখন হৈছে Multi Party Democracy ৰ দেশ। এই দেশখনত আঞ্চলিক আঞ্চলিক পঞ্চায়তত symbol থাকিব। কিন্তু পঞ্চায়তৰ একেবাৰে grass root level ত symbol নোহোৱাকৈ election খেলিব , মই স্বাভাৱিকতে তাৰ বিৰোধী আৰু symbol সহ একেবাৰে জিলা পৰিষদলৈকে যাতে নিৰ্বাচন খেলিব পাৰে এইটো ঠিক কৰিব লাগে। এতিয়া density of population ৰ theory টো এনেধৰণে কৰাৰ ফলত , আমি Assembly ত যিটো দেখিছো, যিবিলাক অসুবিধা হৈছে , পঞ্চায়তত যাতে সেইটো অসুবিধা নহয় তাৰকাৰণে যদি নিৰ্দ্দিষ্টভাৱে ধৰি দিয়া হয় যে ৮০০০ ৰ পৰা ১২০০০ ৰ ভিতৰত এটা পঞ্চায়ত হ'ব। তাৰ ফলত কিছু পঞ্চায়তৰ সংখ্যা যদি বৃদ্ধি হৈ যায় , সেই সম্পৰ্কতো এটা সিদ্ধান্ত চৰকাৰে নিশ্চিতভাৱে ল'ব পাৰে। কিন্তু মোৰ কথাটো হৈছে যে fund allocation তো যিসমূহ অসুবিধা আছে , সেইবিলাক নিৰ্দ্দিষ্ট কৰিব লাগে। পঞ্চায়তত অলপ ফাণ্ডটো অলপ বেছি যাব। আঞ্চলিক পঞ্চায়তত ফাণ্ডটো একেবাৰে নাথাকিব। জিলা পঞ্চায়তত ফাণ্ডটো কম হ'ব। ৪ টা মান পঞ্চায়ত ক represent কৰিব। কিন্তু তেওঁৰ তাত ফাণ্ডটো কম থাকিব। আমি যদি পঞ্চায়তক শক্তিশালী কৰিব বিচাৰো তেনেহ'লে আমি fund allocation টো বঢ়াব লাগিব। Fund allocation বঢ়াব লাগিলে ২০ শতাংশ দিব আঞ্চলিকত, ২০ শতাংশ জিলা পৰিষদত, ৬০ শতাংশ পঞ্চায়তত। ইয়াৰ পলত এটা বৈষম্য হৈছে আৰু functioning ত যথেষ্ট পৰিমাণৰ অসুবিধা হৈছে।

এতিয়া Power and Function সম্পৰ্কত যিটো ৰকি বুল হুছেইন ডাঙৰীয়াই কৈছে যে ২৯ টা বিভাগ তেওঁলোকক দিয়াৰ কথা আছিল, কিন্তু নহ'ল। এই ক্ষেত্ৰত এই amendment টো আহিব লাগে। কি কি power পঞ্চায়তত থাকিব? আমাৰ exprience হৈছে। পঞ্চায়তে সিদ্ধান্ত ল'ব নোৱাৰে। প্ৰতিবছৰে দবলি হৈ থাকে। এবাৰ কৈছে এবিাৰ sand gravel ৰ ৰাস্তা হ'ব, এইবাৰ কৈছে নোৱাৰে, block হে হ'ব। পইচা দিব ৪ লাখ। ৪ লাখত block ৰ ৰাস্তা বান্ধিব নোৱাৰে। এইধৰণৰ অসুবিধা হৈছে তাৰ অধিকাৰটো কাৰ হাতত থাকিব? কমিশ্যনাৰে নিৰ্দেশ দিব, বাৰে বাৰে বদলাই থাকিব আৰু পঞ্চায়তৰ ঢাল নাই, তৰোৱাল নাই , নিধিৰাম চৰদাৰ আৰু সদায় এইটো tide, এইটো untide, power টো পঞ্চায়তক দিয়ক। ২৯ টা বিভাগ দিয়াৰ ব্যৱস্থাটো কৰক। কোনখন গাৱঁত কি ধৰণৰ ৰাস্তা বান্ধিব sand gravel হ'ব নে block হ'ব নে black topping কৰিব, তেওঁলোকে decision ল'ব। ওপৰৰ বিষয়াই কৈ দিব আৰু বিষয়াই কৈ পঞ্চায়তক নিধিৰাম চৰ্দাৰত লৈ গৈছে। Power দিয়াৰ ব্যৱস্থা কৰক, fund allocation বঢ়াওক। আমাৰ বাজেটত এটা নিৰ্দ্দিষ্ট পৰিমাণৰ ফাণ্ড আজি পঞ্চায়তত দিয়াৰ দৰকাৰ। আমি দেখিছো য'ত পঞ্চায়তত success হৈছে তাত বাজেটত ৩০ শতাংশ তেওঁলোকে পঞ্চায়তৰ জৰিয়তে খৰছ কৰাৰ ব্যৱস্থা কৰিছে। আমাৰ সেই ক্ষেত্ৰত কৃপণালী? আমি অকল কথা বতৰা কৈ থাকিলে পঞ্চায়তৰ সমস্যা সমাধান নহ'ব। পঞ্চায়তত ফাণ্ড দিয়াৰ ব্যৱস্থা কৰক আৰু তাৰকাৰণে নিৰ্দ্দিষ্ট কি ক্ষমতা থাকিব amendment যুক্ত কৰক আৰু এই যিটো amendment bill আনিছে, এই amendment বিলতে কিমানখিনি ফাণ্ডৰ ব্যৱস্থা কৰিব, কিমান ক্ষমতা পঞ্চায়ত ত থাকিব, এইটো নিৰ্দ্দিষ্ট কৰি যাতে amendment আনে। নহ'লে কিন্তু পঞ্চায়তৰ যি দূৰৱস্থা হৈছে সেই দূৰৱস্থা আঁতৰ নহ'ব।

বাকী no confidence ৰ ক্ষেত্ৰত মোৰ প্ৰস্তাৱটো হৈছে যে আঢ়ৈ বছৰ কৰিব নালাগে, এটা বছৰত এবাৰ no confidence অনাৰ ব্যৱস্থা কৰিব লাগে নহ'লে arbitrary হ'ব।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (সভাপতি) ঃ** এতিয়া মাননীয় সদস্য শ্ৰী আশ্ৰাফুল হুছেইন। আপোনাৰ সময় ৬ মিনিট।-----interruption---

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় সভাপতি মহোদয়, মোৰ এটা point of order আছে। মোৰ ৪-৫ টা amendment আছে। মই সেইখিনি move নকৰো। মই একেলগে ৫-৭ মিনিট কম।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা) ঃ** মাননীয় সভাপতি মহোদয়, এই বিলখনত আমি দুয়ো পক্ষৰ সদস্যৰ বক্তৃতা শুনিলো। কেইটামান কথা যিকেইটা বাদ পৰি গৈছে বা যিকেইটাৰ যুক্তিত আমাক পতিয়ণ নিয়াব পৰা নাই সেইখিনি কথাকে আমি উল্লেখ কৰিম। তাৰ ভিতৰত এটা দিশ হৈছে যে DCCO আৰু Election officer যিটো ৩ নং amendment ত আছে, তাৰ লগত MLA,MP সকলক এই কাৰণেই লোৱাটো প্ৰায়োজন যে তেওঁলোকে সেই অঞ্চলৰ মানুহৰ demography, geography, ৰাস্তা-ঘাটৰ connectivity সকলোখিনি জানে আৰু ৰাইজক তেওঁলোকে প্ৰতিনিধিত্ব কৰিব পাৰিব। সেইবাবে তেওঁলোকক কমিটিত ৰখাটো প্ৰয়োজন। একেটা সময়তে যি delimitation পঞ্চায়তত কৰা হ'ব তাৰকাৰণে claim আৰু objection ৰ সুযোগ ৰাখিব লাগে। পৰৱৰ্তী সময়ত এই জিলা পৰ্য্যায়ত কমিটি সমূহে তাক disposed য়ো কৰিব পাৰিব।

মহোদয়, ১৯ নং পইন্টত দেখা গৈছে যে private market ত তেওঁলোকে চান্দা সংগ্ৰহ কৰিবলৈ যাব, tax collect কৰিবলৈ যাব। এইটো আঁতৰাই দিব লাগে। বৰঞ্চ পঞ্চায়তত tax collector ৰ post টো উঠাই দিব লাগে কাৰণ তেওঁলোকৰ কোনো কাম নাই। মই গোটেই অসমত দেখিছো কেইবাশ কোটি টকা দি আমি tax collector ৰাখিছো কিন্তু লাখৰ ঘৰতো তেওঁলোকে tax collect কৰিব নোৱাৰে।

মহোদয়, population ৰ ক্ষেত্ৰত A, B, C, D category জিলাৰ কথা কোৱা হৈছে। এই জিলাসমূহ সম্ভৱত চৰকাৰে তাৰ পিছত notify কৰিব। এতিয়া কওক যে population নে ভোটাৰ, এই কথাটো আইনত clear কৰিব লাগে। যদি population হয়, কোন চনৰ population? আৰু কোনবিলাক জিলাত A, B, C, D category কৰিব তাৰো স্পষ্ট নিৰ্দেশনা আইনত দি দিব লাগে। পৰৱৰ্তী সময়ত চৰকাৰ বদলি হ'ব, মানুহ বদলি হ'ব, আইনো তেওঁলোকে নিজৰ ইচ্ছামতে কৰি থাকিব, সেইটো নহ'ব। যিহেতু আমাৰ সময়ত আইন পাছ হ'ব আমি clearly আস্বস্ত হ'ব লাগে যে কিমান population ৰ ভিতৰত এইটো পৰিব? আমাৰ পাৰ্টীৰ মতামত যে এইটো ভোটাৰ অনুযায়ী কৰিব লাগে। আগতে ৬০০০-৮০০০ ৰ লৈকে আছিল এতিয়া ১০ ৰ পৰা ১২,০০০ লৈকে কৰক। কিছুমান পঞ্চায়ত আমি দেখিছো যে মাত্ৰ ৫০০০ ৰ পৰা ৬০০০ ভোটাৰৰ ভিতৰত আছে। আকৌ আপুনি A, B, C, D category কৰিবলৈ গৈ কৰবাত কৰবাত নিমিলা অংকৰ নিচিনা পৰিৱেশৰ সৃষ্টি হ'ব। গতিকে সংখ্যাটো fixed কৰা হওক।

Ward Member সকলৰ party নহ'ব। ইয়াতে লিখিছে যে পাৰ্টী হ'ব AP আৰু জিলাপৰিষদৰ। কিন্তু Ward Member ৰ নহ'ব বুলি কথা নাই। যদি Principle Act ত আছে মই কিন্তু তাতো বিচাৰি পোৱা নাই। মোক মন্ত্ৰী মহোদয়ে পাছত section সহকাৰে

বুজাই ক'লে মোৰ clear হ'ব। Ward Member ত নিশ্চিতভাৱে পাৰ্টী হ'ব লাগে এই কাৰণেই যে ৰাজনৈতিক দল সমূহে ৰাজনীতি তৃণমূল পৰ্য্যায়লৈ লৈ যোৱাৰ কাৰণে দলৰ প্ৰয়োজনীয়তা আছে। একেটা সময়তে যেতিয়া জিলা পৰিষদ, ৪ টা GP ত election খেলিব লাগিব তেতিয়া তেওঁলোকক এটা bridge ৰ প্ৰয়োজন থাকে। লগতে কৈছে যে ভাল ভাল মানুহে আহি নিৰ্বাচনত প্ৰতিনিধিত্ব নাপায়। তেওঁলোকৰ কাৰণে নিৰ্দলীয়ৰ সুবিধা আছে। গতিকে মই ভাৱো পাৰ্টী থাকিব লাগে আৰু member ১১ জন হ'ব লাগে। লগতে majority কি হ'ব সেই কথাটো clearly ক'ব লাগে। ইয়াতে simple majority ৰ ওপৰত সভাপতি নিৰ্বাচিত কৰা হওক। আৰু অনাস্থাৰ সময়ত তিনি ভাগৰ দুভাগতকৈ অধিক সদস্য থাকক। মোৰ কথাটো বাস্তৱসন্মত কথা আৰু আপোনালোকে যাতে এইটো গুৰুত্ব দিয়ে। গতিকে আপোনালোকে এইটোক amendment আনিব লাগে।

Ward member বা স ভাপতি সকলৰ remuneration টো একেবাৰ কম। যাৰবাবে কৰবাত নহয় কৰবাত দুৰ্নীতি হোৱাৰ এটা সুযোগ থাকে। গতিকে অনাগত দিনত তেওঁলোকৰ আৰু remuneration বঢ়োৱাৰ ব্যৱস্থা কৰিব লাগে। ৩৩ নং সংশোধনীত অনা হৈছে যে চাইল্ড মেৰিজৰ কথা । চাইল্ড মেৰিজৰ আইন ২০০৬ চনৰ কথা অনা হৈছে । ইয়াতে মই যিমান দূৰ বুজো প্ৰতমত আইনৰ কথা আছে - আইনখন লাগু হোৱাৰ পিছৰ পৰা যদি কোনোবাই চাইল্ডমেৰিজ কৰে তেনেহ'লে কোনো কথা নাই । কিন্তু যদি এনেকুৱা হয়- যে তেওঁৰ দেউতাকে চাইল্ড মেৰিজ কৰিছিল - মইতো ভাবো আজিৰ পৰা ৪০-৫০ বছৰ আগতে বহুতৰ দেউতাকে চাইল্ড মেৰিজ কৰি থৈছে তেতিয়া শিক্ষা দীক্ষাৰ অভাব আছিল । মই কথাটো কৈছো কাৰণ ভূৰন পেগু ডাঙৰীয়াই কৈছিল কাৰণে মই কৈছো - মই ভাবো আইনখন যেতিয়া কাৰ্য্যকৰী হ'ব তাৰ পিছত যদি কোনোবাই চাইল্ড মেৰিজ কৰে তেওঁক পঞ্চায়তত প্ৰতিনিধিত্ব কৰিবলৈ সুযোগ দিয়া নহওঁক কিন্তু যদি কাৰোবাৰ সন্তানে কৰে তাৰ বাবে দেউতাকে শাস্তিৰ সন্মুখীন হ'ব এইটো হ'ব নোৱাৰে এইটো যাতে নকৰে । মই আশা কৰিম দেউতাকক আঁতৰাই ৰাখক সন্তানে শাস্তি পাওঁক । যিয়ে দোষ কৰিব তেওকহে শাস্তি দিয়াৰ বিধি ব্যৱস্থা আছে আমাৰ ন্যায়িক ব্যৱস্থাত । কিন্তু দেউতাকক শাস্তি দিব বিচৰাটো এইখন আইনত আমি নতুনকৈ দেখা পাইছো । এটা গুৰুত্বপূৰ্ণ হ'ল ১৪ নম্বৰত আছে এচ চি -এচ টিৰ কাৰণে ৰিৰ্জাভেশ্যনৰ কথা। ইয়াতে মই এটা ঘটনা ক'ব লাগিব যে, টেন পাৰ্চেন্ট হ'লে এচ চি -এচ টি থাকিলে ৰোটেশ্যন হৈ **সেইটো এচ চি এচ টিৰ কাৰনে ৰিজাৰ্ভেশ্যন হ'ব । ছয় হাজাৰ জনসংখ্যাৰ পঞ্চায়ত এটা আৰু এটা ৱাৰ্ডত ছয়শ ভোট আছে কিন্তু তাতে ৬০ জনমানহে এচ চি আছে তেতিয়া সেই ৱাৰ্ডটো এচ চিৰ কাৰনে ৰিজাৰ্ভেশ্যন হ'ল আৰু তাৰ পৰাই এচ চিৰ মানুহ এজন পঞ্চায়তত জিকি গ'ল কিন্তু পিছত দেখা গ'ল যে পঞ্চায়ত সভাপতিৰ নিৰ্ব্বাচনতো সেই জিপিখন লটাৰী মাৰফৎত হ'ব আৰু তেতিয়া সেই জিপিখন এচ চি হৈয়ে থাকি যাব । অৰ্থ্যাৎ ৬০ গৰাকী মানুহে অলটাৰনেটিভ বেচিচত এক বছৰ পিছে পিছে প্ৰতিনিধিত্ব কৰি আহিব আৰু নন এচ চি আৰু নন এচ চি মানুহে সদায় বঞ্চিত হৈ থাকিব । আমাৰ ইয়াত পাৰ্লিয়ামেন্টত ডিলিমিটেশ্যন কৰিছে - এচেমব্লীতো কৰিছে । এই লিষ্টত ৩৩ ৰ পৰা ৩৪ পাৰ্চেন্টেঞ্জত তলত এচ চি - এচ চি পপুলেশ্যন থকা সমষ্টিবিলাক ৰিজাৰ্ভেশ্যন কৰা হোৱা নাই । গতিকে মই ভাবো পঞ্চায়ততো ৩০ পাৰ্চেন্টলৈকে ৰিৰ্জাভেশ্যন কৰিব লাগে । নহ'লে নন এচ চি- নন এচ টি মানুহ দীঘলীয়া সংয়লৈ বঞ্চিত হৈ থাকিব । মহোদয় , এই আইনখনত যথেষ্ট আসোঁৱাহ দেখা দিছে গতিকে এই আইনখন চিলেক্ট কমিটিক প্ৰেৰণ কৰিব লাগে । এইখিনিতে ক'ব খুজিছো যে, এম পি ইলেকশ্যনৰ পিছতে**

পঞ্চায়ত নিৰ্ব্বচন হ'ব আমি যথেষ্ঠ সময় পাম । সেই কাৰণে আমাৰ দলৰ ফালৰ পৰা এই ডিমাণ্ড থাকিল যে এইটো চিলেক্ট কমিটিত যাবই লাগে ধন্যবাদ ।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, সভাপতি ঃ** ধন্যবাদ, এতিয়া মাননীয়া সদস্য শ্ৰীমতী নন্দিতা দাস ।

**শ্ৰীমতী নন্দিতা দাস, (বকো) ঃ** মাননীয় সভাপতি মহোদয়, গাওঁ পঞ্চায়তৰ যিখন বিল আহিছে তাৰ সন্দৰ্ভত মই দু আষাৰ ক'ব বিচাৰিছো । গাওঁ পঞ্চায়তৰ যিটো ব্যৱস্থা এইটো মবামানৰ মহত্মা গান্ধীয়ে চিন্তা কৰিছিল । তাত তেও গ্ৰাম্য স্বৰাজৰ কথা কৈছিল । গাওঁ পঞ্চায়ত মানে হ'ল লোকেল চেল্ফ গৰ্ভমেন্ট । এইখন আমি যিমানেই শক্তিশালী আৰু ক্ষমতা বিকেন্দ্ৰীকৰণ কৰো সিমানে উন্নয়ণ আমাৰ গাওঁ পঞ্চায়ত সমূহত দ্ৰুত গতিত বাঢ়িব । আমাৰ দলৰ ফালৰ পৰা বহুতো সংশোধনী দিয়া হৈছে । সভাপতি মহোদয় , ইয়াত যিটো ডিলিমিটেশ্যন কমিশ্যন কৰা হৈছে তাত ডি চি, চেয়াৰমেন, চীফ এক্সিকিউটিভ অফিচাৰ , জিলা পৰিষদৰ মেম্বাৰ ইলেকশ্যন অফিচাৰ , চাৰ্কোল অফিচাৰ লগতে এম এল এ আৰু এম পিসকলো থাকিৰব লাগে মই আৰু এটা প্ৰস্তাৱ গ্ৰহণ কৰাৰ কথা ক'ব বিচাৰিছো । ইয়াতে যিখন বিল আহিছে ফৰেষ্ট ভিলেজ, ৰেভিনিউ ভিলেজ এই সকলোবিলাক সামৰি লোৱা হৈছে । সেই কাৰণে ইয়াত ডিষ্ট্ৰিক্ট অফিচাৰৰ প্ৰয়োজন আছে । কাৰণ আমি দেখিছো যে পি এম এ ৱাই ঘৰৰ ক্ষেত্ৰত যেতিয় গাওঁ পঞ্চায়তৰ কৰ্মচাৰীসকল জিপিএচ বা জিআৰ এচ সকল গৈ চাৰ্ভে কৰে তেতিয়া ফৰেষ্ট ভিলেজসমূহত জিওটেক কৰি নামবিলাক আমি পি এম এ ৱাই লিষ্টত দিয়ে পৰৱৰ্ত্তী সময়ত যেতিয়া ফৰেষ্ট ভিলেজ বুলি ঘৰটো বনাব নিদিয়ে তেতিয়া পঞ্চায়তৰ পইচা বিলাক পৰি থাকে এইটো বৰ চিন্তনীয় বিষয় । সেইকাৰণে যিখিনি ডেভ'ল'পমেন্ট কৰিব লগা আছে তাৰ কাৰণে আমাক ফৰেষ্ট অফিচাৰৰ প্ৰয়োজন আছে যাতে আমি একেবাৰতে এলেকাটো চাৰ্ভে কৰি ক'ব পাৰো যে, ইয়াত ডেভ'ল'পমেন্ট হ'বনে নে নহয় । মই মোৰ সমষ্টিটোত বহু এনে হোৱাটো দেখিছো। ইয়াত মহিলা ৰিজাৰ্ভেশ্যনৰ কথাটো আহিছে । মহিলা ৰিজাৰ্ভেশ্যনটো ৭৩ তম এমেণ্ডমেন্টত দিয়া হৈছে প্ৰয়াত ৰাজীৱ গান্ধী ডাঙৰীয়া যেতিয়া ভাৰতৰ প্ৰধান মন্ত্ৰী আছিল আৰু পৰৱৰ্ত্তী সময়ত আমাৰ অসমত প্ৰয়াত মুখ্যমন্ত্ৰী তৰুন গগৈ ডাঙৰীয়াই এই এমেণ্ডমেন্ট এতিয়াও চলি আছে । মই ভাবো আমাৰ মহিলাৰ যিটো ৫০ শতাংশ ৰিৰ্জাভেশ্যন সেইটো থাকিব লাগে কিন্তু ইয়াতে এটা কথা হৈছে যে, লটাৰী যোগে প্ৰত্যেকবাৰ সভাপতি পতা হয় । গতিকে সভাপতিজনে ভাবে অহাবাৰ যিহেতু মই সভাপতি নহও গতিকে কাম মই নকৰো । কিন্তু সেইটো উচিত নহয় । গতিকে মই ভাবো যে এইবাৰ ডিষ্ট্ৰিক্ট লেভেলৰ লটাৰীত যি ৰিৰ্জাভেশ্যন হৈ গ'ল সেইখিনি বাদ দি মহিলাৰ ৰিজাৰ্ভেশন আহিব লাগে । কাৰণ এই পদটো অহাবাৰ মহিলা আহিবনে নাহে আমি আগতীয়াকৈ মহিলাৰ নাম প্ৰস্তুত কৰিব নোৱাৰো । গতিকে অহাবাৰ যিখিনি মহিলাৰ ৰিজাৰ্ভেশ্যন বাকী থাকিল সেইখিনিৰ মাজৰ পৰাই মহিলাৰ ব্যৱস্থাটো ফিক্সড থাকিব লাগে । মই এটা কথা ক'ব বিচাৰো যে, আগতে মই নিজে আঞ্চলিক পৰিষদৰ ৰিজাৰ্ভ·পোষ্টত সভানেত্ৰী আছিলো । শপত গ্ৰহণৰ দিনাই বিৰোধী মানুহখিনি লগ হৈ মোক অনাস্থা দিলে । আৰু তেতিয়া যেতিয়া হাইকোৰ্ট হ'ল তেতিয়া হাইকোৰ্টে এটা ৰায় দি লগে লগে সেই পোষ্টটো ডিৰিজাৰ্ভ কৰি দিলে। হাইকোৰ্টৰ ৰিপ্লাই মতে পঞ্চায়ত ৰুল অনুযায়ী ভাইচপ্ৰেচিডেন্টজন প্ৰেছিডেন্ট হ'ব পাৰে কিন্তু ভাইছপ্ৰেছিডেন্টজন বেলেগ সম্প্ৰদায়ৰ আছিল । এচ চি মহিলা প্ৰাথী নথকা বাবে পোষ্ট চিৰ দিনৰ বাবে ডি ৰিজাৰ্ভ হ'ল। যদি কোনো জিলাত এনেকুৱা হৈছে তেন্তে সোনকালে ফিলআপ কৰিব লাগে। আমা ৰ পঞ্চায়তসমূহত ডেভল'পমেন্ট প্লেন নামে এটা প্লেন আছে কিন্তু সেইখন কোনো ফলো নকৰে ইয়াক এতিয়া মেণ্ডেটৰী কৰিব

**লাগে। - এইখিনি মোৰ ক'ব লগা অধ্যক্ষ মহোদয়।**

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (সভাপতি) ঃ ধন্যবাদ । এতিয়া মাননীয় সদস্য অখিল গগৈ ।**

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ সন্মানীয় সভাপতি ডাঙৰীয়া , চেকশ্যন- ৫ ত যিটো সংশোধনী আনিছে , এই সংশোধনীটো বিধান সভাই আনিব নোৱাৰে । আমাৰ ইণ্ডিয়ান কনষ্টিটিউশ্যনে আমাক সেইটো পাৰ্মিট কৰা নাই ।ইণ্ডিয়ান কনষ্টিটিউশ্যনে পঞ্চায়তৰ ওপৰত যিটো চেকশ্যন ৰাখিছে তাত যদি আপুনি চায়, পঞ্চায়ত পাৰ্ট- নাইনত ২৪৩ (চি) -** composition of Panchayat **-তেতিয়াহ'লে তাত এটা বাক্য আছে।** provided that the ratio of the panchayat at any level and the number of seats in such panchayat to be filled by the election cell so for as possible be the same through out the state . গতিকে এইটো অসাংবিধানিক সংশোধনী এটা আনিছে Section 5 ত, য'ত district বিলাকত density of population ৰ ভিত্তিত বিভাক্ত কৰা হৈছে। সেইটো আমি নোৱাৰো যিটো আমাৰ সমষ্টি পুনৰ নিৰ্ধাৰণৰ ক্ষেত্ৰত যিটো কৰিছিল এতিয়া সমষ্টি delimitation ৰ ক্ষেত্ৰত ভাৰতৰ সংবিধানৰ Article 80, 81 Article 170. এই যিকেইটা আমাৰ অনুচ্ছেদ আছিল সেই অনুচ্ছেদ মতে আপোনালোকৰ সকলোৰে জানে যে population টোক সমান distribute হে কৰিবলৈ কোৱা হৈছে। তাত কোনোপধ্যে density of population এই থিউৰীৰ কথা কোৱা নাই। আমি এই আইনখন আনিব পাৰিলে সংশোধনীটো আনিব পাৰিম কেতিয়া আনিব পাৰিম যেতিয়া আমি ভাৰতৰ সংবিধান খন বোদলাই লম। অধ্যক্ষ মহোদয়, মই খুব serious কথা এটা কৈছিলো মই ভাৱো যে সেইকাৰণে এই আইনখন যিটো সংশোধনী আনিছে এই আইনখনৰ Section 5 টো হ'ল ultra vires. আমাৰ সংসদে আমাৰ বিধান সভাই এই সংশোধনী আনিব নোৱাৰো, কাৰণ ভাৰতবৰ্ষৰ সংবিধানৰ 243 C Articleত স্পষ্টকৈ লিখা আছে মই ইতিমধ্যে এই Sectionটো গাই দিলো যে density of population নহয়, equal distribution of populationকহে সমষ্টি পুনৰনিৰ্দ্ধাৰণৰ ক্ষেত্ৰত theory হ'ব পাৰিব। Article 81, Article 170 and Article 243, গতিকে মই ভাৱো এই সংশোধনীটো definitely Select Committeeলৈ যাবই লাগিব। যদি নকৰে তেতিয়াহ'লে কি হ'ব এইটো আমি নজনাকৈ কৰি দিব পাৰোঁ। নজনাকৈ আমি যিটো আইন তৈয়াৰ কৰিব পাৰো সেইটো নজনাকৈ কৰি দিব পাৰোঁ। কিন্তু কোনোবাই courtলৈ গুচি যাব তেতিয়া এইখন আকৌ লগে লগে নাকচ হৈ যাব। গতিকে মই ভাৱো যে আমাৰ যিটো সংশোধনী অনা হৈছে এই সংশোধনীটো ভুল, আৰু সেইকাৰণে এই সংশোধনীটো আমি অন্তত এই Section 51 বুলি দিছে সেই section টো আমি আনিব নালাগে। তাৰ পিছত বাকী মই ৪ টা মান point কব খোজো, কলেওটো নামানে চৰকাৰে, আজিলৈকে যিমানবোৰ সংশোধনী মইয়ে চাগে আইনৰ আটাইতকৈ বেছি সংশোধনী আনো, কোনো দিন এটা সংশোধনী পাছো হোৱা নাই, গতিকে ইচ্ছাও নাই। সেইকাৰণে মই দুটামান কথা কেৱল কব খোজো এতিয়া যে Section A ত আনিছে যে tax on the owners of the organize private market individually against each shop located in the market . সেইটো যে আনিছে নতুনকৈ আৰু দুটা ঠাইত কৰিছে, সেই নতুনকৈ আৰু যে দুটা ঠাইত কৰিছে এই দুটা মই ভাৱো যে একদম ইয়াত লব নালাগে। হাট-বজাৰ, ফিচাৰী, সকলোৰ ওপৰত নতুনকৈ আকৌ কৰ আৰোপ কৰিবলৈ আৰু এটা Section আনিছে, নতুনকৈ। যি সময়ত ভাৰতৰ সংবিধানে 29 টা subject আমাৰ পঞ্চায়তত

আমি বিকেন্দ্ৰীকৃত কৰিব লাগে বুলি কৈছো তাৰ ওপৰত আনা আইন আনিব লাগিছিল। মহত্মা গান্ধীৰ কথা বহুতে কৈ থকা শুনিছোঁ, মহত্মাগান্ধীৰ decentralizationৰ কথা কৈছে। ভাৰতৰ সংবিধানত লিখি থোৱা আছে যে 29 subject পঞ্চায়তৰ হাতত দিব লাগে। সেইটোৰ ওপৰত এটাও বাক্য নাই ইয়াতে। কি কৰিছে যে মানুহৰ ওপৰত tax, হাট-বজাৰ, যিমান ফিচাৰী আছে সবতে tax লগোৱা, দোকান বনাইছে টেক্স লগোৱা। এইটো কেতিয়াও মানি ল'ব পৰা বিষয় নহয়। তাৰ পিছত আৰু এটা ultra vires চেকচন আছে সেইটো ইতিমধ্যে আশ্ৰাফুল হুছেইনে কৈ গৈছে। যে আমি যি জন মানুহে আইন violate কৰিছে তেওঁৰ ওপৰত action ল'ব পাৰো, তেওঁৰ দেউতাকৰ ওপৰত একন লোৱাতো Indian Constitutionৰ ক'তনো দিছে আপোনালোকে চাই লওকচোন বাৰু য'ত এইটো কৰিব নোৱাৰে, গতিকে এইটো Select Committee লৈ এই আইনখন যাবই লাগিব। আৰু দুটা পইন্ট কব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** হ'ব, সময় নাই। বাকী বহুত বিল আছে।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** হয়, এই দুটা পইন্ট কও, যে এইটো আচৰ্য্যজনক ঘটনা য'ত গাওঁপঞ্চায়তৰ ward member জন ননপাৰ্টীৰ, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদত পাৰ্টীৰ, কি ভয়ানক, কি সাংঘাটিক, এটা theory উলিয়াছে, কিহৰ ভয়ত, কিহৰ কাৰণে এই কামটো কৰিছে? এইটো একেবাৰে arbitrary decision আৰু এনেকুৱা ধৰণৰ arbitrary decision ইয়াৰ পিছত Cotton College act খনো সংশোধন কৰিবলৈ আনিছে, সেই আইন খন এতিয়ালৈকে বনোৱাৰ পৰা কিমানবাৰ সংশোধণ কৰিলে? মানে যিমান এই চৰকাৰৰ দিনত সংশোধনী আনিছে নহয়, মানে নভৰা নিচিন্তাকৈ ভালকৈ নপঢ়াকৈ নজনাকৈ constitution গোটেইবিলাক নজনাকৈ সংশোধনী বিলাক আনি দিয়ে তাৰপিছত আকৌ সলাই থাকিব লাগে, সলাই থাকিব লাগে। এইটো এটাল তেনেকুৱা ধৰণৰ Section.

**মাননীয় অধ্যক্ষ ঃ** হ'ব, হৈছে।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** নালাগে যদি হ'ব, ধন্যবাদ।

**শ্ৰীঅজন্তা নেওঁগ, (বিত্তমন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, এটা কথা কৈছো, আজি অখিল গগৈ ডাঙৰীয়াই যিখিনি কথা কৈছে যে চৰকাৰী পক্ষই সংশোধনী নামানে এইটো কথা সত্য নহয়। মই নিজে এই সদনত আছো বহুবাৰ যেতিয়া বিৰোধী পক্ষই যেতিয়া সংশোধনী বিলাক আনে তেতিয়া চৰকাৰী পক্ষই মানি লয়। কিন্তু সংশোধনীবিলাক গ্ৰহণযোগ্যতা থাকিব লাগে।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** ছাৰ, এটা কথা কৈছো, আমাৰ Amendment কেইটামান আছিলে আমি মোভ নকৰো, কিন্তু এটা বক্তব্য দি দিম।

**মাননীয় অধ্যক্ষ ঃ** সেইকাৰণে বুজাত অসুবিধা হৈ থাকিব নালাগে general discussion ত তাতে সকলো সদস্যই participate কৰিব পাৰে। মাত্ৰ আপোনাৰ পাৰ্টীৰ পৰা নামৰ লিষ্টখন অহা নাছিল, amendment টো মাত্ৰ move হ'ব সেই কাৰণে discussion টো point কৰিব লাগিব। এতিয়া ৰূপজ্যোতি কুৰ্মী।

**শ্ৰীৰূপজ্যোতি কুৰ্মী, (মৰিয়নী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমতে মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া, মাননীয় মন্ত্ৰী ৰঞ্জিৎ কুমাৰ দাস ডাঙৰীয়াক অশেষ ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছো এজন অসম বিধান সভাৰ কেইবাবাৰৰ বিধায়ক হিচাপে আৰু এজন অসমৰ সন্তান হিচাপে। আমাৰ বিৰোধীয়ে বিধেয়ক খন ভাল ধৰণে পঢ়ি নাচালে নেকি তাত লিখা আছে The Assam Panchayat (Amendment ) Bill, 2023 further to amend the

Panchayat Act, 1994 . অৰ্থাৎ ২৯ বছৰৰ পিছত এটা amendment আনিছে আৰু জনহিতকৰ স্বাৰ্থত ২৯ বছৰ, ৩০ বছৰ মূৰত অনা এটা এমেণ্ডমেন্ট। আজি ঐতিহাসিক এটা দিন। কাৰণ ভাৰতীয় সংবিধানে আমাক অধিকাৰ দিছে। অধিকাৰ কি দিছে right to equality, right against exploitation, right to freedom, culture, education right to constitutional remedies. আজি মোৰ মৰিয়ণি সমষ্টিত পূৰ্ণকচাই গাওঁপঞ্চায়ত ৬ হাজাৰ জনসংখ্যা। তাৰ কিনাৰতে লাগি আছে উত্তৰপূৰ নগাকুছি গাওঁপঞ্চায়ত তাত ৯ হাজাৰ প্লাছ জনসংখ্যা। বৈসম্য হৈ আছে, আজি এই বৈসম্য সমূহ দূৰ কৰি আৰু সুন্দৰ মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত চৰকাৰ খনে আজি মাননীয় মন্ত্ৰী দাস ডাঙৰীয়াই এটা সংশোধন আনিছে। আজি এটা ঐতিহাসিক দিন। আমি বিৰোধীকো আহ্বান জনাম আপোনালোকে ভালদৰে অনুধাৱন কৰক এইটো ভৱিষ্যতৰ কাৰণে চিন্তা কৰা হৈছে। আমি আছো কালি মৃত্যু হ'ম। আমি যামগৈ পৃথিৱী এৰি। কিন্তু অসমৰ ভৱিষ্যৎ আৰু ভৱিষ্যৎ প্ৰজন্মৰ জনসাধৰণৰ ভাল হওঁক। আপোনালোকে মহত্মা গান্ধীৰ কথা কৈ আছে, বিশেষকৈ কংগ্ৰেছ দলে কবই নালাগে, কাৰণ ইমান দিনে চৰকাৰ থাকিল কংগ্ৰেছ দলে আগতে সংশোধন আনিব লাগিছিল। তেতিয়া আমি আজি আনিব লগীয়া নহলহেতেন এইখিনিঙ্গ আজি ইয়াত কি কৈছে right to equality, আজি ৫৫০০/৬০০০ ভোটাৰ ইপিনে ৯ হাজাৰ ভোটাৰ। ইয়াত ৰাস্তাপদূলী একেসমানে, আঁচনি পি এম ৰাই ৰ ঘৰ য'ত জনসংখ্যা বেছি তাত বেছি গৈছে, য'ত কম তাত কমকৈ গৈছে। কিন্তু বিশেষকৈ উন্নয়নৰ নামত ৰাস্তা পদূলীৰ নামত কোনো পঞ্চায়তত কমকৈ পুঁজি যোৱাৰ লগে লগে সেই পঞ্চয়তে বিমোৰত পৰিছে। কিন্তু আজি density wise ভাগ কৰিবলৈ বিচৰা হৈছে। আৰু ইয়াত কোৱা হৈছে non-political বিশেষকৈ panchayatত। মই নিজে এইবাৰ আদৰ্শ বিধায়কৰ প্ৰস্তাৱ পাইছিলো পুনেত গৈছিলোঁ। পুনেত IT job এৰি পঞ্চায়তত আজি contest কৰিবলৈ আহিছে তাত মানুহে। পঞ্চায়তত সভাপতি পাইছো আৰু সভানেত্ৰীও পাইছোঁ, IAS বিষয়াৰ মিছেচ আহিছে তাত, পৰিবাৰ আহিছে পঞ্চায়তত প্ৰতিনিধিত্ব কৰিবলৈ। কেতিয়া আহিব এই যিটো intellectual চামক কেনেকৈ উন্নয়নলৈ আনিম আজি চৰকাৰে আজি অসমৰ ভৱিষ্যত্ৰ কাৰণে চিন্তা কৰি intellectual যি সকল forum তেওঁলোকক আজি আগবাঢ়ি লৈ আহিব বিচাৰিছে। আজি এই কথাটো বিৰোধীও বুজিব লাগিব। আজি মিটিঙৰ ইয়াত সুন্দৰকৈ দিছে যে দুখন সভা এটা বছৰত হ'বই লাগিব। আৰু ৭ দিনৰ আগে আগে সৰ্বসাধাৰণ ৰাইজক জাননী দিয়া হ'ব। আগত তেনেধৰণৰ কোনো ব্যৱস্থায়ে নাছিল। আজি ইয়াত কি কৰিছে যে কোৰামৰ কাৰণে ১ঃ১০ হ'ব লাগিব বা ৫০ শতাংশ ভোটাৰ হ'বই লাগিব। ইমান সুন্দৰ কৰি দিছে। ইয়াত population control ৰ কথা আহিছে। আজি অসমত population control, child mariage ৰ প্ৰসংগটো ইয়াত আনিছে, এইটো কাৰণে আনিছে গ্ৰাম্য অঞ্চলত যেতিয়া সজাগতা বাঢ়িব, contest কৰিবৰ কাৰণে জাননী বিলাক যাব গাওঁপ্ৰধান সলকৰ যোগেদি হওঁক, ৰেডিঅ ৰ যোগেদি হওঁক প্ৰচাৰ হ'ব। এটা সজাগতা আহিব যে ভৱিষ্যতে আমি দুটা শিশুতকৈ বেছি শিশু জন্ম দিব নালাগে, Child marriage কৰিব নালাগে, এই সজাগতাবোৰ বাঢ়িব। ইয়াৰ যোগেদি আমাৰ চৰকাৰে এই বিলকেইখনৰ যোগেদি এটা সজাগতা অনাৰ পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াত কৈছে সংশোধনীৰ যোগেদি যে আমি ভোটিং মেচিন ব্যৱহাৰ কৰি আমি জানো ভোটিং মেচিন বহুত ঠাইত ৰেগিং হয়. বহু ঠাইত মৃত মানুহৰ নামটো কোনোবাই ভোট দিবলৈ আহো এই কথাবোৰ দূৰ কৰিব বিচাৰিছে। ইয়াত কৈছে যে লটাৰী হ'ব, ইয়াত চৰকাৰৰ মানুহ কোনো আমি জড়িত

কৰা নাই। ইয়াত লটাৰীৰ কথা কোৰা হৈছে, ইয়াত কোৰা হৈছে own source , পঞ্চায়ত আজি own source , বাহিৰৰ ঠাইত own source ক লৈ সজাগতা আমাৰ আগৰ কোনো চৰকাৰে গুৰুত্ব নিদিলে। বৰ্তমান চৰকাৰে own source ৰ ক্ষেত্ৰত গুৰুত্ব দিছে। আজি গাহৰি পালন, মুৰ্গী পালন, মৎস্য পালন এইখিনি যদি পঞ্চায়তত own source ৰ কথা কৈছে, বজাৰ হাটৰ পৰা কেৱল tax লোৱাৰ কথাই উল্লেখ কৰা নাই। আজি অখিল গগৈ ডাঙৰীয়াই কৈছে article ৰ কথা article 2 (4) A ত কি কৈছে, says that a gram sabha may exercise such powers and performed such functions at the village level as the legislature of a State may by law provide. 73rd Constitution Amendment Act of 1992 The Act added part 9 to the Costitution, the panchayat ইয়াত কৈছে and also added the 11 schedule which consist of the 29 function items of the panchayat part 9 of the Constitution contains Article 243 to Article 243 O ইয়াত পূৰ্বৰ চৰকাৰ গ্ৰামোন্নয়ন মন্ত্ৰীয়ে কৈছে যে ২৯ বিভাগ কিয় সমজাই দিয়া নাই। আমাৰ চৰকাৰে এইখিনি কৰিব আপোনালোকে চিন্তা কৰিব নালাগে। তেওঁ যদি তেওঁৰ চৰকাৰৰ সময়ত কৰাহেঁতেন,আজি আমাৰ চৰকাৰে এইখিনি ব্যৱস্থা ল'ব লগা নহ'লহেঁতেন। মই আৰু আধামিনিট ক'ব বিচাৰিছো- article 2 (4) A ত কৈছে A gram sabha may exercise such powers and perform such functions at the village level as the legislature of a State may by law provide. আমি কি ক'ব বিচাৰিছো মহাত্মাগান্ধীৰ যি সপোন গ্ৰামস্বৰাজ, সেয়া আমি কৰিব বিচাৰি আছো। যাৰ কাৰণে পঞ্চায়তখনত আজি গুৰুত্ব দিয়া হৈছে। আজি এটা ঐতিহাসিক দিন মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্ম্মা দেৱৰ নেতৃত্বৰ চৰকাৰখনে মাননীয় মন্ত্ৰী ৰঞ্জিত দাস ডাঙৰীয়াই যি আনিছে আজি এটা ঐতিহাসিক সিদ্ধান্ত চৰকাৰে লৈছে।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ, কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, পঞ্চায়েত অ্যামেন্ডমেন্ড বিল**২০২৩** । অধ্যক্ষ মহোদয় সবাই বলেছেন যে মহাত্মা গান্ধী বলেছিলেন ভারতের আত্মা গ্রামে। গ্রাম সমাজের কথা বলেছিলেন। রাজীব গান্ধীর তৎপরতায় ক্ষমতা বিকেন্দ্রীকরণ করা হয়। সেই মর্মে গ্রামের মানুষের হাতে যাতে ক্ষমতা পৌছে দেওয়া যায়। সেই মর্মে **৭৩** অ্যামেণ্ডমেন্ড অ্যক্ট বিল পাশ করা হয় **১৯৯২** তে, **২৪** এপ্রিল **১৯৯৩** তে সেই বিল come in to force এবং পরবর্তী সময় **২৪৩** বি অসম সরকারকে ক্ষমতা দেওয়া হয় সেটার উপর বিল তৈরি করার জন্য। আজকের দিনে গ্রামের মানুষ, অসমের মানুষ দেখছে সেই বিলে কি আলোচনা হচ্ছে। আমরা কি কথাবার্তা বলছি। আমরা যে বিল তৈরি করেছি সেখানে আমরা দেখতে পারছি জেলা পরিষদ হায়ার সেকেণ্ডারি পাশ,এপি মেট্রিক পাশ এবং গাঁও পঞ্চায়েতের ক্ষেত্রে মেট্রিক পাশ। কিন্তু আমি বিধায়ক আমি ক্লাস ৫ পাশ করলেও বিধায়ক হতে পারব। আমি লাকি অ্যানাফ যে আজ এরকম একটি বিল পাশ করছি যেখানে শিক্ষিত করার একটি পরিবেশ সৃষ্টি করেছেন। কিন্তু আমরা যারা বিধায়ক আমাদরে কোন শিক্ষাগত যোগ্যতা নেই ।আমি এদিকে যাচ্ছি না। এখানে কনট্রাডিক্টরি কথা আসছে। আজ যেগুলো অ্যাক্টের কথা বলছি বিশেষ করে ৪৪বি, ৪ ডি ৪ সি এগুলো অনেক সেকসন আছে আবং আমি বার বার কথাগুলো বলতে চাইছ্নি। আমি শুধু একটি কথাই বলব যে বিগত দিনে আমরা ডিলিমিটেশন দেখেছি । যেখানে ডিলিমিটেশন কমিশন করার কথা ছিল কিন্তু

এখানে কি হল ডিলিমিটেশন কমিশনকে বাদ দিয়ে, বাদ দিয়ে বলতে সেই কনস্টিটিউসন প্রভিশন রেখে সেখানে ইলেকশন কমিশন অফ ইন্ডিয়া সেই ডিলিমিটেশন করল। অধ্যক্ষ মহোদয়, সেই ভয়ঙ্কর ডিলিমিটেশন, আমি যে ভেলি থেকে রিপ্রেজেন্ট করি সেখানের কথাই বলছি **৭৩৬** এ ডিলিমিটেশন হয়েছিল **১৫** টি আসন ছিল বর্তমানে আছে **১৩**টি। বদরপুর আসন কর্তন করা হয়েছে। হাইলাকান্দি আসন কর্তন ক রা হল। জনসাধারণ- **৭৬** এ যা ছিল তার দ্বিগুন জনসাধারণ। এই ক্ষেত্রে আমরা দেখতে পারছি যে পঞ্চায়েত ডিলিমিটেশনের ক্ষেত্রে সেকসন **৫** সেখানে এ, Â ü, ëÂßÂ±ýÃ ßÁÕ¾ ÂôÂ± ßÁÕ¾ ÂÎ÷ßÁòæÃ¼Îüà± 'এ'-র ক্ষেত্রে পপুলেশন **১০,২০০** থেকে **১৩,৮০০**, 'বি'-এর ক্ষেত্রে **৮৫০০** থেকে **১১,৫০০** অর্থাৎ এ-র ভিতরে বি ঢুকে গেল। **১৩৮০০** এখানে **১১৫০০** এবং **৬০০০**থেকে **৯২০০** অর্থাৎ দেখা যায় যদি যে আমরা প্রতিনিধিত্ব করছি মানুষের জন্য করছি। আমরা জিওগ্রাফিক্যাল এলাকার প্রতিনিধিত্ব করছিনা। আমরা জনসংখ্যার প্রতিনিধিত্ব করছি। যেহেতু জনসংখ্যার প্রতিনিধিত্ব করছি এবং কনস্টিটিউসনে যেহেতু প্রভিশন আছে 'সি'-তে বলা হয়েছে যে আমরা এইভাবে ডিলিমিটেশন করতে পারিনা। তো সেই ক্ষেত্রে একদিকে কনস্টিটিউশন অন্যদিকে আপনাদের এই আইন দুটাই কন্ট্রাডিক্ট করছে । তাই আমি মনে করি আমরা এমন কোন আইন তৈরি করবনা যাতে আমরা মানুষের কাছে হাস্যকর পাত্র হই। এবং আমি বার বার বলছি আজকের দিনে এই আইন যদি পাশ হয় আমি বলছি কয়েকটি ভালো দিক আছে কিন্তু মেক্সিমাম এমন কিছু জিনিষ যেগুলো কন্ট্রাডিক্টরি এবং যার ফলে আমরা আইন তৈরি করব কিন্তু ভবিষ্যতে আমরা সমালোচনার সম্মুখীন হতে হবে। তাই সবাই বলছে সিলেক্ট কমিটির কথা। আমিও বলছি সিলেক্ট কমিটি।শুধু সিলেক্ট কমিটি না আমাদের অধ্যয়ন করতে হবে। কারণ আমরা যাদের আইন তৈরি করতে যাচ্ছি হায়ার সেকেন্ডারি পাশ,জেলা পরিষদ মেট্রিক পাশ একটি বাতাবরণ সৃষ্টি করতে যাচ্ছি। আমাদরে যদিও শিক্ষাগত যোগ্যতা দরকার নেই কিন্তু আমাদের এই আইন তৈরি করতে আমরা যাতে আরো পুঙ্খানুপুঙ্খ ভাবে কিছু ডিসকাশন করি এবং এখানে টেক্সের কথা বলা হয়েছে যে আমরা টেক্স গ্রহণ করব কিন্তু আবার বলতে হচ্ছে শহরের ক্ষেত্রে হয়তো কিছু ফেসিলিটি দেওয়া হয় কিন্তু গ্রামাঞ্চলে কোন ফেসিলিটি নেই সেখানে আমরা টেক্স কেন নেব।? আগে ফেসিলিটি দেওয়া হোক তারপর টেক্সের ব্যবস্থা করা হোক এবং এখানে বলা হয়েছে বাল্য বিবাহের কথা এবং এখানে অনেক কথা হলা হয়েছে। হ্যা, বাল্য বিবাহ বলা হয়েছে রোধ হবে। বাল্য বিবাহ রোধ আসলে এই আইন দিয়ে রোধ করা যাবেনা। ব্যল্য বিবাহ রোধ করতে হলে আমাদের আরও সচেতনতার দরকার। আমি বলছি অধ্যক্ষ মহোদয়, হায়ার সেকেন্ডারি পাশ যারা জেলা পরিষদ হবে তাদের হয়তো শিক্ষাগত যোগ্যতা আমার থেকে অনেক বেশি। তাই আমার অনুরোধ থাকল মন্ত্রী মহোদয়ের কাছে এখানে অনেক অ্যামেন্ডমেন্ট আছে যে এখানে ছয় মাসের কথা বলা হয়েছে এবং অনেক কথা বলা হয়েছে ছোট ছোট অ্যামেণ্ডমেন্ট। সেই অ্যামেণ্ডমেন্টগুলো মানা হোক এবং আমি মনে করি এই যে ক্লস **৫** সেট া ডিলিমিটেশনের ক্ষেত্রে সেটাকে বাদ দিয়ে আপনারা করুন নাহলে সেটা আবার চ্যালেঞ্জ হবে, কোর্টে যাবে। কোর্টে গিয়ে স্টে হবে। আমরা এমন একটি আইন তৈরি করব তারপর কোর্টে গিয়ে চ্যালেঞ্জ হয়ে সেই আইনটি যদি বন্ধ হয় সেটা আমাদরে জন্য দুর্ভাগ্য ব্যপার হবে। তাই আপনাদের কাছে অনুরোধ থাকল সিলেক্ট কমিটিতে দিন আর না হলে পুঙ্খানুপুঙ্খ ভাবে আলোচনা করে সেই আইনটি পাস করেন। নমস্কার, ধন্যবাদ।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, খাদ্য আৰু অসামৰিক যোগান)** ঃ অধ্যক্ষ ডাঙৰীয়া, মই আজি

এই বিষয়টো প্ৰাকমুহুৰ্তত এটা অফিচিয়েল এটা এমেণ্ডমেণ্ট আনিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ সেইটো পিছত আনিব।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, খাদ্য আৰু অসামৰিক যোগান)** ঃ অধ্যক্ষ ডাঙৰীয়া আজি মই সকলো বিধায়ককে ধন্যবাদ জনাইছো। যিসকলে ইয়াতে অংশগ্ৰহণ কৰিলে, বিশেষকৈ নুৰুল হুদা ডাঙৰীয়া, আমিনুল ইছলাম, জয়ন্ত বসুমতাৰী, আব্দুৰ ৰচিদ মণ্ডল ডাঙৰীয়া, কৌশিক ৰায় ডাঙৰীয়া, আমিনুল ইছলাম ডাঙৰীয়া, শ্ৰী ভূৱন পেগু ডাঙৰীয়া, শ্ৰীমনোৰঞ্জন তালুকদাৰ ডাঙৰীয়া, শ্ৰীৰফিকুল ইছলাম ডাঙৰীয়া, শ্ৰীআশ্ৰাফুল হুছেইন ডাঙৰীয়া, শ্ৰীমতী নন্দিতা দাস ডাঙৰীয়াণী, শ্ৰী ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়া, শ্ৰী বিশ্বজিৎ ফুকন ডাঙৰীয়া, শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াকে ধৰি আমাৰ সন্মানীয় বিধায়ক সকলক আন্তৰিক ধন্যবাদ জনাইছো। আজি এই আইনখন উত্থাপন কৰাৰ পিছত আমি মুকলিমুৰীয়াকৈ আলোচনা কৰাৰ কাৰণে আমাৰ মানসিকভাৱে ইচ্ছা তাত আপোনালোক সকলোৱে অংশগ্ৰহণ কৰিছে তাৰ কাৰণে আপোনালোক সকলোকে ধন্যবাদ জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ কাৰণে এটা পবিত্ৰ আৰু উল্লেখযোগ্য দিন এইকাৰণেই যে আজিৰ তাৰিখত আমি 'দি আসাম পঞ্চায়ত (এমেণ্ডমেণ্ট) বিল,২০২৩খন বিবেচনা আৰু পাৰিত কৰাৰ কাৰণে প্ৰচেষ্টা হাতত লৈছো আৰু আপোনালোকৰ সহযোগিতা বিচাৰিছো। আজিৰ তাৰিখতো আমাৰ অসমৰ কাৰণে ভাল কাৰণ মাননীয় প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ আৰ্শীবাদত আৰু মাননীয় মুখ্যমন্ত্ৰী ড॰হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ যি কৰ্মস্পৃহা সেই কৰ্মস্পৃহাৰ আধাৰত আমি ২৮ মাহত ১০ লাখ, one milion PMY House সম্পূৰ্ণ কৰিছো আৰু সেইটোৰ ফালৰ পৰা আজিৰ দিনতো অসমৰ কাৰণে এক উল্লেখযোগ্য দিন বুলি মই কৈছো। মাননীয় অধ্যক্ষ মহোদয়, আজি যিসকলে বক্তব্য ৰাখিছে মই বক্তব্য ৰখাৰ আগমূহুৰ্ত্তত আজি বহুকেইগৰাকী বিধায়কে তেওঁলোকে আজি হয়তো বক্তব্য ৰখা নাই বা হয়তো অহা নাই সেইসকলৰ লগত মই ব্যক্তিগত ভাৱে কথা পাতি চাইছিলো আৰু সকলোৱে কিছুমান বিষয় একেবাৰে আন্তৰিকতাৰে গ্ৰহণ কৰিছে। তাৰ ভিতৰত প্ৰথম বিষয়টো যদি মই কওঁ আমাৰ যিসকলক আমি পঞ্চায়তৰ সভাপতি নিৰ্বাচিত কৰো তেওঁলোক ৰাইজৰ দ্বাৰা নিৰ্বাচিত। পঞ্চায়তৰ সভাপতি নিৰ্বাচিত আমাৰ ৰাইজে নিৰ্বাচিত কৰে। আমি সকলোৱে জানো যে 'Democracy is a government of the people and for the people'. ৰাইজে নিৰ্বাচিত কৰাৰ পিছত যেতিয়া পঞ্চায়তৰ সভাপতি হয় আৰু সভাপতি হোৱাৰ পিছত এই ১০ গৰাকী সদস্যৰ লগত কিবা কাৰণত যদি তেওঁলোকৰ মাজত মনোমালিন্য হয়, কিবা কাৰণত যদি কিবা স্কীমৰ আবণ্টিত ধন লৈ বিভিন্ন কথা যেতিয়া আহে তেতিয়া তাৎক্ষণিক ভাৱে তেখেতৰ against ত অনাস্থা প্ৰস্তাৱ আনে। অনাস্থা প্ৰস্তাৱ অনাৰ পিছত তেখেতৰ এনেকুৱা এটা অৱস্থা হয় যে তেখেতে বজাৰ, বিয়া আদিত যাব নোৱাৰা হয় আৰু এজন কলংকিত ব্যক্তি হিচাপে সমাজত তেওঁ জনাজাত হৈ পৰে। অথচ তেওঁক ৰাইজে নিৰ্বাচিত কৰে। কিন্তু সেই ১০ গৰাকীৰ ৭ গৰাকী বা ৬ গৰাকীয়ে অনাস্থা আনিব পাৰে, তাৰপিছত অনাস্থা গ্ৰাহ্য হোৱাৰ লগে লগে সেই মানুহজনে সেই পঞ্চায়তখনত বহাৰ অধিকাৰো নাথাকে আনকি তেওঁৰ সদস্য হোৱাৰ অধিকাৰো নাথাকে। সেই কাৰণে মই ভাবো যে এই বিষয়টো আইনগত ভাৱে নিশ্চিয় কৰ'বাত কেৰোণ এটা আছিল আৰু মোক যিহেতু আইন বিষয়ৰ দায়িত্ব মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে মোক দিছে, মোৰ তেতিয়াৰ পৰা এটা সপোন আছিল যে এই আইনখনৰ এটা সংশোধন কৰিব লাগিব। এই আইনখনৰ বিষয়ে মাননীয় বিধায়ক শ্ৰী ৰকিবুল ইছলাম ডাঙৰীয়াই কৈছিল যে আগতেও প্ৰচেষ্টা চলাইছিল।

কিন্তু সেইসময়ত কৰিব পৰা নগ'ল। আমি এইটো PRI হওঁক বা বিভিন্ন ব্যক্তিৰ লগত আলাপ আলোচনা কৰি আমি এইটো কৰিছো যে পঞ্চায়ত প্ৰেচিডেণ্ট গৰাকী এইবাৰ ৰাইজৰ জৰিয়তে নিৰ্বাচিত হ'ব নালাগে। যিসকল ward ৰ সদস্য তেওঁলোকৰ জৰিয়তে তেওঁ নিৰ্বাচিত হ'ব লাগিব, কাৰণ ১০ গৰাকীৰ ভিতৰত তেওঁ এজন ward ৰ সদস্য হৈ থকাৰ কাৰণে এইবাৰ আমি আইন প্ৰনয়ণ কৰিলো। অৰ্থাৎ পঞ্চায়তৰ সভাপতি গৰাকী সভাপতি নাথাকিলেও তেওঁ সেই পঞ্চায়তখনৰ এগৰাকী সন্মানীয় সদস্য হিচাপে তেওঁ কাৰ্যনিৰ্বাহ কৰি থাকিব পাৰিব। মাননীয় অধ্যক্ষ ডাঙৰীয়া এইটো এটা সুন্দৰ প্ৰস্তাৱ। দ্বিতীয়তে, আমি দেখিছো যে বহু মানুহে Political Party ৰ recognition নথকাৰ কাৰণে উদাহৰণ স্বৰূপে এগৰাকী শিক্ষকে ৬ মাহ আগতে অৱসৰ গ্ৰহণ কৰিছে বা এগৰাকী গাঁৱৰ কণিষ্ঠ অভিযন্তা এজনে হয়তো অৱসৰ গ্ৰহণ কৰিছে কিন্তু তেওঁৰ ৰাজনাতিৰ লগত সম্পৰ্ক নাই। Politically যেতিয়া সম্পৰ্ক নাথাকে তেতিয়া আমি ভাবো যে মানুহজনে চাকৰিৰ পৰা অৱসৰ লোৱাৰ বাবে আমাৰ পাৰ্টীৰ টিকট লবলৈ আহিছে। কিন্তু ৰাইজে কৈ আছে যে আমি আমাৰ ward member এই ব্যক্তিজনক দিব বিচাৰো কাৰণ এখেত যিহেতু কাৰ্য্যনিৰ্বাহ কৰি আহিছে। ৰাইজে বিচৰা কাৰণে আমাৰ গোৱালপাৰাৰ বিধায়ক গৰাকীয়ে চাকৰি এৰি বিধায়ক হৈ আহিছে। জিলা পৰিষদত আমাৰ পঞ্চায়তৰ ক্ষেত্ৰত আমি কোনোধৰণৰ ৰাজনৈতিক দলৰ emblem আনিব বিচৰা নাই কাৰণ যিহেতু আমি দেখিছো যে আমাৰ indirect election যিটো পঞ্চায়তত আছিল, আমি দেখিছো যে অৰুণাচলৰ 1997 ৰ Arunachal Pradesh Panchayat Raj Act, তাত তেওঁলোকে পঞ্চায়তৰ সভাপতি গৰাকী মেম্বাৰ সকলৰ মাজৰ পৰা নিৰ্বাচন কৰে। ঠিক তেনেদৰে section 7 of the Kerala Panchayati Raj Act 1994, তাত তেওঁলোকে সভাপতি জনক সদস্য সকলৰ মাজৰ পৰাই নিৰ্বাচন কৰে। ঠিক তেনেদৰে section 9 West Bengal Panchayati Act 1973 তেওঁলোকেও সভাপতি জনক সদস্য সকলৰ মাজৰ পৰা নিৰ্বাচন কৰে। গতিকে এইটো অসমতে যে হৈছে তেনেকুৱা নহয়। এই পঞ্চায়তী ৰাজৰ এটা প্ৰাসংগিকতা আছে। ইয়াৰ লগতে আমাৰ পঞ্চায়তৰ যিগৰাকী সভাপতি বা উপ সভাপতি গৰকীয়ে যাতে ভালদৰে কাম কৰিব পাৰে কিয়নো তেওঁলোকক ৰাইজে বহুত আশা-আকাংক্ষা লৈ নিৰ্বাচন কৰি পঠায় আৰু পঠোৱাৰ তিনি বা ছয় মাহৰ পিছত তেওঁৰ বিৰুদ্ধে অনাস্থা আহি গ'ল। ফলত অনাস্থা অহাৰ লগে লগে তেওঁৰ সদস্য পদো নাথাকে। সেইকাৰণে আমি এইবাৰ তেখেতৰ ওপৰত আঢ়ৈ বছৰলৈ যাতে অনাস্থা প্ৰস্তাৱ আনিব নোৱাৰে আৰু সেই ঠাইৰ স্বাৰ্থৰ বাবে আৰু যাতে সেই ঠাইখিনিৰ উন্নতি হয় তাৰ বাবে আমি আঢ়ৈ বছৰৰ সময়সীমা এটা বান্ধি দিছো। আমাৰ ইয়াত কোনো malafide intention নাই। আমি একেবাৰে bonafide intention লৈহে কামখিনি কৰিছো। গতিকে মই ভাবো যে এই বিষয়টো এটা সুন্দৰ বিষয়। ৰাজনৈতিক দলৰ যিটো প্ৰতীক এইক্ষেত্ৰত Karnataka Panchayati Raj Act, 1993 তাত কেৱল জিলা পৰিষদতহে আছে। ঠিক তেনেদৰে Gujrat Panchayat Act, 1993 তাত The Political Party symbol is used in Tulka Panchayat and District Panchayat. তাৰ অৰ্থ হ'ল আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদ। গতিকে party symbol ৰ ক্ষেত্ৰত আমি অসমেই যে এইটো কৰিছো এনেকুৱা নহয় বা আমি যিটো term বা indirect election যিটো কৰিছো সেইটো ইতিমধ্যে বহুকেইখন ৰাজ্যত আছে। ইয়াৰ উপৰি আমি এটা ডাঙৰ সিদ্ধান্ত লৈছো যে আগতে আমি দেখিছিলো যে আমি গাওঁ সভা বুলি কৈ পঞ্চায়তৰ এটা বৃহৎ এলেকা য'ত আমাৰ ৬ ৰ পৰা ১০ হাজাৰ কিছু মুষ্টিমেয় মানুহ লৈ আমি

কৰো। আমি কৈছো যে এই গাওঁ সভাখন কৰাৰ নামত ৫০ জন বা ১০০ জন মানুহ যায়। কিন্তু তাত ভোটাৰ বা population থাকে minimum ৬ হাজাৰ বা ১০ হাজাৰ। সেইবাবে আমি এইবাৰ প্ৰথমবাৰৰ বাবে ward সভা আনিছো। আমাৰ মাননীয় বিধায়ক শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই ward সভাৰ কথা কৈছে। আমি ward সভা এইকাৰণেই কৰিছো যাতে সেই ward ত সেই পঞ্চায়তৰ প্ৰেচিডেণ্ট গৰাকী গৈ বছৰত এবাৰ বহে আৰু সেই ward ৰ কমেও ৫০ জন মানুহ তাত থাকব লাগিব নহ'লে ward সভা কৰিব নোৱাৰে। ওপৰত ১০০০ বা ২০০০ ও হ'ব পাৰে। আমি সুন্দৰ প্ৰস্তাৱ এটা আনিছো যাতে গ্ৰামাঞ্চলৰ মানুহে automatically এই উন্নয়ণৰ চীষ্টেম বা পঞ্চায়তৰ চীষ্টেম বা মহাত্মা গান্ধীয়ে যিটো কৈছিল যে ভাৰতৰ আত্মা গাঁৰত লকাই থাকে, এই ভাৰতৰ আত্মা লুকাই থকা এই কথাখিনি practically আমি এইবাৰহে আপোনালোকৰ সহায়-সহযোগিতাত কৰিবলৈ গৈ আছো। এই ward সভা আগতে নাছিল। এই ward সভা কিন্তু আমি দেখিছো Section 3 of the Karnataka Panchayati Raj Act 1993 ত। তেওঁলোকৰ তাত ward সভা পূৰ্বৰ পৰাই আছে। ঠিক তেনেকৈ আমি দেখিছো section 3 of the Rajasthan Panchayati Raj Act 1994. তেওঁলোকৰো পূৰ্বৰ পৰাই আছে। ইমানদিনে আমি কৰা নাছিলো। কিন্তু এইবাৰ আমি ward সভাৰ ব্যৱস্থা কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, আপোনাক জনাবলৈ পাই সুখী যে .......................

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো ৬ মাহৰ অন্তৰে অন্তৰে কৰিলে ভাল হয়।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী) ঃ** এইটো আমি প্ৰস্তাৱ আনিছো। পিছত কথাষাৰ আহিব। মাননীয় অধ্যক্ষ মহোদয়, এইবাৰ আমি জিলা পৰিষদৰ ক্ষেত্ৰত Anti Defection Law আনিছো। গাওঁ সভাত পাৰ্টীৰ emblem নাথাকিবই, আঞ্চলিক পঞ্চায়তত থাকিব কিন্তু জিলা পৰিষদৰ সদস্য হ'লে এগৰাকী নেতা বুলি সকলোৰে জানে। গতিকে জিলা পৰিষদৰ ক্ষেত্ৰত আমি Anti Defection Law আমি আনিছো। গাওঁসভাত দলৰ emblem নাথাকিব, আঞ্চলিক পঞ্চায়তৰ থাকিব, জিলা পৰিষদৰ সদস্যৰক্ষেত্ৰত Anti defection Law আনিছো। এইটো অসমত প্ৰথমবাৰৰ কাৰণে আনিছো। ইতিমধ্যে কৰ্ণাটক পঞ্চায়তৰাজ ব্যৱস্থাত ১৯৯৩ ৰ পৰা এই ব্যৱস্থা আছে, গুজৰাট, কেৰেলাটো এই ব্যৱস্থা আছে। কেৰেলাত a persons shall be disqualified for being chosen as an member of panchayat at any level if he has been disqualified as per the provision of the Kerala Local Authoritie's Prohibition of Defection Act, 1999 and has not completed six year from the date of disqualification.

ঠিক তেনেকৈ মাননীয় অধ্যক্ষ মহোদয়, EVM মেচিনক লৈ বহুতে ভাৱিছে, এইটো সম্ভৱ নহ'ব। কিন্তু আমি চেষ্টা কৰিছো, কাৰণ আমাৰ ভোটাৰসকলক যিহেতু তেওঁলোকে ভোট দিয়াৰ কাৰণে অভিজ্ঞতা আছে। আমি দেখিছো যে পেপাৰ দিয়া ভোটৰ ব্যৱস্থাটো দীঘলীয়া হয়, গতিকে EVM মেচিনৰ বাবে আমি চেষ্টা কৰিছো। অকল আমাৰ ইয়াতে নহয়, ইতিমধ্যে হাৰিয়ানা, বিহাৰ, অৰুণাচল প্ৰদেশ, ৰাজস্থান, মহাৰাষ্ট্ৰ, কেৰেলা, মধ্যপ্ৰদেশ, কৰ্নাটকে ইতিমধ্যে EVM মেচিনৰ ব্যৱস্থা কৰিছে, ইতিমধ্যে EVM মেচিন তেওঁলোকৰ গাওঁ পঞ্চায়তত introduce হৈছে । আমি সেইবোৰ study কৰিহে, EVM মেচিনৰ ব্যৱস্থা কৰিছোঁ।

তাৰ উপৰি আমি যে no confidence ৰ কথাটো ক'লো, আঢ়ৈ বছৰ আমি কৰিছো,

কিছুমানে কৈছে, সেইটো ১ বছৰ কৰিব লাগে, কিছুমানে কৈছে নহয় এইটো নালাগে। কিন্তু আমি প্ৰস্তাৱ আনিছো যে আঢ়ৈ বছৰত তেওঁলোকক transparently এটা যাতে chance দিয়া যায়, যাতে ভালকৈ duty perform কৰিব পাৰে, তাৰ কাৰণে এইটো আনিছে।

আমাৰ সদস্যা শ্ৰী নন্দিতা দাস বাইদেউৱে কৈছে, reservation ৰ ক্ষেত্ৰত আমি চাওঁ, আমাৰ woman reservation আছে, আমি reservation ৰ ক্ষেত্ৰত কি কৰিব বিচাৰিছোঁ। আগতে কি আছিল, আপোনাৰ যদি 1,4,6,8,9 এইটো আগতে মহিলা আছিল, পিছৰবাৰ পুৰুষ হ'ব বুলি সকলোৱে জানে। আমি কৰিছো যে particular ward ত তেখেত যদি আছে, আৰু তেখেতে নিজেও গম পাব যে মোৰ কাৰ্যকাল ইয়াতে শেষ হ'ব, open হলে মই খেলিবও পাৰো, নেখেলিবও পাৰো। এই কাৰণে আমি কি কৰিছোঁ প্ৰত্যেক term শেষ হোৱাৰ লগে লগে আমি লটাৰী কৰিছো, 50% টো reservation ৰাখিবৰ কাৰণে, যাতে সেই মানুহজনে সিদ্ধান্ত ল'ব নোৱাৰে যে মোৰ যিহেতু term শেষ হ'ব, গতিকে মই public ৰ accountable হ'ব নালাগে। আমি সেই কাৰণে provision ৰাখিছো যাতে লটাৰীৰ জৰিয়তে select ক কৰিব পাৰো, এইটো আমাৰ ইয়াতে অকলে নহয়, সেইটো কৰ্নাটকৰ পঞ্চয়তীৰাজ ১৯৯৩ ত কৰিছে, ৰাজস্থান পঞ্চায়তীৰাজ ১৯৯৪ ত কৰিছে, এনেকুৱা কৰি যিটো ব্যৱস্থা কৰিছে, এই ব্যৱস্থাৰ লগত সংগতি ৰাখি আইনখন আমি আনিছো, যাতে পঞ্চায়ত সভাপতি হওঁক বা অন্য হওঁক, সুন্দৰকৈ কাম যাতে কৰিব পাৰে।

আজি বহু ধৰণৰ কথা ইয়াতে আহিছে fund ৰ কথাও কৈছে। এতিয়া MGNREGA fund এইটো Govt. of India যাৰ ওপৰত ভিত্তি কৰি দিব। population, গাওঁ পঞ্চায়ত যিমান আছে, ইত্যাদিৰ আধাৰত দিয়ে। এতিয়া devolution fund, ৰ বাইদেউৱে আমাক যথেষ্ট দিছে। আগতে ইমান পইছা পোৱা নাছিল, আমাক Finance Commission য়ে এতিয়া টকা দিছে, Finance Commission ৰ guideline ত লিখা আছে যে এই টকা খৰছ হ'ব GP level ত ৭০ শতাংশ, AP level ত ১৫ শতাংশ আৰু ZP level ১৫ শতাংশ। এই Finance Commission যিটো guideline আমি সলনি কৰিব নোৱাৰো।

ঠিক তেনেকৈ জিলা পৰিষদৰ ক্ষেত্ৰত জিলা পৰিষদৰ সদস্যসকলে ভাৰত চৰকাৰৰ কাম, অসম চৰকাৰৰ কাম, তেখেতৰ এলেকাত supervise কৰিব পাৰে, under section 90 sub section 3। গতিকে জিলা পৰিষদৰ সদস্যসকলৰ supervise কৰাৰ ক্ষমতা আছে । কিন্তু আমি দেখা পাওঁ, তেওঁলোকে নিজে এটা inferiority complex ত থাকে যে ইয়াতে মন্ত্ৰী, বিধায়ক, উপায়ুক্তসকল আছে আৰু তেওঁলোকৰ যেন ক্ষমতাই নাই। ভাৰতবৰ্ষত ময়ে নেকি এজন মন্ত্ৰী যিজনে পঞ্চায়ৰত কাৰ্যালয়লৈ যাওঁ আৰু পঞ্চায়তৰ কাৰ্যালয়লৈ যাওঁতে জিলা পৰিষদৰ সদস্যসকলক মই মাতো আৰু কওঁ যে এইটো আপোনালোকে নিজে কিয় ভাবি থাকে যে আপোনালোকৰ কোনো ক্ষমতা নাই। আপোনালোকে কেতিয়াবা BDO ক মাতিছে নেকি, পঞ্চায়তৰ সচিবক মাতিছে নেকি, কোনো জিলা পৰিষদৰ সদস্যই আজিলৈকে কোনো পঞ্চায়তৰ সচিবক মাতি আলোচনা কৰা নাই। মোৰ তাত যিমান record আছে। জিলা পৰিষদৰ সদস্য সকলে মাতি এখন মিটিঙ পাতক, যে মোৰ জিলা পৰিষদৰ এৰিয়াত কিমানটা PMAY ঘৰ হৈছে, কিমানটা MGNRAGA ৰ কাম হৈছে, তেখেতৰ সোধা right আছে, তেওঁ PWD ক সোধা right আছে, under 90 sub section 3 মতে। তেওঁৰ এলেকাত প্ৰধানমন্ত্ৰী চড়ক যোজনাৰ ৰাস্তা কি কি হ'ল।

এতিয়া qualification কথা কৈছে। মই নিজে ভাৰো যে সাংসদ, বিধায়কৰ qualification থাকিব লাগে, কিন্তু আমাৰ দূৰ্ভাগ্য সেইখিনি আমাৰ হাতত নাই। সেইটো ভাৰত চৰকাৰৰ সংবিধানৰ ১৭৩ ধাৰা মতে বিধান সভাৰ সদস্যসকলৰ qualification টো Election Commission য়ে নিৰ্ধাৰণ কৰে। গতিকে Election Commission য়ে যদি আগন্তুক দিনত minimum qualification এটা নিৰ্ধাৰণ কৰে, মইটো ভালে পাম। গতিকে ভাৰত চৰকাৰে Election Commission ক কেতিয়াবা proposal দিলে, তেতিয়া তেওঁলোকে গ্ৰহণ কৰিব।

ঠিক তেনেকৈ Honorarium ব্যৱস্থাটো চাওঁক। যিসকলে ২০১৬ চনৰ আগত সভাপতি, জিলা পৰিষদৰ সদস্য আছিল, আমি অলপতে তেওঁলোককো honorarium দিছো। জিলা পৰিষদৰ সভাপতি গৰাকীক ১০ হাজাৰকৈ দিয়া হৈছে, উপ-সভাপতি দিয়া হৈছে ৭৫০০ টকাকৈ, সদস্য দিয়া হৈছে ৪ হাজাৰ টকাকৈ, আঞ্চলিক পঞ্চায়ৰ সভাপতিক দিয়া হৈছে ৭৫০০ টকাকৈ, উপ-সভাপতিক দিয়া হৈছে ৫ হাজাৰ টকাকৈ, সদস্য দিয়া হৈছে ৩ হাজাৰ টকাকৈ, গাওঁ পঞ্চায়তৰ সভাপতি দিয়া হৈছে ৫ হাজাৰ টকাকৈ, উপ-সভাপতি দিয়া হৈছে ৩ হাজাৰ টকাকৈ, সদস্যক ২ হাজাৰ টকাকৈ দিয়া হৈছে। এই টকা খিনি মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু বিত্তমন্ত্ৰী ডাঙৰিয়ানীয়ে celling fee কৰি দিছে। অৰুনোদয়ৰ পইচা যেনেকৈ মাহৰ ১০ তাৰিখে হয়, ঠিক তেনেকৈ পঞ্চায়ৰ সভাপতি, সদস্যসকলে অৰুনোদয় দিয়াৰ দিনা ১০ তাৰিখে honorarium পাব।

ঠিক তেনেকৈ ৬ হাজাৰ পৰা ১০ হাজাৰ কৰা কথাটো আগৰ population মতে নিৰ্ধাৰণ কৰা আছিল। গতিকে সেই সময়ত কৰা থাকিলে পাৰে। অখিল গগৈ ডাঙৰীয়াই কৈছে যে এতিয়া নোৱাৰে। এতিয়া আমি কৰিছো যে ৬৮০০ ৰ পৰা ১৩৮০০। এইটো আমি provision অধীন কৰা হৈছে, আইনৰ মন্যতা ৰাখি পেলাই কৰিছো। বাকী আৰু যিখিনি বিষয় থাকিলে সেইখিনি আমাৰ কেইবাটাও সংশোধনী আহিছিল যদিও ....

**শ্ৰীমতী নন্দিতা দাস, (বকো) ঃ** জিলা বন বিষয়াক ৰাখিব লগীয়া বিষয়টো আপুনি একো নকলে। যিহেতু ফৰেষ্ট ভিলেজত সোমাই লৈছে । গতিকে জিলা বন বিষয়াক ৰখাৰ প্ৰয়োজন আছে নহ'লে পৰৱৰ্ত্তী সময়ত বহুতো ক্লেচ হ'ব।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী)** ঃ আমি কৈছো যে জিলা আয়ুক্ত জনক আমি চেয়াৰমেন কৰি দিছো, চি ই অ' জন হৈছে মেম্বাৰ চেক্ৰেটাৰী আৰু ইলেক্সন অফিচাৰ জন হৈছে মেম্বাৰ। তাত যদি ফৰেষ্ট বিষয়া জনৰ যদি প্ৰয়োজন হয় ডি চি য়ে নিশ্চিত ভাৱে মাতিব কাৰণ গোটেই প্ৰক্ৰিয়াটো অকল ডিচি বা তিনিজনে কৰিব নোৱাৰে। বি ডি অ'ই অকল সহায় কৰিব নোৱাৰে। জি পি চি সকলে সহায় কৰিব লাগে। মুঠতে এই প্ৰক্ৰিয়াটোত বহু মানুহ জড়িত হ'ব। বহুতে ইয়াত কৈছে যে সাংসদ বা বিধায়ক সকলক ৰাখিব লাগে কিন্তু আমি সেইটো কৰিব বিচৰা নাই কাৰণ যিহেতু আমাৰ ডিলিমিটেশ্যনৰ ব্যৱস্থা আছে আৰু শাসন প্ৰক্ৰিয়া এটা আছে গতিকে তেওঁলোকৰ ওপৰত আমি অৰ্পণ কৰিছো । আমি তাত জড়িত হ'লে কোনোবাই ক'ব যে ইয়াত বিধায়ক জন থকা কাৰণে সেই এৰিয়াটো এনেকুৱা হ'ল। সেয়েহে আমি তাত বিধায়ক বা সাংসদক জড়িত কৰা নাই ।

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)** ঃ আমি বিধায়ক সকলক ৰাখি ডিলিমিটেশ্যনটো কৰাটো বিচাৰো।

**শ্ৰী ৰঞ্জিত কুমাৰ দাস, (মন্ত্ৰী)** ঃ গতিকে আমি এটা সুন্দৰ ব্যৱস্থাৰে এইটো কৰিছো। যদি আমি অৰুণাচল প্ৰদেশত চাওঁ তাত পঞ্চাশৰ পৰা তিনিশ জনক লৈ কেলকুলেশ্যন কৰা হয় যিহেতু

জনবসতিৰ ঘনত্বৰ ওপৰত কৰা হয় । ঠিক তেনেদৰে বিহাৰত সাত হাজাৰ, চত্তিশগড়ত এক হাজাৰ, গোৱাত পোন্ধৰ শ ৰ পৰা আঠ হাজাৰ, গুজৰাটত সৰ্বনিম্ন তিনি হাজাৰ আৰু অন্ধ্ৰ প্ৰদেশত তিনি হাজাৰৰ পৰা পঞ্চাশ হাজাৰৰ ৰেঞ্জত কেলকুলেশ্যন কৰা হৈছে । গতিকে আমি সিদ্ধান্ত লৈছো যে আমি আমাৰ জি পি নবঢ়াও আৰু জিলা পৰিষদ, আঞ্চলিক পৰিষদৰ সংখ্যাও একেই থাকিব। ধৰা হ'ল কৰবাত তিনিটা ব্লক আছে কিন্তু তাত তিনিটা ব্লকৰ প্ৰয়োজন নাই আৰু কৰবাত যদি এটাও ব্লক নপৰিল তেতিয়া আমি জনসংখ্যাৰ আধাৰত সেইবোৰ ঠিক কৰিম । আমি এঘাৰটা নকৰি দহটা কৰাৰ কাৰণ হৈছে। যেতিয়া এক তৃতীয়াংশ লোকে ন' কনফিডেন্স আনে তেতিয়া এক তৃতীয়াংশই প্ৰপোজেল দিব লাগে আৰু দুই তৃতীয়াংশত গৃহীত হ'ব লাগে। অৰ্থাৎ সাতটাৰ জৰিয়তে গ্ৰহণ হ'ব লাগে। এক তৃতীয়াংশ আৰু দুই তৃতীয়াংশৰ মাজত যদি টাই হয় তেতিয়া প্ৰিজাইডিং অফিচাৰ জনে তেওঁলোকৰ সন্মুখত টচ কৰিব আৰু তেতিয়াহে সিদ্ধান্ত লোৱা হ'ব । গতিকে তাৰ মাজতো আশংকা যিখিনি আছিলে সেইখিনিৰ আমি ব্যৱস্থা কৰিছো । ইয়াৰোপৰি আগন্তুক দিনত যদি সময়ে সময়ে আমি সংশোধনী আনিব পাৰো কিয়নো আমি এইটো আৰম্ভহে কৰিছো যে জটিলতা আতঁৰাই নিকা ভাৱে যাতে কৰিব পাৰো আৰু গাওঁৰ মানুহে অংশগ্ৰহণ কৰাই গাঁৰৰ মানুহৰ ক্ষমতা যাতে গাঁৰৰ মানুহৰ হাতত ৰাখিব পাৰো সেইটো আমাৰ এটা বনাফাইড ইন্টেনশ্যন আছে । আগন্তুক দিনত আমাৰ যদি কৰবাত ভুল হৈ যায় যিহেতু আমিয়েই আইন পাতো, ভাঙো আৰু সংশোধন কৰো আৰু যিহেতু ভাৰতৰ সংবিধানও বহুবাৰ সংশোধন হৈছে তেতিয়া আমি আগন্তুক দিনত সেইখিনি কৰিব পাৰিম বুলি মোৰ দৃঢ় বিশ্বাস আছে। গতিকে আজিৰ এই সুন্দৰ সময়ত যিখন আইন আমি উত্থাপন কৰিছো আশা ৰাখিছো সদনে এইখন গৃহীত কৰিব আৰু আগন্তুক দিনত সংশোধনী থাকিলে আমি সংশোধন কৰি ল'ম । ধন্যবাদ ।

**মাননীয় অধ্যক্ষ** ঃ আমিনুল ইছলাম (কনিষ্ঠ)

**শ্ৰী আমিনুল ইছলাম (কনিষ্ঠ, মানকাচৰ)**ঃ অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়াই জনসংখ্যাৰ ভিত্তি কৰি, বিভিন্ন ৰাজ্যৰ উক্তি দি উত্তৰ প্ৰদান কৰিছে কিন্তু আমাৰ ইয়াত জিলা ভিত্তিত বিভক্ত কৰা হৈছে । বেলেগ ৰাজ্যত জিলা ভিত্তিত বিভক্ত কৰা হোৱা নাই আৰু সকলোতে এটাই নিয়ম। মোৰ প্ৰশ্নটো হৈছে মোৰ জিলাত জনবসতিৰ ঘনত্ব ১১০০ বৰ্গ কিলোমিটাৰ আৰু অসমত হৈছে তিনিশ বাইশ জন। গতিকে এই পাৰ্থক্যটো কেনেকৈ মিলাব । যদি জিলা ভিত্তিত বিভক্ত কৰা হয় তেতিয়া কিছুমান জিলাৰ জনসংখ্যা এখন গাঁও পঞ্চায়তত পঁচিশ হাজাৰ হ'ব, কিছুমানৰ দুই হাজাৰ হ'ব আৰু তেতিয়া সিহতৰ ফাণ্ড কেনেকৈ এলোকেশ্যন কৰিব। গতিকে ঘনত্ব বেছি থকা জিলাত প্ৰতাৰণা কৰা হ'ব । এজন মানুহে ঘনত্ব বেছি থকা জিলাত জন্ম গ্ৰহণ কৰাৰ কাৰণে কম পইছা পাব নেকি গতিকে জিলা ভিত্তিত বিভক্ত হ'ব নালাগে । দ্বিতীয়তে, ডিলিমিটেশ্যন হ'ব তেতিয়া বিধায়ক বা সাংসদ জনে গৈ কেতিয়াও পঞ্চায়ত নিৰ্বাচন নেখেলে । তেওঁলোক যিহেতু সেই অঞ্চলৰ প্ৰতিনিধি আৰু প্ৰত্যেক বছৰে তেওঁ যে জিকি থাকিব সেইটো নহয় আৰু সাংসদ বা বিধায়ক জনে পঞ্চায়ত আইন মতেহে কৰিব তেন্তে সাংসদ বা বিধায়ক জন জৰিত নকৰাৰ অৰ্থটো কি ? গতিকে এই বিষয় দুটাত স্পষ্টীকৰণ লাগে ।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী মহোদয় ।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, অলপ আগতে সন্মানীয় সদস্য ভুৱন পেগু ডাঙৰীয়াই কৈছে যে একোটা একোটা সমষ্টিত কৰবাত ওঠৰ হাজাৰ আছে কৰবাত ছয় হাজাৰ

আছে। গতিকে আমি যদি এই এৰিয়াটো ধৰো তাত যিটো হ'ব আমি সেইটোৰ আধাৰতে কৰিম। যদি ভাৰত চৰকাৰে কয় যে প্ৰত্যেক পঞ্চায়তত পাঁচ হাজাৰকৈ হ'ব লাগিব তেতিয়া অৰুণাচলত এটাও নহ'ব কিয়নো তাত লিখিছে পঞ্চাশ জনৰ পৰা তিশি জন । গতিকে আমি যি সমূহ জিলাত যেনেকুৱা ধৰণৰ জনসংখ্যা সেইটোৰ ওপৰত ভিত্তি কৰি আমি কৰিম আৰু ফাণ্ডৰ ক্ষেত্ৰত আমাৰ ক'বলগীয়া নাই কাৰণ ফাণ্ড জনসংখ্যাৰ আধাৰতেই যাব যেনেদৰে পৌৰ নিগমৰ ফাণ্ড যায়। যেনে গোবৰ্ধনা বুলি এখন জি পি আছে তাত মাত্ৰ ভোটাৰ আছে বাৰ শ জন আৰু সৰভোগত অন্য এটা জি পি আছে তাত ভোটাৰ আছে পাঁচ হাজাৰ নে ছয় হাজাৰ গতিকে এই পাঁচ হাজাৰ বা ছয় হাজাৰ গতিকে সৰভোগত থকা জি পি খনতকৈ গোবৰ্ধনাই কম পায় কিয়নো এইটো জনসংখ্যাৰ ভিত্তিত হয় ।

**শ্ৰী আমিনুল ইছলাম (কনিষ্ঠ, মানকাচৰ)** ঃ অধ্যক্ষ মহোদয়, এই বিভাজনটো ৰাজ্য ভিত্তিক হ'ব নে জিলা ভিত্তিক হ'ব? জনসংখ্যাৰ গাঠনিৰ যিটো অনুমোদিত পুঁজি এইটো ৰাজ্য ভিত্তিক হ'ব নে জিলা ভিত্তিক হ'ব? আজি কাৰ্বি আংলংত প্ৰতি বৰ্গ কিলোমিটাৰত হৈছে ৩২ আৰু মোৰ সমষ্টি মানকাচাৰত এঘাৰ শ গতিকে এই জনসংখ্যাৰ গাঠনিটো ৰাজ্য ভিত্তিক হ'ব নে জিলা ভিত্তিক হ'ব এই কথাটো স্পষ্ট কৰিব লাগে যে সৰ্বমুঠ অনুমোদিত পুঁজি হৰণ ৰাজ্যৰ জনসংখ্যা। এইদৰে যদি এলোকেশ্যটো ভাগ কৰা হয় তেতিয়াহ'লে সেই মানুহ খিনিক ন্যায় দিয়া হ'ব । অন্যথা কিছুমান জিলাত প্ৰতাৰণা কৰা হ'ব আৰু কিছুমান জিলাত অতিৰিক্ত মুনাফা পাব ।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী)** ঃ এইটো ৰাজ্য ভিত্তিক হ'ব য'ত জনসংখ্যা বেছি থাকিব আৰু তাত ফাণ্ডটো বেছি থাকিব । প্ৰিঞ্চিপল এক্তত এইখিনি আছে আৰু সেইখিনি চালে বুজি পাব ।

**শ্ৰী আমিনুল ইছলাম (কনিষ্ঠ, মানকাচৰ)** ঃ সাংসদ আৰু বিধায়ক সোমাব নে নাই সেইটো স্পষ্ট কৰি দিব লাগে ।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী)** ঃ মই বিচাৰো যে এইটোত জড়িত নোহোৱা ভাল কাৰণ কিয় যেতিয়া ডিলিমিটেচনৰ খচৰা ওলাব তেতিয়া তাত যদি কিবা কেৰোণ থাকে তেতিয়াটো আপোনালোকে জড়িত হ'বই। আগতীয়াকৈ যদি আমি তাত সোমাই থাকো মই ভাবো, আমাৰ যিটো চিন্তা-চৰ্চা চলি আছে যে আমি লাহে লাহে politics মুক্ত কৰাইছো। যেনেকৈ এইবাৰ GP ৰ Level ত কৰি আছো। GP ৰ লেভেল কৰাৰ আগে আগে politically যদি MP, MLA delimitation Committee ত সোমাই থাকো, আমাৰ যিটো intention সেই intesion টো sharp হ'ব।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** চাৰ, এটা কথা qualification অনা হৈছে ভাল কথা। হাইয়াৰ চেকেণ্ডাৰী মেট্ৰিকৰ ক্ষেত্ৰত. ভাল পৰিৱেশ এটা অনাৰ কাৰণে। আমি এইটো কৰিব পাৰো নেকি যে আজি কিবা এটা resolution লৈ Minimum qualification কাৰণে পঠাব পাৰে নেকি Central Governement লৈ।

**মাননীয় অধ্যক্ষ** ঃ Not related.

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** চাৰ, মোৰ কথাৰ উত্তৰ পোৱা নাই।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী)** ঃ আপুনি election commissioner ৰলৈ চিঠি লিখিলেই হ'ল।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া বিধেয়কখন দফাই দফাই বিবেচনাৰ বাবে লোৱা হ'ব। ২ নং দফাত সংশোধনী প্ৰস্তাৱ নাই। ২ নং দফা বিধেয়কখনৰ অংশ হ'ব। এতিয়াপ্ৰস্তাৱটো হ'ল যিসকল মাননীয়

সদস্য-সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক হয়, যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক নহয়, মই ভাবো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ২ নং দফাটো বিধেয়কখন অংশ হ'ল। ৩ নং দফাত মাননীয় সদস্য শ্ৰীআব্দুৰ ৰচিদ মণ্ডল ডাঙৰীয়া লগতে তেখেতৰ সহযোগী সকলৰ নামত এটা সংশোধনী প্ৰস্তাৱ আছে। এইটো উঠাই ল'লে। ৩ নং দফাটো বিধেয়কখন অংশ হ'ব। প্ৰস্তাৱটো হ'ল যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক হয়, যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক নহয়, মই ভাবো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ৩ নং দফাটো বিধেয়কখন অংশ হ'ল। ৪ নং দফাত মাননীয় সদস্য শ্ৰীআব্দুৰ ৰচিদ মণ্ডল ডাঙৰীয়াৰ লগতে শ্ৰীকমলাক্ষ্য দে পুৰকায়স্থ ডাঙৰীয়াআৰু সহযোগী সকলৰ amendment আছে আপোনালোকে উঠাই ললে। এতিয়া ৪ নং দফাটো বিধেয়কখন অংশ হ'ব। প্ৰস্তাৱটো হ'ল যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক হয়, যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক নহয়, মই ভাবো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ৪ নং দফাটো বিধেয়কখন অংশ হ'ল। ৫ নং দফাত মাননীয় সদস্য শ্ৰীআব্দুৰ ৰচিদ মণ্ডল ডাঙৰীয়া আৰু তেখেতৰ সহযোগী সকলৰ নামত এটা আৰু শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) ডাঙৰীয়াৰ নামত এটা মুঠ দুটা সংশোধনী প্ৰস্তাৱ আছে, আপোনালোকে উঠাই ল'লে। ৫ নং দফাটো বিধেয়কখন অংশ হ'ব।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটোত devision বিচাৰিছো। ৫ নং দফাটো district wise ABC category কৰিছে আমি মানি লোৱাৰ নাই আৰু এইটো সদায় অসুবিধা হ'ব গোটেই অসমত ৮ হাজাৰৰ পৰা ১২ হাজাৰ population ভিতৰত de-limitation হোৱাটো বিচাৰিছো। এইটো মানি ল'বলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ কিবা আছে নেকি?

**শ্ৰীআব্দুৰ ৰচিদ মণ্ডল, (পশ্চিম গোৱালপাৰা)** ঃ চাৰ, এইটো উঠাই লোৱাত আপত্তি আছে। চাৰ ইতিমধ্যে আমি দেখা পাইছো আৰু মই ভাবো যে এইটো সংবিধানৰ মুল দফা আৰু এইটো পৰিপন্থী। Article 170 ৰ পৰিপন্থী।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই মাননীয় সদস্য শ্ৰী আব্দুৰ ৰচিদ মণ্ডল আৰু তেখেতৰ সহযোগী সকল আৰু লগতে শ্ৰীআমিনুল ইছলাম ডাঙৰীয়াই দিয়া সংশোধনী প্ৰস্তাৱ দাঙি ধৰিলো। যিসকল মাননীয় সদস্য-সদস্যা সংশোধনী দুটাৰ সপক্ষে আছে, তেখেতসকলে কওঁক হয়, যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক নহয়, মই ভাবো, নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে সংশোধনী দুটা নাকচ হ'ল।৫ নং দফাটো বিধেয়কখন অংশ হ'ব। প্ৰস্তাৱটো হ'ল যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক হয়, যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক নহয়, মই ভাবো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ৫ নং দফাটো বিধেয়কখন অংশ হ'ল। ৬ নং দফাত মাননীয় সদস্য শ্ৰীদেৱব্ৰত শইকীয়া ডাঙৰীয়াৰ লগতে তেখেতৰ সহযোগী সকলৰ নামত এটা আৰু শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) ডাঙৰীয়াৰ নামত এটা মুঠ দুটা সংশোধনী প্ৰস্তাৱ আছে, আপোনালোকে উঠাই ল'লে। ৬ নং দফাটো বিধেয়কখন অংশ হ'ব। প্ৰস্তাৱটো হ'ল যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক হয়, যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক নহয়, মই ভাবো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ৬ নং দফাটো বিধেয়কখন অংশ হ'ল। ৭ নং দফাত মাননীয় সদস্য শ্ৰীকমলাক্ষ্য দে পুৰকায়স্থ ডাঙৰীয়াৰ নামত এটা আৰু শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) ডাঙৰীয়া আৰু তেখেতৰ সহযোগী সকলৰ নামত এটা মুঠ দুটা সংশোধনী প্ৰস্তাৱ আছে। আপোনালোকে সংশোধনী দুটা উঠাই ল'লে। ৭ নং দফাটো

বিধেয়কখন অংশ হ'ব।

**শ্ৰীনুৰুল হুদা, (ৰূপহীহাট) ঃ** চাৰ, আমি এইটো উঠাই নলওঁ। আমি পুণৰ বিবেচনাৰ কাৰণে আহ্বান জনাইছো এই দফাটো যাতে বিবেচনা কৰে মন্ত্ৰী মহোদয়ে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰীকমলাক্ষ্য দে পুৰকায়স্থ ডাঙৰীয়াৰ আৰু শ্ৰী আমিনুল ইছলাম ডাঙৰীয়া আৰু সহযোগী সকলে দিয়া সংশোধনী। শ্ৰীকমলাক্ষ্য দে পুৰকায়স্থই move কৰিব লাগিব। শ্ৰীকমলাক্ষ্য দে পুৰকায়স্থৰ নামত আছে। বেলেগে কৰিব নোৱাৰিব। তেখেত absent. গতিকে এইটো উঠাই ল'লে। ৭ নং দফাটো বিধেয়কখন অংশ হ'ব। প্ৰস্তাৱটো হ'ল যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক হয়, যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক নহয়, মই ভাবো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ৬ নং দফাটো বিধেয়কখন অংশ হ'ল। ৮ নং দফাটো সংশোধনী প্ৰস্তাৱ নাই। ৮ নং দফাটো বিধেয়কখন অংশ হ'ব। প্ৰস্তাৱটো হ'ল যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক হয়, যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক নহয়, মই ভাবো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ৮ নং দফাটো বিধেয়কখন অংশ হ'ল। ৯ নং দফাত মাননীয় সদস্য শ্ৰীআব্দুৰ ৰচিদ মণ্ডল ডাঙৰীয়া আৰু তেখেতৰ সহযোগীৰ নামত এটা শ্ৰী ইছলাম (জ্যেষ্ঠ) ডাঙৰীয়া আৰু তেখেতৰ সহযোগীৰ নামত এটা মুঠ দুটা সংশোধনী প্ৰস্তাৱ আছে। মই ভাবো আপোনালোকে সংশোধনী প্ৰস্তাৱ উঠাই ল'লে। ৯ নং দফাটো বিধেয়কখন অংশ হ'ব। প্ৰস্তাৱটো হ'ল যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক হয়।

**শ্ৰীআব্দুৰ ৰচিদ মণ্ডল, (পশ্চিম গোৱালপাৰা)** ঃ চাৰ, এইটো মই উঠাই ল'ব নোৱাৰো। কাৰণ যিকোনো আমি State Assembly য়ে সংবিধানৰ বিৰূদ্ধে গৈ যিকোনো আমি ইয়াত আমি বিল পাছ কৰিব নোৱাৰো।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰীমণ্ডল ডাঙৰীয়া আৰু তেখেতৰ সহযোগী সকলৰ সংশোদধী প্ৰস্তাৱ দাঙি ধৰিলো। যিসকল মাননীয় সদস্য-সদস্যা সংশোধনী দুটাৰ সপক্ষে আছে, তেখেতসকলে কওঁক হয়, যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক নহয়, মই ভাবো, নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে সংশোধনী দুটা নাকচ হ'ল। ৯ নং দফাটো বিধেয়কখন অংশ হ'ব। এতিয়া প্ৰস্তাৱটো হ'ল যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক হয়, যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক নহয়, মই ভাবো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ৯ নং দফাটো বিধেয়কখন অংশ হ'ল। ১০ নং দফাত মাননীয় সদস্য শ্ৰীদেৱব্ৰত শইকীয়া ডাঙৰীয়াৰ আৰু তেখেতৰ সহযোগী সকলৰ নামত এটা সংশোধনী প্ৰস্তাৱ আছে, উঠাই লৈছে। মাননীয় সদস্য শ্ৰীদেৱব্ৰত শইকীয়া ডাঙৰীয়া আৰু সহযোগী সকলে দিয়া সংশোধনী প্ৰস্তাৱ দাঙি ধৰিলো। যিসকল মাননীয় সদস্য-সদস্যা সংশোধনীৰ সপক্ষে আছে, তেখেতসকলে কওঁক হয়, যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক নহয়, মই ভাবো, নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে সংশোধনীটো নাকচ হ'ল.১০ নং দফাটো বিধেয়কখন অংশ হ'ব। এতিয়া যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক হয়, যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক নহয়, মই ভাবো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ১০ নং দফাটো বিধেয়কখনৰ অংশ হ'ল। ১১ নং দফাত মাননীয় সদস্য শ্ৰীআব্দুৰ ৰচিদ মণ্ডল ডাঙৰীয়া আৰু তেখেতৰ সহযোগীৰ নামত এটা সংশোধনী প্ৰস্তাৱ আছে, আপুনি উঠাই ল'ব।

**শ্ৰীআব্দুৰ ৰচিদ মণ্ডল, (পশ্চিম গোৱালপাৰা)** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, মন্ত্ৰী মহোদয়ে তেখেতৰ

ভাষণত taxation on private makets ওপৰত একো মন্তব্য নিদিলে.

**মাননীয় অধ্যক্ষ ঃ** আপুনি move কৰিবনে, উঠাই ল'ব।

**শ্ৰীআব্দুৰ ৰচিদ মণ্ডল, (পশ্চিম গোৱালপাৰা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যিহেতু মন্ত্ৰী মহোদয়ে এই বিষয়ে একো কোৱাই নাই , উঠাই নলওঁ।

**মাননীয় অধ্যক্ষ ঃ** আপুনি উঠাই নলয়, ঠিক আছে। মাননীয় সদস্য শ্ৰীআব্দুৰ ৰচিদ মণ্ডল ডাঙৰীয়া আৰু তেখেতৰ সহযোগী সকলে দিয়া সংশোধনী প্ৰস্তাৱটো দাঙি ধৰিলো। যিসকল মাননীয় সদস্য-সদস্যা সংশোধনীটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক হয়, যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক নহয়, মই ভাবো, নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে সংশোধনীটো নাকচ হ'ল। ১১ নং দফাটো বিধেয়কখন অংশ হ'ব। এতিয়া প্ৰস্তাৱটো হ'ল যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক হয়, যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক নহয়, মই ভাবো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ১১ নং দফাটো বিধেয়কখন অংশ হ'ল।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, এটা clearification কৰি দিছে অলপ আগতে বহু কেইজন বক্তাই কৈছে যে বিভিন্ন্ ধৰণৰ tax collect কৰা হ'ব এইটো হৈছে private market.

**মাননীয় অধ্যক্ষ ঃ** এতিয়া নালাগে। ১২ ৰ পৰা ১৬ নং দফাকেইটাত সংশোধনী প্ৰস্তাৱ নাই। ১২ ৰ পৰা ১৬ নং দফাকেইটা বিধেয়কখনৰ অংশ হ'ব। এতিয়া প্ৰস্তাৱটো হ'ল যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক হয়, যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক নহয়, মই ভাবো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ১২ ৰ পৰা ১৬ নং দফাকেইটা বিধেয়কখনৰ অংশ হ'ল. ১৭ নং দফাত মাননীয় সদস্য শ্ৰীদেৱব্ৰত শইকীয়া ডাঙৰীয়া আৰু তেখেতৰ সহযোগী সকলৰ নামত এটা সংশোধনী প্ৰস্তাৱ আছে, গতিকে আপোনালোকে উঠাই নলয়। মই মাননীয় সদস্য শ্ৰীদেৱব্ৰত শইকীয়া ডাঙৰীয়া আৰু তেখেতৰ সহযোগী সকলে দিয়া সংশোধনী প্ৰস্তাৱটো দাঙি ধৰিলো। যিসকল মাননীয় সদস্য-সদস্যা সংশোধনীটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক হয়, যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক নহয়, মই ভাবো, নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে সংশোধনীটো নাকচ হ'ল। ১৭ নং দফাটো বিধেয়কখন অংশ হ'ব। প্ৰস্তাৱটো হ'ল যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক হয়, যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক নহয়, মই ভাবো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ১৭ নং দফাকেইটা বিধেয়কখনৰ অংশ হ'ল. ১৮ আৰু ১৯ নং দফা দুটাত সংশোধনী প্ৰস্তাৱ নাই ১৮ আৰু ১৯ দফা দুটা বিধেয়কখনৰ অংশ হ'ব। এতিয়া প্ৰস্তাৱটো হ'ল যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক হয়, যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক নহয়, মই ভাবো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ১৮ আৰু ১৯ নং দফা দুটা বিধেয়কখনৰ অংশ হ'ল। ২০ নং দফাত মাননীয় সদস্য শ্ৰীকমলাক্ষ্য দে পুৰকায়স্থ ডাঙৰীয়াৰ এটা সংশোধনী প্ৰস্তাৱ আছে তেখেত absent গতিকে ২০ নং দফাটো বিধেয়কখনৰ অংশ হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ২০ নং দফাটো বিধেয়কৰ অংশ হ'ব।

এতিয়া প্ৰশ্নটো হ'ল-

যিসকল মাননীয় সদস্য-সদস্যা

সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
(সদনে সন্মতি প্ৰদান কৰে)।
মই ভাবো 'হয়'ৰ সপক্ষে 'হয়'ৰ সপক্ষে

২০ নং দফাটো বিধেয়কৰ অংশ হ'ল। ২১ নং দফাত মাননীয় মন্ত্ৰী মহোদয়ৰ এটা সংশোধনী আছে। মাননীয় মন্ত্ৰী ডাঙৰীয়াক মই প্ৰস্তাৱটো উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Sir, I beg to move that in clause-21 of sub-clause 531 of the proposed Bill the word, the Members or Members of the political party shall be substitute by the following word in case of Jila Parishad Member or Members of the political party.

**মাননীয় অধ্যক্ষ ঃ** মই মাননীয় মন্ত্ৰী শ্ৰী ৰঞ্জিত কুমাৰ দাস ডাঙৰীয়াই উত্থাপন কৰা সংশোধনী প্ৰস্তাৱটো সদনত দাঙি ধৰিলো।

যিসকল মাননীয় সদস্য-সদস্যা
সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
(সদনে সন্মতি প্ৰদান কৰে)।
মই ভাবো 'হয়'ৰ সপক্ষে 'হয়'ৰ সপক্ষে
প্ৰস্তাৱটো গৃহীত হ'ল।

২১ নং দফাটো বিধেয়কৰ অংশ হ'ব।
এতিয়া প্ৰশ্নটো হ'ল-

যিসকল মাননীয় সদস্য-সদস্যা
সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
(সদনে সন্মতি প্ৰদান কৰে)।
মই ভাবো 'হয়'ৰ সপক্ষে 'হয়'ৰ সপক্ষে

২১ নং দফাটো বিধেয়কৰ অংশ হ'ল। ২২ নং দফাত মাননীয় সদস্য কমলাক্ষ্য পুৰকায়স্থ দেৱৰ নামত এটা সংশোধনী প্ৰস্তাৱ আছে। তেখেত অনুপস্থিত। সেয়েহে
২২ নং দফাটো বিধেয়কৰ অংশ হ'ব।
এতিয়া প্ৰশ্নটো হ'ল-

যিসকল মাননীয় সদস্য-সদস্যা
সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
(সদনে সন্মতি প্ৰদান কৰে)।
মই ভাবো 'হয়'ৰ সপক্ষে 'হয়'ৰ সপক্ষে

২২ নং দফাটো বিধেয়কৰ অংশ হ'ল।
২৩ নং দফাত মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়া আৰু তেখেতৰ সহযোগীৰ নামত

আৰু শ্ৰী আমিনুল ইছলাম ডাঙৰীয়াৰ নামত দুটা সংশোধনী আছে। মই সংশোধনী দুটা সদনত দাঙি ধৰিলো।

যিসকল মাননীয় সদস্য-সদস্যা
সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
(সদনে সন্মতি প্ৰদান নকৰে)।
মই ভাবো 'নহয়'ৰ সপক্ষে 'নহয়'ৰ সপক্ষে
সংশোধনী দুটা নাকচ হ'ল।

২৩ নং দফাটো বিধেয়কৰ অংশ হ'ব।
এতিয়া প্ৰশ্নটো হ'ল-

যিসকল মাননীয় সদস্য-সদস্যা
সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
(সদনে সন্মতি প্ৰদান কৰে)।
মই ভাবো 'হয়'ৰ সপক্ষে 'হয়'ৰ সপক্ষে

২৩ নং দফাটো বিধেয়কৰ অংশ হ'ল।
২৪ নং দফাত সংশোধনী প্ৰস্তাৱ নাই।
২৪ নং দফাটো বিধেয়কৰ অংশ হ'ব।
এতিয়া প্ৰশ্নটো হ'ল-

যিসকল মাননীয় সদস্য-সদস্যা
সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
(সদনে সন্মতি প্ৰদান কৰে)।
মই ভাবো 'হয়'ৰ সপক্ষে 'হয়'ৰ সপক্ষে

২৪ নং দফাটো বিধেয়কৰ অংশ হ'ল।
১ নং দফা পৰিসৰ আৰু আৰম্ভণত সংশোধনী প্ৰস্তাৱ নাই।
প্ৰশ্নটো হ'ল-১ নং দফা পৰিসৰ আৰু আৰম্ভণ বিধেয়কৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা
সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
(সদনে সন্মতি প্ৰদান কৰে)।
মই ভাবো 'হয়'ৰ সপক্ষে 'হয়'ৰ সপক্ষে
১ নং দফা পৰিসৰ আৰু আৰম্ভণ বিধেয়কৰ অংশ হ'ল।

এতিয়া মাননীয় মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস ডাঙৰীয়াই বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ কৰিবৰ বাবে অনুৰোধ জনালো।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই বিধেয়কখন পাৰিত কৰাৰ বাবে অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** মান্ত্ৰী ডাঙৰীয়াৰ প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল-The Assam Panchayat Amendment Bill, 2023 বিধেয়কখন পাৰিত কৰা হওঁক।

যিসকল মাননীয় সদস্য-সদস্যা
সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
(সদনে সন্মতি প্ৰদান কৰে)।
মই ভাৱো 'হয়'ৰ সপক্ষে 'হয়'ৰ সপক্ষে
প্ৰস্তাৱটো পাৰিত কৰা হ'ল আৰু বিধেয়কখন পাৰিত কৰা হ'ল।

এতিয়া The Nagaon University Bill, 2023. ৰাজ ভৱনৰ পৰা এটা বাণী আছে। বাণীটো হ'ল-Under the provision of Article-207 (3) of the constitution of India, I Gulab Chand Kataria Governor of Assam recommended The Nagaon University Bill, 2023 be taken into consideration by the Assam Legislative Assembly. মই মাননীয় মন্ত্ৰী ৰণোজ পেগু ডাঙৰীয়াক বিধেয়কখন বিবেচনা কৰিবৰ বাবে প্ৰস্তাৱ আগবঢ়াবলৈ অনুৰোধ কৰিলো।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, শিক্ষা ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে The Nagaon University Bill, 2023 বিধেয়কখন বিবেচনা কৰিবৰ বাবে সদনত অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** The Nagaon University Bill, 2023 বিধেয়কখন বিবেচনা কৰিবৰ বাবে সদনত দাঙি ধৰিলো। প্ৰশ্নটো হ'ল-বিধেয়েকখন বিবেচনা কৰাত সদনৰ সন্মতি আছেনে?

যিসকল মাননীয় সদস্য-সদস্যা
সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
(সদনে সন্মতি প্ৰদান কৰে)।
মই ভাৱো 'হয়'ৰ সপক্ষে 'হয়'ৰ সপক্ষে

প্ৰস্তাৱটো গৃহীত হ'ল। এতিয়া আলোচনা কৰা হ'ব। প্ৰথমতে ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়া কওঁক। আমাৰ বহুখিনি ইউনিভাৰ্চিটি বিল আছে। আমি বাৰে বাৰে আলোচনা নকৰো। মুভ কৰা হ'ব। আপোনালোকে In general discussion কৰক। আমি নগাওঁৰ নামতেই কৰিম। ইয়াৰ ওপৰতেই ৰিপ্লাই দিব আৰু ইয়াৰ পিছত আমি direct সকলো বিল দিম।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ চৰকাৰে প্ৰায় ৬ টা নতুন ইউনিভৰ্চিটি বিল আনিছে। তাৰে নগাওঁ ইউনিভাৰ্ছিটিৰ ওপৰত In general discussion হ'ব আৰু তাত সকলোখিনি সামৰি ল'ব। আমাৰ ৬ খন নতুন ইউনিভাৰ্চিটি হৈছে- নগাওঁ ইউনিভাৰ্চিটি, গুৰুচৰণ ইউনিভাৰ্চিটি, বঙাইগাওঁ ইউনিভাৰ্চিটি, জগন্নাথ বৰুৱা ইউনিভাৰ্চিটি, নৰ্থ লখিমপুৰ ইউনিভাৰ্চিটি, শিৱসাগৰ ইউনিভাৰ্চিটি। চৰকাৰে অসমত নতুনকৈ ইউনিভাৰ্চিটি খুলিব বিচাৰিছে। আমি সেইটো ভাল পাইছো। আমাৰ ইয়াত সমৰ্থন আছে। বাকী সকলো ইউনিভাৰ্চিটি এমেণ্ডমেণ্ট আহিছে। আমি চৰকাৰৰ পৰা জানিব বিচাৰিছো যে ইউনিভাৰ্চিটি হ'বৰ বাবে কেনেধৰণৰ আন্তঃগাঁথনি লাগে। এই ৬ খন নতুন ইউনিভাৰ্চিটি যে আপোনলোকে খুলিব ওলাইছে সেইখিনি

আগতে কলেজ আছিল। তাত আচলতে প্ৰয়োজনীয় আন্তঃগাঁথনি আছে নে নাই। সেইটো হেছে প্ৰথম কথা। দ্বিতীয় কথাটো হৈছে, তাত ৰেজিষ্টাৰৰ নিযুক্তি কেনেকৈ দিব? কাৰণ এই কলেজবোৰত এতিয়া প্ৰিঞ্চিপাল আছে। কিছুমান প্ৰিঞ্চিপাল ২ মাহ বা ৩ মাহত অৱসৰ গ্ৰহণ কৰিব আৰু তাৰ পিছত তাত ৰেজিষ্টাৰ নিযুক্তি দিব পাৰিব। কিন্তু কিছুমান কলেজত প্ৰিঞ্চিপালৰ কাৰ্য্যকাল ২-৩ বছৰ আছে। তাত ৰেজিষ্টাৰ কোন হ'ব আৰু প্ৰিঞ্চিপাল কোন হ'ব সেই কথাটো জানিব বিচৰিছো। মাজতে অসম চৰকাৰে ৫ খন ইউনিভাৰ্চিটিত ৫ জন ভাইচ চেঞ্চেলৰৰ নিযুক্তি দিছিল আৰু আটাই কেইজন বাহিৰৰ পৰা আনিছিল। অসমত ভাইচ চেঞ্চেলৰ হ'ব পৰা যোগ্যতা থকা মানুহ নাই নেকি? আপোনালোকে যে ৬খন ইউনিভাৰ্চিটি খুলিব তাৰে ভাইচ চেঞ্চেলৰ বাহিৰৰ পৰা আনিব নে অসমৰ যোগ্যতা থকা মানুহ বিচাৰি নিযুক্তি দিব। এই ইউনিভাৰ্চিটি সমূহৰ যিসমূহ Executive Code হ'ব তেওঁলোকৰ ৰি-প্ৰেজেণ্টেশ্যনটো কেনেকুৱা হ'ব? আৰু এই নতুন ইউনিভাৰ্চিটি সমূহৰ Jurisdiction টো ক'ৰ পৰা কেনেকুৱা হ'ব? তাৰোপৰি কোন কোন কলেজ তেওঁলোকৰ অধীনত Affilated হ'ব। এই নতুন ইউনিভাৰ্চিটি সমূহে UGC Guideline follow কৰিব নে আপোনালোকে নতুন Guideline আনিব? নতুন ইউনিভাৰ্চিটিৰ ক্ষেত্ৰত মই এইখিনি কথা ক'লো। যিহেতু আমি শিক্ষাবিভাগৰ ওপৰত In general discussion কৰিব পাৰো। অসমত মিচিং, ৰাভা, দেউৰী, তিৱা, কাৰ্বি, গাৰো সকলো সাহিত্য সভাই মিলি এটা সংগঠন খুলিছে- ইণ্ডিজিনিয়াচ সাহিত্য সভা। এই সাহিত্য সভাই কৈ আছে যে পঞ্চম শ্ৰেণীলৈ মিচিং, ৰাভা, দেউৰী, তিৱা, ডিমাচা তেওঁলোকক শিক্ষাৰ মাধ্যমটো তেওঁলোকৰ মাধ্যমত দিব লাগে। জনতা ভৱনৰ বিত্ত বিভাগৰ Conferance Hall ত 7-2-2022 ত এখন মিটিং হৈছিল আৰু তাৰ মাইনোটচ খন চৰকাৰে গ্ৰহণ কৰিছিল। সেই মানোটচৰ ২ নম্বৰত লিখা আছে যে পঞ্চম শ্ৰেণীলৈ মিচিং, ৰাভা, দেউৰী, তিৱা, ডিমাচা তেওঁলোকক শিক্ষাৰ মাধ্যম কৰা হওঁক। কিন্তু এইখিনি শিক্ষাৰ মাধ্যম কৰাৰ বাবে কেবিনেটত এতিয়ালৈকে সিদ্ধান্ত গ্ৰহণ কৰা নাই। ২২-৮-২০২২ ত আপোনালোকে Assam Administrative College, Khanapara ত আকৌ ইণ্ডিজিনিয়াচ সাহিত্য সভাৰ লগত মিটিং কৰিছিল আৰু তাতেও এইটো মাইনাচ হৈছিল। কিন্তু আপোনালোকে সেইটো শিক্ষাৰ মাধ্যম নকৰিলে। ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ ভাষাৰ ক্ষেত্ৰত এইটো সিদ্ধান্ত লৈছিল যে শিক্ষাদানৰ ভাষা পঞ্চম শ্ৰেণীলৈ ঘৰুৱা ভাষাত হ'ব লাগে আৰু সম্ভৱ হ'লে অষ্টম শ্ৰেণীলৈ মাতৃভাষাৰ মাধ্যমত শিক্ষাদান কৰিব লাগে। অসম চৰকাৰে কৰা নাই। ২০১৬ চনত নিৰ্বাচনৰ আগতে কিন্তু অসম চৰকাৰে কৰা নাই। ২০১৯ চনত নিৰ্বাচনৰ আগত, মই তাৰিখটো পাহৰিছো, জোনাইত TMPK, MAK ৰ অধিবেশন হৈছিল। তাত মাননীয় মুখ্যমন্ত্ৰী মহোদয় মুখ্য অতিথি আাছিল। তেতিয়া তাত তেওঁ কৈছিল যে চৰকাৰে পঞ্চম শ্ৰেণীলৈকে মিচিং, ৰাভা, টিৱা, দেউৰী ভাষাক শিক্ষাৰ মাধ্যম কৰিব। তাৰ পিছত মৰিগাঁৱত, গণৰাজ্য দিৱস নে স্বাধীনতা দিৱস আছিল পাহৰিছো, তাত তেওঁ পতাকা উত্তোলন কৰিব গৈছিল আৰু কৈছিল যে মিচিং, ৰাভা, টিৱা, দেউৰী ভাষাক পঞ্চম শ্ৰেণীলৈকে শিক্ষাৰ মাধ্যম কৰা হ'ব। কিন্তু, এতিয়ালৈ কৰা নাই। তাৰ পিছত ৩০ মে' ২০২৩ ত গোগামুখত Mising Agom Kebang ৰ ২৪ সংখ্যক সাধাৰণ অধিবেশন হৈছিল য'ত ২০ হাজাৰ মিচিং ৰাইজ গোট খাইছিল। মোকো তালৈ নিমন্ত্ৰণ কৰিছিল কিন্তু মই যাব নোৱাৰিলো। তাত মাননীয় মুখ্যমন্ত্ৰী, শিক্ষা মন্ত্ৰী গৈছিল আৰু ২০ হাজাৰ মানুহৰ আগত মুখ্যমন্ত্ৰী মহোদয়ে কৈছিল যে মিচিং, ৰাভা, টিৱা, দেউৰী ভাষাক পঞ্চম শ্ৰেণীলৈকে শিক্ষাৰ মাধ্যম কৰিব। কিন্তু, কেবিনেটে মিটিং পতাই নাই। কেবিনেট মিটিং নপতাকৈ ১৯ জুন ২০২৩ তাৰিখে সমগ্ৰ শিক্ষাৰ

কাৰ্য্যবাহী সঞ্চালকে এটা অৰ্ডাৰ উলিয়াইছিল যে মিচিং ভাষাটো পঞ্চম শ্ৰেণীলৈকে language হ'ব medium নহয়। কিন্তু, Mising Agom Kebang, ৰাভা সাহিত্য সভা, টিৱা সাহিত্য সভা আৰু দেউৰী সাহিত্য সভাই medium বিচাৰিছিল। Indigenous Tribal সাহিত্য সভাই demand কৰিছিল যে মিচিং, ৰাভা, টিৱা, দেউৰীক পঞ্চম শ্ৰেণীলৈকে, কাৰ্বি ভাষাক অষ্টম শ্ৰেণীলৈকে আৰু বড়ো ভাষাক দ্বাদশ শ্ৰেণীলৈকে শিক্ষাৰ মাধ্যম কৰিব লাগে। আপোনালোকে বড়ো ভাষাক দ্বাদশ শ্ৰেণীলৈকে শিক্ষাৰ মাধ্যম কৰিলে, সেইটো আমি ধন্যবাদ জনাইছো আৰু আমি ভাল পাইছো। কিন্তু মিচিং, ৰাভা, টিৱা, দেউৰী, গাৰো, কাৰ্বিয়ে কি অপৰাধ কৰিলে যে তেওঁলোকক দিয়া নাই। আপোনালোকে কেবিনেটত চাওতালী ভাষা দিছে কিন্তু চাওতালী ভাষাই কোনো দিনেই মাধ্যম বিচৰা নাছিল। তাৰ পিছতো ইয়াক শিক্ষাৰ মাধ্যম কৰিলে কিন্তু মিচিং, ৰাভা, টিৱা, দেউৰী ভাষাৰ কথা কেবিনেটত নাহিল। ২৪ মে' ২০২৩ তাৰিখে মিচিং , ৰাভা, টিৱা, দেউৰীৰ Indigenous organization এ মুখ্যমন্ত্ৰী মহোদয়ক স্মাৰক পত্ৰ দিছিল আৰু তেতিয়াও মুখ্যমন্ত্ৰী মহোদয়ে হ'ব বুলি কৈছিল কিন্তু এতিয়ালৈ হোৱা নাই। Karbi Anglong Autonomous Council এ resolution লৈ অসম চৰকাৰলৈ পঠাইছিল যে কাৰ্বি ভাষাক অষ্টম শ্ৰেণীলৈ medium of instruction কৰিব লাগে আৰু কাৰ্বি আংলঙৰ যিবোৰ টিৱা মানুহ আছে, তেওঁলোকৰ বাবে টিৱা ভাষা পঞ্চম শ্ৰেণীলৈকে শিক্ষাৰ মাধ্যম কৰিব লাগে। অতি পৰিতাপৰ বিষয় যে আমাৰ মাননীয় শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু এটা বেলেগ পৰিৱেশৰ পৰা আহিছে। তেওঁ Mising Mimag Kebang ৰ সভাপতি আছিল। তেওঁলোকে 6th Schedule বিচাৰি-'No 6th Schedule, No Race' বুলি দাবী কৰিছিল। তাত মিচিঙৰ ভাষা, সংস্কৃতি, আলি আয়ে লৃগাং গোটেইবোৰ আছিল। কিন্তু তেখেতে বিজেপিত যোগদান কৰাৰ পিছত, শিক্ষা মন্ত্ৰী হোৱাৰ পিছত তেওঁৰ অতীত বুৰঞ্জী পাহৰি পেলাইছে। মিচিং ভাষাক আপুনি কিয় ইমান বেয়া পায়? ৰাভা, দেউৰী, টিৱাক আপুনি কিয় বেয়া পায়? চাওতালী ভাষা, বড়ো ভাষা দিব পাৰিছে, গাৰো ভাষাটোও দ্বাদশ শ্ৰেণীলৈ দাবী কৰি আছে। চাৰ, মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু শিক্ষা মন্ত্ৰীয়ে কেবিনেট মিটিং পাতি এইখিনি নকৰাৰ বাবে Indigenous Tribal Sahitya Sabha ই দিল্লী পালেগৈ। ২০ জুলাইৰ পৰা ২৬ জুলাইলৈ প্ৰধান মন্ত্ৰী, গৃহ মন্ত্ৰী, অৰ্জুন মুণ্ডা (জনজাতি পৰিক্ৰমা মন্ত্ৰী) ৰ appointment বিচাৰি দিল্লীত আছিল। কিন্তু প্ৰধান মন্ত্ৰী আৰু গৃহ মন্ত্ৰীক লগ নাপালে যদিও ৰাষ্ট্ৰপতিক তেওঁলোকে স্মাৰক পত্ৰ দিলে। অৰ্জুন মুণ্ডাক তেওঁলোকে লগ পালে। অৰ্জুন মুণ্ডাই কি কৈছে জানে নে? তেওঁ Delegationক কৈছে-অসম চৰকাৰে কি কৰি আছে? কিয় দিয়া নাই? মই তেওঁলোকলৈ strong letter লিখিম। ৰাষ্ট্ৰপতিয়ে অসমৰ Tribal Affairs Department ৰ সচিবলৈ কিয় কৰা নাই বুলি সুধি চিঠি লিখিছে। আপোনালোকে চিঠি পাইছে। চাৰ, Indigenous Tribal Sahitya Sabha ই এনেই বিচৰা নাই। এইটোত আমাৰ সাংবিধানিক অধিকাৰ আছে। ভাৰতীয় সংবিধানৰ অনুচ্ছেদ ৩৫০ (ক) ত লিখা আছে যে প্ৰাথমিক পৰ্যায়ত শিক্ষাৰ মাধ্যম নিজৰ ভাষাত হ'ব লাগে। Right to Education Act, 2009, ৰাষ্ট্ৰীয় শিক্ষা নীতি, ২০২০ তো লিখা আছে। আপোনালোকে minutes ও গ্ৰহণ কৰিছে, সকলোখিনি কৰিছে, কিন্তু আপোনালোকৰ হৈ যোৱা ১০০খন কেবিনেট মিটিঙত মিচিং, ৰাভা, দেউৰী, টিৱাৰ কথা নুলিয়ালে। শিক্ষা মন্ত্ৰী হিচাপে আপোনাৰ পৰা এনে অন্যায়, অবিচাৰ হ'ব বুলি মিচিং, ৰাভা, দেউৰী, টিৱাসকলে আশা কৰা নাছিল। এই কাৰণে মই চৰকাৰক এতিয়াও অনুৰোধ জনাইছো যে বড়ো ভাষাক যিদৰে দ্বাদশ শ্ৰেণীলৈকে দিলে, চাওতালী ভাষাই

নিবিচৰাকৈ যিদৰে শিক্ষাৰ মাধ্যম পালে তেনেকৈ মিচিং, ৰাভা, দেউৰী, টিৱা ভাষাকো পঞ্চম শ্ৰেণীলৈকে শিক্ষাৰ মাধ্যম কৰক। কাৰ্বি ভাষাক অষ্টম শ্ৰেণীলৈকে, টিৱাক কাৰ্বি আংলঙত পঞ্চম শ্ৰেণীলৈকে আৰু ৰাভা ভাষাক দ্বাদশ শ্ৰেণীলৈকে শিক্ষাৰ মাধ্যম কৰিবলৈ অনুৰোধ কৰিছো। চাৰ আপুনি উপাধ্যক্ষ, আপুনিও মোৰ দৰে ট্ৰাইবেল মানুহ। আপোনাকো মই অনুৰোধ জনাইছো যদি শিক্ষা মন্ত্ৰীয়ে নকৰে তেন্তে আপুনি মুখ্যমন্ত্ৰী মহোদয়ৰ লগত কথা পাতক। আপুনি মিচিং, ৰাভা, দেউৰী, টিৱা, কাৰ্বি ভাষাক শিক্ষাৰ মাধ্যম কৰাৰ ক্ষেত্ৰত সহায় কৰক, আমাক বচাওঁক। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। মাননীয় সদস্য -শ্ৰী ফণীভূষণ চৌধুৰী।

**শ্ৰী ফণীভূষণ চৌধুৰী (বঙাইগাওঁ)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আচলতে এতিয়া amendment টোৰ ওপৰত ক'ম নে গোটেই শিক্ষা ব্যৱস্থাটোৰ ওপৰত ক'ম এনেধৰণৰ প্ৰশ্ন মোৰ নিজলৈ আহিছে। যিয়েই নহওঁক মই মোৰ বক্তব্যখিনি amendment ৰ ওপৰতে সীমাবদ্ধ ৰাখিম।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে বিগত কাৰ্যকালত ২০১৭ চনত কটন কলেজ বিশ্ববিদ্যালয় বিধেয়ক আনিছিল। বজালী কলেজক ভট্টদেৱ বিশ্ববিদ্যালয়লৈ upgradation কৰিছিল। সেই upgradation কৰাৰ সময়ত এটা কথা উল্লেখ আছিল যে- A Joint Secretary, Department of Higher Education, Govt. of Assam nominated by Govt. shall act as the first Registrar of the University until a regular Registrar is appointed. তাৰে Clause 55 ৰ sub-clause 10 ত আৰু এটা কথা উল্লেখ আছিল যে- The present Principal of Bajali College shall hold an administrative/academic post deemed appropriate to the rank, qualification , and status of the incumbent. এই provision টো ৰাখিছিল। ঠিক তেনেদৰে, ২০১৭ চনত কটন কলেজ বিশ্ববিদ্যালয় বিধেয়কখন অনা হৈছিল, তাত আছিল যে-A Joint Secretary, Department of Higher Education, Govt. of Assam nominated by Govt. shall act as the first Registrar of the University until a regular Registrar is appointed. এই কথাখিনি ভট্টদেৱ বিশ্ববিদ্যালয় আৰু কটন বিশ্ববিদ্যালয়ৰ Registrar নিযুক্তিৰ ক্ষেত্ৰত উল্লেখ আছিল। কিন্তু, এইবাৰ নগাওঁ কলেজকে আদি কৰি শিৱসাগৰ, বঙাইগাওঁ আদি ৬ খন কলেজৰ যি বিধেয়ক আনিলে, সেই ক্ষেত্ৰত ক'লে যে-Notwithstanding anything contained in the Act, the first Registrar of Bongaigaon University shall be the existing Principal of the Bongaigaon College till the completion of the remaining term as Principal. আগতে ভট্টদেৱ বিশ্ববিদ্যালয় আৰু কটন বিশ্ববিদ্যালয়ৰ ক্ষেত্ৰত যি আছিল, সেইটো নকৰি এইবাৰ এই ৬ খন বিশ্ববিদ্যালয়ত Principal বিলাকেই first Registrar হ'ব বুলি বিধেয়কখনত আনিলে। মই বঙাইগাওঁ কলেজৰ ক্ষেত্ৰত ক'ব বিচাৰিছো যে বৰ্তমান যিগৰাকী principal আছে, তেওঁৰ দিনত আপোনালোকে বহুখিনি কাকতে পত্ৰই পাই আছে। এতিয়া অসমৰ বিভিন্ন কলেজত assiastant professor appointment হৈছে, আমাৰ বঙাইগাওঁ কলেজত assiastant profeser appointment হোৱা নাই ।৬ টা পদ খালী আছিল এটাতো appointment নহ'ল। বঙাইগাওঁ কলেজৰ ক্ষেত্ৰত UGC unlisted ত হৈছে। আজিৰ পৰা কেইবাদিন আগতে বঙাইগাওঁ কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে আন্দোলনত নামিছে খোৱাপানীৰ অভাৱ আৰু বহুত কিবা কিবি নাই। আপোনালোকে TV, বাতৰিকাকত

আদিত নিশ্চয় পাইছে। বঙাইগাওঁ বাসী ৰাইজে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছে যে বঙাইগাওঁ কলেজখন university লৈ upgrade হ'ব লাগে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বঙাইগাওঁ বাসী ৰাইজৰ আবেদনক সহাৰি জনাই বঙাইগাওঁত university ঘোষণা কৰিলে। বঙাইগাওঁবাসী ৰাইজে তেখেতক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছে। আমি বিছাৰিছো যে বঙাইগাওঁ university খন ভাল হওক। কিন্তু আমাৰ লগতে বঙাইগাওঁ কলেজৰ অধ্যাপক সকলৰ শংকা যে এই গৰাকী অধ্যক্ষই যদি তাত registrar হিচাপে থাকে, তেনেহ'লে সেই university খন সঠিকমতে পৰিচালিত নহ'ব। সেয়েহে বঙাইগাওঁবাসী ৰাইজে বিচাৰিছে যাতে অন্তত ৰেজিষ্ট্ৰাৰজন বঙাইগাওঁ কলেজৰ ক্ষেত্ৰত বাহিৰৰ পৰা যাতে চৰকাৰে বিচৰা ধৰণে যাতে নিযুক্তি দিয়ে। সেই কাৰণে মই amendment টো আনিছো। এই ক্ষেত্ৰত যিহেতু অকল বঙাইগাওঁ বিশ্ববিদ্যালয়ৰ ক্ষেত্ৰত amendment টো আনিলে বেয়া কথা হ'ব বুলি ভাবিয়ে মই ৬ খন university ৰ ক্ষেত্ৰত আনিছো। আমি কি বিচাৰিছো সেই কথাখিনি পাঠ কৰি দিছো- Not withstanding anything contained in the Act the present Principal of the college shall hold the post professor or registrar or any other academic administrative post deemed appropriate to the rank, status and qualification of the incumbant. গতিকে মই ভাৰো মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াই এই ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি আমি যিটো amendment আনিছো এইটো যাতে তেওঁ গ্ৰহণ কৰে, তাৰবাবে মই তেখেতক অনুৰোধ জনাইছো।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য কমলাক্ষ্য দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি বহুত কেইটা university ৰ bill অনা হৈছে, এইটো ভাল কথা। শৈক্ষিক পৰিৱেশ এটা লাগে। কিন্তু মই যি দেখিলো আগতে যিটো fair & lovely আছিলে এতিয়া সেইটো glow & lovely হৈছে। নামটো পৰিৱৰ্তন হৈছে। গুৰুচৰণ university য়ে কওক বা অন্য university আছে, কেম্পাচ একেই। মাত্ৰ নামটো university কৰা হৈছে। এইক্ষেত্ৰত আপুনি কৈছে যে তাত টকা দিয়া হ'ব, infrastructure বঢ়োৱা হ'ব, এইটো ঠিকেই আছে। কিন্তু মই ভাৰো আজিৰ দিনত ধন্যবাদ জনাব লাগিব, যিসকলে গুৰুচৰণ কলেজ বনাইছিল বা যিমান কলেজ বনোৱা হৈছিল তেওঁলোকক। এই কলেজ সমূহ বনোৱাৰ কাৰণে আজি এই সমুহ university কৰিবলৈ সক্ষম হৈছে।

New Education Policy মতে NAAC ৰ aggregate মতে যেতিয়া কোনো কলেজে একেলেথাৰিয়ে তিনিবাৰ A grade পায়, তাৰ পাছত এই কলেজখন লাহে লাহে university লৈ ৰূপান্তৰিত কৰিব লাগে। মই ভাৰো যে এই NEP লাগু হোৱাৰ পাছতে লাহে লাহে প্ৰতিখন কলেজে স্বতন্ত্ৰ হোৱাৰ কাৰণে ইতিমধ্যে NEP ত কোৱা হৈছে আৰু ইয়াৰ মাজতে চৰকাৰে তেনেকুৱা কাম কৰি আছে। মই ভাৰো আজিৰ দিনত এই বিলখন আজি ৬ টা অনা হৈছে, আগন্তুক দিনত আন বহুতো কলেজ আনি এটা পৰিৱেশ সৃষ্টি কৰা হ'ব। কিন্তু মই ভাৰো আজিৰ দিনত নতুনকৈ কোনো university বনোৱা হৈছে, faculty দিয়া হৈছে তেনেকুৱা কৰা নাই। আগৰ কলেজ সমূহকে university লৈ ৰূপান্তৰিত কৰিছে।

মাননীয় উপাধ্যক্ষ মহোদয়, মই কেইটামান amendment লৈ যাওঁ। গুৰুচৰণ কলেজৰ

clause 18 (A),আৰু মই ভাৱো যিহেতু ইমান কেইটা বিল আহিছে একেলগে ইমানবোৰ বিল ভালদৰে অধ্যয়ণ কৰিবলৈ সময় একেবাৰে কম থাকে। তথাপিও যিখিনি বুজিছো মই যে তাত ex-officio member থাকে। তাতে দুইজন member দিয়া হৈছে। তাৰ মাজৰে এজন অসম বিধান সভাৰ সদস্য। কিন্তু কথাটো হৈছে যে আমি দেখা পাইছো যে হোজাই university ত vice chancellor লগত MLA ৰ এটা পৰিৱেশ হৈছে যিটো ভাইৰেল হৈ গৈছে। সেইকাৰণে মই ভাৱো এই যে MLA দুজন দিয়া হ'ব তাৰ কাৰণে local MLA এজন আৰু বেলেগ এজন MLA দিব লাগে। নহ'লে মই ভাৱো হোজাই কলেজৰ যিটো ঘটনা হৈছিল গোটেই অসমতে তাৰবাবে এটা বেয়া মেচেজ গৈছে।

One succesful entrepreneur to be nominated by the Governor. মই ভাৱো যে one successful entreprenuer should be nominated by the governor. মই কৈছিলো যে তাত এজন লোকেল হ'ব লাগে। Entreprenuer বুলি কওঁতে হয়তো কোনো finance company ৰ স্বত্বাধিকাৰী হৈ যাব পাৰে। সেইকাৰণে এইটো specific কৈ দিব লাগে যে entreprenuer জন লোকেল হ'ব লাগে বুলি।

মাননীয় উপাধ্যক্ষ মহোদয়, মই দেখিলো যে তাত পেনচনৰ কথা কোৱা হৈছে, দৰমহাৰ কথা কোৱা হৈছে। মোৰ লাগিছে এই DHE য়ে এই কামবোৰ কৰিব। কিন্তু promotion ৰ ক্ষেত্ৰত তাত কোনো কথা কোৱা হোৱা নাই। মই ভাৱো যে এই promotion টো তাত include কৰিব লাগে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, বায়োট্যাকনোলজি, এনভ্যারমেন্ট সায়েন্স,বিজনেস এডমিনিস্ট্রেসন কমপিউটার সায়েন্স, মাস কমিনিকিউসন সেই ক্ষেত্রে আমি বলতে চাই যে সেল্ফ ফাইনেন্সিং যেগুলো বিভাগ আছে সেই বিভাগের ক্ষেত্রে এগিয়ে নেওয়ার জন্য সরকার যাতে তৎপরতা নিয়ে থাকে। কারন আমরা যে আইন পাস করব সেই আইন পাস যাতে মানুষের উপকারের জন্য হয়। সেই ক্ষেত্রে আমার মন্ত্রী মহোদয়ের কাছে অনুরোধ থাকবে এবং বিশেষ করে এখানে এই বিলের মধ্যে আরও অনেক কথা আমরা দেখতে পেয়েছি সেগুলি যদি আমরা ভালো করে খুটিনাটি অধ্যয়ন করি তাহলে আমরা দেখতে পারব সেগুলো যদি সামনের দিনে এগুলোর এমেন্ডম্যান্ড না করলে, ইউনির্ভসিটির মত বিল এখানে উত্থাপন হচ্ছে সেই বিল আমরা জানি যে সমর্থন না করলেও পাস হবে। কারণ এই মেজোরিটি আপনাদের আছে। আপনারা করতে পারবেন তাই যেহেতু আপনাদের মেজোরিটি আছে তাই আমি মনে করি মেজোরিটির বলে সেই জিনিষটি না করে সেগুলো ভালো করে এমেন্ডমেন্ট করা হোক না করলে এগুলো সামনের দিনে বিপদ সৃষ্টি হতে পারে। আমি একটি কথা বলব আসাম ইউনির্ভসিটি একটি এফিলিটেড ইউনির্ভাসিটি এবং গুরুচরণ কলেজ হচ্ছে নন এফিলেটেডকে এফিলেটেড করতে যাচ্ছেন। আমার আমার অনুরোধ থাকবে যে আসাম ইউনির্ভাসিটি থেকে গুরুচরণ ইউনির্ভসিটি সামান্য ডিসটেন্স তো যেভাবে তেজপুরকে নন এফিলেটেড ইউনির্ভসিটি করেছেন গুরুচরণ কলেজকে নন এফিলেটেড করেন নাহলে দুটা ইউনির্ভাসিটির মধ্যে একটা কনফিউসন সৃষ্টি হতে পারে এবং আমি মনে করি সরকার যেভাবে পদক্ষেপ নিচ্ছে আজ গুরুচরণ কলেজ বলুন সামনের দিনে হাইলাকান্দিতে বলুন তারপর করিমগঞ্জে বলুন অর্থাৎ প্রত্যেকটি কলেজকে আস্তে আস্তে ইউনির্ভাসিটিতে রূপান্তরিত করা হব। সেই ক্ষেত্রে নন এফিলেটেড করা হোক এবং গুরুচরণ কলেজের যে ফেকাল্টি টিচার যারা আছেন তাদের কাজ করার সুযোগ করে

দেওয়া হোক কারণ ট্রেনসেফারের ক্ষেত্রে আপনাদের রুলস মতে হয়তো অনেক অসুবিধা আছে। সেই ক্ষেত্রে সরকার যাতে সচেষ্ট ভূমিকা থাকে সেটাই আমি অনুরোধ করছি।

**শ্ৰীৰামকৃষ্ণ ঘোষ, (হোজাই) ঃ** উপাধ্যক্ষ মহোদয়, হোজাই ইউনিৰ্ভাচিটি সন্দৰ্ভত মোৰ নাম ওলাইছিল । মই বাহিৰত শুনিছো , আপুনি যদি মোক পাৰ্মিশ্যন দিয়ে মই কথাটো ক্লিয়েৰ কৰিব বিচাৰো ।

**মাননীয় উপাধ্যক্ষ ঃ** কি ক'ব বিচাৰিছে ?

**শ্ৰীৰামকৃষ্ণ ঘোষ, (হোজাই) ঃ** মই ক'ব খুজিছো উপাধ্যক্ষ মহোদয়, তেখেতে ইউনিৰ্ভাচিটি সন্দৰ্ভত যিখিনি কৈছে মই যিটো শুনিছো কথাটো -কিবা কাজিয়াৰ কথা তেখেতে কৈছে- ।

**মাননীয় উপাধ্যক্ষ ঃ** তেখেতে নাম কোৰা নাই । এইটো লৈ কন্ট্ৰ'ভাৰ্চি হ'ব নালাগে। এতিয়া ৰূপক শৰ্মা ।

**শ্ৰীৰূপক শৰ্মা, (নগাওঁ) ঃ** উপাধ্যক্ষ মহোদয়, আচলতে মোৰ তেনেকুৱা ধৰণৰ এমেণ্ডমেন্ট নাই যিখন ইউনিৰ্ভাচিটি বিল আহিছে । মোৰ দুটা কথা ক'ব বিচাৰিছো যে - আজি আমাৰ বিধান সভাৰ বাবে এটা গৌৰৱৰ থল যে ৬ খনকৈ যে নতুন ইউনিভাৰ্চিটি বিল অনা হৈছে তাৰ লগত নগাওঁ মহাবিদ্যালয় অটোনোমাচ এতিয়া বিশ্ববিদ্যালয়লৈ ৰূপান্তৰকৰণৰ বাবে এইখন বিলৰ আলোচনা ইতিমধ্যে চলি আছে । মই গৌৰৱ অনুভৱ কৰিছো যে যিখন মহাবিদ্যালয়ৰ মই প্ৰাক্তণ ছাত্ৰ একতা সভাত আছিলো আৰু বৰ্তমান মই প্ৰাক্তণ ছাত্ৰ সন্মিলনীৰ মই সভাপতি । আজি সেই মহাবিদ্যালয়খন আজিবিশ্ববিদ্যালয়লৈ ৰূপান্তৰিত হ'ব । তাৰ কাৰণে মই বিশেষকৈ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু শিক্ষামন্ত্ৰী ডাঙৰীয়াক বিশেষভাবে ধন্যবাদ জ্ঞাপন কৰিছো । ১৯৪৭ চনৰ আগষ্টতে কেইজনমান শিক্ষাবিদ -ৰাজনীতিবিদক লৈ এই মহাবিদ্যালয়খন আৰম্ভ হৈছিলে । সেই সময়ত প্ৰাক্তণ মন্ত্ৰী মতীৰাম বৰা, হলধৰ ভূঞাঁকে ধৰি কেইজনমান সমাজ সচেতন ব্যক্তিয়ে এই মহাবিদ্যালয়খন আৰম্ভ কৰিছিল । য'ত সেই সময়ত পণ্ডিত যজ্ঞেশ্বৰ শৰ্মা মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাপক অধ্যক্ষ আছিল । আজি এই মহাবিদ্যালয়খন স্থাপন কৰা প্ৰতিগৰাকী নমস্য ব্যক্তিক শ্ৰদ্ধাৰে স্মৰণ কৰিছো । এই মহাবিদ্যালয় সাহিত্য, সংস্কৃতি, বিজ্ঞান, ক্ৰীড়া, ৰাজনৈতিক ক্ষেত্ৰত বহুতো অবদান আগবঢ়াইছে । সাহিত্য সভাৰ সভাপতি হৈছে , সেই সময়ত মাত্ৰ সাতজন ছাত্ৰৰে আৰম্ভ কৰা এই মহাবিদ্যালয় কালক্ৰমত অসমত এখন আগশাৰীৰ মহাবিদ্যালয় হিচাপে পৰিগণিত হৈছে । আমি যদি চাও সেই সময়ত অসম সাহিত্য সভাৰ প্ৰাক্তণ সভাপতি সাহিত্যিক- গল্পকাৰ, মহিম বৰা আছিল ফাৰ্ষ্ট বেষ্টৰ ছাত্ৰ । আমি সাহিত্য সভাৰ সভাপতিৰ পৰা অসমৰ মুখ্যমন্ত্ৰীলৈ আমি নগাও মহাবিদ্যালয়ৰ পৰা পাইছো। প্ৰাক্তণ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়া নগাও কলেজৰ প্ৰাক্তণ ছাত্ৰ । বিধায়ক ৰকিবুল হুছেইন ডাঙৰীয়াও নগাওঁ মহাবিদ্যালয়ৰ প্ৰাক্তণ ছাত্ৰ । গতিকে নগাও মহাবিদ্যালয় বিশ্ববিদ্যালয়লৈ ৰুপান্তৰ হৈছে এইটো এটা ঐতিহাসিক ক্ষণ আৰু এই ঐতিহাসিক ক্ষণত মই নিজে সাক্ষী হৈ এই পবিত্ৰ বিধান সভাত আছো । অতি গৌৰৱ অনুভৱ কৰিছো । মই পুনৰবাৰ ধন্যবাদ জনাইছো যে এই ছয়খন মহাবিদ্যালয়ক বিশ্ববিদ্যালয়লৈ ৰুপান্তৰ কৰাৰ বাবে এটা দিনত একেলগে বিধান সভাত বিল অনাটো এইটো এটা ঐতিহাসিক ক্ষণ আমি আশা কৰিছো , মই কেৱল এটা কথাই ক'ব বিচাৰিছো যে প্ৰতিখন বিশ্ববিদ্যালয় যাতে এটা বিশিষ্ট মানদন্দৰ যাতে হয় য'ত আমাৰ ফৰেনচিক চাইন্সে হওক , চাইবাৰ চিকিউৰিটিয়ে হওঁক, আৰ্টিফিচিয়েল ইন্টেলিজেন্স হওক , বা বিদেশী ভাষা যিবিলাক আছে - আধুনিক যুগৰ পাঠ্যক্ৰম যাতে সন্নিবিষ্ট থাকে - এটা বিশিষ্ট মানদন্দ থাকে যাতে আমাৰ অসমৰ ছাত্ৰ- ছত্ৰীৰ লগত ভাৰতবৰ্ষৰ যিকোনো

**ঠাইৰ পৰা ছাত্ৰ- ছাত্ৰীসকল আহি যাতে আমাৰ এই বিশ্ববিদ্যালয়ত অধ্যায়ণ কৰিব পাৰে । এইটো আশা কৰিছো আৰু চৰকাৰক পুনৰ ধন্যবাদ জনাই চমু বক্তব্য সামৰিছো, ধন্যবাদ।**

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য ভাস্কৰজ্যেতি বৰুৱা । চমুকৈ ক'ব আপোনালোকৰ দলৰ দুগৰাকী বক্তা ইতিমধ্যে ক'লে ।

**শ্ৰীভাস্কৰজ্যোতি বৰুৱা, (তিতাবৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি সঁচাকৈ গৌৰৱৰ দিন । ৬ খনকৈ ইউনিৰ্ভাচিটি আহিছে । কিন্তু ইউনিৰ্ভাচিটি বুলি যিটো বুজি পাওঁ - আপুনি এজন ডাক্তৰ মানুহ জানে - আমাৰ এই কলেজবোৰ নামত বিশ্ববিদ্যালয় হোৱাতকৈ যদি প্ৰকৃতাৰ্থত যদি সৰ্ব্বাঙ্গ সুন্দৰ আধুনিক বিশ্বৰ লগত ফেৰ মাৰিব পৰাকৈ এথনকৈ ইউনিৰ্ভাচিটি হয় তেতিয়া হ'লেহে আমাৰ গ'লটো এচীভ হ'ব । এতিয়া আমাৰ ছিট বহুত ক'ম আছে ইউনিভাৰ্চিটিবিলাকত । সেই কাৰনে বহু ল'ৰা ছোৱালীয়ে মাষ্টাৰ ডিগ্ৰি পঢ়িবলৈ নোৱাৰে । ইউনিৰ্ভাচিটিৰ বিল্ডিং, বিলাক ভাল হোৱাৰ লগতে ফেকাল্টি বিলাক ভাল হোৱাকৈ গঢ়িব লাগিব লগতে মই এটা কথা ভাবি আছিলো যে বিশেষকৈ বিদেশী ভাষা শিকিব পৰা ব্যৱস্থা থাকিব লাগিব যিটো মাননীয় ৰূপক শৰ্মা দেৱে ইতিমধ্যে কৈ গৈছে । বিশেষকৈ আমি জানো এতিয়া জাপানত মেডিকেল লাইনত কাম কৰিব পৰা বহু মানুহ লাগে । কিন্তু জাপানীজ ভাষা আমাৰ লৰা ছোৱালীয়ে নাজানে । বিশেষকৈ নৰ্থ ইষ্টৰ ল'ৰা ছোৱালীবিলাকক জাপান চৰকাৰে বিচাৰে বিশেষকৈ নাৰ্চিঙত বা পেৰা মেডিকেল লাইনত বহু অপৰচুনিটি থকা বুলি আমি জানো । গতিকে তেনেকৈ যদি চাইনীজ ভাষাটো যদি শিকে বা স্পেনিছ ভাষাটো শিকে, স্পেনিছ ভাষাটো ৱৰ্ল্ডৱাইড বহু দেশতে কোৱা হয় ইংৰাজীৰ পিচত গতিকে এই ফৰেইন লেংগুৱেজবিলাক যদি আমাৰ বিশ্ববিদ্যালয়বিলাকত যদি ইন্ট্ৰ'ডিউচ কৰা হয় তেতিয়া ইউনিৰ্ভাচিটিবিলাক এটা বেলেগ ৰূপ ল'ব বা নতুন মাত্ৰা লাভ কৰিব। এইখিনিকে কৈ মোৰ মক্তব্য মোখনি মাৰিলো ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ... মাননীয় সদস্য আশ্ৰাফুল হুছেইন । তেখেত নাই , এতিয়া মাননীয় সদস্য আমিনুল ইছলাম ।

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ), ধিং ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ইউনিৰ্ভাচিটি বিলৰ কনটেন্টটো একে গতিকে এখনৰ বিষয়ে ক'লে বাকী কেইখনৰো হৈ যায় । ইয়াতে নগাওঁ ইউনিভাৰ্চিটি বিল খনক মই আদৰণি জনাইছো নগাওঁ জিলাৰ বাসিন্দা হিচাপে । নগাওঁ চহৰখন এটা এডুকেশ্যনেল হাব। পাৰ্শ্বৱৰ্ত্তী এলেকা মৰিগাও, হোজাইঁ

দৰং , শোনিতপুৰ ইত্যাদি ওচৰৰ বিভিন্ন জিলাৰ পৰা লৰা ছোৱালীসকল নগাওঁত উচ্চ শিক্ষাৰ কাৰণে আহে । ইয়াৰ হায়াৰ চেকেণ্ডৰী লেভেললৈকে পঢ়িবলৈ অসমৰ বিভিন্ন জিলাৰ পৰা ছাত্ৰ-ছাত্ৰী আহে । আমি দেখিছো নগাও কলেজতো বিভিন্ন জিলাৰ ছাত্ৰ ছাত্ৰী থাকে । বহুপূৰ্ব্বে নগাও কলেজক বিশ্ববিদ্যালয় কৰিব লাগিছল কিন্তু যিয়েই হওঁক - নগাও কলেজখন নগাও চহৰৰ মাজ মজিয়াত অৱস্থিত । নগাও কলেজখন বিশ্ববিদ্যালয়লৈ উন্নীত হোৱাৰ লগে লগে আৰু কিছু আন্তগাঁথনিৰ প্ৰয়োজন হ'ব কিন্তু কলেজৰ মাটি বহু ক'ম আছে । মাটি বৃদ্ধি কৰাৰ তাত স্কোপ নাই , চাৰিও ফালে ব্যাৱসায়িক এলেকা আছে , ৰাস্তা ইত্যাদি আছে । যিখিনি মাটি আছে তাত হয়তো মাল্টি ষ্টৰিড বিল্ডিং কৰি কাম কাজ চলাব পাৰিব কিন্তু হোষ্টেল ইত্যাদি নিৰ্মাণ কৰিবলৈ , নতুন নতুন ফেকাল্টিৰ বাবে আৰু মাটিৰ প্ৰয়োজন হ'ব । এই বিলখনত কিন্তু সেই কথাটো আমি পোৱা নাই । যিহেতু ইউনিৰ্ভাচিটি হ'ব তাৰ বাবে বিল্ডিঙৰ প্ৰয়োজন হ'ব আৰু স্পেচ লাগিব। বিলখনত এটা কথা পালো যে ইয়াত কি কি পাঠ্যক্ৰম হ'ব, কি চাবজেক্ট থাকিব সেইটো ইউনিৰ্ভাচিটি

বডিয়ে সিদ্ধান্ত ল'ব । সমগ্ৰ অসমৰ মধ্যস্থল হ'ল নগাওঁ জিলা আৰু মধ্যস্থান আৰু জনবসতিপূৰ্ণ জিলা হিচাপে নগাওঁ চহৰত বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী বহুত বেছি হ'ব আৰু ইয়াত আমি ভাৱো যে Faculty বা বিষয় বহুত বেছি ইয়াত provision আছে, দিয়াৰ প্ৰয়োজনীয়তা আছে। কিন্তু ভূমিৰ সংকত আৰু space লাগিব। গতিকে তাৰ কাৰণে চৰকাৰে এই বিল খনত যদি উল্লেখ কৰা নাই চৰকাৰে এইটো expansion কৰি যাতে বেছি বিষয় হয়, ক্ৰোছ যাতে বেছিকৈ ল'ব পৰা যায় তাৰ চিন্তাটো কৰিব লাগে আৰু দ্বিতীয়তে আমি আৰু এটা সংশোধনী প্ৰস্তাৱ আনিছো যে ইয়াত যিটো University Code দিয়া হৈছে তাত যিখিনি মেম্বাৰ লোৱা হ'ব এই member ঠিকেই আছে বাকী খিনি আৰু ex-officio যি খিনি member যিখিনি লোৱা হ'ব তাত আমি এটা সংশোধনী প্ৰস্তাৱ আনিছো যে অসম বিধান সভাৰ পৰা দুগৰাকী সদস্য যাতে ইয়াত দিয়া হয়। কেৱল Nagaon University তে নহয়, আৰু যে ৭ খন বিশ্ববিদ্যালয়ৰ বিল ইয়াত আহি আছে। কিন্তু আমি দেখিছো যেনেকৈ Gauhati University, Dibrugarh University, Cotton Universityত যেনেকৈ অসম বিধান সভাৰ পৰা দুগৰাকীকৈ সদস্য নিৰ্বাচিত কৰি দিয়া হৈছিল, অসমত যিমান University হৈ আছে বা হ'ব মই নগাঁও বিশ্ববিদ্যালয়ৰ বিলৰ আলোচনাত কৈ দিলো কিন্তু প্ৰস্তাৱটো আমাৰ সকলো বিশ্ববিদ্যালয়ৰ কাৰণে থাকিব লাগে যে প্ৰত্যেক বিশ্ববিদ্যালয়ত দুজনকৈ ল'ব লাগে আৰু আমাৰ বিধায়ক ১২৬ গৰাকী আছেই, এনেকুৱা নহয় যে আমি কম বিধায়ক, কিমানত দিম। ১২৬ জন আছে মিলাই মিলাই দিলে হ'ল। কিন্তু প্ৰত্যেক বিশ্ববিদ্যালয়ত বিধান সভাৰ দুগৰাকী সদস্য থকাতো দৰকাৰ উচ্চ শিক্ষাৰ লগত জড়িত থাকিব। তাৰ লগতে ইয়াত existing Principal ৰ যিটো কথা আহিছে, কেইবাগৰাকীয়ে প্ৰস্তাৱত দিছে যে Registrar হিচাপে, সেই কথাখিনিও ইয়াত স্পষ্টকৈ উল্লেখ নাই। বস্তুটো clear কৰি দিব লাগে। পুনৰবাৰ মই চৰকাৰক ধন্যবাদ জনাইছো আৰু ভাৱো যে University ৰ কথাটো পূৰ্ণাংগৰূপত হয় কেৱল নামমাত্ৰ কম ফেকাল্টিত যাতে নচলে সেই কথাটো অনুৰোধ জনাই মোৰ বক্তব্য সামৰিছোঁ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য বিদ্যাসিং ইংলেঙ , আপুনি এক মিনিটত শেষ কৰিব।

**শ্ৰীবিদ্যাসিং ইংলেঙ, (ডিফু) ঃ** ধন্যবাদ উপাধ্যক্ষ ডাঙৰীয়া, মই উঠোৱা পইন্টোৰে আনন্দ প্ৰকাশ কৰিছোঁ। যি বিলাক বিশ্ববিদ্যালয় establish কৰিব বিল উত্থাপন কৰিছে অহেক অহেক ধন্যবাদ। মই কও first Assembly হওঁতে বা Budget হওঁতে Karbi Anglong State University সেইটো কেনেকৈ result হৈছে, হ'ব নে নহ'ব আৰু Diphu Campus টো কোনোবা পৰ্য্যায়ত Central University হ'ব সেইটোও এই billৰ লগতে মন্ত্ৰী ডাঙৰীয়াই reply দিওতে এই কাৰ্বিআংলঙৰ কথা যাতে উল্লেখ কৰে তাকে অনুৰোধ জনাই মোৰ বক্তব্য সামৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** ঠিক আছে, thank you Hon'ble Minister.

**ডাঃ ৰনোজ পেগু (শিক্ষামন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৬ খনকৈ বিল ৬ নতুন বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰাৰ কাৰণে আহিছে আৰু এই বিশ্ববিদ্যালয়ৰ প্ৰসংগত আলোচনা কৰিবলৈ গৈ মাননীয় বিধায়ক ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াই প্ৰাথমিক প্ৰৰ্য্যায়ৰ LP School ৰ মাধ্যম বিষয়টো ইয়াত উত্থাপন কৰিলে, এইটো আচলতে out of context. তথাপিতো মই সেই বিষয়ে উত্তৰ দিম। প্ৰথমে মই বিশ্ববিদ্যালয় কেইখনৰ সম্পৰ্কে কেইটামান কথা কব বিচাৰিম আৰু শেষত মাননীয়

বিধায়ক ভৰত নৰহ ডাঙৰীয়াৰ মাধ্যমৰ যিখিনি কথা উল্লেখ কৰিলে তাত মই উত্তৰটো জনাম। আশা কৰো তেখেতে তেতিয়ালৈ ধৰ্য্যধৰি থাকি শুনিব। মাননীয় অধ্যক্ষ মহোদয়, বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ৰ পাৰ্থক্য এইটোৱে যে বিশ্ববিদ্যালয় এখনৰ কতৃত্ব থাকে তেওঁ certificate degree ৰ দিব পাৰে, মহাবিদ্যালয় এখনে নিজাববীয়াকৈ কোনো certificate degreeৰ দিব নোৱাৰে। যদি আমাৰ যিকোনো শিক্ষানুষ্ঠান যেতিয়া certificate এখন বা degree এটা প্ৰদান কৰিব লাগে তেনেহলে বিধান সভাৰ এটা অথবা parliamentৰ এক অনুমোদন লাগিব। সেই কাৰণে যেতিয়া SEBA প্ৰতিষ্ঠা হৈছিল matric পৰীক্ষা অনুষ্ঠিত কৰি certificate দিয়াৰ কাৰণে বিধান সভাই bill pass কৰিছিল। Assam Higher Secondary Education Council হৈছিল বিধান সভাই bill pass কৰিছিল। আৰু আমি বিশ্ববিদ্যালয় বিলাক প্ৰতিষ্ঠা হৈছে বিশ্ববিদ্যালয় বিলাকে degree প্ৰদান কৰে আৰু মহাবিদ্যালয় বিলাকে যিহেতু নিজে ডিগ্ৰী প্ৰদান কৰিব নোৱাৰে সেই কাৰণে মহাবিদ্যালয় এখন বিশ্ববিদ্যালয়ৰ অধীনত affiliation ল'ব লগা হয় অৰ্থাৎ বিশ্ববিদ্যালয় খনে সেই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ কাৰণে পৰীক্ষা অনুষ্ঠিত কৰি ফলাফল ঘোষণা কৰি তাত degree প্ৰদান কৰে। এতিয়া বিশ্ববিদ্যালয় সমূহৰ মানদণ্ড লাহে লাহে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়ি আহিছে বিশ্ববিদ্যালয় এখনত বিদ্যায়তনিক ভাৱে তাৰ যি বিকাশ হ'ব লাগে সেই বিকাশত আমি দেখা পাইছো যে তেওঁলোকৰ affiliated কলেজৰ যিটো বোজা যে বহুত কলেজৰ বোজা ল'ব লাগে বহুত কলেজৰ কাৰণে পৰীক্ষা পাতিব লাগে আৰু তাত ব্যস্ত থাকোতে নিজৰ যি গুণগত উন্নয়ন হ'ব লাগে সেই ঠাইত তেওঁলোকে focus কৰিব নোৱাৰা হৈ যায়। সেই কাৰণে এতিয়া নতুন নতুন বিশ্ববিদ্যালয় খিনি প্ৰতিষ্ঠা হৈ যাব আমাৰ এতিয়া বৰ্তি থকা গুৱাহাটী বিশ্ববিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয় যাৰ কান্ধত আটাইতকৈ বেছি সংখ্যক মহাবিদ্যালয় আছে তেওঁলোকৰ বোজাতো বহুত পৰিমাণে পাতলি যাব। বিশ্ববিদ্যালয় একোখন হোৱাৰ কাৰণে যিখিনি UGCয়ে norms বান্ধি দিছে সেই UGC norms মতে তাৰ infrastructure আটাইতকৈ এখন non-affiliating বিশ্ববিদ্যালয় হলে কেৱল নিজৰ campusটো হলেই হ'ল, কিন্তু তাৰ পৰা আৰম্ভ কৰি affiliated যিমান বিলাক College ৰ সংখ্যা বাঢ়ি গৈ থাকিব সিমান এটা বিশাল পৰিষৰ থাকে। গতিকে আমাৰ ২০ বিঘা, ২৫ বিঘা মাটিত প্ৰতিষ্ঠিত হোৱা বিশ্ববিদ্যালয়ৰ পৰা আৰম্ভকৰি ৫০০০ বিঘা সামৰি একোখনকৈ বিশ্ববিদ্যালয় আছে। কিন্তু আমি অসম চৰকাৰে নিৰ্দ্ধাৰণ কৰিছো যে minimum ১০০ বিঘা মাটিকালিৰ এখন বিশ্ববিদ্যালয়ৰ হ'ব লাগে আৰু সেই অনুপাতে আন্তগাঠনিও তেনেকুৱা হ'ব লাগে। আমি department 5 লৈও আৰম্ভ কৰিব পাৰো। এই ৫ টা departmentলৈ যদি আমি আৰম্ভ কৰো তাত UGCৰ মতে যি minimum faculty থাকিব লাগে 1 professor, 2 Associate Professor, 4 Assistant Professor থাকিব লাগিব। কিন্তু আৰম্ভণি পৰ্য্যায়ত তাতকৈ অলপ কম সংখ্যা হলেও UGC য়ে আমাক জনাইছে যে আমি আপোনালোকক স্বীকৃতিটো প্ৰদান কৰিম। কিন্তু লাহে লাহে যেতিয়া ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়ি যাব আপোনালোকে infrastructureও বৃদ্ধি কৰিব লাগিব আৰু facultyও বৃদ্ধি কৰিব লাগিব। এতেকে আমি এতিয়া শিৱসাগৰ, যোৰহাট জে. বি. কলেজ, নগাঁও কলেজ, বঙাইগাও মহাবিদ্যালয়, গুৰুচৰণ মহাবিদ্যালয় আৰু উত্তৰলখিমপুৰ মহাবিদ্যালয় এই মহাবিদ্যালয় কেইখনক আমি বিশ্ববিদ্যালয়লৈ উন্নিত কৰিম। অৰ্থাৎ তাত ইতিমধ্যে আন্তগাঠনি আছে। সেই আন্তগাঠনিৰ লগত নতুন আন্তগাঠনি আমি সংযোগ কৰিম তাৰ কাৰণে ১০

কোটি টকা ধাৰ্য্য কৰা হৈছে আৰু প্ৰত্যেকখন আইনতে এই কথাটো লিখা আছে যে প্ৰয়োজন সাপেক্ষে যেতিয়াই এই বিশ্ববিদ্যালয় সমূহে এটা second campus প্ৰতিষ্ঠা কৰিব বিচাৰিব, যেনে আমি কোক্ৰাঝাৰ ৰ ক্ষেত্ৰত লাহে লাহে আগবাঢ়িছো যে কোক্ৰাঝাৰ বিশ্ববিদ্যালয়ৰ দ্বিতীয় এটা কেম্পাছ ওডালগুৰিত প্ৰতিষ্ঠা কৰা হ'ব। গতিকে সেই অনুযায়ী এই বিশ্ববিদ্যালয় সমূহৰ মাটি-কালি যদি আমি একে লগে contiguous এটা এৰিয়াত যদি সম্প্ৰসাৰণ কৰিব পাৰো তাতে সম্প্ৰসাৰিত হ'ব নহ'লে এই বিশ্ববিদ্যালয়ৰ কাৰণে প্ৰয়োজন সাপেক্ষে এটা second campus প্ৰতিষ্ঠা কৰাৰ সিদ্ধান্ত এই বিশ্ববিদ্যালয়ৰ কতৃত্ব থাকে তেওঁলোকৰৰ Executive Council থাকে Executive Council ৰ সিদ্ধান্ত মৰ্মে চৰকাৰৰ সহযোগীতাত আমি আগবঢ়াই লৈ যাম। ইয়াত প্ৰশ্ন এটা আহিছে যে Principal জনৰ কি হ'ব? আমি আইন খনত এটা ব্যৱস্থা কৰিছিলো যে প্ৰিন্সিপাল জনৰ বাকী থকা কাৰ্য্যকালৰ কাৰণে তেওঁৰে University খনৰ Registrar হ'ব। আৰু Registrar জনৰ তেওঁৰ কাৰ্য্যকাল শেষ হোৱাৰ পিছত আইন খনত যিমতে বিধি দিছে সেই মতে যি মতে নিয়ম দিছে সেই নিয়মত নতুন Registrar recruitment হ'ব। ইয়াতে মাননীয় সদস্য ফনিভূষণ চৌধুৰী ডাঙৰীয়াই তেখেতে এটা Amendment আনিছে, সেই এমেণ্ডমেন্টৰ যোগেদি তেখেতে কব বিচাৰিছে যে Registrar নহয়, প্ৰয়োজন সাপেক্ষে তেখেতক অসম চৰকাৰৰ অন্যান্য বিষয় বাবতো নিয়োগ কৰিব পাৰে যাতে for the remaining period of term not with standing anything contain in this Act the present principal of the College shall hold the post position of the Register or any other academic administrative post deemed appropriate to the rank status and qualification of the incumbent. আৰু এনেকুৱা এটা দৃষ্টান্ত আমাৰ আছে, কটন মহাবিদ্যালয়ত যেতিয়া বিশ্ববিদ্যালয়লৈ উন্নীত কৰা হৈছিল সেই সময়ৰ কটন মহাবিদ্যালয়ৰ যি অধ্যক্ষ আছিল ড০ নিৰদা দেৱী ডাঙৰীয়ানী, তেখেতে তাৰ পাছতে SCERT ৰ Director হিচাপে অসম চৰকাৰত তেখেতে যোগদান কৰিছিল। তাত তেখেতক নিয়োগ কৰা হৈছিল। এতেকে মই ভাবো মাননীয় ফণীভূষণ চৌধুৰী ডাঙৰীয়াই যিটো amendment আনিছে আমি দিয়া প্ৰস্তাৱটো আছে। তাৰ লগত তেখেতেor দি এটা বাক্য যোগ কৰিছে, যে any other academic administrative post deemed appropriate to the rank status and qualification of the incumbent এইটো মই ভাবো যিহেতু এইটো গ্ৰহণ কৰিব পৰা যায় এইটো আমি গ্ৰহণ কৰিম amendmentটো। ইয়াৰ পাছত অন্য যিকেইটা কথা উল্লেখ কৰিছে self finance ৰ কথা উল্লেখ কৰিছে self finance course সম্পৰ্কে আমি এতিয়া এই আইনখনত কোনো কথা দিব বিচৰা নাই কাৰণ self finance course ৰ নামত বিভিন্ন ধৰণে কন্ট্ৰেকচুৰেল teacherৰ নিযুক্তি হয়, যি আমাৰ ষ্টেটৰ Assam Financial Rules and Budget Management Act ৰ পৰিপন্থিও হয় আৰু under qualified শিক্ষক নিযুক্তি দিয়াৰ কাৰণে UGC য়েও ইয়াত আপত্তি দৰ্শাই। গতিকে Self Finance Course সম্পৰ্কে এইখন আইনত একো নাই এই সম্পৰ্কে খুব সোনকালে চৰকাৰে এটা policy ঘোষণা কৰিব। আৰু সেই policy লৈ পৰৱৰ্তী সময়ত এইবিলাক course কেনেদৰে পৰিচালিত হ'ব বা নহ'ব বা ইয়াত upgrade কৰা হ'ব। সেই সম্পৰ্কে আমি সিদ্ধান্ত গ্ৰহণ কৰিম। এই বিশ্ববিদ্যালয় কেইখনে আমাৰ gross enrollment ratio higher educationত বৃদ্ধি কৰাত আমাক সহায় কৰিব। উচ্চ শিক্ষা যথেষ্ট পৰিমানে সহজ হ'ব বিশেষকৈ

এটা কাৰণত যে আগতে আমাৰ বিশ্ববিদ্যালয় কেৱল post graduate পাঠ্যক্ৰম আছিল। বিশ্ববিদ্যালয়ত আগতে under graduate course নাছিল। বিশ্ববিদ্যালয়ে নিজে under graduate course পৰিচালনা নকৰে। under graduate course বিলাক মহাবিদ্যালয় বিলাকে পৰিচালনা কৰে। কিন্তু যেতিয়া এতিয়া আমাৰ NEP আহিল আৰু ইয়াৰ লগে লগে NEP ৰ অধীনত all higher educational institutions কলেজ হওঁক, বিশ্ববিদ্যালয় হওঁক তেওঁলোকে যিটো 4year 4year under graduate course এই 4year under graduate course ও তেওঁলোকে পৰিচালনা কৰিব লাগিব। ইতিমধ্যে ডিব্ৰুগড় ইউনিভাৰচিটি, গুৱাহাটী ইউনিভাৰচিটি দুয়োখন ইউনিভাৰচিটিয়ে প্ৰস্তুতি চলাইছে। অৰ্থাৎ ইউনিভাৰচিটিত কেৱল MA, M.Sc., M. Com. বা Master Degree ৰ কাৰণে ইউনিভাৰচিটিত পোণপতীয়া কেম্পাচ এডমিশ্যন নহয়, তাত under graduate course বিলাকৰ কাৰণেও তাতে এডমিশ্যন হ'ব। অৰ্থাৎ বিশ্ববিদ্যালয়ৰ কেম্পাচৰ ভিতৰত UG, PG,course আদি দুই ধৰণৰ course আমি পৰিচালনা কৰিব পাৰিম। jurisdiction ৰ এটা যিকথা উল্লেখ কৰিছে। jurisdiction ৰ ক্ষেত্ৰত আমি খুব সোনকালে jurisdiction একোটা একোটা দিম । কিন্তু তাৰ লগে লগে অন্য এটা কথা আহিব সেই কথাটো হ'ল, যে একোখন মহাবিদ্যালয়ক multi disciplinary higher educational institution হিচাপে গঢ়ি দিছো। তাৰ কাৰণে সেই মহাবিদ্যালয়খনে এনেকুৱা যিমান পাৰে বেছি subject তেওঁলোকে introduce কৰিব এনেকুৱা হ'ব পাৰে যে মাধৱ দেৱ বিশ্ববিদ্যালয় আছে, মাধৱ দেৱ বিশ্ববিদ্যালয়ত যিখিনি subject. আছে, তাৰ ওপৰেঞ্চি বিষয় ছাত্ৰ-ছাত্ৰীয়ে যদি পঢ়িব বিচাৰে বা বিহপুৰীয়া কলেজখনে ওপৰেঞ্চি subject তেওঁলোকে introduce কৰিব বিচাৰে। এতিয়া মাধৱ দেৱ বিশ্ববিদ্যালয়ত Mass communication subject টো নাই। এতেকে মাধৱ দেৱ বিশ্ববিদ্যালয় Mass communication বিষয়টোৰ affiliation দিব নোৱাৰে কিন্তু J.B বিশ্ববিদ্যালয়, জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ত Mass communication আছে। তেনে স্থলত সামগ্ৰীক ভাবে বিহপুৰীয়া কলেজখন, মাধৱ দেৱ বিশ্ববিদ্যালয়ত affiliated হ'ব। কিন্তু Mass communication subject. টোৰ কাৰণে তেওঁলোকে ওপৰেঞ্চি এটা affiliation জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ পৰা তেওঁলোকে ল'ব পাৰিব। তাৰ মানে subject লৈ এখন মহাবিদ্যালয়ে এক বা একাধিক বিশ্ববিদ্যালয়ৰ পৰা তেওঁলোকে affiliation ল'ব পাৰিব। যাতে choise of subject ছাত্ৰ-ছাত্ৰী সকলক বহুকেইটা subject ত তেওঁলোকক সুবিধাটো দিব পৰা যায়। ইয়াত আৰু এটা amendment ৰ কথা কৈছে, যে ইউনিভাৰচিটিত একোখনকৈ এগজিকিউটিভ কাউঞ্চিল থাকে ফাইনেনচ কমিটি থাকে, তাত একোখনকৈ ইউনিভাৰচিটি কোৰ্ট থাকে, আৰু এই ইউনিভাৰচিটি কোৰ্টত আমি কিবা এটা কথাৰ কাৰণে ইয়াতে প্ৰস্তাৱ কৰা হোৱা নাছিল যে দুজনকৈ MLAক সদস্য অন্তৰভুক্ত কৰিব লাগে। এতেকে ইয়াত এটা amendment আহিছে। after sub Clause-1-24 of college clause 25 of the proposed Bill a new sub clause shall be added. Two representatives from Assam Legislative Assembly to be selected by the Hon'ble Speaker আৰু এই amendment টো আটাইকেইখন বিলৰ ক্ষেত্ৰতে আহিছে আৰু এইটো সকলো দিশ পৰীক্ষা নিৰিক্ষা কৰি চাই মই বিবেচনা কৰিছো এই amendment টো গ্ৰহণ কৰিব পৰা যায় এইটো আমি গ্ৰহণ কৰিছো। আন দুটা amendment এটা amendment আহিছে ৰেজিষ্টাৰজনৰ কাৰ্য্যকাল ৫ বছৰ নহয় ৪ বছৰ হ'ব লাগে। আমাৰ

